# নাম-ধৰ্ম

একষষ্ঠিতম বৰ্ষ ঃ প্ৰথম সংখ্যা

৫৬৩ শঙ্কৰাব্দ ঃ গুৰু আৱিৰ্ভাৱ সংখ্যা

সম্পাদক

বোধেশ্বৰ কাকতি

**শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

মূল কাৰ্যালয় ঃ নগাঁও (অসম)

২০১১ খ্ৰীষ্টাব্দ

**NAM-DHARMA :** *An organ of the Srimanta Sankaradeva Sangha, Published by Sahitya Sakha Samittee for and behalf of Srimanta Sankardeva Sangha. :* 563rd Sankarabda, October-2011

Editor : Bhudheswar Kakati Price Rs. 25.00

© **শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

আহিন ঃ ৫৬৩ শঙ্কৰাব্দ ঃ অক্টোবৰ,২০১১

**প্ৰকাশক ঃ**

সাহিত্য শাখা সমিতি
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

**সম্পাদনা সমিতি ঃ**

সভাপতি ঃ শ্ৰীজীৱকান্ত নাথ
সম্পাদক ঃ ড° জগত চন্দ্ৰ কলিতা
সদস্যসকল ঃ ড° প্ৰদীপ হাজৰিকা
ঃ ড° মহেশ্বৰ কলিতা
ঃ শ্ৰীবোধেশ্বৰ কাকতি, *(সম্পাদক, 'নাম-ধৰ্ম')*

**মূল্য ঃ** ২৫.০০ টকা

ছপা সংখ্যা ঃ ২,০০০ (দুই হাজাৰ)

**প্ৰাপ্তিস্থান ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মূল কাৰ্যালয় ঃ কলংপাৰ, নগাঁও
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ৰূপনগৰ, গুৱাহাটী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ যোৰহাট
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ লখিমপুৰ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ গৌৰীপুৰ, ধুবুৰী
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ কাৰ্যালয় ঃ ডিব্ৰুগড়
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সকলো জিলা শাখাৰ কাৰ্যালয়

**অক্ষৰ বিন্যাস ঃ**

শ্ৰীৰমেন মেধি
সত্যসন্ধা প্ৰেছ
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
শঙ্কৰী সংস্কৃতি কেন্দ্ৰ, ৰূপনগৰ, গুৱাহাটী-৩২

**মুদ্ৰণ ঃ**

মাতৃ অফ্‌ছেট প্ৰেছ,
হেদায়েৎপুৰ, গুৱাহাটী ঃ ৭৮১০০৩

জয় গুৰু শঙ্কৰ

# পদাধিকাৰৰ কলম—

# নামধৰ্ম

"কৃষ্ণ সূৰ্য্য ভৈলন্ত উদিত।
নামধৰ্ম্ম কৰিলা বিদিত।।" — ভাগৱত তাৎপৰ্য্য

মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱে 'নামধৰ্ম' সম্পৰ্কত ব্যাখ্যা ডাঙি ধৰিবলৈ গৈ উপৰিউক্ত ঘোষা ফাকি উল্লেখ কৰিছে। কীৰ্ত্তন পুথিত 'ভাগৱত-তাৎপৰ্য্য' শীৰ্ষক এটি খণ্ড মহাপুৰুষ গুৰুজনাই লিখি সন্নিৱিষ্ট কৰিছে। এই কথাৰ পৰা গুৰুজনাই প্ৰতিয়মান কৰিব খুজিছে যে এই জগতত কৃষ্ণৰ আৱিৰ্ভাৱ, নামধৰ্ম প্ৰকাশ কৰি সমস্ত লোকক কলিৰ পাপ সাগৰৰ পৰা উদ্ধাৰ কৰা বাবেই।

'ধৰ্ম'ৰ অৰ্থ বিভিন্ন পোৱা যায়। আমাৰ আলোচনা ধৰ্মৰ অৰ্থ হ'ল মনৰ যি প্ৰবৃত্তিৰ দ্বাৰা বিশ্ব নিয়ন্তা ভগৱন্তৰ প্ৰতি ভক্তি উপজে সেয়েই ধৰ্ম। ইয়াকে কোৱা হয় ঈশ্বৰ আৰু পৰকালত বিশ্বাস। ঈশ্বৰৰ উপাসনা কৰি ইহকাল আৰু পৰকাল দুয়োকালতে যাতে এটি সুন্দৰ জীৱনৰ গৰাকী হৈ থাকিব পৰা যায়। পৃথিৱীত ভিন্ন জাতিৰ নিজস্ব ধৰ্মমত, ধৰ্মপথ নিৰ্দ্ধাৰণ কৰা আছে। সেইবোৰ হ'ল হিন্দু জাতিৰ বাবে হিন্দু ধৰ্ম, মুছলমানসকলৰ ইছলাম ধৰ্ম, খ্ৰীষ্টানসকলৰ বাবে খ্ৰীষ্টান ধৰ্ম আদি। এই ধৰ্মসমূহৰ নিজস্ব ধৰ্ম শাস্ত্ৰ, আচাৰ-বিচাৰ আৰু প্ৰচাৰ পদ্ধতি নিৰ্দিষ্ট কৰি দিছে। আমি আলোচনা কৰিব খোজা 'ধৰ্ম' হ'ল 'নামধৰ্ম'।

এই 'নামধৰ্ম' শব্দটো নাম+ধৰ্ম— এই ধৰ্ম দুটা শব্দৰ সমষ্টি। ওপৰত নিৰ্দিষ্ট কৰা ধৰ্ম শব্দৰ অৰ্থৰ লগত 'নাম' শব্দ যোগ কৰা হৈছে। অৰ্থাৎ এই ধৰ্ম হ'ল 'নামধৰ্ম'। এতিয়া প্ৰশ্ন হ'ল এই নাম কাৰ নাম। এই নাম হ'ল সৃষ্টি, স্থিতি, প্ৰলয়ৰ পৰম কাৰণ নাৰায়ণৰ নাম। সৰল অৰ্থত ক'ব লাগিলে এই নাম ঈশ্বৰৰ নাম। যিহেতু 'নাম' আৰু 'নামী'— ভেদহীন, অভেদ। সেয়ে কোৱা হৈছে—

"যেই নাম সেই হৰি জানা নিষ্ঠ কৰি।
আপোন নামৰ সঙ্গ নাচাৰন্ত হৰি।।"

ধৰ্ম বিশ্বাস প্ৰকৃততে অনাদি কালৰ পৰাই মানুহৰ মন মগজুত ক্ৰিয়া কৰা এটি সৰ্বোত্তম উপায়। যাৰ যোগেদি আমি জীৱনক সঁচা অৰ্থত মানৱীয় ৰূপত সজাই-পৰাই তুলিব পৰা হৈছোঁ। এই বিশ্বাসৰ দ্বাৰাইহে দানৱীয় জিঘাংসাৰ অৱসান ঘটে। সৃষ্টি তত্ত্ব, ঈশ্বৰ, আত্মা-পৰমাত্মা আদি বিষয়বোৰ এই কথাৰ লগত পোনপটীয়াকৈ জড়িত।

ইতিহাসে ঢুকি নোপোৱা কালতে চিন্তাশীল মনীষীসকলে ধ্যানস্থ ৰূপত দেখা পালে এই পৰতত্ত্ব ঈশ, ভগৱানক। পিছৰজনেও ক'লে তেওঁ পোৱাজন সঁচা ৰসেৰে ভৰা; চৌদিশে কেৱল ৰস আৰু ৰস। এয়া ধৰ্মৰে গতি। মানুহৰ হৃদয় স্তম্ভত অঙ্কুৰিত হোৱা ধৰ্মৰ প্ৰথম বীজ। বেদ বেদান্তৰ মাজেদি সহস্ৰ বছৰে বাগৰি অহা এই ঈশ্বৰ বিশ্বাস যে প্ৰকৃততে মহান সত্য তাক প্ৰমাণ কৰিলে পিছৰ কালৰ মহাপুৰুষসকলে। তেত্ৰিশ কোটি দেৱতাৰ মাজত যে একমাত্ৰ বিষ্ণু কৃষ্ণইহে শ্ৰেষ্ঠ দেৱতা এই কথা শাস্ত্ৰত প্ৰমাণিত সত্য। "কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।" এই মহা সত্যক প্ৰমাণ কৰি প্ৰতিষ্ঠা কৰি গ'ল মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰে। সেই ঈশ্বৰ কৃষ্ণৰে 'নাম' হ'ল আমাৰ পৰম ধৰ্ম। সমস্তকে এৰি একমাত্ৰ কৃষ্ণ দেৱতে আত্মসমৰ্পণ কৰিব লাগিব। গুৰুজনাই ক'লে— "এক শৰণ হৰিনাম ধৰ্ম কহো ৰাজা কৰু পৰকাশ।" বেদৰ গুপুত বিত্ত 'নাৰায়ণ'। এই 'নাৰায়ণ' নাম নৰ সমস্তৰ বাবে সৰ্বোত্তমভাৱে কল্যাণ কৰ। বেদৰ একশৰণ হৰিনাম ধৰ্ম জগতত প্ৰকাশ কৰি লোক সমস্তৰ কল্যাণৰ বাবেই গুৰুজনাই প্ৰচাৰ কৰি গ'ল। এজন ঈশ্বৰ মাত্ৰ আমাৰ সেব্য। তেওঁ শৰণ্য দেৱতা। তেওঁ জগতৰ ঈশ্বৰ। তেওঁ অনন্ত কোটি ব্ৰহ্মাণ্ডৰ হৰি অধিকাৰী। এই বেদৰ ঈশ্বৰ হৰি আমাৰ সকলোৰে বাবে শৰণ্য দেৱতা; আশ্ৰয়ৰ স্থল। তেওঁৰ পৰাই আমি উপজিছোঁ, তেওঁতে আমি ক্ৰিড়িছো আৰু শেষত তেওঁতে আমি লয় পাম। সৃষ্টিৰ অন্য নাম

শব্দ। ইয়াক কোৱা হয় প্ৰণৱ মন্ত্ৰ। এই শব্দৰ দৃষ্টি আকাশৰ লগত। নাম ব্ৰহ্মাৰ পৰা ক্ৰম গতিত প্ৰপঞ্চ জগতখনৰ সৃষ্টি হৈছে। খ্ৰীষ্টানসকলৰ মতেও প্ৰথমতে দৃষ্টি হ'ল Word আৰু ক'লে Word was God বাইবেলৰ মতে in the beginning was the word and the word was with God and the word was God. ইয়ে সূচাই যে শব্দই ব্ৰহ্ম বা নামেই ব্ৰহ্ম। এই নাম ঈশ্বৰৰ নাম। নাম আৰু নামী একেই। ভিন্নতা নাই। একশৰম নাম ধৰ্মৰ মহৎ উদ্দেশ্যই হ'ল হৰিত একান্তভাৱে শৰণ গ্ৰহণ কৰি নাম-যশ শ্ৰৱণ-কীৰ্তন কৰি ভৱ সমুদ্ৰৰ পৰা উদ্ধাৰ হোৱা।

পৰম ব্ৰহ্ম 'কৃষ্ণ' নাম আনন্দ স্বৰূপ, পৰমানন্দ ৰূপী এই 'কৃষ্ণ' নাম গাওঁতা, শুনোতা সকলো পক্ষৰ বাবেই আনন্দদায়ক। জীৱৰ জড়তা দূৰ কৰে এই আনন্দ স্বৰূপ নামে। সংসাৰৰ দুঃখ হৰণ কৰে এই নামৰ মহানন্দই।

হিংসা শূন্য জীৱন-ধাৰণেই এটি ধাৰ্মিক জীৱন, পৰোপকাৰী এটা মনেই ধাৰ্মিক মন। জগতৰ হিতসাধনৰ প্ৰশ্ন য'ত জড়িত হৈ আছে সেইয়া সেন্দুৰী পথ। ঈশ্বৰৰ একো একো নামৰ মহা বল আছে। নামৰ মহাশক্তি প্ৰকাশ কৰি মাধৱদেৱ মহাপুৰুষে লিখিছে—

"আপোন নামক বহুতৰ কৰি নিজ সৰ্বশক্তি দিয়া
কালৰ নিয়ম নিবিহিলা স্মৰণত।
এতাদৃশী তৱ কৃপা হৰি মোহোৰ দুৰ্দ্দৈব দেখা কিনো
অনুৰাগ প্ৰভু নভৈল তযু নামত।।৬৭৭

ভগৱন্ত ঈশ্বৰে নিজৰ নামত নিজৰ সৰ্বশক্তি দি শক্তিমন্ত কৰি তুলিছে। এই নাম লৈ, এই নামধৰ্ম গ্ৰহণ কৰি সকলোৱে ভৱ সমুদ্ৰ পাৰ হ'ব পাৰিব। কিন্তু মাধৱদেৱ মহাপুৰুষে খেদ কৰিছে এই কথাক লৈ যে ভগৱন্তই তেওঁৰ প্ৰতিটো নামতে সীমাহীন মহিমাৰে মহিমামণ্ডিত আৰু শক্তিমন্ত কৰি তোলাৰ পিছতো আমি দুৰ্কপলীয়া মানুহে এই নামত অনুৰাগী হ'ব পৰা নাই। 'নামধৰ্ম'ত গুৰুত্ব আৰোপ কৰাৰ পৰিৱৰ্তে অন্যান্য অৰ্থহীন ধৰ্মৰ প্ৰতিহে শ্ৰদ্ধাশীল হৈছে। এই প্ৰসঙ্গতে অন্য এফাকি গুৰুত্বপূৰ্ণ ঘোষাৰ অৰ্থ আমি সম্যকভাৱে বিচাৰ বিশ্লেষণ কৰাৰ দৰকাৰ বুলি ভাবো—

"মাধৱৰ নাম বৎসপ্ৰায় ভৈল
ভক্তে তাঙ্ক লৈয়া যান্ত।
বেদৰ ঈশ্বৰ হৰি ধেনু যেন
তাৰ পাছে পাছে ধান্ত।।

এজনী গাই আৰু এটি গৰু পোৱালীৰ যি সম্পৰ্ক ঠিক তেনেকৈ ভগৱন্ত আৰু ভগৱন্ত নামৰ সম্পৰ্ক অত্যন্ত নিবিড়। "ধেনু যেনমতে বৎসক পালয় এ, তুমি সেহিমতে ভকতক পালা ৰাম।" ঈশ্বৰৰ নাম হ'ল এটি গৰু পোৱালী সদৃশ আৰু ঈশ্বৰ (হৰি) হ'ল ধেনু স্বৰূপ। পোৱালীৰ মাতত ধেনু যেনেকৈ হাবাথুৰি খাই ঢপলিয়াই যায় ঠিক তেনেকৈ প্ৰভুৰ নাম লোৱা ভকতক ৰক্ষা কৰিবৰ বাবে মাতৃস্বৰূপে হৰিয়ে ঢপলিয়াই যায় ভকতৰ পাছে পাছে।

মনস্কাম সিদ্ধি কৰিবৰ অৰ্থে, জীৱন সফল কৰিবৰ বাবে আমি ভগৱন্তৰ নাম ল'ব লাগিব মনে মুখে একে কৰি। এই নামত সুদৃঢ় বিশ্বাস স্থাপন কৰি নামত বিশ্বাস ৰাখিব লাগিব। দেহ, ধন, জন আৰু অৰ্থ লোভৰ বশৱৰ্তী হৈ নাম ল'লে নামে কামত নিদিব। বিফল হ'ব। এই নাম বাহিৰে-ভিতৰে সমস্ততে ব্যাপ্তি আছে। নহ'লেনো কয় নে—

"বাহিৰে ভিতৰে তুমি হৰি গুৰু
আছাহা চৈতন্য ৰূপে।

বাহিৰতো নাম, ভিতৰতো নাম। নাম নাইকিয়া ঠাই বিচাৰি পোৱা নাযাব। কাৰণ ভগৱন্তই নিজে কৈছে 'সমস্ত ভূততে ব্যাপি আছো মই হৰি। সবাকো মানিবা তুমি বিষ্ণু বুদ্ধি কৰি।।" যেই নাম সেই হৰি যদি হয় তেতিয়া হ'লে নামো সমস্ততে ব্যাপ্ত হৈ থকাটো অতি সত্য। ইয়াকে মাধৱদেৱে কৈছে— "হিয়াৰ মাজে নামৰ ভাণ্ডাৰ....।' বুলি। আৰু এই ৰাম নাম মুখেৰে বাজ হয়। এই 'নামধৰ্ম' মহাভাগৱত শাস্ত্ৰৰ অবিনাশী ফল।

'হৰিনামে হৰিনামে হৰিনামে গতি।'◈◈

**শ্ৰীৰজনীকান্ত দত্ত**

**পদাধিকাৰ, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ**

জয় গুৰু শঙ্কৰ

# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ প্ৰধান সম্পাদকৰ একাষাৰ

১৯৫১ চনৰেপৰা ধাৰাবাহিকতা ৰক্ষা কৰি প্ৰকাশিত 'নাম-ধৰ্ম' আলোচনীখনি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ 'মুখপত্ৰ' হিচাপেও সৰ্বজন বিদিত। বৰ্তমান বছৰত প্ৰকাশিত সংখ্যাটি গুৰু আৱিৰ্ভাৱ সংখ্যা (৬১সংখ্যক বৰ্ষৰ ১ম সংখ্যা) হিচাপে পাঠক সমাজলৈ আগবঢ়োৱা হ'ল।

তিনিকুৰি বছৰৰ ইতিহাস সমৃদ্ধ 'নাম-ধৰ্ম' বৰ্তমান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ দলিল স্বৰূপ। সঙ্ঘই বিভিন্ন অধিৱেশনত গ্ৰহণ কৰা প্ৰস্তাৱ আৰু সিদ্ধান্তসমূহে বৰ্তমান ঐতিহাসিক মৰ্যাদা ৰক্ষা কৰি আহিছে। সাহিত্য শাখা সমিতিয়ে আৰম্ভণিৰেপৰা এতিয়ালৈ প্ৰকাশ পোৱা সকলোখিনি সংখ্যা ক্ৰমানুসাৰে যুগুতাই একত্ৰ সংকলন যুগুত কৰিছে। ইতিমধ্যে প্ৰকাশ পোৱা ১ম খণ্ডটিত ১৯৫১ চনৰপৰা ১৯৬৬ চনলৈ সৰ্বমুঠ ১৬ বছৰত ২৪টা সংখ্যাৰে ১০৬৭ পৃষ্ঠাৰ কলেৱৰ হৈছে। ২য় খণ্ড, ৩য় আৰু ৪ৰ্থ খণ্ড যথাক্ৰমে প্ৰকাশৰ কাম আগবঢ়াই থকা হৈছে।

বৰ্তমান বছৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পূৰ্ণাঙ্গ ইতিহাস প্ৰকাশৰ যো-জা কৰা হৈছে। নাম-ধৰ্ম আলোচনীৰ একত্ৰ সংকলনৰ প্ৰয়োজন এই ক্ষেত্ৰত বাৰুকৈয়ে অনুভৱ হৈছে। আলোচনীসমূহত বিশেষকৈ অধিৱেশনৰ সিদ্ধান্ত আৰু গৃহীত প্ৰস্তাৱসমূহে ঐতিহাসিক দলিল হিচাপে বহুখিনি তথ্য সম্বলৰ যোগান ধৰিছে। এই সমলৰ অবিহনে সঙ্ঘৰ ইতিবৃত্ত প্ৰণয়নত যথেষ্ট জটিলতাই দেখা দিছে। এনে পৰিপ্ৰেক্ষিতত বৰ্তমান প্ৰকাশিত নাম-ধৰ্মৰ সংখ্যাবোৰত অধিৱেশনৰ গৃহীত প্ৰস্তাৱ আৰু সিদ্ধান্তসমূহ মুদ্ৰণৰ বাবে প্ৰেৰণ নকৰাত বহুতো তথ্য সম্বল হেৰাই যোৱাৰ উপক্ৰম হৈছে। সেয়েহে বৰ্তমান সংখ্যা নাম-ধৰ্মত এটি শিতান নতুনকৈ খোলা হৈছে। এই শিতানটিৰ নাম হৈছে "শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভিতৰ চ'ৰা"। এই শিতানত সঙ্ঘৰ বিভিন্ন কাৰ্যনিৰ্বাহকত গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ প্ৰস্তাৱসমূহ, বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাত গৃহীত প্ৰস্তাৱসমূহ, সংবিধান আদি সংশোধনৰ প্ৰস্তাৱসমূহ প্ৰকাশ পালে সঙ্ঘৰ ইতিহাসৰ ধাৰাবাহিকতা ৰক্ষা কৰাত সহায়ক হ'ব। আমাৰ অগ্ৰজসকলে বোধকৰো এই চিন্তা কৰিয়েই অতীজৰেপৰা 'নাম-ধৰ্ম' আলোচনীত এনে বিষয়খিনি স্থান দি আহিছিল।

বৰ্তমান শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই সৰ্বভাৰতীয় পৰ্যায়তো সুনাম অৰ্জন কৰিবলৈ বাট বুলিছে। জাতীয় জীৱনৰ সৰ্বাঙ্গীন বিকাশত শঙ্কৰী সাহিত্য-সংস্কৃতিৰ চৰ্চা-অনুশীলনৰ মাধ্যমেৰে নিৰন্তৰ অনুশীলন কৰাৰ পৰিৱেশ গঢ়ি তুলিছে। পৰম্পৰাগত সেৱা-সবাহৰ ঠাইত আলোচনা-চক্ৰ, ভাগৱত-চক্ৰ, ধৰ্মালোচনী সভা, গ্ৰন্থ-আলোচনী প্ৰকাশৰ জৰিয়তে জাতীয়-জীৱন সমৃদ্ধিশালী কৰি তোলাৰ প্ৰয়াস কৰিছে। মহাপুৰুষ দুজনাৰ আৱিৰ্ভাৱ দিৱসৰ তাৎপৰ্য উপলব্ধি কৰি উৎসৱ-মহোৎসৱৰ পৰিৱেশ গঢ়ি তুলি নতুন প্ৰজন্মক দিক্‌দৰ্শন কৰিবলৈ চেষ্টা কৰিছে। 'নাম-ধৰ্ম' আলোচনীৰ উপৰি যুৱ প্ৰজন্মৰ উপযোগী 'ডেকাগিৰি', আইসকলৰ বাবে 'মহীয়সী', শিশুসকলৰ বাবে 'শিশু-মঞ্জৰী', সঙ্গীতপ্ৰেমীসকলৰ বাবে 'শঙ্কৰী সংস্কৃতিৰ সুবাস' নিয়মীয়াকৈ বাৰ্ষিক আলোচনী হিচাপে প্ৰকাশ কৰি আহিছে। এইবোৰৰ উপৰি মাহেকীয়া বাৰ্তালোচনী 'মণিকাঞ্চন' সঙ্ঘই প্ৰকাশ কৰি আহিছে। কিন্তু এই সকলো সাফল্যৰ বিপৰীতে এটি ঋণাত্মক প্ৰতিচ্ছবিও আমাৰ পৰিলক্ষিত হৈছে। সেয়া হৈছে— গ্ৰন্থ, আলোচনী, বাৰ্তালোচনী আদি অধ্যয়নশীল লোকৰ সংখ্যা আশাতীতভাৱে হ্ৰাস পাইছে। বিজ্ঞান-প্ৰযুক্তিৰ অৱদানেও এই মাত্ৰাত ইন্ধন যোগাইছে। টেলিভিশ্বন, ইণ্টাৰনেটৰ সন্মুখত ঘণ্টাৰ পিছত ঘণ্টা বহি থকাসকলে গ্ৰন্থ অধ্যয়নৰ সোণালী শইচৰ মুকুটা বুটলিবলৈ সুযোগ হেৰুৱাইছে। বাতৰি কাকতৰ শিৰোনামকেইটাও ইণ্টাৰনেটৰ যোগেদিয়েই প্ৰত্যক্ষ কৰি প্ৰতিযোগিতাৰ বজাৰখনত কৰ্ম-ব্যস্ত হৈ সভ্যতা-সংস্কৃতিৰ নতুন সংজ্ঞা নিৰূপণ কৰিব খুজিছে। বিশ্বায়নৰ বা-মাৰলিত জীৱশ্ৰেষ্ঠ নৰ-মনুষ্যৰ জীৱনৰপৰা আধ্যাত্মিকতা, নৈতিকতা, সততা অন্তৰ্হিত হৈছে। এই এক বাতাবৰণত আমি সকলোৱে থিয় হৈ থকা মাটি ডোখৰৰ কথা ভাবিবলগা হৈছে। ভৰিৰ তলৰ ভূমিখণ্ড যাতে অটুট থাকে তাৰ প্ৰতি সকলোৱে এবাৰ ভাবি চোৱাৰ সময় পাৰ হৈ যাব ধৰিছে।

ভৱদীয়--

**নগাঁও ঃ মূল কাৰ্যালয়**

**হৰিপ্ৰসাদ হাজৰিকা**

জয় গুৰু শঙ্কৰ

# সম্পাদকীয়—

নৱবৈষ্ণৱ আন্দোলনৰ পুৰধা ব্যক্তি, অৱতাৰী পুৰুষ, সৰ্বগুণাকৰ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তাৰাৰ প্ৰপন্ন শিষ্য মহাপুৰুষ মাধৱদেৱে উত্তৰ-পূব ভাৰতত ভক্তিধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অতুলনীয় কাব্য, গীত, পদ, নাট আদিৰ লগতে বিভিন্ন প্ৰায়োগিক কাৰ্য— নৃত্য, ভাওনা আদিৰ আশ্ৰয় লৈছিল। কেৱল ধৰ্মৰ বাণীৰে যে জনসমাজক আকৰ্ষণ কৰিব পৰা নাযায় তাৰাসৱে ভালদৰে জানিছিল। মানুহৰ হৃদয় জয় কৰি কুৰুঙটোত কৃষ্ণ ভকতিৰ বীজ অঙ্কুৰিত কৰিবৰ বাবে শ্ৰীমন্তশঙ্কৰদেৱে আশ্ৰয় লৈছিল ‘চিহ্নযাত্ৰা’ৰ দৰে নিৰ্বাক নৃত্য-নাটিকাৰ। ‘চিহ্নযাত্ৰা’ৰ জৰিয়তেই গুৰুজনাই নাট্যাভিনয়ৰ পাতনি মেলিছিল। সাত দিন সাত ৰাতি ‘যত গোপী তত কৃষ্ণ’ হোৱাৰ দৰে গুৰুজনাই নিজেই নৰ্তক-বাদক হৈ ‘অহিতে শঙ্কৰ তহিতে শঙ্কৰ’ হৈ পৰা দৃশ্য দেখি অনাক্ষৰীজনেও কৃষ্ণ ভক্তিত নিমগ্ন হৈ তাৰাক পূৰ্ণব্ৰহ্ম অৱতাৰৰূপে বন্দনা কৰিছিল। মহাপুৰুষ মাধৱদেৱে সেয়ে অকপটভাৱে “... দেৱ নাৰায়ণ/ শঙ্কৰ তাকেৰি অংশ” বুলি ঘোষণা কৰি গৈছে। কবি ৰাম সৰস্বতীয়ে অনুৰূপ কথাকেই তেখেতৰ ৰচিত কুলাচল বধ কাব্যত কৈছে— “শ্ৰীমন্ত শঙ্কৰ আপুনি ঈশ্বৰ/ নৰৰূপে ভৈলা জাত।”

ভক্তিধৰ্ম প্ৰচাৰৰ অৰ্থে শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ পূৰ্ব লিখনিসমূহ তাৰাসৱৰ সোণসেৰীয়া হাতৰ পৰশত শাস্ত্ৰসমূহ এনে সাহিত্যিক গুণেৰে ৰঞ্জিত আৰু মণ্ডিত হৈ পৰিল যে বৰ্তমান একৈশ শতিকাতো মহাপুৰুষীয়া ভক্ত সমাজে মধুৰস পান-স্নান-আচমান কৰি আছে। গুৰুজনাৰ আদৰ্শেৰে অনুপ্ৰাণিত হৈ তাৰাৰ শিষ্য-প্ৰশিষ্য আৰু উত্তৰসুৰী অনুগামীসকলেও অনুৰূপ কাব্য, গীত, পদ, নাট আদি ৰচনা কৰি বৈষ্ণৱ সাহিত্যৰ ভেটি সুদৃঢ় কৰিছিল। সিবোৰৰ লক্ষ্যও কৃষ্ণ বা বিষ্ণুৰ গুণানুকীৰ্তন আৰু মহাপুৰুষীয়া ভক্তি ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰ কৰা। তাৰাসৱৰ সৃষ্ট নৃত্য-গীত, ভাওনা, নাম-প্ৰসঙ্গ আদি অপূৰ্ব কলা-কৃষ্টিসমূহ অসমৰ গাঁৱে-ভূঞে, সত্ৰ, নামঘৰ আদিত প্ৰতিপালিত আৰু পৰিৱেশিত হৈ আহিছে। অৱশ্যে এই সকলোবোৰ পৰিশুদ্ধ ৰূপত পৰিৱেশিত হৈছে বুলি ক’ব নোৱাৰি। গুৰুজনাৰ মহাপ্ৰয়াণৰ পিছতে মহাপুৰুষীয়া ধৰ্মৰ ভেটিত সংহতিৰ সৃষ্টি হ’ল। সংহতিৰ বিভাজনে মহাপুৰুষীয়া ধৰ্মৰ আচাৰ-নীতি, সদাচাৰ, পাঠ-প্ৰসঙ্গ, নৃত্য-গীত আদি পৰিৱেশনত আউল লগালে। জাতিভেদ প্ৰথা, অস্পৃশ্যতা আদি ব্যাধিয়ে মহাপুৰুষীয়া সমাজত বিভাজন আনিলে। তদুপৰি শঙ্কৰী সংস্কৃতি তথা ধৰ্ম-দৰ্শন অসম তথা অসমীয়াৰ আপুৰুগীয়া সম্পদ হৈ থাকিল। যিবোৰ বাদ দিলে অসমীয়া সংস্কৃতিৰ শূন্যতাহে দেখিবলৈ পোৱা যাব। অসমীয়া ভাষা সাহিত্যৰ স্বকীয় মৰ্যদা ৰক্ষা কৰিবলৈ হ’লে মহাপুৰুষ শঙ্কৰদেৱৰ বিৰচিত কাব্য-গীত-পদ অধ্যয়ন কৰা নিতান্ত প্ৰয়োজন হৈ পৰিছে।

সকলো ধৰ্মত প্ৰেৰণা আছে, সকলো জীৱত প্ৰাণ আছে, সকলো সমাজত শক্তি আছে। প্ৰকৃত সমাজত মানৱ ধৰ্ম আছে। মানৱ ধৰ্মই মানৱত্ব বিকাশৰ মূল কাৰণ। মানৱ ধৰ্ম মানৱ হৃদয়ৰ ধৰ্ম। দেশ-কাল-পাত্ৰ নিৰ্বিশেষে তিনিও কালত প্ৰকৃত মানৱে যি বিচাৰে সেয়ে মানৱ ধৰ্ম। বৰ্তমান যুগত মানৱ সমাজে বিচাৰে ন্যায়, নৈতিকতা, বিচাৰে জনশিক্ষা, জনসেৱা, অস্পৃশতা বৰ্জন আৰু সামূহিক প্ৰাৰ্থনা। বৰ্তমান যুগত বিচৰা সকলো নীতি-আদৰ্শ শ্ৰীমন্ত শঙ্কৰদেৱে ধৰ্মৰ জৰিয়তে মানৱ সমাজত ব্যক্ত কৰি গৈছে। তাৰাৰ এই অৱদান অসম, ভাৰত তথা জগতৰ মানৱ সমাজলৈ অৱদান। তাৰাই অসমক দিলে নিৰ্মল একশৰণ নামধৰ্ম; নিভাঁজ ভাষা আৰু সাহিত্য। তাৰাই দিলে বিচিত্ৰ কলা বিদ্যা, সুকুমাৰ বিদ্যা, ৰসময়ী ভক্তিৰস আৰু গণতান্ত্ৰিক সমাজ ব্যৱস্থা। তাৰাৰ বহুমুখী অৱদানেই অসমীয়া জনসমাজৰ বিশেষত্ব ৰক্ষা কৰি আছে।

ভাৰতৰ আন আন বৈষ্ণৱ সম্প্ৰদায়ৰ দৰে গুৰুজনৰ পৰম ভজনীয় কৃষ্ণদেৱৰ লগত আন দেৱীদেৱ নাই।

ৰাধা-কৃষ্ণ, ৰাধেশ্যাম, লক্ষ্মী-নাৰায়ণ— কোনো ধৰণৰ যুগলমূৰ্তি গুৰুজনৰ একশৰণ হৰিনাম ধৰ্মৰ নীতিত সোমোৱা নাই। তাৰাৰ ভজনীয়দেৱ পৰমব্ৰহ্ম পুৰুযোত্তম শ্ৰীকৃষ্ণ। সৰ্বব্যাপক নিৰাকাৰ, নিৰঞ্জন ৰূপ, ঘটে ঘটে যি কৃষ্ণ বিৰাজমান হৈ আছে তেৱেঁইহে তাৰাৰ একশৰণৰ পৰমবস্তু। সেই কাৰণে গুৰুজনৰ ধৰ্ম সাৰ্বজনীন ধৰ্ম; ই মানৱ মাত্ৰৰে ই ধৰ্ম। ধৰ্ম সংস্কাৰৰ লগে লগে গুৰুজনে সমাজো সংস্কাৰ কৰে। সমাজৰ মাজত আচাৰ-নীতি প্ৰৱৰ্তন কৰি মানুহক সদাচাৰী হ'বলৈ শিকালে। সমাজত ভেদভাব আঁতৰ কৰি সকলোকে নামঘৰত একগোট হৈ হৰিনাম শ্ৰৱণ-কীৰ্তন কৰাৰ পদ্ধতিয়েই হৈছে শঙ্কৰী কৃষ্টিৰ মাহাত্ম্য। গুৰুজনাই মানৱৰ মানৱত্ব বিকাশ কৰা সকলো বিষয়তে আত্মনিয়োগ কৰি জগতত শান্তি স্থাপনৰ নীতি প্ৰৱৰ্তন কৰে। এয়ে হৈছে শঙ্কৰী সংস্কৃতিৰ বৈশিষ্ট্য।

গুৰুজনাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ মানসেৰে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘই জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ৫৬৩তম আৱিৰ্ভাৱ মহোৎসৱভাগ সুদূৰ গুজৰাটৰ আহমেদাবাদৰ গান্ধীনগৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ ব্যৱস্থা কৰিছে। 'নাম-ধৰ্ম'ৰ গুৰু আৱিৰ্ভাৱ সংখ্যাটি গুৰু জয়ন্তীৰ পৱিত্ৰ তিথিত উন্মোচন কৰাৰ উদ্দেশ্যে ভিন্নসুৰী প্ৰবন্ধহে সজাই তোলা হৈছে। আশা কৰিছোঁ— গুৰুজনাৰ প্ৰৱৰ্তিত ভাষা সাহিত্য তথা ধৰ্ম-দৰ্শন প্ৰচাৰ-প্ৰসাৰত নাম-ধৰ্মই বিশেষ ভূমিকা গ্ৰহণ কৰিব।

**'নাম-ধৰ্ম'ৰ গুৰু আৱিৰ্ভাৱ সংখ্যা ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাহিত্য শাখাৰ সমিতিৰ সিদ্ধান্ত মৰ্মে 'নাম-ধৰ্ম'ৰ ৫৬৩ সংখ্যক গুৰু আৱিৰ্ভাৱ সংখ্যাটি ৬২তম বৰ্ষ ঃ প্ৰথম সংখ্যা। মহাপুৰুষীয়া ধৰ্ম-দৰ্শনৰ ওপৰত আলোকপাত হোৱাকৈ ভিন্নসুৰী প্ৰবন্ধৰে প্ৰকাশ কৰা হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ মহাপ্ৰতিভাৰ স্বাক্ষৰ বহন কৰা মহাপুৰুষীয়া ধৰ্ম-দৰ্শনৰ বিভিন্ন দিশ উন্মোচিত কৰা গৱেষণামূলক লেখা প্ৰকাশেই এই সংখ্যা নাম-ধৰ্মৰ প্ৰধান উদ্দেশ্য। সেই উদ্দেশ্যে নৱবৈষ্ণৱ ধৰ্ম দৰ্শন সম্পৰ্কীয় বিভিন্ন বিষয়ক প্ৰবন্ধ-পাতিৰ বাবে বিশিষ্ট লেখক-লেখিকাৰ ওচৰ চপা হৈছিল। কিন্তু অনিবাৰ্য কাৰণবশতঃ কেবাগৰাকী মান্য লেখকৰ পৰা আমি আশা কৰা মতে যথাসময়ত লেখা পোৱা নগ'ল। তদুপৰি ইয়াত সন্নিৱিষ্ট কৰা লেখাসমূহৰ দ্বাৰা পাঠকৰ কিঞ্চিতমান উপকাৰত আহিব বুলি আশা কৰা হৈছে।

যিসকল লেখক-লেখিকাই যথাসময়ত তেখেতসকলৰ বহুমূলীয়া লেখা পঠাই এই সংখ্যাটি সজাই-পৰাই পাঠকৰ হাতত তুলি দিবৰ বাবে অৰিহণা যোগালে, সেইসকললৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ। শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পৰম শ্ৰদ্ধেয় পদাধিকাৰ শ্ৰীৰজনীকান্ত দত্ত বাপ, মাননীয় প্ৰধান সম্পাদক শ্ৰীহৰিপ্ৰসাদ হাজৰিকা বাপ, সাহিত্য শাখা সমিতিৰ মাননীয় সভাপতি শ্ৰীজীৱকান্ত নাথ বাপ, পৰম শ্ৰদ্ধেয় সম্পাদক ড° জগত চন্দ্ৰ কলিতা বাপ প্ৰমুখ্যে শাখা সমিতিৰ সদস্য-সদস্যা, বাপ-আইসকল আৰু সম্পাদনা সমিতিৰ সদস্যবৃন্দই বিভিন্ন দিহা-পৰামৰ্শ দি আমাক সহায় কৰিছে। সদৌজনলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ সত্যসন্ধা প্ৰেছ আৰু মাতৃ অফ্‌ছেট প্ৰিণ্টাৰ্ছে যথাক্ৰমে ডিটিপি, ৰূপসজ্জা আৰু ছপা-বন্ধা কামখিনি যথাসময়ত সম্পূৰ্ণ কৰি দিয়াৰ বাবে প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰ আৰু কৰ্মীবৃন্দলৈ আন্তৰিক ধন্যবাদ জনালোঁ।

পৰিশেষত আমাৰ সম্পাদনা কৰ্মত হোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৱে ওচৰত মাৰ্জনা বিচাৰি সেৱা ধৰিছোঁ। ইতি

সেৱাৰে---

৩ অক্টোবৰ, ২০১১ চন

**শ্ৰীবোধেশ্বৰ কাকতি**
সম্পাদক, নাম-ধৰ্ম
শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| ◈ অতিক্ৰমণবাদ ঃ বৈষ্ণৱ দৰ্শনৰ প্ৰসঙ্গেৰে | ঃ ড° গিৰীশ বৰুৱা | ১ |
| ◈ মাধৱদেৱৰ ৰচনাত অদ্বৈত চিন্তাৰ ধাৰা ঃ এটি চমু টোকা | ঃ ড° নীলিমা শৰ্মা | ৩ |
| ◈ কীৰ্ত্তন ঘোষাত ভাৰত মাহাত্ম্য | ঃ জীৱকান্ত নাথ | ৬ |
| ◈ সামাজিক শ্ৰেণীভেদৰ সমস্যা আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শিক্ষা | ঃ ড° অনুৰাধা শৰ্মা | ১০ |
| ◈ উপনিষদ | ঃ বিপিন চুতীয়া | ১৫ |
| ◈ নাট্য সাহিত্য আৰু শ্ৰীমন্ত শঙ্কৰদেৱ | ঃ ড° প্ৰদীপ হাজৰিকা | ২২ |
| ◈ নাম-ঘোষাত ভক্তিতত্ত্ব | ঃ নাৰায়ণ চন্দ্ৰ গোস্বামী | ৩০ |
| ◈ ভক্তি আন্দোলনৰ পটভূমিত মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীত আৰু আজান ফকীৰৰ জিকিৰ ঃ এটি তুলনামূলক আলোচনা | ঃ আব্দুল মালিক | ৩৬ |
| ◈ আৰব্ধ, প্ৰাৰব্ধ আৰু অনাৰব্ধ জীৱনৰ বৈজ্ঞানিক ভিত্তি | ঃ ড° ৰাতুল চন্দ্ৰ বৰা | ৪৩ |
| ◈ মহাপুৰুষ মাধৱদেৱৰ নাটকৰ বৈশিষ্ট্য ঃ এটি চমু আলোচনা | ঃ ড° ইন্দিৰা শইকীয়া বৰা | ৫১ |
| ◈ কীৰ্ত্তনৰ শিশুলীলা অধ্যায়ৰ এক তাত্ত্বিক বিশ্লেষণ | ঃ প্ৰদীপ কুমাৰ শইকীয়া | ৫৬ |
| ◈ বিষ্ণু, বিষ্ণু-ভকত আৰু বৈষ্ণৱ | ঃ চন্দ্ৰনাথ বৰদলৈ | ৬০ |
| ◈ নামধৰ্ম আৰু সদাচাৰ | ঃ বিশ্ব বৰুৱা | ৬৩ |
| ◈ জাতীয় সংহতিৰ পটভূমিত শ্ৰীমন্ত শঙ্কৰদেৱৰ সংস্কৃতি-ভাৱনা | ঃ নমিতা শইকীয়া | ৬৯ |
| ◈ লৈয়োক একমাত্ৰ সাধু সঙ্গতি | ঃ ধীৰেণ চন্দ্ৰ বৰুৱা | ৭৩ |
| ◈ পদ্মপুৰাণত জীৱমুক্তিৰ কাহিনী | ঃ ভূপেন শইকীয়া | ৭৯ |
| ◈ ৰাসলীলাৰ তাত্ত্বিক বিশ্লেষণ | ঃ খগেশ্বৰ বৰা | ৮৩ |
| ◈ বেদান্ত তত্ত্ব আৰু মহাপুৰুষীয়া ধৰ্ম | ঃ বোধেশ্বৰ কাকতি | ৮৯ |
| ◈ উপনিষদ কথা | ঃ ভবেন দুৱৰী | ৯৫ |
| ◈ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ ভিতৰচ'ৰা | ঃ শ্ৰীহৰিপ্ৰসাদ হাজৰিকা | ৯৭ |

# অতিক্ৰমণবাদ ঃ বৈষ্ণৱ দৰ্শনৰ প্ৰসঙ্গেৰে

ড° গিৰীশ বৰুৱা

বৈষ্ণৱ দৰ্শনৰ আটাইতকৈ ডাঙৰ বৰঙণিটো হ'ল যে ই বহু দেৱবাদৰ আওতাৰপৰা ওলাই আহি একেশ্বৰবাদৰ ভেটি বান্ধে। ইয়াৰ বাবে ই বহুদেৱবাদক অতিক্ৰম কৰি একেশ্বৰবাদত ভৰি থ'ব লাগিছিলহি। আনকি ভাগৱত ভিত্তিক বৈষ্ণৱ দৰ্শনে বিষ্ণু-দেৱতাৰ প্ৰভাৱৰপৰাও নিজকে মুক্ত কৰিবলগীয়া হৈছিল, কাৰণ বিষ্ণুও এজন দেৱতাহে, ঈশ্বৰ নহয়; ত্ৰি-দেৱতাৰ এজন। বিষ্ণু পুৰাণৰ বিষ্ণুৰ ঠাইত ভাগৱত পুৰাণে কৃষ্ণক থাপিলে আৰু কৃষ্ণ হৈ পৰিল পৰম-দেৱতা, পৰমেশ্বৰ বা ব্ৰহ্মেশ্বৰ। কৃষ্ণ কেৱল পালনকৰ্তাতে ৰৈ নাথাকি হৈ পৰিল জগত-পতি, জগদীশ্বৰ।

পৰমেশ্বৰ শ্ৰীকৃষ্ণ হ'ল এজন সাকাৰ দেৱতা। বৈষ্ণৱ দৰ্শনৰ ঘাই বিষয় যিহেতু ভক্তিবাদ, সেয়া এই ভক্তিৰ বাবে এজন সাকাৰ দেৱতাৰ প্ৰয়োজন; কাৰণ ভক্তিৰ পথ হ'ল প্ৰেম আৰু প্ৰেম নিৱেদন কৰিবৰ বাবে এক নিৱেদিত সত্তাৰ প্ৰয়োজন। গতিকে উপনিষদৰ নিৰাকাৰ ব্ৰহ্মক ভাগৱতে সাকাৰ কৃষ্ণলৈ পৰ্যবসিত কৰি ল'লে।

ভক্তি সকলোবোৰ ধৰ্মতে আছে, কিন্তু ভক্তিবাদ নাই। ভক্তিবাদ কেৱল বৈষ্ণৱ ধৰ্মতহে আছে। ভক্তিক ভক্তিবাদলৈ ৰূপান্তৰিত কৰিবৰ বাবে বৈষ্ণৱ দৰ্শনে বা ভাগৱত পুৰাণে নিষ্কাম ভক্তিৰ শ্ৰেষ্ঠতা প্ৰকাশ কৰিবলগীয়া হয়। ই এই নিষ্কামকতা ভগৱদ্গীতাৰ পৰা ধাৰ কৰে, কাৰণ ভগৱদ্গীতাৰ মূল দৰ্শন হ'ল নিষ্কামতা, অৰ্থাৎ কৰ্ম, ভক্তি, জ্ঞান সকলোতে নিষ্কাম ভাব অৱলম্বন। ভগৱদ্গীতাই কৰ্ম, ভক্তি আৰু জ্ঞান সমমৰ্যাদা প্ৰদান কৰি ইয়াৰ সমগ্ৰ শিকনিক নিষ্কাম ভাবত কেন্দ্ৰীভূত কৰিলে। যি ক্ষেত্ৰত ভগৱদ্গীতাই ইয়াৰ শিকনিক নিষ্কাম ভাবত কেন্দ্ৰীভূত কৰিলে, ভাগৱতে কৰিলে ভক্তি ভাবত। কৰ্ম আৰু জ্ঞান ভাগৱতত গৌণ হৈ পৰিল। কৰ্মৰ বহুদেৱবাদক অতিক্ৰম কৰি ভাগৱতে ভক্তিৰ একেশ্বৰবাদত ভৰি থ'লেহি। ই উপনিষদৰ ব্ৰহ্মবাদলৈ অতিক্ৰম নকৰিলে, কাৰণ ই ভক্তিৰ শ্ৰেষ্ঠত্বত অপঘাত হানিবলৈ ৰাজী নহ'ল। ইয়াৰ অতিক্ৰমণবাদ সেয়ে থমকি ৰ'ল ভক্তিবাদত; উপনিষদৰ জ্ঞানবাদলৈ ই অতিক্ৰম নকৰিলে।

অতিক্ৰমণবাদ এক মানৱীয় প্ৰৱণতা। সকলো মানুহেই চিন্তা, কৰ্ম আৰু অনুভূতিত বৰ্তমান অৱস্থানৰপৰা অতিক্ৰম কৰিব বিচাৰে। তাৰ পৰিণতিতেই বহুদেৱবাদক অতিক্ৰম কৰা হ'ল। উপনিষদে বেদৰ বহুদেৱবাদক অতিক্ৰম কৰি 'একম্ এৱম্ অদ্বিতীয়ম্'। এই সূত্ৰত অৱতীৰ্ণ হ'লগৈ। নৈৰ্ব্যক্তিব ব্ৰহ্মত ই ভক্তি থ'লৈগৈ। তাৰ উপায় স্বৰূপে ই হাতত ল'লে জ্ঞানবাদৰ আলোক। এই বিশ্বাসত ই বদ্ধ-পৰিকৰ হৈ পৰিল যে অদ্বৈত জ্ঞানেৰেহে অদ্বৈত সত্তাক জানিব পাৰি আৰু এইদৰে জানিলেহে ব্ৰহ্মসত্তাক লাভ কৰিব পাৰি যি লাভে আমালে মুক্তি কঢ়িয়াই আনে।

কৰ্ম আৰু ভক্তি ব্যৱহাৰিক জগতৰ বস্তু; জ্ঞান পাৰমাৰ্থিক জগতৰ। এই জ্ঞান সিদ্ধান্তমূলক জ্ঞান নহয়; ই অন্তৰ্প্ৰজ্ঞাত্মক জ্ঞান, অৰ্থাৎ ব্ৰহ্ম-সাক্ষাৎকাৰ জ্ঞান।

ব্যৱহাৰিক জগতৰপৰা পাৰমাৰ্থিক জগতলৈ অতিক্ৰম কৰিবৰ বাবে জ্ঞানৰ দৰকাৰ। এই পথ দুৰূহ; ই সৰ্বসাধাৰণৰ বাবে নহয়। সেয়ে ভাগৱত পুৰাণে এই পথ অৱলম্বন কৰা নাছিল, কাৰণ ই যি ভক্তিবাদী দৰ্শন প্ৰচাৰ কৰিছিল সি সৰ্বসাধাৰণ গৃহস্থীৰ বাবেহে; অৰণ্য বা আশ্ৰমত বাস কৰা সন্ন্যাসীৰ বাবে নহয়। সন্ন্যাসীয়েহে যথাৰ্থতে যোগ অভ্যাস কৰি শ্ৰৱণ-মনন-নিদি ধ্যানৰ মাজেৰেজ্ঞান অনুশীলন কৰিব পাৰে, সাধাৰণ মানুহে নোৱাৰে। সেয়ে সাধাৰণ মানুহ ভক্তিৰ আওতাৰ ভিতৰত, অৰ্থাৎ ব্যৱহাৰিক জগতৰ মাজতে সোমাই থাকিব লাগে।

অৱশ্যে নিষ্কাম ভক্তি অৱলম্বনো সাধাৰণ মানুহৰ বাবে দুৰূহ। কাৰণ সংসাৰী মানুহে ধন-পইচা, ল'ৰা-তিৰোতা আদি কামনা কৰাটো আৱশ্যম্ভাৱী কথা। কেৱলীয়া ভকতেহে নিষ্কাম ভাবত থাকি ভগৱানক আৰাধনা কৰিব পাৰে। তেওঁলোকৰ ক্ষেত্ৰত সেয়ে জ্ঞানবাদলৈ অতিক্ৰম কৰাৰ অৱকাশ এটা ৰৈ যায়।

দেৱবাদ, ঈশ্বৰবাদ আৰু ব্ৰহ্মবাদ— ধৰ্ম দৰ্শনৰ এই মতবাদ তিনিটা ভিন্ন সময়ত অস্তিত্বলৈ আহিছে অতিক্ৰমণবাদৰ ভিত্তিতে। প্ৰকৃতিৰ অধিষ্ঠাতা দেৱতা বা অধিষ্ঠাত্ৰী দেৱী হিচাপে থকা যি দেৱবাদী দৰ্শন সি পুৰাণত বিশেষকৈ ভাগৱত পুৰাণত বা ভগৱদ্‌গীতাত ঈশ্বৰবাদী দৰ্শন হৈ পৰে। উপনিষদ বা বেদান্তত ই আকৌ ব্ৰহ্মবাদী দৰ্শনলৈ পৰ্যবসিত হয়। এই বিকাশ বাস্তৱিক ক্ৰমবিকাশৰ বিকাশ নহয়, চৈন্তিক ক্ৰমবিকাশৰহে বিকাশ।

অন্য পুৰাণৰ দেৱতা আৰু ভাগৱত পুৰাণৰ দেৱতাৰ মাজত অলপ পাৰ্থক্য আছে। অন্য পুৰাণৰ দেৱতাজন ঈশ্বৰ হৈ পৰিছে মাত্ৰ এটা ভূমিকাত— স্ৰষ্টা, পালনকৰ্তা বা সংহাৰকৰ্তাৰ ভূমিকাত। কিন্তু ভাগৱত পুৰাণৰ দেৱতাজন ঈশ্বৰ হৈ পৰিছে এই তিনিওটাৰে সমন্বিত ভূমিকাত। ই সম্ভৱ হৈছে ঈশ্বৰ সত্তাত ব্ৰহ্মসত্তা থকাৰ বাবে। অৰ্থাৎ ভাগৱত পুৰাণে ঈশ্বৰৰ আধেয়ৰূপে উপনিষদ বা বেদান্তৰ ব্ৰহ্মক আমদানি কৰে। ইও এক অতিক্ৰমণেই; কাৰণ অন্য পুৰাণৰ ঈশ্বৰ ভাগৱতত ব্ৰহ্মেশ্বৰলৈ ৰূপান্তৰিত হ'ল। এই ৰূপান্তৰ এক বিকাশমূলক ৰূপান্তৰ।

ভাগৱত পুৰাণৰ এই অতিক্ৰমণত এক অৱনমনৰ ভাবো জড়িত হৈ আছে। কাৰণ ই বেদান্তৰ ব্ৰহ্মক ঈশ্বৰৰ পৰ্যায়লৈ নমাই আনিলে। ইয়াত ঈশ্বৰৰ ব্ৰহ্মলৈ প্ৰমোচন ঘটিলে যদিও ব্ৰহ্ম ঈশ্বৰলৈ নামি আহিল। দাক্ষিণাত্যত ৰামানুজ আৰু আমাৰ অসমত শ্ৰীশঙ্কৰদেৱে এই অতিক্ৰমণ আৰু অৱনমনলৈ বৰঙণি যোগালে। ই প্ৰকৃতাৰ্থত অতিক্ৰমণ আৰু অৱনমন নহয়, চিন্তাৰ ক্ষেত্ৰতহে অতিক্ৰম বা অৱনমন।

ভাগৱত পুৰাণত ঈশ্বৰে যেন ব্ৰহ্মত্ব লাভ কৰিছে। কীৰ্তন আৰু নাম-ঘোষা পঢ়িলেও আমাৰ তেনে ভাবেই হয়। ব্ৰহ্মত্ব ঢুকি নোপোৱা বস্তু; সেয়ে ইয়াক হাকুটি লগাই তললৈ অনাৰ চেষ্টা চলোৱা হ'ল। ভাগৱত পুৰাণত দুতৰপীয়া বা দুফলীয়া অতিক্ৰমণ সৰ্বজন বিদিত। এফালৰপৰা ই ঈশ্বৰক দেৱতাৰপৰা উত্তৰণ ঘটালে, আন ফালৰপৰা ই ঈশ্বৰক ব্ৰহ্মলৈ উত্তৰণ ঘটালে। কিন্তু ব্ৰহ্মলৈ ঈশ্বৰৰ উত্তৰণ সম্ভৱ হ'ল ব্ৰহ্মক ঈশ্বৰৰ পৰ্যায়লৈ অৱতৰণ কৰায়। (মনত ৰাখিব অৱতাৰ শব্দটো এই অৱতৰণৰপৰাই নিষ্পত্তি হৈছে।) এই উত্তৰণ-অৱতৰণ প্ৰক্ৰিয়াটো এক দ্বান্দ্বিক প্ৰক্ৰিয়া য'ত দুয়োটা প্ৰক্ৰিয়াই জড়িত হৈ আছে। সেয়ে বৈষ্ণৱ দৰ্শনত আমি যি ঈশ্বৰৰ ধাৰণা পাওঁ সি এফালে অতিক্ৰমণ অৰ্থাৎ দেৱতাৰ দ্বাৰা ঈশ্বৰলৈ উত্তৰণ আৰু আনফালে ব্ৰহ্মসত্তাৰপৰা ঈশ্বৰলৈ অৱতৰণ।■■

# মাধৱদেৱৰ ৰচনাত অদ্বৈত চিন্তাৰ ধাৰা
## এটি চমু টোকা

ড° নীলিমা শৰ্মা

মাধৱদেৱৰ দৰ্শনক তেওঁৰ গুৰু শঙ্কৰদেৱৰ দৰ্শনৰ পৰা ন্যায়িকভাৱে বিচ্ছিন্ন কৰিব নোৱাৰি। শ্ৰীমন্ত শঙ্কৰৰ 'একশৰণ ভাগৱতী ধৰ্ম'ৰ শিপাডাল ৰোপিত হৈ আছে ভাগৱত পুৰাণ, শ্ৰীমদ্ভগৱতগীতা আৰু উপনিষদৰ উৰ্বৰ চিন্তাভূমিত। পৰাবিজ্ঞান (Metaphysics) ৰ ফালৰ পৰা বিচাৰ কৰিলে দেখা যায় যে শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱৰ পৰাবিজ্ঞানসুলভ চিন্তাধাৰা পৰম্পৰাগত আৰু বেদান্ত দৰ্শনৰ ৰঙেৰে ৰঞ্জিত। শঙ্কৰদেৱৰ লেখীয়াকৈ মাধৱদেৱৰ দৰ্শনতো বেদান্ত আৰু প্ৰায়োগিকতাবাদৰ মধুৰ সমন্বয় পৰিলক্ষিত হয়। গুৰু-শিষ্য দুয়ো বেদান্তৰ ভাববাদী তত্ত্বতে ক্ষান্ত থকা নাই। সেই দৰ্শৰ্নৰ ব্যৱহাৰিক চৰিত্ৰ দান কৰিছে অসমৰ সামাজিক, সাংস্কৃতিক জীৱনত তাক প্ৰয়োগ কৰি। এই দুয়োগৰাকী সংস্কৃতিৰ পূজাৰীৰ দৰ্শনক আমি 'সংস্কৃতিৰ দৰ্শন (Philosophy of Culture) বুলি ক'বলৈ বাধ্য। 'ধৰ্ম' সংস্কৃতিৰ এটি অতি গুৰুত্বপূৰ্ণ উপাদান। মধ্যযুগত অসমৰ সংস্কৃতিলৈ, শঙ্কৰ-মাধৱে'একশৰণ ভাগৱতী ধৰ্মৰ যোগেদি এক অনবদ্য অৱদান দি থৈ গৈছে।

গুৰুজনাৰ লেখীয়াকৈ মাধৱদেৱেও অদ্বৈত চিন্তাধাৰাক প্ৰতিফলিত কৰিছে তেওঁৰ বিভিন্ন ৰচনা-সম্ভাৰত। প্ৰশ্ন উঠে— অদ্বৈতবাদনো কি? পৰম্পৰাগত ভাৰতীয় দৰ্শনৰ ভাববাদী ধাৰাটোৱে জনায়, পৰমসত্ত্বা মাথোন একোটিয়েই। আত্মনিষ্ঠ দৃষ্টিৰে এই পৰমসত্তাৰ 'আত্মা' বুলি কোৱা হয় আৰু বিষয়নিষ্ঠ দৃষ্টিৰে ইয়াক কোৱা হয় 'ব্ৰহ্ম' বুলি। দৰাচলতে, আত্মা আৰু 'ব্ৰহ্ম' বুলি। দৰাচলতে, আত্মা আৰু জীৱাত্মাৰ মাজত একো পাৰ্থক্য নাই। দুয়ো অভিন্ন, অভেদ। অৰ্থাৎ অদ্বৈত -- non-dual , এই বিচিত্ৰ, বৰ্ণাঢ্য জগতখনৰ স্থিতি ব্ৰহ্ম ত্ৰিগুণাতীত। ব্ৰহ্ম অবিহনে জগতত কোনো সুকীয়া স্থিতি নাই। থাকিব নোৱাৰে। ত্ৰিগুণাতীত নিৰ্গুণ ব্ৰহ্মই মায়াৰে সমস্ত বিশ্ব ব্ৰহ্মাণ্ডকে সাঙুৰি আছে।

"উপাধি ৰহিত জ্যোতি ৰূপ আত্মা এক।
সমস্তকে ব্যাপি আছা আপুনি প্ৰত্যেক।।
চিদানন্দ পূৰ্ণ সত্য নিত্য নিৰন্তৰ।
মোহোৰ প্ৰকাশে প্ৰকাশয় চৰাচৰ।।
সৃষ্টি স্থিতি প্ৰলয়ৰো কাৰণ সাক্ষাত।
জীৱৰো অবিদ্যা গুছে মোহোৰ সেৱাত।।"

—ৰাজসূয়, ৩১

পৰমসত্ত্বা এক যদিও ই নানাৰূপে নিজক প্ৰকাশ কৰে। প্ৰকাশত ই আনন্দ লভে। সসীম জগতখন অসীম পৰমসত্ত্বাৰেই আত্মপ্ৰকাশ। এই পৰমসত্তাই 'দেহাদিক অতিক্ৰম' কৰা 'শুদ্ধ, নিৰূপাধি ব্ৰহ্ম' (*নাম-ঘোষা,* ৬৭৬)। 'শুদ্ধ, নিৰূপাধি ব্ৰহ্ম' নিৰ্গুণ ব্ৰহ্মত মায়া বা প্ৰকৃতি অচেতন, উহ্য হৈ থাকে। পৰমসত্তাৰ আন এটি ৰূপ সগুণ ব্ৰহ্ম। সগুণ ব্ৰহ্মত মায়া বা প্ৰকৃতি সচেতন ৰূপত থাকে আৰু সৃজন শক্তিৰ অধিকাৰী হয়। মায়া বা ত্ৰিগুণাত্মক প্ৰকৃতিয়ে অলীক বা মিথ্যা বুলিব নোৱাৰি। সৃজন ক্ষমতাৰ অবিহনে মায়া বা প্ৰকৃতি ব্ৰহ্মত অন্তহীন

হৈ থাকে। লক্ষ্মীনাথ বেজবৰুৱাদেৱৰ ভাষাতÐ "নিৰ্গুণ ব্ৰহ্ম সাধাৰণ লোকৰ ধাৰণাৰ অতীত; সেইবাবেই সগুণ ব্ৰহ্মৰ আৱশ্যকতা। সগুণ ব্ৰহ্মই ঈশ্বৰ।" *(তত্ত্বকথা, পৃঃ ৩)*

মাধৱদেৱে ভাগৱতী ধৰ্মৰ প্ৰচাৰৰ তাগিদাত ব্ৰহ্মৰ নিৰ্গুণ, নিৰ্বিকাৰ ৰূপটোতকৈ সগুণ ব্ৰহ্ম বা ঈশ্বৰৰ ওপৰত অধিক আলোকপাত কৰা দেখা যায়। সগুণ ব্ৰহ্মৰ লগত ভক্তি বা প্ৰেমে সহজে সংযোগ স্থাপন কৰিব পাৰি। ভক্তি বা প্ৰেমক অধিক প্ৰাধান্য দি সেইবাবেই তেওঁ কৈছে।

"মুক্তিতো নিস্পৃহ যিটো সেহি ভকতৰ নমো
ৰসময় মাগোহো ভকতি।।"

—*নাম-ঘোষা,১*

অৰ্থাৎ যি ভক্তিয়ে ভক্তৰ 'চিত্তশুদ্ধি' ঘটায় তাতহে জোৰ দিছে। যোগশাস্ত্ৰৰ ভাষাৰ ই 'বশীকাৰ সংজ্ঞা বৈৰাগ্য।' ই 'প্ৰবৃত্তি ধৰ্ম'ৰ সৰ্বোচ্চ স্তৰ। ইয়াৰ যোগেদিহে ভক্তই 'নিবৃত্তি ধৰ্ম'ৰ সৰ্বোচ্চ স্তৰত উপনীত হ'ব পাৰে। অথবা নিৰ্গুণ ব্ৰহ্মৰ জ্ঞান লাভ কৰিব পাৰে, যিটো সকলোৰে বাবে সহজলভ্য নহয়। সেইবাবেই গুৰুজনাই সগুণ ব্ৰহ্মৰ উপাসনাক আগঠাই দিছিল। অথচ তাৰ মাজতো পৰম ব্ৰহ্ম বা 'হৰি'ৰ অদ্বৈত স্বৰূপটোৰ প্ৰতি সোঁৱৰাই দি আছিল। মাধৱদেৱে আকৌ কৈছে যে 'ঈশ্বৰ আৰু তেওঁৰ মাজত কোনো পাৰ্থক্য নাই। নাই কোনো ভেদ--

"আপুন নামৰ সঙ্গ নছাৰন্ত হৰি।
যেই নাম সেই হৰি জানা নিষ্ঠ কৰি।"

— *নাম-ঘোষা,৫২৪*

গুৰুজনাৰ দৰে সগুণ ব্ৰহ্মক মাধৱদেৱেও নাৰায়ণ, বিষ্ণু, হৰি, কৃষ্ণ আদি নামেৰে বিভূষিত কৰিছে। নিৰ্গুণ আৰু সগুণ একক, অদ্বৈত পৰমসত্তাৰেই দুটি ৰূপ। কেতিয়াবা কেতিয়াবা শঙ্কৰাচাৰ্যৰ অদ্বৈত বেদান্তৰ দৰে মাধৱদেৱে মায়াক ভ্ৰম বুলি উল্লেখ কৰা দেখা যায়। 'নাম-ঘোষা' ত মাধৱদেৱে লিখিছে--

"হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰে কল্পিত।"

—*নাম-ঘোষা,৭৩*

এতেকে দেখা গ'ল যে মাধৱদেৱে কেতিয়াবা মায়াক সৃজনী শক্তি বুলিছে আৰু কেতিয়াবা ভ্ৰম বুলি কৈছে।

মাধৱদেৱৰ অদ্বৈত চিন্তাধাৰাই 'একেশ্বৰবাদ' ৰ (Monotheism) ফালে হাউলি থকা দেখা যায়। তেওঁ এইক্ষেত্ৰত যুক্তি-তৰ্কতকৈ বিশ্বাসক অধিক প্ৰাধান্য দিছে। শ্ৰীমদ্ভগৱতগীতাৰ জ্ঞানযোগ, কৰ্মযোগ আৰু ভক্তিযোগৰ প্ৰতি সম্পৰ্ণ শ্ৰদ্ধা ৰাখি, মাধৱদেৱে ভক্তিৰ ওপৰত অধিক গুৰুত্ব দিছে। অসমীয়া বৈষ্ণৱ সাহিত্য মাইলৰ খুঁটিস্বৰূপ। তেওঁৰ 'ভক্তি-ৰত্নাৱলী', 'নাম-ঘোষা' আদি গ্ৰন্থ ভক্তি ৰসৰ মাহাত্ম্যৰে ভৰপুৰ। নিষ্কাম ভক্তিয়ে ভক্তক উপাস্য পৰমেশ্বৰৰ সৈতে একাত্ম হোৱাত সহায় কৰে।

মাধৱদেৱৰ মতে আধ্যাত্মিকভাৱে জীৱাত্মা আৰু পৰমাত্মাৰ মাজত একো পাৰ্থক্য নাই। শৰীৰৰ মাজত থকা আত্মাক মায়াৰ ওৰণিয়ে ঢাকি থয়। কিন্তু অতীন্দ্ৰিয় আত্মা মায়াৰ উৰ্ধ্বত থাকে। মাধৱদেৱে আত্মাৰ বহুত্বক স্বীকাৰ কৰা নাই। আত্মা এক আৰু অদ্বিতীয়। অজ্ঞানতাৰ বাবে, আত্মাক বহু ৰূপত গ্ৰহণ কৰা হয়। শৰীৰৰ মাজত বন্দী হৈ থকা আত্মাই অহৰহ ঈশ্বৰৰ কৃপা হাবিয়াস কৰি ভক্তিৰ আশ্ৰয় লয়। মাধৱদেৱে ইন্দ্ৰিয়গ্ৰাহ্য অভিজ্ঞতা আৰু যুক্তি-তৰ্কৰে ঈশ্বৰৰ কৃপা লাভ কৰিব নোৱাৰি বুলি কৈছে। ইন্দ্ৰিয়গ্ৰাহ্য অভিজ্ঞতাই দিয়া জ্ঞান আৰু বুদ্ধিৰে আয়ত্ত কৰা জ্ঞানৰ কেতবোৰ সীমাবদ্ধতা আছে। দিব্যজ্ঞান লাভ কৰিব পাৰিলেহে এই

সীমাবদ্ধতাবোৰক অতিক্ৰম কৰিব পাৰি। নিষ্কাম ভক্তিৰ যোগেদি ভক্তই ব্ৰহ্মজ্ঞান লাভ কৰিব পাৰে। ব্ৰহ্মজ্ঞান লাভ কৰোঁতাজনে মুক্তিৰ পোহৰেৰে আলোকিত হয়। তেনে মুক্তক 'জীৱন মুক্ত' বোলা হয়। মাধৱদেৱে 'বিদেহ মুক্তি'ৰ পৰিবৰ্ত্তে 'জীৱনমুক্তি'ৰ মহিমাহে প্ৰকাশ কৰিছে।

মাধৱদেৱৰ অদ্বৈত চিন্তাধাৰাত নৈতিকতাই প্ৰগাঢ় প্ৰভাৱ পেলোৱা দেখা যায়। ব্যক্তি হিচাবে আত্মলঘিমা আৰু আত্মবিশ্লেষণ মাধৱদেৱৰ চাৰিত্ৰিক বৈশিষ্ট্য। তেওঁ একশৰণ ভাগৱতী ধৰ্মৰ অনুগামীসকলৰ প্ৰেম, মৈত্ৰী, কৰুণা, সহিষ্ণুতা আৰু পাৰস্পৰিক সহযোগিতাৰে কেনেকৈ উত্তৰণৰ পথত আগুৱাব পাৰি দেখুৱাই থৈ গৈছে। সমত্ব, মৈত্ৰী, শান্তি আৰু মুক্তিৰ গুণ গাই তেওঁ ভক্তসকলৰ মাজত দাস্যভক্তি জগাই তোলাৰ যত্ন কৰিছে। প্ৰত্যেক ব্যক্তিৰ মাজত থকা আন্তৰিক শুভ, সুন্দৰ আৰু সত্যৰ জ্ঞানৰ বিকাশ ঘটাব লাগে।

জগতখন অশুভ, অমঙ্গল আদি সমস্যাৰ মুক্ত নহয়। ব্যক্তিগত জীৱনত আৰু সমষ্টিগত জীৱনত, এনেবোৰ অশুভ, অমঙ্গল সমস্যাই যথেষ্ট আহুকাল সৃষ্টি কৰে। মানুহৰ শাৰীৰিক আৰু মানসিক দুখবোধত চটফটায়। তদুপৰি মানুহে স্বেচ্ছাৰে কৰা অপকৰ্মৰ দোষ-চেতনাত ভোগে। আত্মগ্লানিত জৰ্জৰিত হয়। মাধৱদেৱে এইবোৰৰ পৰা নিবৃত্তিৰ বাবে আত্মনিন্দা তথা আত্ম-শোধনৰ পথ পৰোক্ষভাৱে দেখুৱাইছে। দেখুৱাইছে যে মানুহে আধ্যাত্মিক দুখক অতিক্ৰম কৰিব পাৰে প্ৰেমেৰে, ভক্তিৰে, ঈশ্বৰ তথা পৰম পুৰুষৰ ওচৰত আত্মনিৱেদন কৰি। কাৰণ, মানুহে জনা উচিত যে আত্মিকভাৱে কোনো জীৱৰ মাজত পাৰ্থক্য নাই। সকলো এক। সকলোৰে মাজত অন্তৰ্নিৰ্হিত হৈ আছে পৰমাত্মা বা পৰম ব্ৰহ্ম আৰু এই পৰমব্ৰহ্মই হ'ল অদ্বৈতজ্ঞান স্বৰূপ। উদ্ধৃতি দিছোঁ—

"মোৰ সম পাপী লোক নাহিকে ই তিনিলোক
তুমি সম নাহি পাপহাৰী।
ই জানি গোৱিন্দ মোক যেন যুৱাই কৰিয়োক
তুৱা পদে কৰোহো গোহাৰি।।১৩৬
হে কৃষ্ণ দেৱ পাপী বুলি কেৱ
মোক মোৰ বুলি নোবোলয়।
পতিত পাৱন জানিয়া তোমাত
আপুনি গৈলো বিক্ৰয়।।"

আকৌ,

"সমস্তৰে আত্মা নাৰায়ণ/ আত্মসুখে ৰতি সৰ্ব্বক্ষণ/এহি হেতু হৰি সমস্ত প্ৰাণীতে সম। তাঙ্ক যিটো ভজে সুখে তৰে/ নভজি সংসাৰে মজি মৰে/ কৃষ্ণক বিমষ বোলয় কোন অধম।।"

*—নাম-ঘোষা,* ৬৩৫ ■■

# কীৰ্ত্তন ঘোষাত ভাৰত মাহাত্ম্য

**জীৱকান্ত নাথ**

ভাৰতৰ এগৰাকী বুদ্ধিজীৱী চৰ্দাৰ কে. এম. পানিক্কৰে শঙ্কৰদেৱৰ সম্পৰ্কে এষাৰ অতি সাৰুৱা কথা কৈছিল যে— "শঙ্কৰদেৱে অসমক ভাৰতবৰ্ষলৈ আৰু ভাৰতবৰ্ষক অসমৰ বুকুলৈ আনিলে"। অৱশ্যে শঙ্কৰদেৱৰ পূৰ্বেও ভাৰতবৰ্ষৰ লগত উত্তৰ পূবাঞ্চল তথা ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৈতে বিবিধ সম্পৰ্কৰ বতৰা বুৰঞ্জীয়ে দিয়ে। প্ৰাক্ বৈদিক আৰু বৈদিক যুগৰে পৰাই আৰ্য আৰু অনা-আৰ্যসকল ব্ৰহ্মপুত্ৰ উপত্যকালৈ আগমন ঘটিছিল আৰু তেওঁলোকৰ সংমিশ্ৰণত, তেওঁলোকৰ সাংস্কৃতিক উপাদানেৰে এই অঞ্চলটি সমৃদ্ধ হৈছিল। তেওঁলোকে কঢ়িয়াই অনা লিপিযুক্ত ভাষা, উন্নত কৃষি পদ্ধতি, এক নতুন ধৰ্মীয় জীৱন পদ্ধতি আদিয়ে ব্ৰহ্মপুত্ৰ উপত্যকাক এক প্ৰকাৰ নতুন জীৱন দান কৰিছিল। অৱশ্যে এটা কথা সৰ্বজনসন্মত যে সাংস্কৃতিকভাৱেহে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৈতে ভাৰতৰ সম্পৰ্ক ৰক্ষা হৈছিল, ৰাজনৈতিকভাৱে নহয়। ব্ৰহ্মপুত্ৰ উপত্যকা ৰাজনৈতিক ভাৱে বৃটিছ আগমনৰ পূৰ্বে ভাৰতৰ অঙ্গীভূত নাছিল। এনে আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হয় যে শঙ্কৰদেৱৰ জন্মৰ বহুবছৰ পূৰ্বৰে পৰা সাংস্কৃতিকভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত ভাৰতৰ সম্পৰ্ক সুগভীৰ আছিল। শঙ্কৰদেৱে এনে এক চহকী ঐতিহ্যৰ পৰিৱেশতেই ডাঙৰ-দীঘল হৈ ভাৰতবৰ্ষৰ মাহাত্ম্য গভীৰভাৱে উপলব্ধি কৰিছিল। পানিক্কৰে এনে মন্তব্য এনে কাৰণতেই নিশ্চয় দিছিল যে ভাৰতৰ সমন্বয়ৰ সংস্কৃতিক শঙ্কৰদেৱে আৰু কটকটীয়া কৰি ইয়াৰ মহানতা আৰু উদাৰতাৰ প্ৰচাৰ কৰিছিল।

কীৰ্ত্তন-ঘোষাত ভাৰত মাতাৰ বন্দনা বিষয়টো শঙ্কৰদেৱৰ স্বদেশ প্ৰেমৰ জয়গান যেন লাগিলেও ই কিন্তু সাধাৰণ অৰ্থত গ্ৰহণ কৰা স্বদেশ প্ৰেম নহয়; এইবিধ স্বদেশ প্ৰেম হ'ল কৃষ্ণ ভক্তিমূলক স্বদেশ প্ৰেম হে। সেইহেতুকে এনে স্বদেশ প্ৰেমক ভাৰতমাতৃৰ মাহাত্ম্য বুলি কলেহে যথোচিত হ'ব।

শঙ্কৰদেৱৰ সাহিত্যকৰ্মত সৰ্বমুঠ সাত চল্লিশটি স্থানত ভাৰতবৰ্ষৰ মাহাত্ম্য প্ৰকাশ পাইছে। কীৰ্ত্তন-ঘোষাত মুঠ আঠটি স্থানত ভাৰত প্ৰশংসা পোৱা গৈছে। 'অজামিল উপাখ্যান' খণ্ডটিটেই প্ৰথমবাৰৰ বাবে ভাৰতভূমিৰ মাহাত্ম্য ঘোষণা কৰিছে। ইয়াত দুবাৰ এনে উল্লিখন আছে। ইয়াৰ পিছত ক্ৰমে বলিছলন, শিশুলীলা, ৰাসক্ৰীড়া, মুচুকুন্দ স্তুতি, নাৰদৰ কৃষ্ণ দৰ্শন আৰু বেদস্তুতি খণ্ড কেইটিত ভাৰতমাতৃৰ গুণানুকীৰ্ত্তন কৰিছে। অজামিল উপাখ্যানৰ ২১৩ আৰু ২১৪ সংখ্যক পদত এনেদৰে শঙ্কৰদেৱে ভাৰতৰ প্ৰশংসা কৰিছে—

১। কোন দিন ইটো শৰীৰ পৰয়
কেতিক্ষণে নেয় যম।
আউৰ কি সেম্বৰে ভাৰত ভূমিত
হুইবাহা মনুয্য জন্ম।।২১৩।।

২। কোটি কোটি জন্ম অন্তৰে যাহাৰ
আছে মহা পুণ্যৰাশি।
সি সি কদাচিৎ মনুষ্য হোৱয়
ভাৰত ভূমিত আসি।।২১৪।।

—চতুৰ্থ কীৰ্ত্তন

'বলিছলনত' ত ৬২৬ সংখ্যক পদত আছে—

৩। যতেক সংসাৰ নয় সৱে স্বপ্ন মায়াময়
অন্তকে কেশত আছে ধৰি।
ভাৰতত জন্ম পাই বিলম্বক নুযুৱাই
সদায় ঘূৰিয়ো হৰি হৰি।। ৬২৬।।

—দ্বিতীয় কীৰ্ত্তন

'শিশুলীলা' খণ্ডত ভাৰত প্ৰসংগৰ কথা উত্থাপন কৰিছে এনেদৰে—

৪। কৃষ্ণকথা শুনিয়ো সমাজে।
জন্ম লভি ভাৰতৰ মাজে।।
আক বৃথা কৰা কোন কামে।
সাধিয়ো মুকুতি হৰি নামে।। ৭৪১।।

— সপ্তম কীৰ্ত্তন

'ৰাসক্ৰীড়া' খণ্ডৰ ১০০৬ সংখ্যক পদত ভাৰত ভূমিৰ কথা এনেদৰে আছে—

৫। কৃষ্ণৰ কিঙ্কৰে কহে শুনা নিৰন্তৰ।
কলিযুগে ভাগ্যে ভাৰতত ভৈলা নৰ।।
হৰি ভকতিত যেৱে কৰা দৃঢ় মতি।
ই জন্মত নিশ্চয়ে পৰম পাইবা গতি।।১০০৬।।

—সপ্তম কীৰ্ত্তন

'মুচুকুন্দ স্তুতি'ৰ ১৩৮৩ সংখ্যক পদত শঙ্কৰদেৱে ভাৰত প্ৰসংগ এনেদৰে উত্থাপন কৰিছে—

৬। ভাৰতে দুৰ্ল্লভ নৰদেহা পায়া
নভজৈ তোম্হাৰ পাৱ।
গৃহ অন্ধকুপে পড়িয়া থাকয়
পশুৰ যেন স্বভাৱ।।১৩৮৩।।

—তৃতীয় কীৰ্ত্তন

'নাৰদৰ কৃষ্ণদৰ্শন' খণ্ডত ভাৰতৰ প্ৰশংসা আছে এনেদৰে—

৭। জানিয়া সৱে এড়া ভাষভুষ।
ভাগ্যেসে ভাৰতে ভৈলা মানুষ।।
আক বৃথা কৰা বিষয় ভোলে।
মাণিকক বিকা কাচৰ মোলে।।১৫২৫।।

—পঞ্চম কীৰ্ত্তন

'বেদস্তুতি'ত ভৰতৰ প্ৰশংসা কৰি শংকৰদেৱে কৈছে—

৮। তুমিসি পৰম প্ৰিয় আত্মা নাৰায়ণ।
তযু পদ পঙ্কজে মজোক মোৰ মন।।
ভাৰতে মনুষ্য জন্ম নাহিকে সেন্থৰে।
তোম্হাক নভজি আত্মঘাত কৰি মৰে।।১৬৫৮।।

—প্ৰথম কীৰ্ত্তন

উপৰি উক্ত আঠটি পদৰ সাৰমৰ্ম একেলগে চমুৱাই ক'লে এনেকুৱা হ'ব- কলিকাল, নৰতনু, ভাৰতবৰ্ষ আৰু হৰিনাম এই চাৰিৰ সংযোগত মনুষ্য জীৱনে সাৰ্থকতা লাভ কৰিবলৈ সমৰ্থ হয়। মহাপুৰুষ মাধৱদেৱেও এই চাৰিৰ সংযোগৰ মহিমা এটি বৰগীতত এনেদৰে স্পষ্টভাৱে ব্যক্ত কৰিছে—

"ধন্য ধন্য কলিকাল ধন্য নৰতনু ভাল
ধন্য ধন্য ভাৰত বৰিষে।
তপ জপ যজ্ঞ তেজি তোমাৰ চৰণে ভজি
তুৱা নাম ঘোষিও হৰিষে।।"

দুয়োজন মহাপুৰুষৰ ভাৰত মাহাত্ম্যৰ মূল কথাটো কিন্তু হৰিনামহে। কলিকালত জন্ম লভিলেই জীৱন ধন্য ন'হব, অথবা কলিকালত মানুহৰ তনু পালেও জীৱন ধন্য নহ'ব আৰু ভাৰতবৰ্ষত কলিকালত নৰতনু পালেও জীৱন ধন্য নহ'ব— জীৱন ধন্য হ'ব তেতিয়াহে যেতিয়ানেকি মানুহে "তপ জপ যজ্ঞ তেজি/তোমাৰ চৰণে ভজি/তুৱা নাম ঘুষিয়ো হৰিষে"—কৰিব পাৰিব। ভাৰত প্ৰসংগয়েই বোলক, ভাৰত মাহাত্ম্যয়েই বোলক,

ভাৰত প্ৰশংসা বা বন্দনায়ে বোলক বা ভাৰত প্ৰেমেই বোলক- যিয়েই নোবোলক কিয় হৰিনামৰ সংযোগ কলিকাল, ভাৰত মাতৃ আৰু মনুষ্য তনুৰ লগত ঘটিব লাগিব। প্ৰবৃত্তি মাৰ্গ পৰিহাৰ কৰি নিষ্কাম ভাৱে হৰিৰ নামত মনভাইক মজাই দিব পাৰিলেহে ভাৰতত কলিকালত নৰতনু লাভ কৰাটো সাৰ্থক হ'ব। যেনেকৈ সকলো বীজৰে অঙ্কুৰণ ঘটিবৰ বাবে এটা নিৰ্দিষ্ট ঋতু থাকে আৰু নিৰ্দিষ্ট কালত অংকুৰিত হলেহে স্বাভাৱিকভাৱে শ্ৰীবৃদ্ধি লাভ কৰে, তেনেকৈ বীজ স্বৰূপ জীৱাত্মাই ঋতুস্বৰূপ কলিকালত উৰ্বৰা ভূমি ভাৰতবৰ্ষত অঙ্কুৰণ ঘটি ৰামনামৰ মাধ্যমেৰে জীৱাত্মা বীজ শ্ৰীবৃদ্ধি কৰিব পাৰিব লাগিব। যথোপযুক্ত প্ৰাকৃতিক পৰিৱেশ যদি নাপায়, তেনেহলে বীজ যিমানেই ভাল নহওক কিয়, তাৰ পৰা কৃষকে ভাল ফল নাপায়। শঙ্কৰদেৱে ২১৪ সংখ্যক পদত অজামিল উপাখ্যানত কবলৈ গৈছে যে পৰমেশ্বৰেও বাচি বাচিহে কিছু মনুষ্য বীজ ভাৰতবৰ্ষত পুণ্যভূমিত ৰোপণ কৰিছে। মহাপুণ্যৱানসকলেহে ইয়াত জন্ম লাভ কৰিছে। কৌটি কৌটি বাৰ যোনি ভ্ৰমণ কাৰাৰ পিছতহে ভাৰতভূমিত সফল বীজ স্বৰূপ পুণ্যৱান জীৱাত্মাৰ আগমন ঘটিছে।

শঙ্কৰদেৱে ভাৰতবৰ্ষক প্ৰশংসা কৰাৰ প্ৰধান কাৰণ হ'ল এইখন ভাৰতবৰ্ষতেই ঋষি-মুনি, তপস্বী, সাধকসকলৰ সাধনাৰ ফলত উপনিষদসমূহত জীৱন-জগতৰ ৰহস্য উদ্ভাসিত হৈছে। পৰমব্ৰহ্মৰ প্ৰতি ৰসময়ী ব্যক্তি মাৰ্গৰো দৰ্শন ইয়াতেই পৰিস্ফুট হৈছে। এনে মহান ভক্তিমাৰ্গ কেৱল বিশেষ এখন দেশৰ বাবে, বিশেষ এটা জাতি বা সম্প্ৰদায়ৰ বাবে সৃষ্টি হোৱা নাই; সৃষ্টি হৈছে সৰ্বকালৰ, সৰ্বমানৱৰ কল্যাণৰ বাবে। সেয়েহে শঙ্কৰদেৱে ভাৰতভূমিক প্ৰশংসা কৰিলেও ওবা নৰলোক, সমজ্যাৰ লোক, সামাজিক লোক আদি সম্বোধনেৰেহে তাৰাৰ জীৱনদৰ্শন স্পষ্টৰূপে প্ৰকাশ কৰিছে। শঙ্কৰদেৱৰ দৃষ্টিত ভাৰতভূমিয়েই একমাত্ৰ শ্ৰেষ্ঠ আৰু পবিত্ৰ ভূমি এই কাৰণেই যে ইয়াত অন্যদেশৰ দৰে বস্তুবাদী আৰু ভোগবাদী দৰ্শনৰ প্ৰাচুৰ্য নাই; ইয়াত আছে ত্যাগ, পৰোপকাৰ, অহিংসা নীতি আৰু দয়া-কৰুণাৰ মহামন্ত্ৰ। এইখন ভাৰতভূমিতেই ভগৱানে নানা অৱতাৰ গ্ৰহণ কৰি "পৰিত্ৰাণায় সাধুনাং বিনাশায় চ দুষ্কৃতাম্" নীতিৰে ধৰ্ম সংস্থাপন কৰি মানৱজীৱনক ধন্য কৰিছে। ভগৱানৰ অৱতাৰ ৰামেও সেয়েহে কৈছে "জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী"।

শঙ্কৰদেৱে মানৱী তনু শ্ৰেষ্ঠ বোলাৰ প্ৰধান যুক্তিটোৱেই হ'ল "হৰিৰ চৰণত শৰণ লৈলো এ হৰি নাৰায়ণ/মানৱী জনম সাফল কৈলো এ হৰি নাৰায়ণ" (নাম-ঘোষা)। মানুহ ব্যতিৰেকে আন প্ৰাণীয়ে পৰমব্ৰহ্মৰ সাধনা কৰিব নোৱাৰে। মানুহৰহে একমাত্ৰ আধ্যাত্মিক তথা ধৰ্মীয় জীৱন এটা গ্ৰহণ কৰাৰ সুবিধা আছে। আধ্যাত্মিক জীৱন অবিহনে মানুহৰ জীৱন পশুতুল্য বুলি শঙ্কৰদেৱে দঢ়াই দঢ়াই তাৰাৰ অমৃতময় বাণীত ব্যক্ত কৰিছে। "সবাৰ উপৰে মানুষ সত্য তাহাৰ উপৰে নাই"— বুলি কবি চণ্ডীদাসে কোৱা কথাৰ সাৰ্থকতা আছে কেৱল আধ্যাত্মিক জীৱনৰ বাবেহে, অন্যথা ই অৰ্থশূন্য হ'ব। মানুহ জাতিক উৰণ, বুৰণ, গজন, ভ্ৰমণৰ আন প্ৰাণীসমূহে শ্ৰেষ্ঠ বুলি নোকোৱালৈকে নিজে দি লোৱা মানুহৰ শ্ৰেষ্ঠত্বৰ প্ৰমাণ পত্ৰ কিমান সঁচা, সেইয়া মানুহৰ আত্মবিশ্লেষণেৰেহে জুখিব পাৰিব। বিশ্বকবি ৰবীন্দ্ৰনাথেও সেয়েহে ভগৱৎ প্ৰেমৰ উপলব্ধিৰেহে মানুহৰ শ্ৰেষ্ঠত্বৰ প্ৰমাণ পোৱা যায় বুলি প্ৰকাশ কৰিছে—

"সীমাৰ মাঝে অসীম তুমি
বাজাও আপুন সুৰ

তোমাৰ মাঝে আমাৰ প্ৰকাশ
তাই এত মধুৰ।”
—গীতাঞ্জলি

ভাৰতৰ মাহাত্ম্য— শঙ্কৰদেৱে এনেদৰে প্ৰত্যক্ষভাৱে উত্থাপন কৰি যোৱাৰ বিপৰীতে পৰোক্ষভাৱেও তাৰাই কীৰ্ত্তন-ঘোষাৰ বিভিন্ন স্থানত ভাৰতৰ বিভিন্ন তীৰ্থস্থান, বিভিন্নজন সাধু-সন্তৰ, নদ-নদী, পৰ্বত-পাহাৰ আদি কৰি সমগ্ৰ দেশৰ মাটি পানী আকাশ বায়ু শঙ্কৰদেৱৰ ৰচনাত আত্মা-পৰমাত্মাৰ মিলনৰ সাঁকো সদৃশ হৈ পৰিছে। শঙ্কৰদেৱৰ বাহিৰে মধ্যযুগৰ ভক্তি আন্দোলনৰ সন্ত-মহন্তসৰৰ ৰচনাত ভাৰত বন্দনা নাই বুলিয়েই কব পাৰি। যি গৰাকী মহাপুৰুষ ভাৰত প্ৰশংসাত পঞ্চমুখ, যি গৰাকী মহাত্মাই অসম-ভাৰতৰ সমন্বয়ৰ ভেটিত মানৱাত্মাৰ ভেটি গঢ়ি গৈছিল— তেনে এগৰাকীক আজি ভাৰতৰ তথাকথিত এচাম পণ্ডিত শিল্পীয়ে নাজানে। শঙ্কৰদেৱ বুলিলে ‘শঙ্কৰদেৱ কে’ বুলি প্ৰশ্ন কৰে। কেনোৱাই প্ৰশ্ন কৰে সদাশিৱ নেকি? কোনোবাই ধ্বনি সাদৃশ্য হেতু উচ্চাৰণ কৰে শঙ্কৰাচাৰ্যৰ নাম। এয়া অসমীয়া জাতিৰ বাবে, ভাৰতীয় জাতিৰ বাবে অতি দুৰ্ভাগ্যজনক। ইয়াৰ বাবে অসমীয়াই নিজৰ গাত চিকুটি চালেই সকলো বুজি পাব। শঙ্কৰদেৱৰ ধৰ্মক মানক বা নামানক, শঙ্কৰদেৱৰ শিল্পকৰ্মক স্বীকৃতি দিয়ক বা নিদিয়ক— সকলো অসমীয়াৰ বাবেই শঙ্কৰদেৱ আৰু শঙ্কৰদেৱৰ বাবে আজি অসমীয়া বুলি সগৌৰৱে মাত মাতি আহিছে। আমি অসমীয়াসকল শঙ্কৰী সংস্কৃতিৰ সন্তান, কৃষ্ণ সংস্কৃতিৰ সন্তান -- এনে উপলব্ধিৰেহে শঙ্কৰদেৱক জগত সভাত স্থান দিব পৰা হ’ব।■■

# সামাজিক শ্ৰেণীভেদৰ সমস্যা আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ শিক্ষা

**ড° অনুৰাধা শৰ্মা**

ভক্তি আন্দোলনৰ সামাজিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱে যি বৃহত্তৰ অসমীয়া জাতি গঠনৰ প্ৰয়াস কৰিছিল তাৰ সূত্ৰ ধৰিয়েই সৰ্বভাৰতীয় জাতিভেদৰ পৰম্পৰাৰপৰা বহুবিষয়ত উদাৰ কেতবোৰ বৈশিষ্ট্য অসমীয়া সমাজত নিদৰ্শনীয় প্ৰতিফলন হিচাপে ৰৈ গৈছে। শঙ্কৰদেৱৰ শিক্ষাক নিৰৱচ্ছিন্ন ধাৰাবাহিকতাৰে বিকাশ কৰিব পৰা হ'লে গতিশীল আৰু বলিষ্ঠ জাতি হিচাপে অসমীয়াসকল বিশ্বত পৰিচিত হ'লহেঁতেন আৰু যিকোনো গোষ্ঠী, জাতি বা সাম্প্ৰদায়িক সংঘৰ্ষ বা এই ধৰণৰ অনুদাৰ মনোভাবৰপৰা অসম মুক্ত হ'লহেঁতেন বুলি ক'ব পাৰি। সেয়ে বৰ্তমানৰ গোষ্ঠী সংঘৰ্ষ, সাম্প্ৰদায়িকতা জাতি-ভেদ পৰিচিতিৰ উৎকট ৰূপে আমাৰ সমাজ প্ৰদূষিত কৰাৰ সময়ত ভক্তি আন্দোলনৰ প্ৰেক্ষাপটত শঙ্কৰদেৱে দি যোৱা সাম্যৰ আদৰ্শলৈ ঘূৰি চোৱাৰ অৱকাশ আছে। ইতিমধ্যে জাতিভেদৰ সমস্যা আৰু শঙ্কৰদেৱৰ প্ৰসঙ্গত যথেষ্ট আলোচনা হৈছে আৰু নতুন নতুন দিশ মুকলি হৈছে যদিও বিষয়টো এনে সদা প্ৰাসঙ্গিক যে বাৰম্বাৰ উল্লেখযোগ্য এই কথাকে সোঁৱৰায় দিলে যে পঞ্চদশ শতিকাতেই মহাপুৰুষজনাই সামাজিক শ্ৰেণীভেদৰ ক্ষেত্ৰত যি শিক্ষা দি গৈছে, সেই শিক্ষা যে প্ৰকৃত মানুহ হোৱাৰ পথ তাক ভক্তিধৰ্মৰ বাহিৰৰ সকলেও অস্বীকাৰ কৰিব নোৱাৰে।

বাণীকান্ত কাকতিয়ে 'শঙ্কৰদেৱৰ আধ্যাত্মিক দান'-শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰা শঙ্কৰদেৱৰ চতুৰঙ্গ দানৰ ভিতৰত এটি হৈছে সামাজিক শ্ৰেণীভেদ উলংঘা কৰি সমাজৰ পিছপৰি থকাসকলকো সাধনাৰ ক্ষেত্ৰত সমান অধিকাৰ দান। ভক্তিৰ বাটত "কৰ্মৰ বিভীষিকা আৰু সামাজিক ব্যৱধানৰ কুঁৱলী আঁতৰায় সকলোকে ভয় নোহোৱাকৈ খোজ কাঢ়িবৰ জন্মগত অধিকাৰ মহাপুৰুষে দান কৰে।[১] ইয়াত 'সামাজিক শ্ৰেণীভেদৰ কুঁৱলী' আৰু জন্মগত অধিকাৰ' অতি তাৎপৰ্যপূৰ্ণ। হিন্দু সমাজৰ বৰ্ণ ব্যৱস্থাই সামাজিক শ্ৰেণীভেদৰ স্তৰ সৃষ্টি কৰিছিল। অৱশ্যে এয়া অকল অসমৰ সমাজ ব্যৱস্থাৰ এক বৈশিষ্ট্য বুলি ক'লে ভুল কৰা হ'ব, আৰ্যসকলৰ বৰ্ণব্যৱস্থাৰ সৃষ্টিৰ লগে লগে সামগ্ৰিকভাৱে হিন্দু সমাজত উচ্চ-নীচৰ প্ৰৱণতাই গা কৰি উঠিছিল। বৰ্ণ বা জাতিৰ আধাৰত `class of caste`প্ৰণালীৰে আৰ্যসমাজত মানুহক ভাগ ভাগ কৰা হৈছিল, যি পৰৱৰ্তীকালত সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতাৰ সতে সাংগোপাংগে জড়িত হৈ পৰিছিল। গীতাত কৃষ্ণই 'চতুৰ্বৰ্ণং ময়া সৃষ্টং গুণকৰ্ম বিভাগশঃ'-বুলি বিষয়টো সম্পূৰ্ণভাৱে গুণ আৰু কৰ্মৰ লগত জড়িত কৰিছে, কিন্তু ব্যৱহাৰিক ক্ষেত্ৰত বৰ্ণভেদ গুণ আৰু কৰ্মৰ বিভাগ অনুসৰি হোৱা নাছিল। পিছলৈ ব্ৰাহ্মণ্যবাদীৰ প্ৰতাপত গোটেই ব্যৱস্থাটোৱে তীব্ৰৰূপ ধাৰণ কৰি সমাজখনক ছানি ধৰিছিল। পৰৱৰ্তীকালত উচ্চ-নীচৰ ভেদ অৰ্থনীতিৰ লগতো জড়িত হৈ পৰিল। "অৰ্থ সম্পত্তি বা প্ৰতিপত্তি থকাসকলে উচ্চশ্ৰেণীৰ মৰ্যাদা ভোগ কৰাত কোনো অসুবিধা নাছিল। আনহাতে সমাজৰ অধিক ক্ষমতাবাদ শ্ৰেণীটোৱেই আছিল ৰাজন্যবৰ্গ। এই ৰাজন্যবৰ্গৰ স্বাৰ্থতে সকলো নীতি-নিয়ম প্ৰণয়ন কৰি ব্ৰাহ্মণসকল ক্ৰমান্বয়ে বিশাল

ভূ সম্পত্তিৰ অধিকাৰীও হৈছিল আৰু ইয়াৰ বিনিময়ত ক্ষত্ৰিয়সকলে বৈশ্য আৰু শূদ্ৰসকলক শোষণ কৰা কাৰ্যত তেওঁলোক প্ৰধান হিচাপে থিয় দিছিল। ভালদৰে চালে দেখা যায় অৰ্থনৈতিক সুবিধাৰ এই আন্তঃসম্পৰ্কবোৰে ব্ৰাহ্মণসকলক ৰাজকীয় শক্তিৰ লগত গাঁঠি পেলাইছিল আৰু এই দুয়োটা শক্তিৰ প্ৰভাৱত বৰ্ণব্যৱস্থা সমাজত স্থায়ীভাৱে শিপাই পৰিছিল।”[২]

সৰ্বভাৰতীয় প্ৰেক্ষাপটত অসমৰ জনগাঁথনি কিছু পৰিমাণে ভিন্ন। বিশেষকৈ আৰ্য আৰু আৰ্যভিন্ন লোকৰ সুষম সমন্বয়ত গঢ় লৈ উঠা বহুতো সাংস্কৃতিক উপাদান বা বৈশিষ্ট্যত বিশুদ্ধতা বা মৌলিকতা বিচাৰি উলিওৱাটো জটিল আৰু দুৰূহ। অসমৰ প্ৰাচীন ইতিহাসলৈ চালে দেখা যায় যে ৰাজ্যশাসনৰ দায়িত্ব কিৰাতবংশী ৰজাই লৈছিল আৰু elite culture বুলি পৰিগণিত হোৱা হিন্দুধৰ্মৰ প্ৰতি আগ্ৰহী আছিল। ৰাজ্যশাসনৰ সুবিধাৰ বাবেই হওক বা হিন্দু সংস্কৃতিৰ প্ৰতি থকা আকৰ্ষণৰ বাবেই হওক এওঁলোকে হিন্দুধৰ্ম গ্ৰহণ কৰি হিন্দুসভ্যতা বা সংস্কৃতিৰ প্ৰসাৰণ ঘটাইছিল সঁচা কিন্তু সাধাৰণ প্ৰজাৰ মাজত বৰ্তি থকা জাতিভেদৰ বৈষম্য আঁতৰাবলৈ চেষ্টা কৰা নাছিল বা সাধাৰণ জনজাতীয় প্ৰজাৰ ধৰ্মৰ ক্ষেত্ৰত সামাজিক মৰ্যাদা কি হ'ব এই কথাও বিচাৰ কৰা নাছিল। লক্ষণীয় বিষয় যে, জনজাতীয় লোকসকলৰ ধৰ্মক ৰাজধৰ্মৰ সৈতে একাকাৰ কৰি হিন্দুসমাজৰ মাজলৈ আনিছিল যদিও এওঁলোকৰ স্থান আছিল হিন্দুসমাজখনৰ একেবাৰে তলৰ স্তৰত। তথাকথিত উচ্চবৰ্ণৰ হিন্দুসকলৰ বৰ্ণাভিমানে তেওঁলোকৰ লগত সামাজিকভাবে মিলামিছা কৰাত বাধা আৰোপ কৰিছিল। অসমীয়া সাহিত্যৰ প্ৰথম লিখিত নিদৰ্শন হিচাপে পৰিচিত চৰ্যাপদতো ইয়াৰ স্পষ্ট স্বাক্ষৰ আছে।[৩]

শঙ্কৰদেৱৰ আদৰ্শই এই যিটো ‘সামাজিক শ্ৰেণঈভেদৰ ব্যৱধানৰ কুঁৰলী আঁতৰায় বুলি বাণীকান্ত কাকতিয়ে অভিহিত কৰিছে ই কিমান গভীৰ আৰু ব্যাপকভাৱে খোপনি পুতি থকা সামাজিক বৈষম্যৰ বিষয় এটাক প্ৰতিহত কৰিবলৈ প্ৰয়াস কৰিছিল তাক হিন্দুধৰ্ম-সংস্কৃতিৰ ইতিহাস, সমাজব্যৱস্থা আৰু পৰম্পৰাৰ সামান্যতম আভাস থকা ব্যক্তিমাত্ৰেই ক'ব পাৰে। কাৰণ, সামাজিক শ্ৰেণীভেদৰ সমস্যা বা কুঁৰলী আঁতৰোৱাৰ সমসাময়িক পৰিৱেশ বা পৰিস্থিতি অনুকূল নাছিলেই বৰং শক্তিশালী হেঙাৰস্বৰূপে উদাৰ আৰু মুকলি চিন্তাক অহৰহ বাধা দিবলৈ চেষ্টা কৰিছিল। আজি একবিংশ শতিকাৰ বিজ্ঞানৰ যুগ বুলি গৰ্ব কৰাৰ সময়তো হিন্দুসমাজৰ সামাজিক শ্ৰেণীভেদ শিথিল হৈ যোৱা নাই, সেইক্ষেত্ৰত চাৰে পাঁচশ বছৰ আগৰ পৰিৱেশ বিবেচনীয়।

শঙ্কৰদেৱৰ পূৰ্বৰ অসমীয়া সমাজখনত জাতিভেদৰ বান্ধোনে কঠোৰ অনুশাসনৰ ৰূপ লৈছিল। জাতিভেদৰ প্ৰসঙ্গত শঙ্কৰদেৱৰ শিক্ষা বিচাৰ কৰিলে এই কথাখিনি আগত ৰাখিবলগীয়া হয় এইবাবেই যে শঙ্কৰদেৱে অসমত বৰ্ণবৈষম্য আঁতৰাবলৈ প্ৰকাশ্যে কোনো সামাজিক বিপ্লৱৰ সৃষ্টি কৰা নাছিল আৰু সেই সময়ত যুগ যুগ ধৰি চলি অহা সংস্কাৰৰ বিৰোধিতা কৰাটো সম্ভৱপৰো নাছিল। এনে কৰাহেঁতেন ৰজা-প্ৰজা উভয়ৰে অধিকতৰভাৱে ৰোষৰ বলি হৈ তেওঁৰ ভক্তিধৰ্ম তিষ্ঠি থকাই টান হ'লহেঁতেন। গতিকে স্পৰ্শকাতৰ বিষয় এটা অতি সন্তৰ্পণে ধৰ্মৰ লগত জড়িত কৰি তেওঁ দুৱাৰখন মুকলি কৰি দিছিল। আন এক মনকৰিবলগীয়া কথা হ'ল-জাতিভেদৰ সমস্যাৰ উৎস পোনতে ধৰ্ম, পিছতহে ই সামাজিক স্তৰত শক্তিশালী ৰূপত শিপাইছে। আকৌ, সামাজিক জীৱনত ধৰ্মীয় ক্ৰিয়াকাণ্ডই সদায় আগস্থান পায়। গতিকে, গুৰিৰ পৰা নিৰ্মূল কৰিব নোৱাৰিলে ইয়াৰ গ্ৰাসৰপৰা সমাজ মুক্ত কৰাৰ কোনো উপায় নাই। এই দিশৰপৰা চালে তেওঁ প্ৰকাশ্যে কোনো সামাজিক বিপ্লৱৰ সৃষ্টি নকৰিলেও ভক্তিধৰ্মত যি ‘আধ্যাত্মিক সাম্য'ৰ ধাৰণা প্ৰতিষ্ঠা কৰি থৈ গৈছে, সেয়াই শ্ৰেণীভেদৰ কুঁৰলী আঁতৰাবলৈ সক্ষম হৈছে। গতিকে,

মহেশ্বৰ নেওগৰ "Sankardeva did not venture to pull down caste discriminations"[৪] কথাষাৰ বিচাৰৰ ক্ষেত্ৰত সেই সময়ৰ সামাজিক পটভূমি বিবেচনীয়। যুগ যুগ ধৰি চলি অহা সংস্কাৰৰ বিৰুদ্ধে পোনপটীয়াকৈ বিদ্ৰোহ কৰিবলৈ গ'লে নিঃসন্দেহে তেওঁৰ জীৱন আৰু বিপন্ন হৈ পৰিলেহেঁতেন। গতিকে জাতিভেদৰ সমস্যা সমাধানৰ বাবে সেই যুগৰ পৰিবেশো নাছিল। কিন্তু উপাস্য আৰু উপাসকৰ ভিতৰত কৰ্মৰ বাহুল্য, সামাজিক শ্ৰেণীবন্ধ আদিৰ ভিতৰত যি অজ্ঞানতাৰ কুঁৱলী বিয়পি আছিল, মহাপুৰুষৰ প্ৰতিভাৰ পোহৰত সি আঁতৰি গৈ চিৰন্তন আৰ্যসত্যক প্ৰকাশ কৰিছিল।[৫] আধ্যাত্মিক উপলব্ধিত সামাজিক শ্ৰেণীবিভাগ অনুসৰি অধিকাৰ ভেদ থাকিব নোৱাৰে, অৰ্থাৎ ঈশ্বৰ উপাসনাৰ ক্ষেত্ৰত উচ্চনীচৰ ভেদ নাই। ভকতিত জাতি-অজাতিৰ বিচাৰ নিষ্প্ৰোজনঃ

> কৃষ্ণৰ কথাত যিটো ৰসিক।
> ব্ৰাহ্মণ জন্ম তাৰ লাগে কিক।।
> স্মৰোক মাত্ৰ হৰি দিনে ৰাতি।
> নবাছে ভকতি জাতি-অজাতি।।৫৮।।
>
> —পাষণ্ড মৰ্দ্দন

জাতিভেদৰ প্ৰতি অনাস্থা নাথাকিলে তেওঁ এইদৰে প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন। "ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল" বুলি কৰা উল্লেখেই সেই সময়ৰ সমাজ পৰিপ্ৰেক্ষিতত এক শক্তিশালী স্থিতি। এইক্ষেত্ৰত শিৱনাথ বৰ্মণৰ "শঙ্কৰদেৱ জাতিভেদৰ বিৰোধী নাছিল"[৬] বুলি কৰা মন্তব্যৰ স'তে আমি একমত হ'ব নোৱাৰোঁ। অৱশ্যে, তেওঁ এই কথা উল্লেখ কৰিছে, "জাতিভেদৰ ক্ষেত্ৰত শঙ্কৰদেৱৰ প্ৰগতিশীলতা এইখিনিতে যে নামধৰ্মৰ ভাণ্ডাৰ তেওঁ খুলি দিছিল সমাজৰ সকলো জাতিৰ মানুহৰ বাবেই।"[৭] সেই সময়ৰ সমাজ পৰিপ্ৰেক্ষিতত এইখিনিয়েই যথেষ্ট আছিল। জাতিভেদৰ বিৰোধী নহ'লে তেওঁ সকলোৰে বাবে ধৰ্মৰ দুৱাৰ মুকলি কৰি নিদিলেহেঁতেন। তথাকথিত নিম্নস্তৰৰ মানুহক আধ্যাত্মিক অধিকাৰ সম্পৰ্কে তেওঁ সচেতন কৰি তুলিছিল। আনহাতে, ধৰ্মৰ ক্ষেত্ৰত থকা ব্ৰাহ্মণসকলৰ প্ৰাধান্যও তেওঁ প্ৰত্যাহ্বান সৃষ্টি কৰিছিল। "ব্ৰাহ্মণক জাতি হিচাপে তেওঁৰ লেখাত বা শিক্ষাত ক'তো নিন্দা কৰা হোৱা নাই।"[৮] তেওঁৰ ব্ৰাহ্মণ শিষ্যও আছিল। 'অগ্ৰগামী প্ৰগতিশীল গোষ্ঠী হিচাপে তেৰোঁ ব্ৰাহ্মণক সন্মান কৰি চলিবলৈ বিচাৰিছিল। ব্ৰাহ্মণ শিষ্যসকলক দামোদৰৰ তাতে শৰণ লোৱাইছিল।"[৯] ধৰ্মৰ ক্ষেত্ৰত এক উদাৰ দৃষ্টিভঙ্গী থকা বাবেই ব্ৰাহ্মণ-অব্ৰাহ্মণকে ধৰি বিভিন্ন জনগোষ্ঠী তথা জনজাতিৰ লোকে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল। ঈশ্বৰৰ ভক্ত হিচাপে সকলো - সন্মানৰ যোগ্য। তথাকথিত জাতিৰ শ্ৰেষ্ঠত্বক তেওঁ অস্বীকাৰ কৰিছিল।[১০] এক উদাৰ আৰু মুকলি মনোভাৱেৰে সকলোকে গ্ৰহণ কৰি নোলোৱাহেঁতেন শঙ্কৰদেৱৰ আদৰ্শই এটা জাতিৰ ভেটি তৈয়াৰ কৰি নগলেহেঁতেন।

সামাজিক শ্ৰেণীভেদ বা পৌৰোহিত্যৰ ব্যৱধান নোহোৱাকৈ ভক্তিৰ ক্ষেত্ৰত তেওঁ যি সকলোৰে সমান অধিকাৰ দান কৰিছিল, সেয়াই বিন্দুতে সিন্ধু হৈ সামাজিক শ্ৰেণীবান্ধোনৰ কুঁৱলী আঁতৰাই 'সাম্য'ৰ ধাৰণাৰে অসমীয়া সমাজ ৰৌদ্ৰোজ্জ্বল কৰি তুলিছিল। যাৰ বাবে সৰ্বভাৰতীয় সমাজখনৰ কেতবোৰ ঠাইত পৰিলক্ষিত বৰ্ণবৈষম্য(Caste discrimination) ,অস্পৃশ্যতা (Untoucbility) আদিৰ ৰূপ অসমীয়া সমাজত কম। ভক্তিধৰ্মৰ ঢৌৱে বংগদেশ, উৰিষ্যা আৰু দাক্ষিণাত্যক প্ৰবলভাৱে চুই গৈছিল, কিন্তু সেইবোৰ ঠাইৰ তুলনাত অসমত জাতিভেদ প্ৰথা শিথিল আৰু অন্যান্য সংস্কাৰৰ ক্ষেত্ৰতো অসমীয়া সমাজ সেইবোৰৰ তুলনাত ভালেখিনি মুক্ত। অসমীয়া সমাজৰ এনে বিশিষ্টতাৰ আঁৰত থকা কাৰকবোৰ চালেই স্পষ্টতঃ ধৰা পৰে শঙ্কৰদেৱৰ ভক্তিধৰ্মৰ আদৰ্শ।

আকৌ, বাণীকান্ত কাকতিয়ে উল্লেখ কৰা

'জন্মগত অধিকাৰে' মানুহক মানুহ হিচাপে জীয়াই থকাৰ অধিকাৰ সূচায়। ই মানৱতাবাদৰ (Humanism) পৰিপোষক। উল্লেখ যে, ভাৰতীয় মানৱতাবাদৰ ধাৰণা আধ্যাত্মিক দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত; ঈশ্বৰ বা আত্মাক বাদ দি নহয়। পাশ্চাত্য মানৱতাবাদৰ লগত এইখিনিতে ইয়াৰ অন্যতম পাৰ্থক্য। গুৰুজনাই মানৱতাবাদী আদৰ্শৰে অসুৰ বা পশুসুলভ আচৰণ এৰি সমস্ত প্ৰাণীকে বিষ্ণুৰূপে পূজা কৰিবলৈ আহ্বান জনাইছে—

হেন জানি অসুৰ স্বভাৱ এৰি।
সমস্ত প্ৰাণীকে পূজা বিষ্ণু বুদ্ধি কৰি।।
—কীৰ্ত্তন-ঘোষা

মানুহে আসুৰিক স্বভাৱ এৰিলেহে যে মংগল সাধন হ'ব সেই কথা তেওঁ উপলব্ধি কৰিছিল। সমস্ত প্ৰাণীতে ঈশ্বৰত্ব আৰোপৰ ধাৰণাই মনুষ্যত্বৰ পৰম বিকাশ। এনে মানৱতাবাদী দৰ্শনেৰে তেওঁ ভক্তিধৰ্মত সকলোকে সমান অধিকাৰ দান কৰিছে। প্ৰকৃততে "সমাজৰ সকলো স্তৰৰ লোককে একশৰণ হৰিনাম ধৰ্মত দীক্ষিত কৰি এখন বহল সমাজ গঢ়াৰ ব্যৱস্থা কৰিছিল। বৰ্ণব্যৱস্থা প্ৰতিহত কৰিবলৈ সকলোকে একে শাৰীলৈ অনাৰ ব্যৱস্থা কৰিছিল।"[১১] শঙ্কৰদেৱৰ ভক্তিধৰ্মত জন্মগতভাৱে কোনো শ্ৰেষ্ঠ নহয়, ভক্তিৰ বলত তথাকথিত নিম্নস্তৰৰ মানুহেও উচ্চাসন লাভ কৰিব পাৰেঃ

চণ্ডালে কৰিছে হৰি কীৰ্ত্তন।
বুলি তাক নিন্দে অজ্ঞজন।।
তাক সম্ভাষণ যিজনে কৰে।
আজন্মৰ পুণ্য তেখনে হৰে।।১৭।।
—পাষণ্ড মৰ্দ্দন

চণ্ডালো হৰি নাম লৱে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ।।৪৭।।
—পাষণ্ড মৰ্দ্দন

হিন্দুধৰ্মৰ ব্ৰাহ্মণ্যবাদী ধাৰাত সমাজত উচ্চাসন লাভ কৰিছিল-- পুৰোহিত শ্ৰেণীটোৱে। আনহাতে শঙ্কৰদেৱৰ ভক্তিধৰ্মত হৰিনাম লৈ চণ্ডালেও যজ্ঞৰ পাত্ৰ হ'ব পাৰে। তথাকথিত নিম্ন জাতিৰ মানুহক এনে যোগ্যতা দানে প্ৰতিপন্ন কৰিছে-- মানুহৰ জন্মগত অধিকাৰ। জন্মত নহয়, ভক্তিতহে ভকত শ্ৰেষ্ঠ। এনে আদৰ্শৰ বাবেই শঙ্কৰদেৱৰ সমাজ সকলো শ্ৰেণীৰ মানুহৰ বাবে মুকলি আছিল। গোবিন্দ গাৰো, পৰমানন্দ মিৰি, নৰহৰি আহোম, জয়ৰাম ভোট, চান্দসাই যৱন আৰু ভট্টদেৱ ব্ৰাহ্মণে তেওঁৰ সমাজত একেলগে ঠাই পুৰাইছিল।[১২] সমসাময়িক অসমৰ প্ৰায় সকলোবোৰ জাতি-জনগোষ্ঠীৰ মানুহ শঙ্কৰদেৱৰ শিষ্য হৈ পৰিছিল। বিষ্ণুৰাভাই উল্লেখ কৰিছেঃ "মাৰ্ক্সৰ সাম্যবাদ আৰু গান্ধীৰ গান্ধীবাদৰ আগেয়ে তেওঁ তেনে নীতি প্ৰচাৰ কৰিছিল।"[১৩] উপৰুৱাকৈ চালে মৰ্ক্স বা গান্ধীৰ নীতি তেওঁলোকতকৈ আগতেই প্ৰচাৰিত বুলি কৰা উক্তিত অতিৰঞ্জনৰ আভাস আছে। কিন্তু তাত্বিক দিশৰপৰা নাচাই যদি আমি ব্যৱহাৰিক দিশত চাওঁ তেন্তে দেখা পাম শঙ্কৰদেৱে এখন শ্ৰেণীহীন ভক্তৰ সমাজ গঢ়িবলৈ প্ৰয়াস কৰিছিল য'ত সকলোৰে অধিকাৰ সমান।

শঙ্কৰদেৱৰ ভক্তিধৰ্মত জাতি-অজাতিৰ বিচাৰহীনতাই উপাসনাৰ ক্ষেত্ৰত সাম্যভাৱৰ অৱতাৰণা কৰিছে। নিঃসন্দেহে ই সাম্যভাবৰ 'বীজ' মাত্ৰ। কিন্তু বীজৰপৰাই মহীৰুহ হয়। উপযুক্ত পৰিৱেশ পালে আধ্যাত্মিক ক্ষেত্ৰৰপৰা ই সামাজিক ক্ষেত্ৰলৈ বিস্তাৰণ ঘটিলহেঁতেন। শঙ্কৰদেৱৰ আদৰ্শ তেওঁৰ উত্তৰসুৰীসকলে সঠিকভাৱে অনুধাৱন কৰিব নোৱাৰাবাবেই ইয়াৰ বিকাশ নঘটিল। হীৰেন গোহাঁইৰ ভাষাৰে "সেই যুগৰ পৰিৱেশ তেওঁৰ উদাৰতাৰ আৰু বহল মনোভাবৰ জোখাৰে নাছিল বাবে শেষ পযন্ত জাতিভেদৰ ঢাপৰ মাজেতে সি বৈ গ'ল। তথাপি এই আন্দোলনে এক বহল, সুচল, মুকলি গণতান্ত্ৰিক জীৱনাদৰ্শৰ যি ধ্বনি তুলিছিল, তাৰ প্ৰতিধ্বনিয়েই আজিও অসমীয়া জাতীয় সংহতিৰ ঘাই প্ৰেৰণা।"[১৪] সকলো ধৰ্মীয় ক্ৰিয়া-কাণ্ড আঁতৰাই থৈয়ো সামাজিক শ্ৰেণীভেদৰ

ক্ষেত্ৰত শঙ্কৰদেৱৰ শিক্ষাক সাৰোগত কৰি আমি জাতীয় জীৱনৰ উৎকৰ্ষ সাধন কৰিব পাৰোঁ। সেয়ে ধৰ্মগুৰু হিচাপে অকল নহয়, জাতীয় জীৱনৰ গুৰু হিচাপে শঙ্কৰদেৱৰ আদৰ্শ সদা স্মৰণীয়।■■

**প্ৰসঙ্গ টোকা ঃ**


১) বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ,১৯৯১,পৃঃ ০৪

২) বৰা, দিলীপ ঃ সমাজ সাহিত্য আৰু সংহতি, ভৱানী অফেছেট এণ্ড ইমেজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ, ২০০৮, পৃঃ ৫৫

৩) নগৰে বাহিৰে ডোম্বী তোহাৰি কুড়িয়া। চোই ছোই যায় যো ব্ৰাহ্ম নাড়িয়া"(১০ নং চৰ্যা)

৪) Neog, Maheswar- Sankardeva and His Times, Gauhati Univerisity, 1965, page-116

৫) বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ,১৯৯১ পৃঃ ০৩

৬) বৰ্মণ, শিৱনাথ ঃ শ্ৰীমন্ত শঙ্কৰদেৱ কৃতি আৰু কৃতিত্ব, পূৰ্বাঞ্চল প্ৰকাশ,১৯৮৯ পৃঃ ৯৮

৭) উল্লিখিত গ্ৰন্থ, পৃঃ ৯৮

৮) বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ১৯৯১, পৃঃ ২২২

৯) গোহাঁই, হীৰেন ঃ অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, লয়াৰ্ছ বুক ষ্টল, ১৯৯০, পৃঃ ১০

১০) "আধ্যাত্মিক উপলব্ধি যদি ঈশ্বৰ আৰু শুদ্ধ মনৰ ভিতৰত বুজা-বঢ়া কৰিবলগীয়া বিষয় হয়, তেনেহ'লে সামাজিক শ্ৰেণীবিভাগ অনুসৰি ইয়াত অধিকাৰ ভেদ থাকিব নোৱাৰে।ওখকুলীয়া মানুহহে ঈশ্বৰ আৰাধনাৰ অধিকাৰী বা নীহকুলীয়া মানুহৰ ইয়াত অধিকাৰ নাই, এনে ভেদ-জ্ঞান ইয়াত থাকিব নোৱাৰে।"--বাণীকান্ত ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ১৯৯১, পৃঃ ০৩

১১) নাথ, জীৱকান্ত (সম্পাদক) ঃ প্ৰেম অমৃতৰ নদী, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, অষ্ঠিতম বাৰ্ষিক অধিবেশন, ১৯৯৯, মিলেশ্বৰ পাতৰৰ প্ৰবন্ধ 'শঙ্কৰদেৱ আৰু গোষ্ঠী প্ৰৱণতাঃ বাস্তৱতাৰ পটভূমিত," পৃঃ ১২৪

১২) নেওগ, মহেশ্বৰঃ শ্ৰীশ্ৰী শঙ্কৰদেৱ, চন্দ্ৰ প্ৰকাশ,১৯৮৭, পৃঃ ৯৮

১৩) বিষ্ণুৰাভা ৰচনাৱলী (প্ৰথম খণ্ড), বিষ্ণুৰাভা সোঁৱৰণী গৱেষণা সমিতি,১৯৮২, পৃঃ৭৩

১৪) গোহাঁই, হীৰেনঃ অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, লয়াৰ্ছ বুকষ্টল, ১৯৯০, পৃঃ ১২

# উপনিষদ

**বিপিন চুতীয়া**

চাৰিবেদৰপৰা মুঠ ১৩খন উপনিষদৰ সৃষ্টি হৈছিল।

১। ঋক্‌বেদৰ পৰা ২খন উপনিষদ ঃ (ক) ঐতৰেয়, (খ) কৌষিণ্ডকি।

২। যজুবেদৰ পৰা ৫খন ঃ (ক) কঠ, (ক) শ্বেতাশ্বতৰ, (গ) মহানাৰায়ণ, (ঘ) মৈত্ৰায়ন, (ঙ) তৈত্তিৰীয়, (চ) ঈশোপনিষদ।

৩। সামবেদৰ পৰা ২খন ঃ (ক) কেন, (খ) ছান্দোগ্য।

৪। অথৰ্ব বেদৰপৰা ৩খন ঃ (ক) প্ৰশ্ন, (খ) মুণ্ডক (গ) মাণ্ডুক্য।

প্ৰাথমিক পৰ্যায়ত এই বাৰখন উপনিষদেই আছিল। পৰৱৰ্তী কালত কোনো কোনোৱে উপনিষদৰ পৰিমাণ ইয়াতকৈ অধিক বুলি কৈছে। পৰৱৰ্তী কালত মূল উপনিষদ ১০৮খন বুলি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। উপনিষদবোৰৰ ভিতৰত ঈশোপনিষদখন অতি গুৰুত্বপূৰ্ণ আৰু তত্ত্বগধূৰ। ইয়াত ব্ৰহ্ম, আত্মা, জীৱ আৰু জগতৰ বিষয়ে আলোচনা কৰা হৈছে।

আৰণ্যকত অধ্যাত্ম-বিদ্যাৰ সূচনাহৈ উপনিষদত তাৰ চূড়ান্ত ৰূপ প্ৰতিফলিত হৈছে। শ্ৰীমৎ শঙ্কৰাচাৰ্যই কথোপনিষদৰ ভাষ্যৰ ভূমিকাত উপনিষদ শব্দৰ তাৎপৰ্যৰ বিষয়ে কৈছে যে— উপ - নি + সদ্ + ক্বিপ = উপনিষদ শব্দ নিষ্পন্ন হৈছে। উপ্ পূৰ্বক সদ্ ধাতু ক্বিপ প্ৰত্যয়, নি, ত উপসৰ্গ। সদ্ ধাতুৰ অৰ্থজীৰ্ণ কৰা, বিনাশ কৰা বা গমন বুজায়। সংসাৰত জন্ম-মৃত্যুৰ কাৰণ, অজ্ঞান বা অবিদ্যা বা মায়া জীৰ্ণ কৰি বিদ্যা বা জ্ঞান প্ৰতিষ্ঠা কৰা বিদ্যাকে উপনিষদ বোলা হয়। উপ শব্দৰ অৰ্থ ওচৰত বা কাষত থকা বুজায়। মুমুক্ষুজনৰ অবিদ্যা নাশ কৰি পৰমজ্ঞান দি ব্ৰহ্ম কাষলৈ নি ব্ৰহ্মপ্ৰাপ্তি বা পৰাবিদ্যা লাভ কৰাই দিয়া বিদ্যাকে ব্ৰহ্মবিদ্যা বা উপনিষদ বোলে। যি গ্ৰন্থত ব্ৰহ্মবিদ্যা বা পৰাবিদ্যাৰ কথা আছে— সেই গ্ৰন্থৰ নামেই উপনিষদ গ্ৰন্থ। বেদৰ চমৰ জ্ঞান-ৰহস্য উপনিষদত পোৱা যায়। 'ৰহস্য' শব্দৰ অৰ্থ হৈছে— যি বিদ্যা নিভৃতে, সঙ্গোপনে দান কৰা হয় তাকে ৰহস্য জ্ঞান বোলে। উপনিষদৰ মূল বিষয়বস্তু হৈছে— ব্ৰহ্মবিদ্যা, আত্ম-তত্ত্ব, সৃষ্টি ৰহস্য, পৰলোক-তত্ত্ব, কাৰ্য-কাৰণবাদ, জীৱ আৰু ব্ৰহ্মাৰ ঐক্য।

উপনিষদৰ এই গভীৰ তত্ত্ব জ্ঞান উপলব্ধি কৰি জাৰ্মানৰ বিশ্ববিশ্ৰুত দাৰ্শনিক চোপেনহাৱে (Scopenhauer) ৰোগাক্ৰান্ত হৈ মৃত্যুকালত উপনিষদ পাঠ কৰি গভীৰ আৰু পৰম আনন্দ লাভ কৰি ৰোগ আৰু মৃত্যুৰ বিভীষিকাৰ কথা পাহৰি গৈছিল। তেওঁ কৈছিল "Upanisada has been the solace of my life, it will be the solace of my death." (উপনিষদে মোৰ জীৱনত শান্তি দান কৰিছে, অন্তিমতো উপনিষদ মোৰ পৰম শান্তি দায়িনী হ'ব।" উপনিষদ সম্পৰ্কত মহামনীষীয়ে কৈছে—

"The Upanisada are the most ancient the most sacred foundation of the religious belief and philosophical thought of India and as such, they are the extraordenary value and interest."

অৰ্থাৎ— "ভাৰতীয় ধৰ্মবিশ্বাস আৰু দাৰ্শনিক ধ্যান-ধাৰণাৰ অতি প্ৰাচীন ধৰ্মৰ ভেটি হিচাপে উপনিষদসমূহক ধৰা হয় আৰু এই ক্ষেত্ৰত উপনিষদৰ অসাধাৰণ মূল্য আৰু প্ৰয়োজনীয়তা আছে।"

কিছুমান উপনিষদ ব্ৰাহ্মণৰ আৰু কিছুমান

আৰণ্যকৰ অন্তৰ্গত। যেনে সামবেদৰ জৈমিনীয় ব্ৰাহ্মণৰ, ঐতৰেয় আৰণ্যকৰ ঐতৰেয় উপনিষদ অন্তৰ্গত। সেইদৰে তৈত্তিৰীয় উপনিষদ তৈত্তিৰীয় আৰণ্যকৰ অন্তৰ্গত। কৌষীতকি আৰণ্যক কৌষীতকি ব্ৰাহ্মণৰ অন্তৰ্গত। সেইদৰে বৃহদাৰণ্যক শতপথ ব্ৰাহ্মণৰ অন্তৰ্গত আৰু বৃহৎদাৰণ্যক উপনিষদখন বৃহদাৰণ্যকৰ অন্তৰ্গত। সামবেদৰ পঞ্চবিংশ বা তাণ্ড্যমহা ব্ৰাহ্মণৰ প্ৰথমাংশক আৰণ্যক বোলা হয়। ইয়াৰ উপনিষদ হৈছে ছান্দোগ্য উপনিষদ। সেয়ে আৰণ্যকৰ অন্তৰ্গত উপনিষদসমূহক আৰণ্যক উপনিষদ আৰু ব্ৰাহ্মণৰ অন্তৰ্গত উপনিষদসমূহক ব্ৰাহ্মণ্যোপনিষদ বোলা হয়। কিন্তু শুক্লযজু বেদৰ মন্ত্ৰভাগৰ আধাৰত গঢ়ি উঠা উপনিষদক ঈশোপনিষদক মন্ত্ৰোপনিষদ বোলা হয়।

কোন বেদৰ কোন অংশৰ সৈতে কোন উপনিষদ সংযুক্ত আছে তাক তলত উল্লেখ কৰা হৈছে।

**উপনিষদৰ নাম ঃ কোন বেদৰ কোন অংশৰ লগত সংযুক্ত**

১। ঈশোপনিষদ ঃ শুক্লযজুবেদৰ বাজসনেয় সংহিতাৰ অংশ।

২।ঐতৰেয় ঃ ঋক্‌বেদৰ ঐতৰেয় আৰণ্যকৰ অংশ

৩।কোষীতকি ঃ ঋক্‌বেদৰ সাঙ্খায়ন আৰণ্যকৰ অংশ।

৪।তৈত্তিৰীয় ঃ কৃষ্ণযৰ্জু বেদৰ তৈত্তিৰীয় আৰণ্যকৰ অংশ।

৫।বৃহদাৰণ্যক ঃ শুক্লযৰ্জুবেদৰ শতপথ ব্ৰাহ্মণৰ অংশ।

৬। ছান্দোগ্য ঃ সামবেদৰ ছান্দোগ্য ব্ৰাহ্মণৰ অংশ।

৭। কেন ঃ ঐতিহ্য অনুসৰি কৃষ্ণ যৰ্জুবেদৰ অন্তৰ্গত।

৮। কঠ ঃ ঐ

৯। শ্বেতাশ্বতৰ ঃ ঐ

১০। মুণ্ডক ঃ ঐতিহ্য অনুসৰি অথৰ্ববেদৰ অংশ।

১১। প্ৰশ্ন ঃ অথৰ্ববেদৰ পৈপ্পলাদ শাখাৰ অন্তৰ্ভুক্ত।

১২। মাণ্ডুক্য ঃ ঐতিহ্য অনুসাৰে অথৰ্ববেদৰ অংশ।

ভাৰতীয় দাৰ্শনিক চিন্তা চাৰিটা অৱস্থাৰ মাজেৰে আত্মপ্ৰকাশ কৰিছে।

১। প্ৰাকৃতিক শক্তিৰ উচ্চত দেৱত্ব আৰোপ।

২। এটা মাত্ৰ নৈৰ্ব্যক্তিক সত্তাকে মৌলিক শক্তিৰূপে গ্ৰহণ।

৩। জ্ঞানমাৰ্গৰ দ্বাৰা মুক্তি অন্বেষণ।

৪। ভক্তিমাৰ্গৰ যোগেদি মুক্তিৰ অন্বেষণ ?

ইয়াৰ প্ৰথমটো বেদৰ সংহিতা অংশত দ্বিতীয়টো উপনিষদৰ অংশত, তৃতীয় ছয়খন হিন্দু দৰ্শনত আৰু চতুৰ্থটো বিভিন্ন পুৰাণত পোৱা যায়। ভাৰতীয় দৰ্শনত চাৰিটা চিন্তাৰে স্তৱ আছে। বেদৰ সংহিতা অংশত বহুদেৱতাবাদ, উপনিষদ অংশত সৰ্বেশ্বৰবাদ, ছয়দৰ্শন যুগৰ জ্ঞানমাৰ্গত মুক্তিবাদ স্থাপিত হৈছিল। নাৰদীয় সূক্ত (ঋক্‌বেদ— ১০/১২৯), পুৰুষ সূক্ত (ঋক্‌বেদ— ১০/৯০) আৰু আত্মা-সূক্ত (ঋকবেদ— ১০/১২৫)ত উল্লেখ থকা মতে বিশ্ব এটা মাত্ৰ নৈব্যক্তিক মহাশক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত। তাকে পুৰুষ বোলা হয়। পুৰুষকে 'সৎ' বোলাও হয়। ঋক্‌বেদৰ প্ৰথম মণ্ডলৰ সূক্তটি হৈছে—

একংসদ্ বিপ্ৰা বহুধা বদন্তি।

অগ্নিং যমং মাতৰিশ্বানমাহঃ।। ১/১৬৪/৪৬

"বেদেই উপনিষদৰ সৰ্বঅঙ্গ, সত্যই উপনিষদৰ আয়তন বা আবাসস্থান। উপনিষদত ভক্তিৰ বীজো নিহিত হৈ আছে। উপনিষদৰ ব্ৰহ্ম নিৰ্গুণ নিৰাকাৰ, নিৰঞ্জন।

তলত কেইখনমান বিশেষ বিশেষ উপনিষদৰ সম্পৰ্কত অতি চমুকৈ উল্লেখ কৰা হ'ব।

**বৃহৎ আৰণ্যক উপনিষদৰ তাৎপৰ্য ঃ** ১। দেৱতা-অসুৰ উভয়ে প্ৰজাপতিৰ সন্তান; অৰ্থাৎ বাক, চকু, কাণ, নাক, ছাল— আদি ইন্দ্ৰিয়বোৰ সুপথে চালিত হ'লে দেৱতা আৰু কুপথে পৰিচালিত হ'লে অসুৰ হয়। প্ৰাণ নিজেই প্ৰজাপতি। প্ৰাণে দুয়োকে সৃষ্টি কৰিছে। শৰীৰত যিমান অঙ্গ আছে সকলোতেই ৰস হিচাপে প্ৰাণ থাকে বাবে প্ৰাণক অঙ্গৰস বোলে। প্ৰাণ সৰ্বব্যাপক।

২। আত্মা আৰু প্ৰাণ একে বস্তু। শৰীৰৰ সকলো অংশতে আত্মা প্ৰবিষ্ট হৈ আছে। বাক্য উচ্চাৰণ

কৰোতে আত্মাক বাগিন্দ্ৰিয়, চকুৰে দৰ্শন কৰিলে দৰ্শনেন্দ্ৰিয়, মনেৰে মনন কৰিলে মনেন্দ্ৰিয়, কাণেৰে শ্ৰৱণ কৰিলে শ্ৰৱণেন্দ্ৰিয়, ছালেৰে স্পৰ্শ অনুভৱ কৰিলে শ্ৰৱণেন্দ্ৰিয় বোলা হয়। আত্মাক জানিলে সকলো বস্তুকে জনা যায়। আত্মা পুত্ৰতকৈ প্ৰিয়, বিত্ততকৈ প্ৰিয়, পত্নীতকৈ প্ৰিয়, আন সকলোতকৈ।

"তদৈৎ প্ৰেয়ঃ পুত্ৰাৎ প্ৰেয়ো,
বিত্তাৎ প্ৰেয়োন্যস্ম্যৎ,
সৰ্ব্বস্মাৎ অন্তৰতং যদয়মাত্মা।"

জীৱ প্ৰথমে ব্ৰহ্মই আছিল। গতিকে জীৱই যদি 'অহংব্ৰহ্মাস্মি' বুলি নিজকে জানিব পাৰে, তেন্তে জীৱ ভগৱানৰ লগত এক হৈ যাব পাৰে। দেৱতা বেলেগ, ময়ো বেলেগ বুলি যদি উপাসনা কৰা হয়, তেওঁ পশুৰ নিচিনা হয়। কিয়নো পৰমাত্মাৰ অংশ আত্মাৰ অধীনতহে দেৱতা আৰু ইন্দ্ৰিয়বোৰ পৰিচালিত হয়।

৩। মানুহে যিমানে পুণ্য নকৰক ফল ভোগৰ পাছত পুণ্যখিনি ক্ষয় হ'বই। আত্মাৰূপী ভগৱন্তক উপাসনা কৰিলে পুণ্য ক্ষয় হ'ব নোৱাৰে, মানুহ মুক্ত বা স্বাধীন হ'ব নোৱাৰাৰ প্ৰথম অন্তৰায় হৈছে— বাসনা। সঙ্গ লাভৰ কাৰণে পত্নীৰ কামনা, কৰ্ম সম্পাদনৰ বাবে বিত্তৰ কামনা, এটাও লাভ কৰিব নোৱাৰিলে অসম্পূৰ্ণতাৰ চিন্তাত জুৰুলা হয়। কামনা ত্যাগ কৰিব পৰিলে মানুহ মুক্ত হ'ব পাৰে।

৪। বাক, মন, প্ৰাণ তিনি লোক। বাক্ ইহলোক, মন আৰু প্ৰাণ স্বৰ্গলোক। মনপিতা, বাকমাতা আৰু প্ৰাণপ্ৰজা। উপনিষদত এই ত্ৰিলোকক একেলগে বিজ্ঞান, বিঝিজ্ঞাস্য আৰু অবিজ্ঞাত বোলা হয় বাবেই সকলো নামৰ মূল, চকু সকলো ৰূপৰ মূল আৰু দেহ সকলোকৰ্মৰ মূল। প্ৰাণে সমস্ত দেহকে ধৰি ৰাখিছে। সুপ্ত অৱস্থাতো প্ৰাণৰ কাৰ্য চলি থাকে। প্ৰাণেই গৰু পোৱালী, দেহেই তাৰ ছাল, মূৰটো তাৰ বিশেষ স্থান, শক্তি তাৰ খুটি, অন্ন তাৰ বন্ধাজৰী। প্ৰাণৰ সাতজন জ্ঞাতী আছে আৰু ইহঁত বিদ্ৰোহী। দুই কাণ, দুই নাক (নাকৰ বিন্ধা দুটা), দুই চকু আৰু মুখ-দেহৰ লগতে ইহঁত সৃষ্টি হয় কাৰণে এই সাত বিদ্ৰোহী। মূৰত থকা এই সাত ইন্দ্ৰিয়ক জ্ঞাতি বোলা হয়। কাণ দুখনক গৌতম আৰু ভৰদ্বাজ, দুই চকুক বিশ্বামিত্ৰ আৰু জমদগ্নি, দুই নাকক বশিষ্ট আৰু কাশ্যপ, জিভাক অত্ৰি (অত্ৰি মানে খোৱা, জিভাই অন্ন খায়)। নাম, ৰূপ আৰু কৰ্মৰ জগতখন অনাত্ম। অনাত্ম জগতৰ প্ৰতি বৈৰাগ্য নাহিলে 'অহং ব্ৰহ্মাস্মি' এই বুদ্ধি হ'ব নোৱাৰে।

৫। আত্মাহে জানিবলগীয়া বস্তু। আত্মাই আনক আকৰ্ষণ কৰে বাবেই সংসাৰৰ প্ৰতি, পত্নী-পুত্ৰৰ প্ৰতি, বিত্তৰ প্ৰতি হেপাহ জন্মে। আত্মাই শ্ৰৱণ, মনন, নিদিধ্যাসনৰ দ্বাৰা দৰ্শন লাভ কৰে। শ্ৰৱণ লাভ হয় গুৰু আৰু শাস্ত্ৰৰ পৰা। মননে সন্দেহ, আশংকা যুক্তি তৰ্কেৰে দূৰ কৰিব লাগিব আৰু শাস্ত্ৰৰ সিদ্ধান্তসমূহ মননৰ দ্বাৰ নিশ্চিত হ'লে নিদিধ্যাসন হয়। মনন আৰু নিদিধ্যাসনক একেলগে 'মধুবিদ্যা' বোলে। উপনিষত ইয়াক কোৱা হৈছে— "ইয়ং পৃথিৱী সৰ্ব্বেষাং ভূতানাং জধু। অস্মৈ পৃথিৱী সৰ্ব্বভূতানি মধু।"

৬। 'মৃত্যু' কি? পৰমাৰ্থিক দৃষ্টিত ইন্দ্ৰিয় আৰু ইন্দ্ৰিয়ৰ বিষয়বোৰৰ জীৱ বা আত্মা বান্ধখাই থকাটোহে আচল মৃত্যু। পৰমাৰ্থিক দৃষ্টিত যি মৃত্যু হয়, সি অজ্ঞানতাৰ কাৰণেহে আচল মৃত্যু। মৃত্যুৰ সময়ত মানুহ যেতিয়া দুৰ্বল আৰু সংজ্ঞাহীন হৈ পৰে, তেতিয়া জীৱাত্মাই ইন্দ্ৰিয়বোৰক লৈ হৃদয় আকাশলৈ গুচি যায়। অতীতৰ কৰ্মৰাজিৰ সংস্কাৰ অনুযায়ী দেহধাৰণ কৰে। পৰলোকত মাত্ৰ জীৱই কৰ্মৰ ফলহে ভোগ কৰে ফল উৎপন্ন কৰিব নোৱাৰে। পৰলোকত উত্তম বা অধম দেহত নিজকৰ্মৰ ফল ভোগ কৰে, নতুন ফল ভোগ কৰি নতুন কৰ্ম কৰিবৰ কাৰণে ইহজন্মলৈ আহে। ভগৱানেই অন্তৰ্য্যামী অমৃত আৰু আত্মা। তেওঁ অদৃষ্ট যদিও দেখে, অশ্ৰুত যদিও শুনে, অবিজ্ঞাত যদিও বিজ্ঞাত আৰু মনৰ অধিকাৰী মন্তা। সেই বাবে আত্মৰূপী পৰমেশ্বৰক মৰণ কালত প্ৰবল বাসনাৰূপে

ল'ব পাৰিলে পৰম গতি লাভ হয়।

৭। দম, দান আৰু দয়া— এই তিনিবিধ সাধন অতি প্ৰয়োজনীয়। দেৱতা, মানুহ আৰু অসুৰ এই তিনিবিধ প্ৰাণী প্ৰজাপতিৰ তিনি সন্তান। তিনিয়ে প্ৰজাপতিৰপৰা উপদেশ বিচাৰিলে। প্ৰজাপতিয়ে তিনিয়োকে 'দ' আখৰটো দিলে। দেৱতাসকলে 'দ' আখৰটোক 'দাম্য' অৰ্থত বুজি ল'লে। 'দাম্য' মানে সংযত হোৱা। অসুৰবোৰে উপদেশ বিচৰাত প্ৰজাপতিয়ে 'দ' আখৰটোকে দিলে। অসুৰবোৰে 'দ' আখৰটো 'দয়ধ্বম্' অৰ্থত বুজি ল'লে। দয়ধ্বম্ মানে 'দয়া'। নৰগণে বিচৰাত 'দ' আখৰটোকে দিলে আৰু তেওঁলোকে 'দ' আখৰটোক 'দত্ত' অৰ্থত বুজি ল'লে। দত্ত মানে দান। গতিকে

'দ' আখৰটোক— দেৱগণে দম (দাম্য)
অসুৰগণে দয়া (দয়ধ্বম্)
মানুহে দান (দত্ত)

দেৱগণ সাধাৰণতে উদণ্ড, গতিকে দম সাধন কৰি সংযত হ'বলৈ বিচাৰিলে। অসুৰ গণ সাধাৰণতে নিষ্ঠুৰ, গতিকে দয়া সাধন কৰিবলৈ বিচাৰিলে। নৰগণ সাধাৰণতে লোভী, গতিকে দান কৰিবলৈ বিচাৰিলে। মানুহৰ বাবে এই তিনিয়োৰে প্ৰয়োজন। একোজন মানুহৰ ভিতৰত থকা এই তিনি প্ৰবৃত্তিৰ দ্বাৰা নিজক সংযত কৰি ৰাখিবলৈ দয়াৰে সকলোকে আপোন কৰিবলৈ আৰু দানেৰে পুণ্য অৰ্জন কৰিব লাগে।

৮। ব্ৰহ্ম যজ্ঞই পুত্ৰ কামনা, বিত্তকামনা, স্বৰ্গকামনা পূৰ্ণ কৰিলেও অশাশ্বত, ব্ৰহ্মাইহে শাশ্বত। বিত্ত উপাৰ্জন কৰিবলৈ হ'লে মানুহক মহত্ব লাগে। মহত্ব থাকিলেহে বিত্ত অৰ্জন সহজ আৰু শুদ্ধ হয়। পুত্ৰই পিতৃ-মাতৃৰ সদ্‌গতি আনে। সেই বাবে সন্তান উৎপাদনত বিশেষ গুৰুত্ব দিব লাগে। স্ত্ৰী-পুৰুষৰ মৈথুনাচাৰণ বিধিমতে হ'লেহে সু-পুত্ৰ-কন্যাৰ জন্ম হয় আৰু পৱিত্ৰ কৰ্ম কৰি পিতৃ-মাতৃক উদ্ধাৰ কৰে। অবিধি মতে হোৱা সন্তানে সংসাৰ ধ্বংসহে কৰে।

২। **ছান্দোগ্য উপনিষদ ঃ** সামবেদৰ অন্তৰ্গত ছান্দোগ্য উপনিষদ। এই উপনিষদৰ তাৎপৰ্য তলত সংক্ষেপে উল্লেখ কৰা হ'ল—

১। ব্ৰহ্ম আৰু আত্মা আৰম্ভণিতে এক হৈ আছিল। মই যেন ব্ৰহ্মক নেৰো, মোৰ আত্মাত যেন ধৰ্মসকল থাকে। এয়ে আত্মা-পৰমাত্মাৰ একত্ব।

"সৰ্ব্বখল্বিদং ব্ৰহ্ম তজ্জলানীতি।"

অৰ্থাৎ— ব্ৰহ্মৰপৰাই জগতৰ সৃষ্টি হৈছে, ব্ৰহ্মাতেই ইয়াৰ স্থিতি আৰু ইয়াৰ লয় হয় ব্ৰহ্মাতেই। সৃষ্টিৰ আগতে জগত একমাত্ৰ অদ্বিতীয় আছিল। ঘট-চৰু-মলা আদি মাটিৰে তৈয়াৰী। ঘট, চৰু আদিবোৰ নাম আৰু ৰূপ বা আকৃতি। এইবোৰ মাটিৰ বিকাৰ মাত্ৰ। গতিকে মাটিহে সত্য, মাটিৰে তৈয়াৰী বিভিন্ন আকৃতিৰ আৰু নামৰ পাত্ৰবোৰ সত্য নহয়। 'সৎ' সমস্ত জগতৰ আত্মা, নিত্যসত্তা। সেইবাবেই বোলা হয়— 'তৎত্বমসি'।

২। ইহজন্মত জীৱই মহত্ব লাভ কৰিব লাগে। যিবোৰৰ কোনো মহত্বই নাই সেইবোৰেই কলহপ্ৰিয়, পৰদোষদৰ্শী, পৰনিন্দুক। পিতৃ-মাতৃক কুবাক্য বুলিলে পিতৃঘাতী-মাতৃঘাতী বোলা হয়। পিতা-মাতাৰ প্ৰাণ বিয়োগ হ'লে মৃত শৰীৰ জোঙেৰে খুচি দাহ কৰা হয় আৰু তেতিয়া তাক পিতৃঘাতী-মাতৃঘাতী নোবোলে। গতিকে প্ৰাণ থকালৈকেহে তাৰ মূল্য। সেয়ে প্ৰাণেই আচল বস্তু, আত্মা; আত্মাই ব্ৰহ্ম।

৩। মানুহে বিচৰা সকলো কাম্যবস্তু হৃদয় বা আত্মাত থাকে। হৃদয়ম্— (হৃদ+অয়ম) আত্মা হৃদ্‌পিণ্ডত অৱস্থিত, আত্মাই অমৃত, অক্ষয় ব্ৰহ্ম। এই ব্ৰহ্মাৰ নাম সত্য। সত্য = স + ৎ + য— 'স' মানে অমৰ, 'ৎ' মানে মৰ, 'য' মানে মৰ আৰু অমৰক লগলগাই সি সংযমিত কৰে।

৩। **ঈশোপৰিষদ ঃ** শুক্ল যৰ্জুবেদৰ বাজসনেয় সংহিতাৰ শেষ অধ্যায়ৰ ১৮টা মন্ত্ৰকে ঈশোপনিষদ আখ্যা দিয়া হৈছে।

"ঈশাব্যাস্যামিদং সৰ্ব্বং যৎকিঞ্চ জগত্যাং জগত।
তেন ত্যক্তেন ভূঞ্জিযা মা গৃধৎ বাস্যস্বিদ্ধনম্।।"

"কুৰ্ব্বন্নেৰেই কৰ্ম্মানি জিজীবিষেচ্ছতং সমাঃ।
এৰ্ব্বত্বয়ি নান্যৰ্যেতোস্তি ন কৰ্ম্ম লিপ্যতে নৰে।।"

উক্ত মন্ত্ৰ দুটাৰ অৰ্থ হ'ব পাৰে দুই ধৰণে। প্ৰথম অৰ্থ— জগতত যিমানবোৰ পৰিৱৰ্তনশীল বা অনিত্য বস্তু আছে, সকলোবোৰকে ভগৱানে আচ্ছাদন কৰি ৰাখিছে। সেইবাবে এই বস্তুবোৰ ভগৱানৰ বুলি জানি আৰু সেইবোৰ নিজৰ নহয় বুলি বুজি ত্যাগৰ দ্বাৰাহে ভোগ কৰিব লাগে। লোকৰ ধনলৈ লোভ কৰা অনুচিত।

দ্বিতীয় অৰ্থ— ইহলোকত জীৱই কৰ্ম কৰিবলৈ বাঞ্ছা কৰে। কৰ্মই বন্ধনৰ কাৰণ হয়, গতিকে অনাসক্ত হৈ ফলাকাঙ্খা নকৰি ভগৱন্তৰ ওচৰত সৰ্বকৰ্ম অৰ্পণ কৰি এশবছৰ কৰ্ম কৰি জীয়াই থাকিলেও কৰ্মবন্ধ নহয়।

ত্যাগৰ দ্বাৰা আত্মাক পালন কৰি ৰক্ষা কৰিব লাগিব, অৰ্থাৎ অবিদ্যাৰপৰা উদ্ভৱ হোৱা শোক, মোহ আদিক দূৰ কৰি আত্মাক মুক্ত কৰিব লাগিব। যিবোৰ মানুহে মূলবস্তু আত্মাৰ কথা নাভাবি কেৱল দেহৰ কাৰণেই জীৱন-যাপন কৰে, সিহঁত আত্মাঘাতী হয় আৰু মৃত্যুৰ পাছত অসুৰলোকত স্থান পায়গৈ। যিলোকে সকলো ভূততে আত্মাক দেখিবলৈ পায়, তেওঁ কাকো ঘৃণা নকৰে।

৪। **কেন উপনিষদ ঃ** এইখন সামবেদৰ উপনিষদ। এই উপনিষদৰ তাৎপৰ্য হৈছে— ব্ৰহ্ম অতীন্দ্ৰিয় বস্তু। ব্ৰহ্ম শব্দম্, অস্পৰ্শম্, অব্যয়ম্। আনকি দেৱাসুৰৰ যুদ্ধত জয়ী হৈ দেৱতাসকলে ব্ৰহ্মক চিনিব নোৱাৰি নিজৰ বলত বলীয়ান হৈ অৱশেষত ব্ৰহ্মৰ ওচৰত পৰাজয় হৈছিল। দেৱতাসকল ব্ৰহ্মৰ বলতহে বলী। ব্ৰহ্মক ইন্দ্ৰিয়েৰে ঢুকি পোৱা নাযায়, শব্দৰ মাজতো সীমিত নহয়, ব্ৰহ্ম অব্যক্ত বাবে স্পৰ্শ কৰাত কঠিন আৰু ব্ৰহ্মৰ ব্যয় বা নাশো নহয়।

৫। **কঠ উপনিষদ ঃ** এই উপনিষদ যজুবেদৰপৰা উদ্ভূত।

১। "ন সাম্পাৰায়ঃ প্ৰতিভাতি ৱালং
প্ৰমাদ্যন্ত ৱিত্তমোহেন মূঢ়ম্।
অয়ংলোকো নাস্তি পৰ ইত মানী
পুনঃ পুনৰ্বশমাপদ্যতে মে।।"

অৰ্থাৎ— সাম্পৰায়ৰ অৰ্থাৎ পৰলোকৰ কথা উপলব্ধি কৰিব নোৱাৰে। তেওঁলোকে ভাবে এইলোকইহে লোক, পৰলোক নাই। এনে লোক মৰি মৰি উপজে আৰু নৰক ভোগ কৰে।

২। ব্ৰহ্মপ্ৰাপ্তিৰ বাবে যমৰজাই 'ওম্' বা ওমকাৰকে উপাসনা কৰিব লাগে বুলি কৈছে। ওম্ ব্ৰহ্ম প্ৰতীক। যমে আত্মাৰ বিষয়ে এনেদৰে কৈছে—

"ন জায়তে ম্ৰিয়তে বা বিপশ্চিনায়ং
কুতশ্চিন্ন কশ্চিৎ।
অজো নিত্যঃ শাশ্বতোয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।"

ভগৱৎগীতাৰ ১৯, ২০ নং শ্লোকৰ লগতো এইখিনি কথাৰ মিল পোৱা যায়। ভগৱান বা ব্ৰহ্মৰ জন্ম নাই, মৃত্যুও নাই, ৰূপ নাই, আকৃতি নাই; কিন্তু তেওঁ ভক্তক দয়া কৰিবলৈ জন্মগ্ৰহণ কৰে, অকৰ্তা হৈয়ো কৰ্তা, নিৰ্গুণ হৈয়ো সগুণ, নিখিল বিশ্বব্ৰহ্মাণ্ডই তেওঁৰ শৰীৰ।

পৰমেশ্বৰৰ কৃপা হ'লেহে আত্মজ্ঞান লাভ হ'ব পাৰে। মানুহৰ প্ৰযত্নেৰে বা জ্ঞান-বুদ্ধিৰ দ্বাৰা আত্ম-জ্ঞান লাভ কৰা নাযায়; ভগৱৎ কৃপাৰ দ্বাৰাহে ই সম্ভৱ হয়। ভগৱদ্ কৃপা লাভ কৰিবলৈ ভক্তি অপৰিহাৰ্য।

৩। জীৱাত্মা, বিশ্বাত্মা, মূল প্ৰকৃতি ব্ৰহ্মৰ পৰাই সৃষ্টি হৈছে। এক ব্ৰহ্মই নানান ৰূপত ধৰা দিছে। যি এক ব্ৰহ্মক বাদ দি নানান দৰ্শন কৰে বা বহুদেৱতাক উপাস্য হিচাপে গ্ৰহণ কৰে, তেৰেঁ সংসাৰত পুনপুনঃ জন্ম গ্ৰহণ কৰি বিষয় নৰক ভোগ কৰিব লগা হয়। ব্ৰহ্মই এক ৰূপক বহুত প্ৰকাৰে কৰে, অনিত্যক নিত্য কৰি দেখুৱায়, বহুৰূপ লৈ কাম্য-কৰ্মৰ ফল প্ৰদান কৰি লোভ লগায়। বহুৰূপক দৰ্শন কৰিলে পাৰ্থিব বা স্বৰ্গীয় শান্তি অস্থায়ীভাৱে পালেও একক দৰ্শন কৰিলে আত্যন্তিক বা ঐকান্তিক সুখ লাভ কৰিব পাৰে।

তেনেজনে আত্মানন্দ লাভ কৰা অসম্ভৱ নহয়; কাৰণ ই নিজেই প্ৰকাশ লাভ কৰে, আনে ইয়াক প্ৰকাশ কৰিব নালাগে। আত্মাৰ জগতখন স্বতঃস্ফুত, তাত চন্দ্ৰ-সূৰ্য-বিদ্যুৎ, অগ্নিৰ পোহৰৰ প্ৰয়োজন নাই, আত্মাৰ নিজ পোহৰেই জগত আলোকিত কৰি তোলে।

"ন তত্ৰ সূৰ্য্যোভাতি ন চন্দ্ৰ তাৰকং
নোমা বিদ্যুতো ভান্তি কৃতোয়মগ্নি
তম এব ভান্তম অনুভাতি সৰ্ব্বং
তস্যভাসা সৰ্ব্বম্ ঈদম্ বিভাতি।।"

৪। সংসাৰ ৰূপ সনাতন ব্ৰহ্মাৰ মূল বা শিপা উৰ্দ্ধত, শাস্মাবোৰ নিৰ থাকে। মূলেই ব্ৰহ্ম আৰু ইয়েই শুদ্ধ। ব্ৰহ্ম উপলব্ধিৰ কাৰণে বিবেকৰ প্ৰয়োজন। ইন্দ্ৰিয়ৰ দ্বাৰা আত্মা উপলব্ধি হ'ব নোৱাৰে। ইন্দ্ৰিয়ৰ ওপৰত মন, মনৰ ওপৰত বুদ্ধি, বুদ্ধিৰ ওপৰত মহৎ,মহতত্ব ওপৰত অব্যক্ত, অব্যক্তৰ ওপৰত পুৰুষ বা মহাপুৰুষ আছে— এই পুৰুষেই ব্ৰহ্ম বা পৰমেশ্বৰ। এই জন্মতেই এই শৰীৰ থাকোতেই ব্ৰহ্মক উপলব্ধি কৰিবই লাগিব, তাৰ বাবে জীৱই অহোপুৰুষাৰ্থ কৰিবই লাগিব।

**পুৰুষ, মহাপুৰুষ বা ব্ৰহ্ম বা পৰমেশ্বৰ**

↑

অব্যক্ত

↑

মহতত্ত্ব

↑

মহৎ

↑

বুদ্ধি

↑

মন

↑

ইন্দ্ৰিয় সমূহ

৬। **প্ৰশ্ন উপনিষদ ঃ** অথৰ্ববেদৰ অন্তৰ্গত এই উপনিষদৰ তাৎপৰ্য হৈছে— প্ৰজাপতিয়ে প্ৰজা সৃষ্টিৰ কামনা কৰি তপস্যা আৰম্ভ কৰিলে তপস্যাৰ অন্তত মিথন (মতা + মাইকী)ৰ সৃষ্টি কৰিলে। এটাক প্ৰাণ (পুৰুষ) আনটোক ৰয়ি (স্ত্ৰী) বোলা হয়। প্ৰাণ আৰু স্ত্ৰীৰ সংযোগত বহুত প্ৰজাৰ সৃষ্টি হ'ল। পঞ্চপ্ৰাণে বাহিৰত সূৰ্য হিচাপে কাৰ্য কৰিবলৈ ধৰিলে। ভিতৰত অনুগ্ৰহ হিচাপে চকুত, পৃথিৱীৰ শক্তি হিচাপে আপান নামেৰে, আকাশৰ শক্তিৰ ৰূপত সমান নামেৰে, বায়ু ৰূপত ব্যান নামেৰে, তেজ বা তাপৰূপত উদান নামেৰে দেহৰ ভিতৰত কাম কৰিবলৈ ধৰিলে। মৃত্যু কালত উদান বায়ুৰে জীৱাত্মাক লৈ যায়। (বাকীখিনি কথা গ্ৰন্থৰ আৰম্ভণিত বেদৰ সংক্ষিপ্ত আভাসত উল্লেখ কৰা হৈছে।)

৭। **মুণ্ডক উপনিষদ ঃ** এই উপনিষদ অথৰ্ববেদৰ অন্তৰ্গত। এই উপনিষদৰ চমু বৰ্ণনা গ্ৰন্থৰ আৰম্ভণি বেদৰ সংক্ষিপ্ত আভাসত চমুকৈ বৰ্ণনা কৰা হৈছে। এই উপনিষদৰ তাৎপৰ্য হৈছে—

১। উপনিষদৰ 'ওমকাৰ' বা প্ৰণবেই ধন, জীৱাত্মাই শৰ আৰু ব্ৰহ্মক শৰৰ লক্ষ্য বোলা হয়। গতিকে ব্ৰহ্মক লাভ কৰিবলৈ দুলোক, ভূলোক আৰু অন্তৰীক্ষ, একাদশ ইন্দ্ৰিয় আত্মাতেই আছে। আত্মাতত্ত্বৰ যোগেদি পৰমাত্মা দৰ্শনৰ বাবে যত্ন কৰিব লাগে। তেতিয়াহে—

"ভিদ্যতে হৃদয় গ্ৰন্থি শ্চিদ্যত সৰ্ব্বসংশয়াঃ।
ক্ষীয়ন্তে চাস্য কমাৰ্নি তস্মিন দৃষ্টে পৰাবৰে।।"

অৰ্থাৎ— পৰ আৰু অপৰ ৰূপে এই পৰমাত্মাক দৰ্শন কৰিব পাৰিলে দেখোতাজনৰ হৃদয় গ্ৰন্থি (কামনা-বাসনাৰ গাথি) নাশ পায়। সকলো সংশয় ছেদ হয় আৰু তেতিয়া সকলো কৰ্ম ক্ষয় হয়।

২। হৃদয়ৰ শুভ আত্মা-দৰ্শনৰ বাবে চাৰিবিধ নিত্য সাধনৰ উপদেশ আছে— সত্য (মিথ্যা ত্যাগ), তপস্যা (মনৰ একাগ্ৰতা), সম্যক জ্ঞান (যথাযথ জ্ঞান) আৰু ব্ৰহ্মচৰ্য (মৈথুন ত্যাগ)— এই চাৰিবিধ সাধন কৰি আত্মাক দৰ্শন কৰিবলৈ যত্ন কৰিব লাগে।

৮। **মাণ্ডুক্য উপনিষদ ঃ** এই উপনিষদৰ সম্পৰ্কে গ্ৰন্থৰ আৰম্ভণিৰ ‘বেদৰ সংক্ষিপ্ত আভাস’ নামৰ বিষয়ত উল্লেখ কৰা হৈছে। এই উপনিষদ অথৰ্ববেদৰ অন্তৰ্গত।

৯। **শ্বেতাশ্বতৰ উপনিষদ ঃ** এই উপনিষদ কৃষ্ণ যজুৰ বেদৰ অন্তৰ্গত। এইবেদৰ বিষয়বস্তুৰ তাৎপৰ্য হৈছে—

১। “ক্ষৰং প্ৰধানমমৃতাক্ষৰং হৰঃ
ক্ষৰাত্মানাৱীশতে দেব একঃ
তস্যাভি ধ্যানাদ যোজনাং তত্বভাবাদ
ভূয়শ্চাতে বিশ্বমায়া নিবৃত্তিঃ।।”

অৰ্থাৎ— প্ৰকৃতি ক্ষৰ, ‘হৰ’ অমৃত বা অক্ষৰ। প্ৰকৃতি আৰু আত্মা (পুৰুষ)ৰ নিয়ন্তা পৰমেশ্বৰ। একাগ্ৰ চিত্তে পৰমেশ্বৰক ধ্যানৰযোগে পালে বা তেওঁৰ ভাবত ভাবিত হ’লে বিশ্বমায়া দূৰ হয়। বিষয় চিন্তা এৰি অক্ষৰ ব্ৰহ্মৰ সংস্পৰ্শত আহিলেই শোকৰ বা দুখৰ পাৰ পাব পাৰি। অবিদ্যা সংসাৰ গতিৰ কাৰণ আৰু বিদ্যা অমৰত্বৰ কাৰণ।

২। পৰমেশ্বৰ বিশ্বাতীত হৈ আছে আৰু বিশ্বব্যাপিত আছে। পৰমেশ্বৰেই জগত সৃষ্টি কৰিছে আৰু জগতক নিয়ন্ত্ৰণো কৰিছে। পৰমেশ্বৰক উপলব্দি কৰাৰ বাহিৰে মুক্তিৰ অন্যপথ নাই।

উপনিষদৰ তত্ববোৰ উপলব্ধি হ’লেহে গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত একশৰণ হৰিনাম ধৰ্মৰ সম্যক জ্ঞান লাভ কৰিব পাৰি। উপনিষদৰ ব্ৰহ্মই উপাস্য দেৱ, ওমকাৰেই শব্দাকাৰ ব্ৰহ্মৰ নাম বীজ, আত্মাতত্ত্ব দৰ্শনেই ভকত আৰু তিনিয়োকে দৰ্শন কৰোৱাজনেই গুৰু।

ভক্তিতত্ত্বৰ ইতিহাস বিচাৰি গ’লে প্ৰথমে ঋক্‌বেদৰ বৰুণ, সাবিত্ৰী আৰু ঊষাৰ প্ৰাৰ্থনা মন্ত্ৰত ভক্তিৰ বীজ পোৱা যায়। দ্বিতীয়তে উপনিষদত ভক্তিতত্ত্বৰ আভাসহে মাত্ৰ পোৱা যায়। তৃতীয়তে পাণিমনিৰ অষ্টাধ্যায়ীত ভক্তিতত্ত্বত উল্লেখ পোৱা যায়। চতুৰ্থতে মহাকাব্য পুৰাণাদিত ভক্তিধৰ্মৰ উন্মেষ ঘটে। শ্ৰীমদ্ভাগৱতত ভক্তিৰ জোৱাৰ উঠে।

উপনিষদসমূহত জীৱ আৰু ব্ৰহ্মৰ একত্ব জ্ঞান, জগতৰ মিথ্যাত্ব, আত্মজ্ঞান আৰু ব্ৰহ্মতত্ত্বৰ জ্ঞানেৰে ভৰপূৰ হৈ আছে। উপনিষদ শাস্ত্ৰসমূহৰ তত্ব গধূৰ সিদ্ধান্তসমূহ উপলব্ধি কৰিবলৈ হ’লে সাধন চতুষ্টয়ত অধিকাৰ থাকিব লাগিব। ইয়াকে বেদান্তত ‘অধিকাৰ’ হোৱা বোলে। সাধন চতুষ্টয় হৈছে— বিবেক, বৈৰাগ্য, মুমুৰ্ক্ষুত্ব আৰু ষট্‌সম্পত্তি।

১। বিবেক ঃ জগতৰ বস্তুসমূহৰ ভিতৰত সুখ-ভোগৰ প্ৰতি আসক্ত নোহোৱা ভাবকেই বৈৰাগ্য বোলে।

২। বৈৰাগ্য ঃ ইহ আৰু পৰজন্মৰ সুখ-ভোগৰ প্ৰতি আসক্ত নোহোৱা ভাবকেই বৈৰাগ্য বোলে।

৩। মুমুৰ্ক্ষুত্ব ঃ সংসাৰ বা মায়াৰ বন্ধনৰপৰা মুক্ত হোৱা ভাবকেই মুমুৰ্ক্ষুত্ব বোলা হয়।

৪। ষট্‌সম্পত্তি ঃ শম, দম, উপৰতি, তিতিক্ষা, সমাধান আৰু শ্ৰদ্ধাক বুজায়। মনক দমন কৰাই শম, ইন্দ্ৰিয়সমূহক দমন কৰাই দম, পুনঃ পুনঃ অভ্যাসৰ দ্বাৰাই ইন্দ্ৰিয়সমূহ বিষয় ভোগত নিবৃত্ত কৰাই উপৰতি, শীত-ক্ষন্ম আদিৰপৰা পোৱা সুখ-দুখক গুৰুত্ব নিদিয়াটো তিতিক্ষা, মনক সংযত কৰি তত্ত্ব-জ্ঞান লাভ কৰিব পৰা নিৰন্তৰ চিন্তাক সমাধান আৰু বেদান্তৰ সত্যক বিশ্বাস কৰাই শ্ৰদ্ধা। ছয়টাক ষট্ সম্পত্তি বোলা হয়। ওপৰৰ চাৰিটা সাধন কৰিব পাৰিলেহে বেদান্ত শাস্ত্ৰ শুনা আৰু উপলব্ধি কৰাৰ অধিকাৰিত্ব। চতুষ্টয় সাধন কৰা অতি কঠিন কাম বুলি উপনিষদে কৈছে—

“ক্ষুৰস্যা ধাৰা নিশিতা দূৰতয়া দুৰ্গং
পৰস্তাৎ কবয়ো বদন্তি।”■■

# নাট্য সাহিত্য আৰু শ্ৰীমন্ত শঙ্কৰদেৱ

ড° প্ৰদীপ হাজৰিকা

পূণ্যভূমি অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ আৰু জনজীৱনলৈ আগবঢ়োৱা বিচিত্ৰ অৱদান, অসমৰ জাতীয় জীৱনৰ বাবে এক স্মৰণীয় অধ্যায়। সেই অধ্যায় স্বৰ্ণমণ্ডিত হৈ উঠিছিল, গুৰুজনাই সৃষ্টি কৰা নাট্যকলাত। চাৰেপাঁচশ বছৰৰ পূৰ্বেই নাট্যভিনয়ৰ শুভসূচনা কৰি গুৰুজনাই আবাল-বৃদ্ধ-বণিতাক আধ্যাত্মিক শিক্ষা প্ৰদানত অভূতপূৰ্ব সফলতা লাভ কৰিছিল। স্মৰ্তব্য যে, গুৰুজনাৰ পূৰ্বে কোনো ভাৰতীয় নাট্যকাৰে ধৰ্মীয় বিষয়বস্তুক নাটকলৈ ৰূপান্তৰ কৰি জন-মন আকৰ্ষণৰ প্ৰচেষ্টাত প্ৰবৃত হোৱা নাছিল। এই পৰিপ্ৰেক্ষিতত শ্ৰীমন্ত শঙ্কৰদেৱৰ এনে প্ৰচেষ্টা আৰু আঁচনি সেই সময়ৰ পটভূমিত চমকপ্ৰদেই নহয়— আছিল অভিনৱও।

শ্ৰীমন্ত শঙ্কৰদেৱে মাথোন ঊনৈছ বছৰ বয়সতে বুঢ়া সাঁ, জয়ন্ত মাধৱকে ধৰি তাৰা কেইজনমান আত্মীয়ৰ অনুৰোধত নাট্যভিনয়ৰ মাজেদি দৰ্শকক বিপুলভাৱে আকৃষ্ট কৰাৰ কথা চৰিত পুথিত সবিস্তাৰে উল্লেখ আছে।[১] স্মৰণীয় যে, 'চিহ্নযাত্ৰা' অভিনয়ৰ পূৰ্বে গুৰুজনাই বৰদোৱাৰ সৰিহয়তলী চিকুণাই নামগৃহ (ৰঙীয়াল ঘৰ) নিৰ্মাণ কৰাৰ লগতে খোল-তাল প্ৰস্তুত কৰোৱাই সিবোৰৰ সফল প্ৰয়োগেৰে তাৰাই অসম মুলুকত নাট্যাভিনয়ৰ সূচনা কৰে। 'সাত দিন সাত ৰাতি' অনুষ্ঠিত হোৱা এই নাট্যাভিনয়ত গুৰুজনাই নিজেও নৃত্য-গীতত অংশ লোৱাৰ লগতে অভিনয়তো অংশগ্ৰহণ কৰি দৰ্শকক বিস্ময়াভূত কৰা কাৰ্যৰ বিষয়েও চৰিত পুথিয়ে আভাস দিয়ে।[২] গুৰুজনাই তাঁতীকুছিৰ শিপিনীসকলৰ দ্বাৰা কাপোৰত শ্ৰীকৃষ্ণৰ লীলা-মালা খোদিত কৰি এক অভিনৱ বস্ত্ৰ নিৰ্মাণ কৰোৱায় আৰু 'যাত্ৰা' তথা অভিনয়ৰ বাবে প্ৰয়োজনীয় পৰিৱেশ সূচনা কৰি দৰ্শকক আকৃষ্ট কৰে। স্মৰ্তব্য যে, দীঘে ১২০ হাত আৰু প্ৰস্থই ৪০ হাত বস্ত্ৰখনি 'বৃন্দাৱনী বস্ত্ৰ' নামেৰে অভিহিত কৰা হৈছে।[৩] অন্যহাতে সংস্কৃত নাটকত সূত্ৰধাৰ চৰিত্ৰৰ অৱস্থিতি লক্ষ্য কৰা যায় যদিও শ্ৰীমন্ত শঙ্কৰদেৱে সূত্ৰধাৰ চৰিত্ৰক অঙ্কীয়া নাটকত নব্য ৰূপত উপস্থাপন কৰিলে। বিশেষকৈ, সংস্কৃত নাটকত সূত্ৰধাৰে নান্দী পাঠ তথা নাটৰ প্ৰস্তাৱনা কৰাৰ পাছতেই বিদায় লোৱাৰ বিপৰীতে অঙ্কীয়া নাটত আৰম্ভৰপৰা সামৰণি পৰ্যন্ত উপস্থিত থাকি বিবিধ কাৰ্য সম্পাদন কৰি নাট্যভিনয়ৰ বিশিষ্ট ভূমিকা গ্ৰহণ কৰে। চৰিত্ৰটিয়ে গীত আৰু নৃত্য পৰিৱেশন কৰি পৰিস্থিতি ব্যাখ্যা কৰাৰ লগতে পৰিচালকৰ ভূমিকাতো অৱতীৰ্ণ হয়।[৪]

'চিহ্নযাত্ৰা'ৰ বিপুল সাফল্যৰ পাছত গুৰুজনাই নাট্যকলাৰ প্ৰতি বিশেষভাৱে মনোযোগ দিছিল, যাৰ ফলস্বৰূপে 'পত্নীপ্ৰসাদ'কে ধৰি ছখন নাটক মহাপুৰুষৰ কালজয়ী কাপৰ পৰা নিসৃত হৈছিল। কোনো কোনো সমালোচকে 'কালিয়দমন'ক মহাপুৰুষৰ প্ৰথম নাটক বুলি অভিহিত কৰিলেও নাটকখনৰ বিষয়বস্তু আৰু আঙ্গিকৰ প্ৰতি লক্ষ্য কৰি 'পত্নীপ্ৰসাদ'কহে গুৰুজনাৰ প্ৰথম নাটক বুলি মহেশ্বৰ নেওগ[৫] আৰু সত্যেন্দ্ৰনাথ শৰ্মাই মতপোষণ কৰিছে।[৬]

অঙ্কীয়া নাটকৰ বাটকটীয়া 'পত্নীপ্ৰসাদ'

আছিল ব্ৰাহ্মণ্য ধৰ্মৰ প্ৰতি জনোৱা এক প্ৰচণ্ড প্ৰত্যাহ্বান। তাৰাৰ কীৰ্ত্তনৰ অন্তৰ্গত পাষণ্ডমৰ্দন, নামঅপৰাধ আদি খণ্ডসমূহৰ দৰেই পত্নীপ্ৰসাদৰ মাজেদিও ব্ৰাহ্মণ্য শক্তিক নস্যাৎ কৰি কৃষ্ণভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছিল। যি সময়ত অসমীয়া ভাষাত কোৱা নাটকেই ৰচনা কৰা হোৱা নাছিল, তেনে এটা সময়ত গুৰুজনাই দৰ্শকৰ সমুখত কৃষ্ণ ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰা বিষয়বস্তুক নাটকৰ মাজেদি দাঙি ধৰা কাৰ্যই তাৰাৰ প্ৰবল আত্মীক শক্তিৰে উমান দিছিল।

গুৰুজনাৰ অন্যান্য নাটকৰ তুলনাত পত্নীপ্ৰসাদৰ কাহিনীভাগ অত্যন্ত চমু আৰু সৰল। ভক্তি বিৰোধী পাণ্ডিত্যমানী ব্ৰাহ্মণসকলৰ লগত কৃষ্ণভক্তি পৰায়ণা ব্ৰাহ্মণ পত্নীসকলৰ বিৰোধক কেন্দ্ৰ কৰি নাটকৰ বিষয়বস্তু সূচীত হৈছে আৰু ভক্তিমাৰ্গৰ শ্ৰেষ্ঠতা নাটকখনৰ মাজেদি প্ৰতিপাদন কৰা হৈছে। গুৰুজনাৰ পৰৱৰ্তী নাটকেইখনত থকাৰ দৰে আলোচ্য নাটকখনত মুক্তিমঙ্গল ভটিমা নাই। সেইদৰে নাটকখনৰ প্ৰাৰম্ভতে এটিহে মাথোন নান্দীশ্লোক সন্নিৱেশ কৰিছে। নাটকখনত উপস্থাপিত চৰিত্ৰসমূহৰো বিকাশ ঘটা নাই। অন্যহাতে শ্ৰীকৃষ্ণ চৰিত্ৰৰ বাদে বাকীবোৰ চৰিত্ৰই সমূহীয়াভাৱেহে আত্মপ্ৰকাশ কৰিছে আৰু সংলাপসমূহো চৰিত্ৰ বিশেষৰ পৰিৱৰ্তে সমস্বৰৰ মুখত পৰিৱেশন কৰোৱা হৈছে।

বালকসৱ ঃ হে ৰাম, হে কৃষ্ণ তোহো হামাৰ পৰম জীৱন। আজু পৰভাতে ভোজন কৰয়ে নাহি ঃ হামু দধি অন্ন সঙ্গে নাহি আনল। ক্ষুধায়ে পৰম পিড়িত হৈয়া আছি ঃ

ব্ৰাহ্মণসৱ ঃ হে মিশ্ৰ, হে কন্দলি, হে আচাৰ্য্য, ওহি ব্ৰাহ্মণীসৱ শৌচাচাৰহীন বেদ শাস্ত্ৰ জানয়ে নাহি ঃ পৰম ধৰ্ম গুৰু সেৱা বৰ্জিত। তাৰাসৱৰ শ্ৰীকৃষ্ণত পৰম প্ৰেম ভকতি ভেল। .....

অৱশ্যে নাটকখনত চন্দ্ৰভাৰতী নামৰ এজন দাম্ভিক ব্ৰাহ্মণক উপবিষ্ট কৰোৱাই এটি সংলাপৰ যোগেদি ভক্তিবিৰোধী ৰূপটো উদঙাই দেখুৱাইছে ঃ

চন্দ্ৰভাৰতী ঃ আহে গোৱালসব, হামু বেদত শাস্ত্ৰত পৰম পাৰ্গত ঃ যজ্ঞব্ৰত দানে পৰম পৱিত্ৰ ঃ ওঃ হামোসব ভূদেৱতা ঃ হামাক সৰ্বলোকে পূজয় ঃ নন্দসূত কৃষ্ণ, হামাক আগে কোন হয়।

মহাপুৰুষৰ অন্যান্য নাটকৰ দৰে পত্নীপ্ৰসাদো নৃত্য-গীত মুখৰ নাট। আৰম্ভণিৰপৰা সামৰণি পৰ্যন্ত চৰিত্ৰৰ মানসিক অৱস্থা, শ্ৰীকৃষ্ণৰ ৰূপ বৰ্ণনা আদি বিষয়বোৰ গীতৰ মাজেদিয়েই অৱতাৰণা কৰা হৈছে। অৱশ্যে মহাপুৰুষৰ বাকী নাটকৰ পয়াৰসমূহ ব্ৰজাৱলী ভাষাত ৰচনা কৰাৰ পৰিৱৰ্তে আলোচ্য নাটকখনৰ পয়াৰ বিশুদ্ধ অসমীয়াত ৰচনা কৰা হৈছে।

নাটকখনৰ চৰিত্ৰসমূহৰ বিকাশ নহ'লেও অথবা ৰচনাশৈলীৰ উত্তৰণ নঘটিলেও গুৰুজনাৰ প্ৰথম নাটক হিচাপে 'পত্নীপ্ৰসাদ' অসমীয়া নাট্য সাহিত্যৰ ইতিহাসত এক স্মৰণীয় অৱদান ৰূপে স্বীকৃত হৈ ৰ'ব। সন্মুখত কোনো আৰ্হি নথকা সত্বেও আৰু ব্ৰাহ্মণ শক্তিয়ে সমগ্ৰ সমাজ ব্যৱস্থা নিয়ন্ত্ৰণ কৰা মুহূৰ্ততো মহাপুৰুষে নাট্য-ৰচনাৰ মাজেদি যি অসীম সাহসৰ পৰিচয় দিলে, সেয়া অসম তথা ভাৰতীয় সাহিত্যৰ বুকুত এক অবিস্মৰণীয় ঘটনা ৰূপে চিহ্নিত হৈ থাকিব।

শ্ৰীমন্ত শঙ্কৰদেৱ পাটবাউসীত থকাৰ সময়তে জগতানন্দ ওৰফে ৰামৰায়ৰ অনুৰোধক্ৰমে 'কালিয় দমন' নাটক প্ৰণয়ন কৰে।[৭] শ্ৰীমদ্ভাগৱত পুৰাণৰ দশম স্কন্ধৰ পঞ্চদশ অধ্যায়ৰ ১৬—১৭ আৰু ৪৭—৫২ শ্লোকৰ বিষয়বস্তুৰ আধাৰত কালিয়দমন নাটক ৰচনা কৰি মহাপুৰুষে অসমীয়া নাট্য সাহিত্যৰ ভেটি সুদৃঢ় কৰি তোলে।

নাট্য কাহিনী অনুযায়ী অহংকাৰী কালিনাগক

দমন কৰাৰ পাছত শ্ৰীকৃষ্ণ সমন্বিতে গোপ বালকসকলক বনজুইয়ে বেৰি ধৰাত কৃষ্ণই বনাগ্নি পান কৰি ভক্ত আৰু গোপবালকসকলক এই বিপদৰপৰা পৰিত্ৰাণ কৰে। ভাগৱতত কালিয় দমন আৰু শ্ৰীকৃষ্ণৰ বনাগ্নিপান দুটি পৃথক ঘটনা আৰু দুয়োটা ঘটনাকে এটাৰ আনটো পৰিপূৰক ৰূপে বৰ্ণনা কৰা হৈছে। মহাপুৰুষেও মূলৰ লগত সংগতি ৰাখি কালিয় দমনৰ লগতে বনাগ্নিপান ঘটনাকো নাটকখনত স্থান দি শ্ৰীকৃষ্ণৰ অসীম শক্তি তথা কৃষ্ণৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে।

নাটকখনত যশোদাই পুত্ৰ স্নেহত ব্যাকুল হৈ ফুৰা মাতৃ-হৃদয়ৰ কৰুণ ৰূপটি অতি মৰ্মস্পৰ্শীভাৱে অৱতাৰণা কৰিছে। অন্যহাতে নাটকখনত শ্ৰীকৃষ্ণক অৱতাৰণা কৰা হৈছে মানৱী ৰূপৰ পৰিৱৰ্তে পৰম পুৰুষৰ ৰূপত। শ্ৰীকৃষ্ণই নিজেই ঈশ্বৰত্ব সম্পৰ্কে এনেদৰে ঘোষণা কৰিছে ঃ

> "আহে সৰ্পৰাজ কালি ঃ তোহো ভয় কৰবি নাহি ঃ হামাক প্ৰসাদে, ওহি মায়া সংসাৰ তোহো নিস্তৰল। .... হামাৰ চৰণক চিহ্ন, ধ্বজ ব্ৰজ পঙ্কজ, তোহাৰি ফণাত লাগিব ৰহল।"

কালিয় দমন নাটকৰ মাজেদি ৰূপকাত্মক অৰ্থক যিদৰে মনোৰম প্ৰকাশ ঘটিছে, তেনেদৰে কালিহ্ৰদত বিচৰণ কৰা কালিনাগৰ মাজেদি মূৰ্ত হৈ উঠিছে— অহংকাৰ, নিষ্ঠুৰতা আদি দুষ্কৃতি স্বৰূপ প্ৰবৃত্তিসমূহ। এই প্ৰবৃত্তিসমূহে সহস্ৰ ফণা তুলি জগতত ত্ৰাসৰ সৃষ্টি কৰে আৰু জীৱক নিকাৰ ভূঞ্জায়। এনে প্ৰবৃত্তিসমূহ হৰিভক্তিৰ অন্তৰায়। সিবোৰক মনৰপৰা বিসৰ্জন দিব নোৱাৰিলে ভক্তিৰ পৰিৱেশ সৃষ্টি নহয়। গুৰুজনাই নাটকখনত দুষ্কৃতিৰ প্ৰতীক কালিনাগৰ অহংকাৰ চূৰ্ণ কৰি সংস্কৃতিৰূপী শ্ৰীকৃষ্ণৰ অসীম শক্তি তথা শ্ৰেষ্ঠত্ব প্ৰতিপাদন কৰিছে।

মহাপুৰুষৰ কাপৰপৰা নিসৃত কেলিগোপাল বা ৰাসলীলা পাটবাউসীত থকা সময়ছোৱাত ৰচিত হয় বুলি চৰিত পুথিত উল্লেখ আছে।[৮] কেলিগোপাল নাটকৰো আধাৰ হ'ল শ্ৰীমদ্ভাগৱত পুৰাণ। উল্লিখিত শাস্ত্ৰৰ দশম স্কন্ধৰ ২৯—৩৩ অধ্যায়ৰ ভেটিত বিৰচিত নাটখনৰ প্ৰতিপাদ্য বিষয় হ'ল— শৰৎ কালৰ পূৰ্ণিমা নিশা গোপীসকলৰ সৈতে শ্ৰীকৃষ্ণই কৰা ৰাসক্ৰীড়া। শ্ৰীকৃষ্ণৰ সুমধুৰ বাঁহীৰ সুৰত বিহ্বল হৈ পৰা গোপীসকলে পতি-পুত্ৰ তথা ঘৰ-সংসাৰৰ কথা পাহৰি শ্ৰীকৃষ্ণ প্ৰেমত নিমৰ্জিত হোৱাত শ্ৰীকৃষ্ণই তেওঁলোকক পতি-পুত্ৰৰ কথা সোঁৱৰাই দি ঘৰলৈ প্ৰত্যাবৰ্তন কৰাৰ বাবে পৰমাৰ্শ দিলে যদিও, সেই পৰামৰ্শ আওকাণ কৰি কৃষ্ণপ্ৰেমত অটল হৈ ৰ'ল গোপীসকল।

শ্ৰীকৃষ্ণই এনেদৰে প্ৰেমত নিমৰ্জিত গোপীসকলক পৰীক্ষা কৰাৰ মানসেৰে এগৰাকী গোপীক লৈ অন্তৰ্ধ্যান হোৱাত, বিৰহত কাতৰ গোপীসকলে কৃষ্ণ ভাবনা ৰূপায়ণ কৰি পৰমপুৰুষ কৃষ্ণৰ প্ৰত্যাৱৰ্তনৰ অৰ্থে মুকুন্দক প্ৰাৰ্থনা জনালে। গোপীসকলৰ প্ৰাণৰ বল্লভ শ্ৰীকৃষ্ণই তেওঁলোকৰ ভক্তিত সন্তুষ্ট হৈ আৱিৰ্ভাৱ হোৱাৰ পাছত মহাৰাসৰ বৰ্ণনাৰে নাট্য কাহিনীৰ যৱনিকা পৰিছে। যথাৰ্থতে গুৰুজনাই এই নাটকতো ৰূপকাত্মকভাৱে পৰমাত্মাৰ প্ৰতি জীৱাত্মাৰ আকৰ্ষণকে নাটকখনৰ মাজেদি অৱতাৰণা কৰিছে।

শ্ৰীমদ্ভাগৱত গ্ৰন্থত দশম অধ্যায়ৰ ঊনত্ৰিশৰপৰা তেত্ৰিশ অধ্যায়ক 'ৰাস পঞ্চাধ্যায়' ৰূপে অভিহিত কৰা হয়। উল্লিখিত অধ্যায়ৰ ভেটিত যুগুত কৰা নাট্যকানিহীভাগত শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰদৰ্শনৰ বাবে শঙ্খচূড় বধ নামৰ আন এটি কাহিনীও অনুৰ্ভুক্ত কৰি শ্ৰীমন্ত শঙ্কৰদেৱে ঘটনাৰ বৈচিত্ৰ্য সম্পাদন কৰিছে। স্মৰণীয় যে, কালিয়দমন নাটকত বনাগ্নি পানৰ ঘটনাংশ অন্তৰ্ভুক্ত কৰাৰ দৰে আলোচ্য নাটকখনতো ৰাসলীলাৰ উপৰি শঙ্খচূড় বধ সম্পৰ্কীয় ঘটনাংশ অন্তৰ্ভুক্ত কৰাটো নাটকখনৰ অন্যতম

উল্লেখযোগ্য দিশ। ঘটনা সংস্থাপনৰ ক্ষেত্ৰত দুয়োখন নাটকৰ সাদৃশ্য মন কৰিবলগীয়া বিষয়।

কেলিগোপাল নাটকত শ্ৰীকৃষ্ণই মুখ্য চৰিত্ৰ যদিও নাট্যকাৰে শ্ৰীকৃষ্ণ মানৱীয় ৰূপৰ পৰিৱৰ্তে পৰম পুৰুষৰ ৰূপেহে অংকন কৰিছে। অন্যহাতে এগৰাকী গোপীক লৈ শ্ৰীকৃষ্ণ অন্তৰ্ধান হোৱা ঘটনাংশৰ লগত সংপৃক্ত গোপীগৰাকীৰ নাম এখন সাঁচতীয়া পুথিত আৰু প্ৰকাশিত সংস্কৰণ দুটাত ৰাধাৰ উল্লেখ থাকিলেও কালিৰাম মেধিয়ে এই নাম প্ৰক্ষিপ্ত বুলি যুক্তি আগবঢ়াইছে।[১০] ইয়াৰ প্ৰধান কাৰণ হ'ল— ৰাধা নামৰ কোনো গোপীৰ উল্লেখ ভাগৱতত নাই। দ্বিতীয়তে শঙ্কৰদেৱে তাৰাৰ ৰচনাৰাজীত ৰাধাক শ্ৰীকৃষ্ণ প্ৰেমিকাৰ ৰূপত অংকন কৰাৰ বিপৰীতে এগৰাকী সাধাৰণ গোপী ৰূপেহে অঙ্কন কৰিছে।

কেলিগোপাল নৃত্য-গীত প্ৰধান নাটক। নাটকখনৰ মাজেদি পূৰ্ণিমা নিশা শ্ৰীকৃষ্ণৰ সুমধুৰ বাঁহীৰ সুৰত শ্ৰীকৃষ্ণৰ সৈতে গোপীসকলে অংশ লোৱা নৃত্যৰ মনোৰম ছবি উদ্ভাসিত হোৱাই নহয়, এক সপোন মাধুৰী পৰিৱেশৰ সূচনা হৈছে। ছয়ত্ৰিশটি গীত সন্নিৱিষ্ট কেলিগোপাল নাটৰ গীতসমূহৰ মাজেদি কৃষ্ণ প্ৰেমৰ লগতে গোপীসকলৰ মানসিক অৱস্থাৰ মধুৰ চিত্ৰণ ঘটিছে। যথাৰ্থতে মহাপুৰুষৰ এই নাটকত লৌকিক প্ৰেমৰ মাজেদি আধ্যাত্মিক প্ৰেমৰ মধুৰ বিন্যাস ঘটিছে। উল্লিখিত কাৰণতেই ৰাসক্ৰীড়াক আধ্যাত্মিক ৰূপক বুলিও ব্যাখ্যা কৰা হয়।

শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনৰ শেষৰ ফালে অৰ্থাৎ দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ পাছত পাৰিজাত হৰণ নাটক ৰচনা কৰে।[১১] মহাপুৰুষে ভাগৱত পুৰাণৰ কাহিনী বিশেষৰ লগত হৰিবংশৰ বিষয়বস্তু সংযোগ কৰি নাটকখনৰ কাহিনীভাগ নিৰ্মাণ কৰিছে। পাৰিজাত হৰণৰ কানিহী ভাগৱতৰ দশম স্কন্ধৰ ত্ৰিচত্বাৰিংশ াৰু চতুশ্বত্বাৰিংশ অধ্যায়ত সামৰা হৈছে যদিও 'হৰিবংশ'ত নৰকাসুৰ বধৰ উপৰি পাৰিজাত হৰণৰ ঘটনাংশই চৈধ্যতা অধ্যায় সামৰি লৈছে। উল্লিখিত গ্ৰন্থখনৰ বিষ্ণুপট খণ্ডৰ চৌৰাল্লিছ অধ্যায়ত নৰকাসুৰ নিধনৰ বৰ্ণনা কৰাৰ পাছত ৪৬ অধ্যায়ৰ পৰা ৫৫ অধ্যায় পৰ্যন্ত ৰুক্মিণীয়ে পাৰিজাত ফুল লাভ কৰাৰে পৰা সত্যভামাই পাৰিজাত ফুল নিজৰ গৃহত ৰোপণ কৰালৈকে বিস্তৃতভাৱে বৰ্ণনা কৰা হৈছে।

মহাপুৰুষ শঙ্কৰদেৱে কালিয় দমন আৰু কেলিগোপাল নাটকত দুটাকৈ ঘটনা অৱতাৰণা কৰি বৈচিত্ৰ্য সৃষ্টি কৰাৰ দৰে পাৰিজাত হৰণ নাটতো পাৰিজাত হৰণৰ লগতে নৰকাসুৰ বধৰ ঘটনা সন্নিৱেশ কৰি নাটকখনত বৈচিত্ৰ্যৰ সঞ্চাৰ কৰিছে। মহাপুৰুষে হৰিবংশৰ ঘটনাংশৰ দ্বাৰা প্ৰভাৱান্বিত হ'লেও ভাগৱতৰ ঘটনাক্ৰমহে নাটখনত অনুসৰণ কৰি নাটৰ জুমুঠিটো নিৰ্মাণ কৰিছে।

জীৱনৰ বিয়লি বেলাত শ্ৰীমন্ত শঙ্কৰদেৱৰ কাপৰপৰা নিঃসৃত পাৰিজাত হৰণ মহাপুৰুষৰ শ্ৰেষ্ঠতম নাট্যকৃতি। যিবোৰ গুণে নাটক এখন সফল হোৱাত বৰঙণি যোগায়, সেই সকলোবোৰেই পাৰিজাত হৰণত বিদ্যমান। বিশেষকৈ, চৰিত্ৰাঙ্কন আৰু সংলাপৰ ক্ষেত্ৰত নাট্যকাৰে প্ৰদৰ্শন কৰা চাতুৰ্যতাৰ বাবেই পাৰিজাত হৰণ নাটকে অনন্য মাত্ৰা লাভ কৰিছে। মহাপুৰুষীয়া ধৰ্মীয় বিষয়বস্তুৰ মাধ্যমেদি ব্যক্তিৰ হৃদয়ত সুপ্ত হৈ থকা ভাবৰাশিক অতি কলাসন্মতভাৱে নাটকখনত অৱতাৰণা কৰি ভক্তি ধৰ্মক জনগণৰ কাষ চপাই নিছে আৰু চৰিত্ৰাঙ্কনত মহাপুৰুষৰ প্ৰতিভাই চূড়ান্ত ৰূপ পৰিগ্ৰহণ কৰিছে। নাৰীৰ সৌন্দৰ্যৰ প্ৰতি থকা চিৰন্তন দুৰ্বলতা আৰু সতিনী বিদ্বেষ, নাটকখনৰ অন্যতম প্ৰতিপাদ্য বিষয়। নাৰদৰ মুখে পাৰিজাত ফুলৰ গুণাৱলী শুনাৰ পাছত ৰুক্মিণীৰ দৰে নাৰীৰ হৃদয়ত অঙ্কুৰিত হোৱা দুৰ্বলতাও অতি সুন্দৰভাৱে নাটকখনত উপস্থাপন কৰিছে। পাৰিজাত হৰণৰ আটাইতকৈ মোহনীয় দিশটো হৈছে সত্যভামাৰ সতিনী বিদ্বেষ আৰু পাৰিজাত ফুলৰ প্ৰতি থকা

সীমাহীন দুৰ্বলতা। জগতৰ স্বামী শ্ৰীকৃষ্ণক পতি ৰূপে পোৱাৰ পিছতো তেওঁ পাৰিজাত ফুলৰ বাবে হিতাহিত জ্ঞান হেৰুৱাই পেলাইছে আৰু যুদ্ধলৈ যাত্ৰা কৰা স্বামীৰ লগ নেৰা হৈছে। ইফালে স্বৰ্গতো পাৰিজাত ফুলৰ বাবেই ইন্দ্ৰপত্নী শশীৰ লগত কাজিয়াত লিপ্ত হৈ সত্যভামা এজনী সাধাৰণ নাৰীত পৰিণত হৈছে। আনহাতে পাৰিজাত ফুলগছে সৈতে আনিও সত্যভামাই নিচিন্ত হ'ব পৰা নাই, জানোচা ইমান কষ্টৰ মাজেদি লাভ কৰা পাৰিজাত ফুল সতিনীসকলৰ কোনোবাই লাভ কৰে। সেইবাবে স্বামীক অকপটে নিৰেদন কৰিছে মনৰ সংশয় ঃ

> হে স্বামী, আঃ কি কয়ল। হামাক বহুত সতিনী থিক ঃ পাৰিজাত ফুল চোৰি কৰি নিতে ঃ কত কলহ কৰি বেড়াৱব। এথা নহে ঃ হামাৰ দ্বাৰ নিকটে নিয়া ৰোপন কৰহ ঃ

সত্যভামাৰ দৰে ইন্দ্ৰপত্নী শশীকো মহাপুৰুষে উপস্থাপন কৰিছে কথাই কথাই কাজিয়াত লিপ্ত হৈ থকা গ্ৰাম্য কলহপ্ৰিয় এক নাৰীৰ ৰূপত। পাৰিজাত ফুলৰ বাবেই স্বকীয় মৰ্যাদা বিসৰ্জন দিয়া শশীয়ে সত্যভামাৰ প্ৰতি নিক্ষেপ কৰা বচনতেই তেওঁৰ কদৰ্য ৰূপটোৰ প্ৰতিফলন ঘটিছে। শশীয়ে সত্যভামাক আঘাত কৰাৰ লগতে কৃষ্ণকো তাচিল্ল্য কৰিবলৈ এৰা নাই ঃ

> "আয়ে সত্যভামা ঃ তোহাৰি স্বামী মাধৱক কথা হামু সৱ জানি। ওহি গোপীবিটাল গোপাল ঃ উনিকৰ আণ্ড গোকুলক স্ত্ৰী নাহি ৰহল। দেখো কংসক দাসী কুবুজী তাহেক হাত এড়াৱল নাহি।

শশী-সত্যভামাৰ কাজিয়া ভাগৱতত উল্লেখ নথকা সত্বেও গ্ৰাম্য সমাজৰ দৰ্শকৰ ৰুচিৰ প্ৰতি লক্ষ্য ৰাখি গুৰুজনাই এনে ঘটনা নাটকখনত সন্নিৱিষ্ট কৰিছে।

উল্লিখিত দুটি চৰিত্ৰৰ বিপৰীতে পাৰিজাত ফুলৰ প্ৰতি স্বভাৱজাত দুৰ্বলতা থাকিলেও ৰুক্মিণী উপস্থাপিত হৈছে স্বাভাৱিক গাম্ভীৰ্যৰে। সতিনী হ'লেও সত্যভামাক সম্বোধন কৰিছে 'ভগিনী' বুলি।

পাৰিজাত ফুল গছে সৈতে লাভ কৰি সত্যভামাই আত্মম্ভৰিত প্ৰকাশ কৰোতেও ৰুক্মিণীয়ে স্বাভাৱিক গাম্ভীৰ্যৰে সতিনীৰ আগত নিজৰ বুদ্ধিমত্তাৰ পৰিচয় দাঙি ধৰিছে ঃ

> ঃ অয়ে ভগিনী সত্যভামা ঃ কি কহেছ ঃ
> জগতক পৰম গুৰু স্বামী কৃষ্ণ ঃ উনিকৰ চৰণ
> সেৱা কৰিতে ঃ ব্ৰহ্মাণ্ড ভিতৰে দুৰ্ল্লভ থিক ঃ
> ... তোহাৰি পাৰিজাত কোন কথা ঃ

নাটকখনৰ গতি প্ৰবাহত বিশিষ্ট ভূমিকা লোৱা নাৰদ ভাগৱতত‌কৈ অধিক উজ্জ্বলভাৱে উপস্থাপিত হৈছে— পাৰিজাত হৰণত। মুখত অহৰ্নিশে ভগৱানৰ নাম লৈ টুটুকীয়া আৰু কলহপ্ৰিয় ৰূপত প্ৰসিদ্ধি লাভ কৰা নাৰদ গুৰুজনাৰ অনুপম সৃষ্টি। এহাতে তেওঁ পাৰিজাত ফুলৰ গুণৰাশি বৰ্ণনা কৰি সেই ফুল ৰুক্মিণীক দিয়াৰ উদ্দেশ্যে শ্ৰীকৃষ্ণক প্ৰদান কৰিছে আৰু আনহাতে সেই কথা এগুণত দুগুণ কৰি অন্তেষপুৰত থকা সত্যভামাক অৱগত কৰি সতিনী বিদ্বেষ তীব্ৰতৰ কৰি ৰং চাইছে। নাৰদ চৰিত্ৰৰ এনে বৈশিষ্ট্যৰ বাবেই যোৱা পাঁচশ বছৰ ধৰি চৰিত্ৰটিয়ে অসমীয়া সমাজত এক কুটিল চৰিত্ৰৰূপে পৰিগণিত হৈছে।

বিশ্বৰ বিভিন্ন প্ৰান্তত নাট্যকাৰসকলে চৰিত্ৰাঙ্কণ কৰোঁতে সততেই প্ৰকাশ কৰে বৈপৰীত্য (Contrast) আৰু (Comparison) বা সহধৰ্মিতাৰ (Parallel-ism) আধাৰত। শ্ৰীমন্ত শঙ্কৰদেৱে তাহানিতেই এনে ৰীতি নাটকত প্ৰয়োগ কৰি চৰিত্ৰসমূহক পাদ-প্ৰদীপৰ সন্মুখত উজ্বলাই তুলিছিল। এইক্ষেত্ৰত সত্যভামা আৰু শশীৰ সাদৃশ্যৰ বিপৰীতে ৰুক্মিণী আৰু সত্যভামাৰ বৈপৰীত্যই চৰিত্ৰ দুটিৰ বিপৰীত ছবি এখন দাঙি ধৰাত নাট্যকাৰ সফল কাম হৈছে।

নাটকখনত বহুপত্নীক পুৰুষৰ দুৰাৱস্থাৰ ছবি এখন মূৰ্ত হৈ উঠিছে— শ্ৰীকৃষ্ণৰ চৰিত্ৰত। জগতৰ পতি হ'লেও পত্নীৰ কাষত তেওঁ দুৰ্বল আৰু অসহায়। পৰম ভক্ত নাৰদৰ মুখেদিও শ্ৰীকৃষ্ণ চৰিত্ৰৰ সেই দিশ উদ্ভাসিত হৈছে অত্যন্ত ব্যঙ্গ ৰূপত—

ঃ হে কৃষ্ণ ঃ জানলো ঃ তুহুঁ স্ত্ৰীক লাড়িকা ঃ
দেৱ কাৰ্য্য সৱ পৰি ৰহল ঃ তোহাৰ ভাৰ্য্যাক
চাটু বুলিতে সৱ দিৱস গেল।।

সিমানতো ক্ষান্ত নহৈ নাৰদে পুনৰ ক'লে—

ঃ হে কৃষ্ণ ঃ কামাতুৰ পুৰুষক ঐচন অৱস্থা ঃ
স্ত্ৰী যে আজ্ঞা কৰে ঃ সে অৱশ্যে কৰিতে লাগে।

পাৰিজাত ফুলৰ বাবে শ্ৰীকৃষ্ণই স্বৰ্গলৈ যাত্ৰা কৰাৰ পূৰ্বে দেৱতাসকলৰ অনুৰোধত বসুমতীৰ পুত্ৰ, কামৰূপৰ অধিপতি নৰকক বধ কৰিছে। কিন্তু, নাটকখনৰ সবাতোকৈ উল্লেখযোগ্য বিষয় হ'ল— নাটকখনত দুষ্কৃতিৰ প্ৰতীক নৰকৰ মুখত এটিও সংলাপ নিদিয়াকৈ কৰা উপস্থাপন। এই ক্ষেত্ৰত মহাপুৰুষে নিম্নোক্ত পয়াৰটিৰ যোগেদি সমস্ত পৰিৱেশ ৰচনা কৰাৰ লগতে দেৱকুলৰ শত্ৰু নৰকক বধ কৰি দেৱতাসকলৰ কল্যাণ সাধন কৰিছে ঃ

চলিল গোৱিন্দ গৰুড়ক স্বন্ধে।
নৰক মাৰিতে কয়লি প্ৰবন্ধে।।
বায়ুক বেগে চললি পক্ষীৰাজ।
তিলেক পায়ল কামৰূপ ৰাজ।।
ফুকল শঙ্খ হৰি বাৰে বাৰে।
শুনি শত্ৰুক ভেল হৃদয় বিদাৰে।
......................................
কোপে চত্ৰ ক্ষেপি জগন্নাথ।
কাটল দাৰুণ নৰকমাথ।।

মহাপুৰুষৰ 'ৰামবিজয়' নাটকতো কৌশিক মুণিয়ে ৰাম আৰু লক্ষ্মণৰ যজ্ঞ ৰক্ষাৰ বাবে আশ্ৰমলৈ নিয়াৰ পাছত মাৰীচ সুবাহুক বধ কৰাৰ যি ঘটনাংশ চমক প্ৰদভাবে অংকনৰ ক্ষেত্ৰতো পয়াৰৰ প্ৰয়োগ মন কৰিবলগীয়া।

আলোচ্য নাটকখনত গুৰুজনাই প্ৰয়োগ কৰা সংলাপসমূহে বিষয়বস্তুক সজীৱ কৰাই নহয়, ৰসোত্তীৰ্ণ হোৱাত বৰঙণি যোগাইছে। অন্যহাতে উৎকণ্ঠা তীব্ৰতৰ কৰি তোলাৰ বাবে নাটকখনত সংলাপৰ কৌশলী প্ৰয়োগ এই প্ৰসঙ্গত প্ৰণিধানযোগ্য। বিশেষকৈ টুটুকীয়া নাৰদে পাৰিজাত সম্পৰ্কীয় কথাখিনি সত্যভামাৰ আগত অৱতাৰণা কৰোঁতে নাট্যকাৰে নাটোৎকণ্ঠা গভীৰ কৰাৰ বাবে সংলাপৰ মনোৰম বিন্যাস ঘটাইছে এনেদৰে ঃ

নাৰদ বোল ঃ হে দেৱী সত্যভামা ঃ তোহাৰি স্বামী শ্ৰীকৃষ্ণক বৰি বিষম চেষ্টা দেখল ঃ হা হা মাৰ তুহুঁ দুভাগা ভেলি ঃ হামু আজুসে জানলো।

সত্যভামা বোল ঃ হে মুনিৰাজ ঃ তোহো কি কহৈছ ঃ হামু কিছু বুজয়ে নাহি।

নাৰদ বোল ঃ হা হা তুহুক বিধি বঞ্চল। হে মাৰ ঃ কি কহব ঃ কহিতে বৰ দুখ লাগে।

সমগ্ৰ জীৱনজুৰি কৃষ্ণৰ চৰণ বন্দনাৰে অনেক শাস্ত্ৰ মন্থন কৰা গুৰুজনাই জগতৰ পতি শ্ৰীকৃষ্ণক এনেদৰে লঘু কৰি অৱতাৰণা কিয় কৰিলে— এই প্ৰশ্নই জিজ্ঞাসু পাঠক বা দৰ্শকৰ অন্তৰত দোলা দি যায়। মন্তব্য নিষ্প্ৰয়োজন যে, কৃষ্ণ হ'ল জগতৰ পতি— পৰমব্ৰহ্মৰ সগুণ ৰূপ; দোষ-গুণৰ অতীত। তাৰাৰ লীলা-মালা প্ৰকাশ কৰাহে মহাপুৰুষৰ মুখ্য অভিপ্ৰায়! এনে উদ্দেশ্য আগত ৰাখিয়েই মানৱীয় প্ৰবৃত্তিক পাৰিজাত হৰণ নাটকত কলাসন্মতভাৱে অৱতাৰণা কৰিছে।

'কথা গুৰু চৰিত'ৰ মতে শ্ৰীমন্ত শঙ্কৰদেৱ পাটবাউসীত থকা সময়ছোৱাতে ৰামৰায়ৰ অনুৰোধত জীৱনৰ শেষ বয়সত ৰুক্মিণীহৰণ নাটক ৰচনা কৰে।[১২] স্মৰণীয় যে, মহাপুৰুষে পূৰ্বেও একে নামত কাব্য এখনো প্ৰণয়ন কৰি সাহিত্য সমৃদ্ধ কৰিছিল। সেই

অৰ্থত কোনো কোনো সমালোচকে 'ৰুক্মিণী হৰণ' নাটকক 'ৰুক্মিণী হৰণ' কাব্যৰে নাট্যৰূপ বুলি অভিহিত কৰিছে। হৰিবংশ, বিষ্ণুপুৰাণ আৰু ভাগৱতত ৰুক্মিণীৰ বিষয়ে উল্লেখ থাকিলেও শঙ্কৰদেৱে ভাগৱত পুৰাণৰ বিষয়বস্তুহে নাটত গ্ৰহণ কৰি, প্ৰয়োজন অনুসৰিহে বিষয়বস্তুৰ নাট্যৰূপ ঘটাইছে। বিশেষকৈ ভাগৱত পুৰাণত বাকীসকলৰ উল্লেখ নাটকখনত কৰা নাই। অন্যহাতে ৰুক্মিণীহৰণৰ লগত কৃষ্ণ ভক্ত উদ্ধৱৰ সম্পৰ্ক নাই যদিও মহাপুৰুষে নাটকখনত শ্ৰীকৃষ্ণই উদ্ধৱৰ সৈতে ৰঙ্গালয়ত প্ৰৱেশ কৰা দেখুৱাইছে।

ইফালে ভাগৱতৰ মতে সুৰভি নামৰ ভাটৰ যোগেদি শ্ৰীকৃষ্ণই ৰুক্মিণীৰ ৰূপ-যৌৱনৰ বিষয়ে জনাৰ পাছত ৰুক্মিণীৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হয় আৰু ইয়াৰ বিপৰীতে হৰিদাস ভাটৰ যোগেদি বিদৰ্ভ কুমাৰী ৰুক্মিণীয়েও শ্ৰীকৃষ্ণৰ বিষয়ে অৱগত হোৱাৰ পাছতেই ৰুক্মিণীৰ হৃদয়তো শ্ৰীকৃষ্ণৰ প্ৰতি গভীৰ অনুৰাগ সৃষ্টি হয়।

মূলগ্ৰন্থত শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীৰ মিলন পথত অন্তৰায় হৈ দেখা দিয়ে ৰুক্মিণীৰ জ্যেষ্ঠ ভাতৃ ৰুক্মীয়ে। ডেকাতেজত মতলীয়া হৈ গুৰু গোসাঁই নমনা ৰুক্মীয়ে ভনীয়েক ৰুক্মিণীক ছেদিৰাজ শিশুপাললৈহে বিবাহ দিয়াৰ প্ৰস্তুতি চলায়। ভাগৱতত ৰুক্মিণীৰ এই সিদ্ধান্তৰ বিষয়ে নিজেই অৱগত হয় যদিও আলোচ্য নাটত মনমঞ্জৰী নামৰ সখীয়েকৰ যোগেদিহে ৰুক্মিণীয়ে এই সিদ্ধান্তৰ কথা জানিব পাৰে। এনে বিষম পৰিস্থিতিত সখীসকলে ৰুক্মিণীক সান্ত্বনা দিয়া আৰু ৰুক্মিণীয়ে ককায়েকক গালি বৰ্ষণ কৰা বিষয়সমূহ মহাপুৰুষৰ মৌলিকত্বক পৰিচায়ক। ৰুক্মিণীৰ পত্ৰ সন্দেশ লৈ বেদনিধি দ্বাৰকালৈ গমন কৰাৰ পাছত ৰুক্মিণীক সখীসকলে সান্ত্বনা দিয়া, বেদনিধিয়ে শ্ৰীকৃষ্ণৰ সৈতে বিদৰ্ভলৈ প্ৰত্যাৱৰ্তন কৰোঁতে ৰথৰ বেগ সহিব নোৱাৰি জ্ঞান হেৰুৱাই পেলোৱা আৰু ব্ৰহ্মাই ৰুক্মিণীক দেখি অচেতন হৈ পৰা ঘটনাৰাজি মহাপুৰুষৰ প্ৰতিভাৰ পৰশত উজ্বলি উঠিছে।

ৰামায়ণৰ বিষয়বস্তুক লৈ ৰচনা কৰা ৰামবিজয় শ্ৰীমন্ত শঙ্কৰদেৱৰ একমাত্ৰ নাটক আৰু তাৰাৰ জীৱনৰ শেষ বয়সৰ ৰচনা। গুৰুজনাই কোচৰাজ্যত বাস কৰোঁতে ৰজা নৰনাৰায়ণৰ ভাতৃ শুক্লধ্বজৰ পৃষ্ঠপোষকতাত ৰামবিজয় নাটক ৰচনা কৰাৰ সম্পৰ্কে নাটকখনৰ সামৰণিত সন্নিৱিষ্ট শ্লোকত উল্লেখ কৰা হৈছেঃ

শ্ৰীগোপাল পদচ্ছত্ৰচ্ছায়ালালসমানসঃ।
শ্ৰীশুক্লধ্বজ নৃপশ্ৰেষ্ঠ কাৰায়ামাসঃ নাটকম।।
বিন্দুৰন্ধ্ৰ ৱেদচন্দ্ৰশাকে শঙ্কৰ সংজ্ঞকে।
শ্ৰীৰামবিজয়ং নাম নাটকং ৱিদধেধুনা।।

শ্ৰীমন্ত শঙ্কৰদেৱে উত্তৰাকাণ্ড ৰামায়ণৰ বিষয়বস্তুৰ আধাৰত 'ৰামবিজয়' ৰচনা কৰিলেও তাৰাই নাটকখনক নব্যৰূপত অৱতাৰণা কৰিছে। বিশেষকৈ ৰামায়ণত বিশ্বামিত্ৰ মুনিয়ে ৰাম-লক্ষ্মণক হৰধনু (অজগৱ) দেখুৱাবলৈ নিয়াৰ পৰিৱৰ্তে আলোচ্য নাটকত ভাতৃদ্বয়ক সীতা স্বয়ম্বৰলৈহে লৈ গৈছিল। মূলতঃ ৰামে হৰধনু ভঙ্গ কৰি সীতাক লাভ কৰা কাৰ্য, আকস্মিক ঘটনা ৰূপেহে বৰ্ণিত হৈছে। ইয়াৰ বিপৰীতে ৰামবিজয় নাটকত কৌশিক ঋষিয়ে ৰাম-লক্ষ্মণক হৰধনু ভঙ্গ কৰাৰ পাছত সীতাক লাভ কৰাৰ অভিপ্ৰায়েৰে জনক নগৰীলৈ লৈ গৈছে। সেইদৰে পথত পৰশুৰামৰ লগত ৰামৰ তৰ্কযুদ্ধ সংঘটিত হোৱা ঘটনা মূল ৰামায়ণত নথকা সত্ত্বেও বৈচিত্ৰ্য সৃষ্টিৰ প্ৰয়াসেৰে উক্ত ঘটনা নাটকখনত সন্নিৱেশ কৰিছে। উল্লিখিত সংযোজনৰ উপৰি নাটকখনত সীতাক অৱতাৰণা কৰিছে জাতিস্মৰ কন্যা ৰূপে। সেই সম্পৰ্কে সীতাই সখীসকলৰ আগত নিজেই প্ৰকাশ কৰিছেঃ

আহে সখীসব ঃ পৰম অভাগিনীক কি পুছহ ঃ হামু স্বামী ইচ্ছা কয়। অনেক জনম কায় ক্লেশ

কৰিয়ে বহুত বৰিষ তপস্যা কয়লো।

তদ্ৰূপ 'ৰুক্মিণী হৰণ' নাটকতো হোম আৰম্ভ কৰিবলৈ লওঁতেই ৰুক্মিণীৰ ৰূপ দেখি সৃষ্টিকৰ্তা ব্ৰহ্মা বিমুৰ্চ্ছিত হোৱাৰ দৰে আলোচ্য নাটত সীতাৰ ৰূপ দেখি কৌশিক ঋষি কামবাণত জৰ্জ্জৰিত হোৱা ঘটনাৰ সাদৃশ্য মন কৰিবলগীয়া। দৰ্শকৰ ৰুচি-অভিৰুচিৰ প্ৰতি অতিশয় সচেতন শ্ৰীমন্ত শঙ্কৰদেৱৰ এনে দৃষ্টিকোণ এক উল্লেখযোগ্য বিষয়। কেৱল পৰিস্থিতি সৃষ্টি কৰাৰ ক্ষেত্ৰতে নহয়, চৰিত্ৰাৰ্জ্জনৰ ক্ষেত্ৰতো তাৰাৰ আন নাটৰ কৌশলৰ পুনৰাবৃত্তি মন কৰিবলগীয়া। এই নাটকতো কৌশিক মুনিয়ে দশৰথৰ পুত্ৰ ৰাম-লক্ষ্মণক সিদ্ধাশ্ৰমলৈ নি মাৰীচ-সুবাহুক বধ কৰালৈকে ভাতৃদ্বয়ৰ মুখত এটাও সংলাপ প্ৰয়োগ নকৰাটো তাৰাৰ নাট্যশৈলীৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ ৰূপে পৰিগণিত হৈছে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ নাটক কেইখনলৈ চকু দিলেই এটা বিশেষত্ব সততেই পৰিলক্ষিত হয়। তাৰাৰ হাততেই প্ৰথমে ব্ৰজাৱলী ভাষাৰ সুপ্ৰয়োগ ঘটে। নাট আৰু বৰগীতত আঞ্চলিক গণ্ডীৰ বিপৰীতে বৃহৎ ভূখণ্ডত নাট্যভিনয়ক প্ৰতিষ্ঠা কৰাৰ বাবেই মহাপুৰুষে আঞ্চলিক ভাষাৰ পৰিৱৰ্তে ব্ৰজাৱলী ভাষাত নাট ৰচনা কৰি ইয়াৰ গাম্ভীৰ্য ৰক্ষাৰ লগতে অনন্য মাত্ৰা প্ৰদান কৰিছিল। অন্যহাতে জন-মন আকৰ্ষণ কৰাৰ বাবেই মহাপুৰুষে নৃত্য গীতৰ প্ৰতিও অধিকভাৱে মনোযোগ দিছিল— যাৰ বাবেই তাৰাৰ নাটক কেইখনত একাধিক গীতৰ প্ৰয়োগ ঘটিছিল। স্মৰণীয় যে, নাটক ছয়খনত সন্নিৱেশ ঘটা গীতৰ সংখ্যা ১১৯টি। ইয়াৰে সৰ্বাধিক গীতৰ প্ৰয়োগ ঘটিছিল পাৰিজাত হৰণ নাটকত। এই নাটকত ৩৬টি গীতৰ সন্নিৱেশ ঘটিছে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নাট্য সাহিত্যৰো মূল প্ৰতিপাদ্য বিষয় হ'ল শ্ৰীকৃষ্ণ বা বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপাদন। কৃষ্ণ হ'ল তেওঁৰ সৃষ্টিত সংস্কৃতিৰ প্ৰতীক। অন্যহাতে ঈৰ্ষা, অসূয়া, ক্ৰোধ, লোভ, দম্ভ আদি প্ৰবৃত্তিসমূহ তাৰাৰ সাহিত্যত দুষ্কৃতিৰ প্ৰতীক সংস্কৃতিৰ লগত দুষ্কৃতিৰ দ্বন্দ্ব বিৰোধ আৰু শেষত সংস্কৃতি ৰূপী কৃষ্ণৰ বিজয় সূচীত হৈছে।

স্মৰ্তব্য যে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে যি সময়ত নাট ৰচনাত প্ৰবৃত্ত হৈছিল, সেই সময়ত নাট্যকলাক পূৰ্ণ বিকশিত কৰাৰ বাবে সন্মুখত কোনো আৰ্হি নাছিল। তৎসত্বেও কাহিনী গ্ৰন্থতেই হওক বা চৰিত্ৰাঙ্কনতেই হওক বৈষ্ণৱ সাহিত্যৰ ইতিহাসত শ্ৰীমন্ত শঙ্কৰদেৱৰ লগত তুলনা কৰিব পৰা দ্বিতীয় এজন নাট্যকাৰ বিচাৰি পোৱা নাযায়। সেইদৰে সংলাপৰ চাতুৰ্য অথবা সংলাপহীনভাৱে কৰা চৰিত্ৰাঙ্কন গুৰুজনাৰ অভিনৱ সৃষ্টি ৰূপে নাট্য সাহিত্যৰ ইতিহাসত স্মৰণীয় হৈ থাকিব।■■

# নাম-ঘোষাত ভক্তিতত্ত্ব

**নাৰায়ণ চন্দ্ৰ গোস্বামী**

অসমৰ মহাপুৰুষীয়া দৰ্শন হিচাপে খ্যাত অসমীয়া সাহিত্যৰ (ধৰ্মীয়) চাৰিবেদ স্বৰূপ দশম, কীৰ্তন, ঘোষা, ৰত্নাৱলী— এই চাৰি শাস্ত্ৰৰ কথা সৰ্বজনবিদিত। শঙ্কৰী ভাষাত ইয়াকে কয় 'ধৰ্মৰ চাৰি খুটি' বুলি। মহাপুৰুষীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ কাৰণে এই চাৰি শাস্ত্ৰ সেৱাৰ আৰু আদৰৰ বস্তু। মহাপুৰুষ শঙ্কৰদেৱৰ ইচ্ছা, আজ্ঞানুসাৰে আৰু মহাপুৰুষ মাধৱদেৱৰ জীৱনজোৰা সাধনাৰে ৰচিত এই অমূল্য গ্ৰন্থখনি হৰিভক্তি ৰহস্যেৰে ভৰা। শঙ্কৰদেৱৰ ভাষাৰে 'এখন পুথি ৰচনা কৰিব বৰগীটোৰ দৰে 'বাহিৰে কোমল, ভিতৰে টান।' সঁচা কথা যে নাম-ঘোষা পাঠ কৰিলে অমৃতৰ জোৱাৰ উঠে অৰ্থাৎ প্ৰেম অমৃতৰ নদী বয়। শিপিনীসকলে তাঁত বওঁতেও সুৰদি মাতেৰে নাম-ঘোষা একাধ্যা পাঠ কৰিলে তেওঁলোক আপোন পাহৰা হয় আৰু শুনোতাৰ শ্ৰৱণেন্দ্ৰীয় সাৰ্থক হয়। ইপিনে নাম-ঘোষাৰ তত্ত্বাৰ্থ ব্যাখ্যা কৰিবলৈ যাওঁতে ভক্তসকলে কঠিনত্ব উপলব্ধি কৰে আৰু ভিতৰৰ গুটিটোৰে দাঁত ভাঙে। এতেকে দেখা যায় যে, দুজনা মহাপুৰুষৰ সমস্ত শক্তি, ভক্তি, বল, পৰাক্ৰম ইয়াতেই নিবন্ধ আছে। শঙ্কৰদেৱক ইয়াত সামৰি লোৱা অৰ্থ এয়ে যে, শঙ্কৰদেৱৰ আজ্ঞা— 'আমাকো তাত ৰাখিবা' আৰু শেহতীয়া নিৰ্দেশ—

"শুনিয়ো মাধৱ মোৰ থাকিবাৰ থান।
দশম কীৰ্ত্তন মোৰ মূৰ্ত্তিৰ সমান।।
ঘোষা নামে এক শাস্ত্ৰ তুমিও লিখিবা।
ঘোষা ৰত্নাৱলী মাজে তুমিও থাকিবা।।"
— সন্তাৱলী

'ভজ্' ধাতুত ক্তিন্ প্ৰত্যয় যোগ কৰি 'ভক্তি পদ সিদ্ধ হৈছে। 'ভজ' ধাতুৰ অৰ্থ হ'ল 'সেৱায়াং' অৰ্থাৎ সেৱা কৰা আৰু 'ক্তিন্' প্ৰত্যয়ৰ অৰ্থ হ'ল প্ৰেম। সৎসঙ্গী জীৱন গ্ৰন্থত লিখিছে—

"ভজধাতোস্তু সেৱাৰ্থঃ প্ৰেমাক্তিন্ প্ৰত্যয়স্যচ।
স্নেহেন ভগৱৎ সেৱা ভক্তিৰিত্যুচ্যতে বুধেঃ।।

অৰ্থাৎ 'ভজ'ধাতু সেৱা অৰ্থত আৰু ক্তিন্ প্ৰত্যয়টো প্ৰেমৰ অৰ্থক হৈছে। প্ৰেমেৰে বা স্নেহেৰে ভগৱৎ সেৱা কৰাকে ভক্তি বুলি কোৱা হয়।

ভাগৱত পুৰাণ, বৃহন্নাৰদীয় পুৰাণ, পদ্মপুৰাণ, নাৰদ পঞ্চৰাত্ৰ, ভক্তি ৰসামৃতসিন্ধু, ভক্তিৰসায়ন, বিবেক চূড়ামণি আদি বিবিধ গ্ৰন্থত ভক্তি পদৰ বিবিধ ব্যাখ্যা দাঙি ধৰিছে।

শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ আৰু মহাপুৰুষীয়া ভকতসকলৰ হৃদয়ৰ বস্তু, আধ্যাত্মিক তত্ত্বেৰে পৰিপূৰ্ণ জ্ঞান-বিজ্ঞান, তদঙ্গ আৰু ৰহস্য— এই চাৰিটি বস্তুৰ ভিতৰত 'ৰহস্য' বস্তুটি অতি মহৎ আৰু তত্ত্বপূৰ্ণ। জ্ঞান মানে 'জ্ঞানং শাস্ত্ৰোত্থম"। জ্ঞান অৱবোধনে জ্ঞা ধাতু। শাস্ত্ৰ পঢ়ি পোৱা ভগৱৎ তত্ত্বৰ জ্ঞানেই জ্ঞান। বিজ্ঞানমনুভবঃ অৰ্থাৎ বিজ্ঞান মানে অনুভৱ। শাস্ত্ৰ পঢ়ি পোৱা জ্ঞানৰ উপলব্ধিয়েই হ'ল বিজ্ঞান। তদঙ্গং সাধনম্ অৰ্থাৎ উপলব্ধি কৰা বস্তুৰপৰা সাধনা আৰু ৰহস্যং ভক্তিঃ অৰ্থাৎ ৰহস্য মানে ভক্তি। ধৰ্ম ৰহস্য, অৰ্থ ৰহস্য আৰু কাম ৰহস্য ভেদে ৰহস্য তিনিবিধ যদিও পূৰ্বোক্ত ৰহস্য এই তিনিবিধৰ অতি উৰ্দ্ধত আছে। সাধানঙ্গৰ পিছতে ভগৱন্তৰ ৰহস্যাবৃত কথাখিনি সামৰি ভক্তি নামেৰে অভিহিত হৈছে অৰ্থাৎ ভগৱৎ

তত্ত্বৰ অতি গোপনীয় শেষস্তৰৰ কথাখিনিয়েই 'ৰহস্যভক্তি'। একশৰণ হৰিনাম ধৰ্মত শৰণ আৰু ভজন এৰিব নোৱাৰা বিষয়। শৰণ হ'ল ভাবাত্মক আৰু ভজন হ'ল কাৰ্যাত্মক। ভজনৰ বাবে ৰহস্য ভক্তিৰ প্ৰয়োজন। ভগৱন্তৰ চৰণত আশ্ৰয় গ্ৰহণৰ পিছত তেওঁৰ তত্ত্ব উপলব্ধিৰ কাৰণে কৰা চেষ্টাই হ'ল ভজন। সেয়েহে ভজন সদায় কাৰ্যাত্মক। দুজনা মহাপুৰুষৰ চাৰি পুথিক আমি দুটা ভাগত ভগাব পাৰো। দশম, কীৰ্ত্তন দুইপুথি ভক্তিমূলক যদিও ইয়াত শ্ৰীকৃষ্ণদেৱৰ লীলাতত্ত্ব আধাৰিত কাহিনীমূলক কথা অধিক সন্নিৱিষ্ট হৈছে। কৃষ্ণদেৱৰ চৰিত্ৰ-চিত্ৰণ, দুষ্টক দমন আৰু সন্তক পালন আদি নানা ৰসেৰে সমৃদ্ধ হৈছে দুই পুথি। কিন্তু নাম-ঘোষা আৰু ৰত্নাৱলী এই পুথি কাহিনীবৰ্জিত বুলি ক'ব লাগিব। কেৱল ৰহস্য ভক্তিৰে পৰিপূৰ্ণ এই দুই পুথিয়ে একশৰণ নাম-ধৰ্মক বা ভক্তিৰ ওপৰত অধিক সোণত সুৱগা চৰাইছে। সেইবাবে শৰণৰ প্ৰতীক দশম-কীৰ্ত্তন আৰু ভজনৰ প্ৰতীক ঘোষা, ৰত্নাৱলী বুলি কোৱাৰ থল আছে। বিশেষকৈ চাৰিখনিৰ ভিতৰত নাম-ঘোষা পুথি অন্যতম উৎকৃষ্ট পুথি। আনহাতে কীৰ্ত্তন, দশম গাখীৰৰ নিচিনা আৰু ৰত্নাৱলী, নাম-ঘোষা মাখনৰ নিচিনা। গাখীৰ হজম কৰা কঠিন। মাখন হজম কৰিবলৈ লাগিব কঠোৰ পৰিশ্ৰমৰ দ্বাৰা অৰ্জিত শক্তি।

নাম-ঘোষাখন ভক্তিৰ সৰোবৰ বুলি ক'ব লাগিব। সেই সৰোবৰত দুটা প্ৰধান পাৰ দেখা পোৱা যায়। আমাৰ ভকতীয়া বা সত্ৰীয়া হিচাপে চাৰিবস্তু ভকত, নাম, গুৰু, দেৱ— এইকেইটাৰ ভিতৰত ভক্ত আৰু ভগৱন্ত অৰ্থাৎ ভকত আৰু দেৱ এই দুইটিয়ে ভক্তিৰ সৰোবৰখনিক আগে-পিছে প্ৰধানভাৱে হেঁপাহ পলুৱাই পান কৰিব পৰাকৈ দুটি প্ৰধান পাৰে সযতনে ৰক্ষা কৰিছে। দেখা যায়, মহাপুৰুষে এই পুথিৰ আদিতে 'মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো" বুলি আৰম্ভ কৰি একেবাৰে শেষত 'জানিয়া ভজিয়ো ভাই ভগৱন্ত পাৰে। এহু ৰস মাধৱ মুৰুখমতি গাৰে।।" বুলি সমাপ্ত কৰি ভক্ত ভগৱন্তৰ সহযোগত যে ভক্তিৰসৰ নৈখন প্ৰবাহিত হয়, তাৰে ইঙ্গিত দিছে। ইয়াৰ মাজৰ বস্তুখিনিয়েই হ'ল ভক্তিৰস বা ভক্তিবাদৰ মূলবস্তু। সেই কাৰণেই ব্যৱহৃত হৈছে 'এহু ৰস' বুলি। নাম-ঘোষাৰ ভক্তিবাদৰ বা ভক্তিৰসৰ কেইবাটিও শাখা বা বিভাগ থকা দেখা যায়। যেনে— আদিৰস, সেৱা ৰস, প্ৰেমৰস, মুকুতিৰস, কৃপাৰস, কীৰ্তনৰস, হৰিকথাৰস, ৰামনামৰস, কৃষ্ণকথাৰস, অনন্তৰস, আনন্দৰস, যশৰস, অমিয়াৰস, মকৰৰন্দৰস আদি এই চৈধ্যবিধ ৰসৰ কথা প্ৰকাশ কৰি চৈধ্যব্ৰহ্মাণ্ড বা চৈধ্যয়ভূবনৰ আধ্যাত্মিক তত্ত্ব সূচনা কৰিছে। সেই কাৰণে হ'বলা একেবাৰে শেষত 'এহুৰস' অৰ্থাৎ 'এইখিনি ৰস' বুলি মাধৱপুৰুষে মোখনি মাৰিছে। নাটকীয় দিশটোলৈ উভতি চালে আমি সাধাৰণতে শৃঙ্গাৰাদি নৱৰসৰ কথা পাওঁ। কিন্তু এইখিনি নাটকত থাকিলেও প্ৰকৃততে ভক্তিৰসেহে এওঁলোকক নিয়ন্ত্ৰণ কৰিছে। এইদৰে নাম-ঘোষাৰ উক্ত আধ্যাত্মভাবৰ ৰসসমূহৰ ওপৰত ভক্তিৰসৰ বা ভক্তিবাদৰ প্ৰাধান্য আছে। ভক্তিৰস হ'ল মুখ্য আৰু এওঁলোক হ'ল সহচৰ। আনহাতে হৰিভক্তি হ'ল ৰাজমাৰ্গ অৰ্থাৎ ৰাষ্ট্ৰীয় ঘাইপথ. সেই পথটিত পোহৰ পেলাবৰ কাৰণে গুৰুদেৱৰ পদনখচন্দ্ৰ বিৰজিত। সেয়ে নাম-ঘোষাত ধ্বনিত হৈছে।

"হৰিভক্তি ৰাজমাৰ্গেগুৰু পদনখচন্দ্ৰ প্ৰকাশিত
শ্ৰুতি জননীৰ পদ পন্থ অনুসৰি।
ফুৰো হুয়া আমি আনন্দিত স্খলন নাহিকে কদাচিত
মহাজন সব জানিবা নিশ্চয় কৰি।।
— নাম-ঘোষা

অৰ্থাৎ— হৰিভক্তি হ'ল ৰাজমাৰ্গ বা প্ৰধান পথ। তাতে গুৰুৰ পদনখ চন্দ্ৰই পোহৰ পেলাইছে। ভয় নাই সুন্দৰ পথ আৰু সুন্দৰ আলোক। শ্ৰুতি মাতা অৰ্থাৎ বেদ সেই পথেদি খোজকাঢ়ি গৈ আছে। মাতৃ যি পথেদি গৈছে, তাৰ অনুসৰণ কৰোঁ। আমি আনন্দ মনেৰে ফুৰোঁ, ভয় নাই পিচলি নপৰোঁ। হে সাধুসকল!

এইখিনি কথা সত্য বুলি জানিবা।

আমি এই ঘোষাটিৰপৰা তিনিটা বস্তু পাইছোঁ। সেই কেইটি হ'ল— (১) ভক্তি, (২) গুৰু আৰু (৩) শাস্ত্ৰ। এই তিনিটি পাৰমাৰ্থিক বা আধ্যাত্মিক তত্ত্বই আমাক এটি পৰিষ্কাৰ আলোকসম্পাত কৰিছে। উক্ত তিনিটি তত্ত্বৰ সংক্ষেপ অৰ্থ এনেদৰে কৰিব পৰা যায়। হৰি ভক্তিয়েই আমাৰ একমাত্ৰ প্ৰধান পথ। সেই প্ৰধান পথৰ গাতে লগলগা বহুতো কেঁচা বা ভাল উপপথ আছে। সেই পথেদিও যাত্ৰা যাতায়ত কৰিব পাৰে বা কৰে। কিন্তু মূল বা প্ৰধান পথেদি গ'লে মূল গন্তব্যস্থল পাইগৈ। সেই মূল পথৰ গন্তব্যস্থল হ'ল একমাত্ৰ পৰমব্ৰহ্ম। তেওঁৰ ওচৰলৈ যাবৰ কাৰণে আমাক লাগিব ঘাইপথ ৰূপ ভক্তি। ভক্তি আমাৰ জীৱনৰ প্ৰাণ। সেই ভক্তি শব্দটি কৃষ্ণ বা হৰিত সংযোগ কৰিলে যিটি শোভা কৰে, সেই শোভা অইনত নহয়। যেনে কৃষ্ণভক্তি বা হৰিভক্তি। বিশেষকৈ 'ভক্তি' শব্দটিত এটি মহৎ সত্তা আছে। এই শব্দটি য'ত খটুৱা হয়, তাৰ যদি কোনো স্থায়িত্ব বা মহৎ সত্তা নাথাকে, তেন্তে সেই সত্তাৰ মূল্য হানি হয় বা ভক্তি শব্দটিৰ মূল্য হানি হয়। সেই ৰাজমাৰ্গে হৰিভক্তিও আকৌ নীৰস হ'ব নালাগিব। সিও হ'ব লাগিব 'ৰসময়ী ভক্তি' অৰ্থাৎ পূৰ্বোক্ত চৈধ্যটি ৰসেৰে পৰিপূৰ্ণ এটি ডাঙৰ মৌচাক আৰু অনন্য ভাবসমৃদ্ধ। উক্ত প্ৰধান হৰিভক্তিৰ পথটিত খোজকাঢ়ি যাওঁতে ৰাতিৰ আন্ধাৰত খালে-বামে লক্ষ্যভ্ৰষ্ট হৈ নপৰিব বাবে লাগিব এটি তীব্ৰ আলোক। আন্ধাৰত বহুতৰে লক্ষ্যভ্ৰষ্ট হোৱাটো স্বাভাৱিক। সেয়ে পোহৰ থাকিলে কোনো চিন্তা নাথাকে। অপ্ৰয়াসে যাব পাৰে। সেই আলোক বা পোহৰ হ'ল গুৰু। গুৰুৰ পদনখচন্দ্ৰৰ দ্বাৰা অৰ্থাৎ গুৰুৰ চৰণ সেৱাৰে বা শুশ্ৰূষাৰ দ্বাৰা তেওঁক সন্তুষ্ট কৰি ভগৱৎ তত্ত্ব হৃদয়ঙ্গম কৰি লোৱাহঁক।

> "হৰিগুৰু পদসেৱা খাণ্ডা দাণ্ডি ধৰা।
> মনবৈৰী কাটি সুখে ভৱনদী তৰা।।"
> — নাম-ঘোষা

আৰু "বিনা গুৰু চৰণে ভকতিৰকতি মুকুতি কবহু নাহোই" (ভটিমা) গুৰুৰ উপদেশ হিতকাৰী জ্ঞানেই হ'ল আলোক। তেওঁৰ পদসেৱা কৰিলে তেওঁ তোমাক হিত উপদেশ দিব। "গুৰু উপদেশলব্ধ শিষ্যসৰে উপদেশ সাৰ ধৰা। যেৱে ঈশ্বৰক পাইবা যত্ন কৰি বুদ্ধিক সত্ত্বস্থ কৰা।।"— নাম-ঘোষা। সেই উপদেশ আলোক স্বৰূপ আৰু সেই আলোকেৰে মায়াময় সংসাৰৰূপ আন্ধাৰত খপ্‌জপাই নপৰাকৈ বা লক্ষ্যভ্ৰষ্ট নোহোৱাকৈ হৰিভক্তি ৰূপ ৰাজপথেদি গৈ থাকাহঁক। সেই ৰাজপথেদি এগৰাকী যাত্ৰী গৈ আছে। তেওঁ হ'ল 'শ্ৰুতিজননী' অৰ্থাৎ বেদমাতা। শ্ৰুতি মানে বেদ (শ্ৰুতিস্তু বেদ বিজ্ঞেয়ঃ— মনু)। 'শ্ৰুতি' শব্দটো স্ত্ৰীলিঙ্গ কাৰণে 'জননী' শব্দটি খাটিছে। আমাৰ মহাপুৰুষীয়া দৰ্শনৰ মূল হ'ল বেদশাস্ত্ৰ। বেদৰ সাৰভাগ ভাগৱত শাস্ত্ৰ। বেদ, বেদান্ত হ'ল পৰমব্ৰহ্ম তত্ত্বৰ উপলব্ধিৰ আধাৰ গ্ৰন্থ। ভগৱন্তক বুজিবৰ কাৰণে বেদ শাস্ত্ৰই আমাক প্ৰকৃত পথৰ সন্ধান দিছে। শ্ৰুতিজননী যেনি যায়, আমিও তেনিয়েই যাব লাগে। হৰিভক্তি ৰাজপথত তেওঁ এগৰাকী পথচাৰিণী। সেই পথেদি তেওঁ গৈ আছে। আমি পূৰ্বতে এটি ৰাজপথ আৰু এটি পোহৰ পাইছোঁৱেই। তাতে আকৌ এগৰাকী পথযাত্ৰীও পাইছোঁ। এতিয়া আমাৰ কোনোপধ্যে পথভ্ৰষ্ট বা স্খলন নহয়। তেওঁ যি ঠাইলৈ গৈছে বা পথ দেখুৱাইছে আমিও সেইপিনে গৈ থাকোঁ। চিন্তা নাই সুস্থিৰমতে গন্তব্যস্থান পামগৈ। এনেকৈ আমি উক্ত ঘোষাৰ তাত্বিক অৰ্থ কৰি লওঁ বা ল'ব পাৰোঁ।

ভক্তিবাদ নাম-ঘোষাত আৰু এটি ভক্তিতত্ত্বৰ দিশ বিচাৰি পোৱা হৈছে। আচৰিত কথা যে, নাম-ঘোষাৰ আৰম্ভণি 'ভজন' প্ৰক্ৰিয়াত আৰু সামৰণি প্ৰক্ৰিয়া 'খেদ' অধ্যায়ত সমাপ্ত হৈছে। আচলতে শৰণৰ পিছতহে ভজন প্ৰক্ৰিয়া আৰম্ভ হয়। কিন্তু ইয়াত ওলোটা প্ৰক্ৰিয়া হৈছে। ইয়াৰপৰা আমি এটি কথা ধাৰণা কৰিব পাৰো যে, যি বস্তুকে আমি গলাধঃকৰণ কৰোঁ, তাৰেই উগাৰ আহে আৰু যি আহাৰ কৰা হয়

তাৰ নিজ নিজ বৈশিষ্ট্য মতে শক্তি সঞ্চাৰিত হয়। সেইদৰে নাম-ঘোষা শাস্ত্ৰ এখনি ভক্তি প্ৰধান শাস্ত্ৰ। ই হাড়ে হিমজুৰে অৰ্থাৎ সৰ্বশৰীৰ ব্যাপি বা আদি মধ্য অন্ত ভক্তিৰ আধ্যাত্মিক তত্বৰে ভৰা। এতেকে ই ভজ ধাতুৰেই আৰম্ভ হৈছে আৰু ভজ ধাতুতে সমাপ্ত হৈছে। ভজ ধাতুত অনট প্ৰত্যয় যোগত ভজন। অৰ্থাৎ পূজন বা উপাসনা আৰম্ভ কৰা হ'ল। কিন্তু শেষৰ ভজ ধাতু লোট্ বিভক্তিৰ হি প্ৰত্যয় অৰ্থাৎ উপাসনাৰ কাৰণে উপদেশ, দ্বিতীয় পুৰুষৰ প্ৰতি দিয়া আজ্ঞা। 'খেদ' শব্দটোৰে অনুতাপ বা আক্ষেপ কৰা অৰ্থ সূচনা কৰে। কিন্তু শেষৰ 'খেদ' শব্দটোৰে আজ্ঞা সূচনা কৰিলে বা অৰ্থ কৰিলে বিসঙ্গতি হয়। এতিয়া আমি আধ্যাত্মিক দিশত 'খেদ' শব্দটোৰ অৰ্থ এনেকৈ কৰিব পাৰোঁ। যেনে হে ভাবুকসকল! ভগৱন্তক ভক্তিভাৱে উপাসনা কৰা। ভগৱন্তক ভজিলে পৰম গতি পাব পাৰি। যদি তেনে কাম নকৰা তুমি দুৰ্ঘোৰ সংসাৰ নিকাৰ ভোগ কৰিব লাগিব। সেয়ে জীৱজগতলৈ অনুতাপ প্ৰকাশ কৰি লিখা ঘোষাফাকি 'খেদ' বিষয়ৰ অন্তৰ্ভুক্তি কৰা হৈছে। ৰসময়ী ভক্তি প্ৰাৰ্থনা কৰা হৈছে— প্ৰথম 'ভজন' অধ্যায়ত। সেই ৰসময়ী ভক্তি চৈধ্য প্ৰকাৰত বিভক্ত কৰি নাম-ঘোষা শাস্ত্ৰ ৰসাল কৰি তোলা হৈছে। ইয়াৰ দ্বাৰা ভগৱৎপ্ৰাপ্তিৰ পথ প্ৰশস্ত হৈ পৰিছে। কিন্তু এইখিনি গ্ৰহণ কৰিব নোৱাৰিলে জীৱ-জগতত উপজিব, মৰিবা, যাতনা ভুঞ্জিব। এইটোৰেই মহাপুৰুষৰ খেদ। শেষত সেইবাবেই সোঁৱৰাই দিয়া হৈছে— "এহু ৰস মাধৱ মূৰুখ মতি গাৱে" বুলি।

'খেদ' প্ৰসঙ্গৰ সামৰণি ঘোষাত ভাৱক ভাইক ভক্তিভাৱেৰে ভগৱন্তক ভজিবলৈ উপদেশ দিয়া হৈছে। এই 'ভাৱক'জনেই ভাবুক ভকত। ভক্তিয়েই হ'ল ভকতৰ মুখ্য বস্তু। যাৰ ভাৱ নাই, সি ভকতো নহয়। সেই কাৰণে ভাৱেই ভক্তি বুলিও কোৱা হয়। ভক্তিৰ স্বৰূপটো হৈছে— ভালপোৱা। জ্যেষ্ঠই কনিষ্ঠজনৰ প্ৰতি ভালপোৱাটো বাৎসল্য, সমবয়স্কজনৰ প্ৰতি ভালপোৱাটো সখিত্ব আৰু শ্ৰেষ্ঠজনৰ প্ৰতি ভালপোৱাটো ভক্তি নামেৰে পৰিচিত হয়। ভক্তি নুপজিলে বা ভজনৰ মনোভাৱ গঢ় নোলোৱালৈকে পোনে পোনে শৰণ গ্ৰহণ কৰা অসাৰ্থক অৰ্থাৎ ভগৱন্তক ভজিম, পূজিম, ভালপাম এই ভাব নোহোৱাকৈ শৰণ ল'ব নোৱাৰি। সেই কাৰণে ঘোষাৰ প্ৰথমতে শৰণক বাদদি ভজনক্ৰম আৰম্ভ কৰিছে। শেষৰ 'এ ভাৱক ভাই ভজ ভগৱন্ত ভক্তিভাৱে' সামৰণি ঘোষাটি 'খেদ' বিষয়ৰ সলনি প্ৰতিশব্দৰূপে তাত্ত্বিক দিশত সামৰণি বা উপদেশ অধ্যায় বুলিও ক'ব পাৰি।

নাম-ঘোষাৰ এহেজাৰটি পদৰ বিষয়বস্তু বেলেগে বেলেগ। ভজন, নমস্কাৰ, উপদেশ, নিন্দা, প্ৰাৰ্থনা, অনুনাথনা, মহিমা, আত্মউপদেশ, আত্মনিন্দা, বস্তুপ্ৰকাশ, প্ৰশংসা, অনুধিতা, নাম, পৰমাৰ্থসাৰ, সাৰনিৰ্ণয়, বৰ্ণাশ্ৰম, হৰবাৰ, নামৰ অন্বয়, শৰণ, খেদ, নাম-মহিমা, নিৱেদন, কলি ধৰ্ম নিৰ্ণয়, কৃষ্ণৰ পুৰুষ, লক্ষণ, যুগধৰ্মনিৰ্ণয়, ঈশ্বৰ নিৰ্ণয়, মহিমাযুক্ত উপদেশ, কলিধৰ্ম, তাৎপৰ্য, বিৰকতি, তুতি, আশ্ৰয়, মহিমাযুক্ত কীৰ্তন প্ৰশংসা, ভাগৱত প্ৰশংসা, পৰম পুৰুষাৰ্থ, কাৰুণ্য, কাকুতি, প্ৰাৰ্থনা নিৱেদন, নামছন্দ আদি বিষয় সন্নিবিষ্ট হৈছে। এইখিনিৰ ভিতৰত অনুনাথনা, অনুধিতা, হৰবাৰ— এই তিনিটি বিষয় বা শব্দৰ মৌলিক তত্ত্ব গভীৰ। ই কোনো আভিধানিক শব্দ নহয়। ইয়াৰ উৎপত্তিৰ মূল তাত্ত্বিক। আনবিলাক বিষয়ো ভক্তিৰে অংশবিশেষ যদিও এই তিনিটিৰ আন প্ৰকাৰে গুৰুত্ব আছে। 'অনুনাথনা' বিষয়ত এবাৰ, অনুধিতা এবাৰ, আৰু হৰবাৰ দুটি বাৰত উল্লেখ পোৱা হৈছে। 'অনুনাথনা' ঘোষা তিনিটি 'অনুধিতা' ঘোষা এটি আৰু 'হৰবাৰ'ত বাৰটি ঘোষা পোৱা হৈছে। প্ৰথমটিৰ বিষয়ে ৰামমালিকা নামৰ এখন পুথিত পোৱা যায় এনেকৈ—

জগতকে অনুদয়া কৰে নাৰায়ণ।
অনন্ত শয্যাত হৰি কৰন্ত শয়ন।।
অনুকূল বায়ু যাত হন্ত সংসাৰত।
গুৰু ৰূপ হুয়া দয়া সবাকো কৰন্ত।।

পৰম ঈশ্বৰ হৰি কৃপাৰ সাৰ।
অন্তৰ্য্যামীৰূপে ব্যাপি আছা নিৰন্তৰ।।
আপুনি ঈশ্বৰ আসি হুয়া অৱতাৰ।
অনুকূল হুয়া ভক্তি কৰন্ত প্ৰচাৰ।।"

— ৰাম মালিকা

'অনুনাথনা', শব্দটিৰ আক্ষৰিক বা শাব্দিক অৰ্থবোধ যিয়েই নহওক লাগে ইয়াত আছে পাৰমাৰ্থিক তত্ত্ব। ঘোষাৰ 'তোমাৰেসে অবিদ্যায়ে'ৰপৰা আৰম্ভ কৰি 'কৰিলোহো সাৰ কৃপাময়' (৮৩ নংৰপৰা ৮৫ নং) লৈকে যি তিনিটি ঘোষা পোৱা হৈছে, তাত পূৰ্বোক্ত পদৰ লগত বিশেষ অৰ্থসঙ্গতি নাই। কিন্তু 'শাস্ত্ৰীয় পন্থ' আৰু 'ভকতীয়া পন্থ' বা 'সত্ৰীয়া পন্থ'ত সুকীয়া বৈশিষ্ট্য এটিও আছে। বহুতৰ মতে 'শাস্ত্ৰমত এৰি যিকথা কহয় কেৱল পাষণ্ড নয়' হ'লেও 'কেৱলং শাস্ত্ৰমাশ্ৰিত্য ন কৰ্ত্তব্যো ধৰ্ম্ম নিৰ্ণয়ঃ।' অৰ্থাৎ কেৱল শাস্ত্ৰক আশ্ৰয় কৰি ধৰ্ম নিৰ্ণয় কৰাটো কৰ্তব্য নহয়। পাৰমাৰ্থিক বা আধ্যাত্মিক দিশ কিছুমান অশাস্ত্ৰীয়। ই থলুৱাভাৱে বা সৎসঙ্গৰ ফলত হয়। ঠিক ৰাম-মালিকা পুথি তাৰেই অনুকৰণ। নাম-ঘোষা অনুনাথনা ভক্তিশাস্ত্ৰ তাত্ত্বিক ৰসপূৰ্ণ আৰু ৰাম-মালিকাৰ 'অনুনাথনা' ভকতীয়া বা সত্ৰীয় তাত্ত্বিক ৰসপূৰ্ণ। নাম-ঘোষা 'অনুনাথনা'ৰ প্ৰথমটি ঘোষাত আছে মোহগ্ৰস্ত ভকতে কৰা নিজৰ অজ্ঞতা প্ৰকাশ আৰু শেষত নামত শৰণ গ্ৰহণ আৰু আশ্ৰয়। দ্বিতীয়টিত আছে কৃষ্ণক সত্য শুদ্ধ অখণ্ডিত জ্ঞান আৰু চৈতন্য স্বৰূপ বোধ, তেওঁ মায়িক সংসাৰ ৰচনা বা কল্পনাৰ এখন চিত্ৰ। তৃতীয়টিত আছে ভগৱন্তৰ নাম নিৰ্গুণতা প্ৰকাশ, গুণময় আন চিত্ৰ আৰু শেষস্তৰত নামকে সাৰৰূপে মান্যতা প্ৰকাশ ইত্যাদি। 'অনুধিতা' শব্দটিৰ অৰ্থ 'ৰাম-মালিকা'ই এনেকৈ কৰিছে—

"শুনিয়োক আবে অনুধিতাৰ লক্ষণ।
জগতক অনুকূল কৰা নাৰায়ণ।।
অনুকূল হুয়া জগতক নিস্তাৰয়।
এতেকেসে সাধুসবে ক্ষণাৰ্দ্ধো নেৰয়।।
গুৰুৰ চৰণ অনুক্ষণেকো নেৰিবা।
অনুধিতা বোলে আক এতেকে জানিবা।।"

— ৰাম-মালিকা

অনুধিতাৰ লক্ষণ বা সংজ্ঞা ঘোষাত এনেকৈ আছে—

"হৰিৰ গৃহৰ দ্বাৰে বেত্ৰৰ প্ৰহাৰ যোগ্য
ব্ৰহ্মা ইন্দ্ৰ আদি দেৱজাক।
হেনয় দ্বাৰত বেত্ৰ প্ৰহাৰ পাইবাৰ যোগ্য
হওঁো আমি কমন বৰাক।।

— নাম-ঘোষা, ১১৫

পূৰ্বোক্ত দুয়োটি উদাহৰণ 'অনুধিতা'ৰ সম্পৰ্কে পৰস্পৰ বিৰোধী। নাম-ঘোষাৰ অনুধিতা শঙ্কৰদেৱৰ জীৱন কালতে মাধৱদেৱৰ দ্বাৰা ৰচিত। ৰচিত হৈছিল জগন্নাথ মন্দিৰত। কথাগুৰু চৰিতত আছে "পুৰা আঠাৰে নলা চাৰিগৈ পুৰিত প্ৰৱেশ হৈ সিংহদ্বাৰত থিত হৈছে। সোমাই যাওঁতে পাণ্ডা বোলে কোব ল'ব লাগে একটি গা-পাতি তেহে ছোট আতা ঘোষা মাতিছে "হৰিৰ গৃহদ্বাৰে, বেত্ৰৰ প্ৰহাৰ যোগ্য, ব্ৰহ্মা ইন্দ্ৰ আদি দেৱজাক" ইত্যাদি।

'অনুধিতা' শব্দটো সংস্কৃতৰ 'অনুধৃতা' শব্দৰ এটি অপভ্ৰংশ স্তৰৰ ৰূপ বুলি বহুতে অনুমান কৰে। অনুপশ্চাৎ ধৃত ধাৰণা কৰা স্ত্ৰীলিঙ্গত্বাৎ আ-প্ৰত্যয়। আনহাতে 'অনু' শব্দটো উপসৰ্গৰ ৰূপো হয় আৰু সামান্য, ক্ষুদ্ৰ অৰ্থও বুজায়। সেইফালৰপৰা চালে নিজকে সৰু বা ক্ষুদ্ৰ বুলি ধাৰণা কৰা বা উপলব্ধি কৰাই 'অনুধৃতা' দুজনা মহাপুৰুষে নিজকে "কৃষ্ণকু দাস, দাসৰো দাসৰ তান দাস' কৃষ্ণৰ কিঙ্কৰ" আদি শব্দ প্ৰয়োগ কৰি গৈছে। তাৰাসকলৰ ধাৰণা যে 'তৃণাদপি সুনীচেন তৰোৰিব সহিষ্ণুনা। অমানিনঃ মানদেন কীৰ্ত্তনীয় সদাহৰিঃ"। ভক্তিবাদৰ ইও এটি নিদৰ্শন। ভগৱানৰ দুটা ৰূপ (১) অদ্বৈত নিৰ্গুণ ব্ৰহ্মৰূপ, (২) সত্ত্ববিগ্ৰহ ৰূপ। আনহাতে ভগৱানৰ ৰূপ তিনি প্ৰকাৰ বুলিও কোৱা হয়, যেনে (১) বিশ্বজগত ৰূপ, (২) ব্যক্ত ৰূপ আৰু (৩) মায়ানৰতনু ৰূপ।

(১) বিশ্বজগত ৰূপ ঃ যত জীৱ জঙ্গম কীট পতঙ্গম অগনগ জগ তেৰি কায়া। (বৰগীত)

(২) ব্যক্ত ৰূপ ঃ সত্য সনাতন নিত্য-নিৰঞ্জন দেৱ। অনাদি অনন্ত ...... বিনে নাহি কেৱ।।

১) মায়া নৰতনু ৰূপ ঃ সোহি প্ৰভু নামধৰু নন্দকু নন্দন বা চিদানন্দ মুৰুতি কপট গোপ বেশ।

ভক্তই ভগৱানৰ এই ত্ৰিমূৰ্তিৰ প্ৰতি শ্ৰদ্ধা কৰে। নিজকে দীনতা, নম্ৰতা আদি গুণবিলাকেৰে সজাব পাৰিলে ভক্তৰ শ্ৰেণীৰ অন্তৰ্ভুক্ত হ'ব পাৰি। পূৰ্বতেও কোৱা হৈছে, শ্ৰেষ্ঠজনক ভাল পোৱাটো ভক্তি নামেৰে পৰিচিত হয়। য'ত তোৰ-মোৰ ভেদাভাৱ থাকে, তাত ভক্তি নাথাকে আৰু যেয়ে পৰহিত চিন্তা কৰে, তেৱেঁহে ভগৱানৰ ভক্ত। মঠ-মন্দিৰত থকা জড় প্ৰতিমাক ধুৱাই পখলাই, ভোগ অন্ন দি ঘণ্টা বজাই ভক্তিৰ অভিনয় কৰা হয়। সেইটি একেবাৰে মিছা। জড় পদাৰ্থক তেনে আচৰণ কৰি যদি আমি চেতন পদাৰ্থৰ ওপৰত হিংসা বৈৰতা আচৰণ কৰোঁ তেন্তে আমাৰ প্ৰকৃত ভগৱৎ উপাসনা নহয়গৈ। তেতিয়া আমি ভক্তও নহও আৰু সেয়া ভক্তিও নহয়। "আনতকৈ মই সামান্য, মই সকলোৰে দাস, মই পোৱা সুখ-দুখ বেদনাৰ দৰে আনৰো আছে, সকলোৰে প্ৰতি সমভাব কৰা উচিত"— ইত্যাদি ভাব প্ৰকাশ ভক্তসকলৰহে হয়। এইবোৰ ভক্তিৰ কিছুমান লক্ষণ। অনুধিতাৰ প্ৰসঙ্গত উল্লিখিত ' হৰিৰ গৃহৰ দ্বাৰে' এই ঘোষাও দাস্যভাবৰে অন্তৰ্গত আৰু ই নম্ৰভাবৰ অনুকূল পথ।

'হৰবাৰ' প্ৰসঙ্গত উল্লিখিত বাৰটি ঘোষা পোৱা হৈছে। ইয়াৰ লক্ষণ বা সংজ্ঞা ৰাম-মালিকাত এনেদৰে আছে—

"হৰবাৰ নামৰ যে শুনিয়ো মহিমা।
ব্ৰহ্মা আদি দেৱে যাৰ নাপাৱন্ত সীমা।।
ভকতৰ মহাপাপ যিহেতু সংহৰে।
হৰবাৰ নাম আসি ভৈলা তাতে হৰে।।"

— ৰাম-মালিকা

হৰবাৰ শব্দৰ মূলগত অৰ্থ ঠিকমতে নহ'লেও ইয়াত কিছু তাত্ত্বিক কথা সোমাই আছে। ঘোষাৰ 'হৰবাৰ' প্ৰসঙ্গৰ বাৰটি ঘোষা বাৰ প্ৰকাৰ অৰ্থসংযুক্ত বিষয়ৰ ঘোষা। গোটেইখিনি প্ৰকাশ কৰিলে প্ৰসঙ্গ দীঘলীয়া হয় কাৰণে ইয়াত উল্লেখ কৰা নহ'ল। মুঠতে তিনিওটি শব্দৰ মূলগত অৰ্থ বিশেষভাৱে নাপালেও নাম-ঘোষাৰ নিচিনা এখন ভক্তিতত্ত্বপৰ শাস্ত্ৰৰ লগত মিলাকৈ ৰাম-মালিকাই আধ্যাত্মিক ৰহস্যৰ সন্ধান সামান্যভাৱে হ'লেও দিছে।

ভগৱানৰ সৈতে মিলনেই সৰ্বোত্তম লক্ষ্য। এই লক্ষ্য প্ৰাপ্তিৰ কাৰণে অনেক সাধন আছে। ইয়াৰ ভিতৰত ভক্তিয়েই বৰ্তমান যুগৰ মুখ্যসাধন। ভগৱানৰ উপাসনা, সেৱা শৰণগতি এই সকলোৰেই ভক্তিৰ অন্তৰ্গত। সাধাৰণতে ভগৱানৰসৈতে মিলনৰ কাৰণে তিনি মাৰ্গৰ কথা শাস্ত্ৰত উল্লেখ আছে। সেয়া হ'ল— জ্ঞানযোগ, কৰ্মযোগ আৰু ভক্তিযোগ। ইয়াৰ ভিতৰত ভক্তিযোগেই সৰ্বশ্ৰেষ্ঠ। নাম-ঘোষাত ভক্তিৰ যোগৰ কথাই প্ৰাধান্য লাভ কৰিছে। মাজে মাজে অন্য প্ৰসঙ্গলৈ আহিলেও তাৰ মূল কেন্দ্ৰবিন্দু ভক্তি আৰু শেষ স্তৰত ভক্তিবাণীয়ে ভুমুকি মাৰি অন্য বিষয়বোৰক ভক্তিৰসেৰে ধুৱাই পখলাই থৈ যায়হি। তিলত তেল থাকে। 'তিলেযুতৈলম' বোলোতে কোনেও তেলৰ অব্যাপ্তিৰ কথা নুবুজে। ঠিক তেনেকৈ 'নাম-ঘোষা' বুলিলে তাত আন কথা বা বিষয় যিয়েই নাথাকক লাগে, পোনে পোনে ভক্তিতত্ত্ব পৰমাৰ্থ সাৰপূৰ্ণ এখন মহৎ গ্ৰন্থৰ কথাহে মনলৈ আহে। নাম-ঘোষাৰ পৰা ভক্তিপৰ ঘোষা লেচেৰি বুটলি অনাৰ উপায় নাই। ইয়াত উল্লেখ থকা বিষয়বোৰ এখন মহাসাগৰত এটি আঙ্গুলিৰ স্পৰ্শহে মাত্ৰ আৰু এপাচি কচুশাকত এটি জালুক। সাগৰৰ মাজত বৈ এডাল মাৰিৰে তাৰ গভীৰতা কিমান তাৰ জোখ ল'বলৈ যোৱা যেনে, 'নাম-ঘোষাত ভক্তিবাদ' বিচাৰ কৰিবলৈ যোৱাও তেনে।■■

### ভক্তি আন্দোলনৰ পটভূমিত

# মহাপুৰুষ শংকৰদেৱৰ বৰগীত আৰু আজান ফকীৰৰ জিকিৰ ঃ এটি তুলনামূলক আলোচনা

আব্দুল মালিক

খ্ৰীষ্টীয় দশম একাদশ শতিকামানত অসমীয়া প্ৰমুখ্যে বিভিন্ন ভাৰতীয় প্ৰান্তীয় ভাষাসমূহে স্বকীয় ৰূপ গ্ৰহণ কৰাৰ পিছত বিভিন্ন ধৰ্মীয় গ্ৰন্থসমূহো আঞ্চলিক ভাষালৈ অনুদিত হ'বলৈ ধৰে। ফলস্বৰূপে নিজ নিজ ভাষালৈ ভাগৱত, ৰামায়ণ, মহাভাৰত, গীতা আদি ধৰ্ম গ্ৰন্থসমূহৰ সোৱাদ সৰ্বসাধাৰণ লোকে পাবলৈ সহজ হ'ল। সেই সময়ত ইছলাম ধৰ্মৰ প্ৰসাৰ আৰু প্ৰচাৰ, হিন্দু ধৰ্মৰ বহুবিধ পন্থাৰ প্ৰচলনৰ ফলত সৃষ্টি হোৱা সামাজিক খেলি-মেলি, শংকৰাচাৰ্যৰ জ্ঞানমাৰ্গ অদ্বৈতবাদৰ প্ৰতিক্ৰিয়া তথা পুৰোহিতহীন ধৰ্মীয় উপাসনা পদ্ধতিৰ প্ৰচলনৰ ফলত সমগ্ৰ ভাৰতবৰ্ষজুৰি সৃষ্টি হৈছিল নৱ-বৈষ্ণৱ ধৰ্মৰ আন্দোলন। "ইউৰোপত ৰেঁনেছা অৰ্থাৎ নৱজাগৰণৰ ইতিহাসৰ লগত যেনেকৈ মাটিত লুথাৰৰ প্ৰোটেষ্টাণ্ট ধৰ্মৰ প্ৰৱৰ্ত্তন আৰু প্ৰাচীন লেটিন ক্লাচিকেল সাহিত্য আৰু কলাৰ পুনৰ অধ্যয়নৰ প্ৰভাৱ জড়িত হৈ আছে, তেনেকৈ প্ৰায় একে সময়তেই বৈষ্ণৱ আন্দোলন আৰু ভক্তিধৰ্মক কেন্দ্ৰ কৰি ভাৰতত সাংস্কৃতিক পুনৰভ্যুদ্বয় ঘটিছিল।"[১] দ্ৰাবিড় দেশত ওপজা ভক্তিক ৰামানন্দই উত্তৰ ভাৰতলৈ লৈ আহে আৰু কবীৰ, বল্লাভাচাৰ্য, দাদুদয়াল আদি সন্তসকলে বিভিন্ন অঞ্চলত ইয়াৰ প্ৰসাৰ ঘটায়। সমকালীন ভক্ত সাধক চৈতন্যদেৱে বঙ্গদেশত ভক্তিৰসৰ অমিয়া বাণী প্ৰচাৰ কৰে আৰু অসমত শ্ৰীমন্ত শংকৰদেৱে ইয়াৰ গুৰি বঠা ধৰি সমাজত ধৰ্মীয়, সামাজিক চেতনাৰ বৈপ্লৱিক পৰিৱৰ্তন সাধন কৰে। শংকৰদেৱে পঞ্চদশ শতিকাৰ শেষাৰ্দ্ধত এই আন্দোলনৰ ধল বোৱাই আনে অসমলৈ। মহাপুৰুষজনাৰ আবিৰ্ভাৱৰ সময়ত অসমত অনেক উপভাষা, বিভিন্ন ধৰ্মীয় আচাৰ-পদ্ধতিয়ে এক সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰিছিল। সুদীৰ্ঘ বাৰ বছৰ কাল ভাৰতবৰ্ষৰ বিভিন্ন তীৰ্থ, মঠ-মন্দিৰ দৰ্শন কৰি ভক্তি-ধৰ্মৰ অভিজ্ঞতাপুষ্ট শংকৰদেৱে স্বদেশৰ উপযোগীকৈ বৈষ্ণৱ ভক্তি-মাৰ্গৰ প্ৰচাৰত মনোনিবেশ কৰে। কোৱা বাহুল্য যে, মহাপুৰুষজনাই ভক্তিধৰ্ম প্ৰচাৰ কৰাৰ আগতেই অসমৰ বুকুত বৈষ্ণৱ ধৰ্মৰ এটি ক্ষীণ সুঁতি প্ৰবাহিত হৈ আছিল। নৱ-বৈষ্ণৱ ধৰ্মৰ নীতি আৰু তাৰাই জনসাধাৰণৰ মাজত প্ৰচাৰ কৰিবলৈ আশ্ৰয় ল'লে সাহিত্য-সংস্কৃতিৰ।

আজিৰ পৰা প্ৰায় চাৰে পাঁচশ বছৰ আগতে আৱিৰ্ভাৱ ঘটা শ্ৰীমন্ত শংকৰদেৱ আজিও অসমীয়া সমাজ তথা ধৰ্মীয় জীৱনৰ পথ-প্ৰদৰ্শক হৈ আছে। একেশ্বৰবাদ ভাগৱতী-ধৰ্ম প্ৰচাৰ কৰাই আছিল শংকৰদেৱৰ মূল উদ্দেশ্য। সামাজিক সমতা আৰু ৰাষ্ট্ৰীয় সংহতিৰ আৱশ্যকতা তাৰাৰ ধৰ্মীয় মতবাদৰ অন্যতম লক্ষ্য আছিল। বিভিন্ন ধৰ্ম, মতবাদ আৰু বৰ্ণৰ সমাবেশ থকা বৈচিত্ৰ্যপূৰ্ণ বৰ অসমত তাৰাই অনুভৱ কৰিছিল সংহতিৰ আৱশ্যকতা। সেয়ে অসমীয়াৰ জীৱনত সাম্প্ৰদায়িক সম্প্ৰীতিৰ কথা স্মৰণ কৰিলেই শংকৰদেৱৰ প্ৰাসঙ্গিকতা অৱধাৰিতভাৱে আহি পৰে।

কেৱল শংকৰদেৱেই নহয়, ত্ৰয়োদশ-চতুদৰ্শ

শতিকাৰ পৰা সপ্তদশ শতিকাৰ মাজভাগলৈ ভক্তিধৰ্মৰ প্ৰায়বোৰ প্ৰচাৰকৰ কাব্য-সাহিত্যতে হিন্দু-মুছলমানৰ ঐক্য-স্থাপনৰ প্ৰয়াস পৰিলক্ষিত হয়। জাতিভেদ বিশ্বাস নকৰা ৰামানন্দই হিন্দু ধৰ্মত এটা বিপ্লৱৰ সৃষ্টি কৰিছিল। সেয়ে কবীৰৰ নিচিনা তাঁতিৰ (জোলা) ঘৰৰ সন্তানকো ৰামানন্দই আপোন কৰি লৈছিল। এইজনা সাধকে আল্লা আৰু বিষ্ণুৰ মাজত কোনো ভেদ দেখা নাছিল। তদ্ৰূপ গুৰু নানক, মালিক মহম্মদ জায়সী, আব্দুৰ ৰহিম খান খানা, ৰসখানা, নামদেৱ, নৰসিংহ সৰস্বতী, শ্ৰীমন্ত শঙ্কৰদেৱ, শ্ৰীচৈতন্যদেৱ, আজান ফকীৰ আদি সন্তসকলে ভাৰতীয় হিন্দু-মছুলমানৰ মাজত সম্প্ৰীতি আৰু সদ্ভাৱ স্থাপন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। হিন্দু-মুছলমানৰ ঐক্য স্থাপনৰ প্ৰথম সংগ্ৰামী সন্তজন আছিল গুৰু নানক।

অসমত একেশ্বৰবাদী ধৰ্মৰ প্ৰথমজনা প্ৰচাৰক শ্ৰীমন্ত শঙ্কৰদেৱ। তাৰা এনে এজন বৈষ্ণৱ আছিল যিয়ে সকলো ধৰ্ম-সম্প্ৰদায়ৰ লোককে নিজ শিষ্যৰূপে আকোৱালি ল'ব পাৰিছিল। আনকি মুছলমান সম্প্ৰদায়ৰ লোককো 'হৰিদাস' বুলি গ্ৰহণ কৰিছিল। গাৰো, মিৰি, ভোট, যৱন, ব্ৰাহ্মণ আদি সকলোকে ভক্তিধৰ্মৰ একেটা শাৰীতে শঙ্কৰদেৱে ঠাই দিলে। চান্দসাই বা চান্দ খাঁ নামৰ এজন মুছলমান দৰ্জী শঙ্কৰদেৱৰ ধৰ্মীয় মতৰ প্ৰতি আকৃষ্ট হৈ শিষ্যত্ব গ্ৰহণ কৰিছিল। অৰ্থাৎ শ্ৰীমন্ত শঙ্কৰদেৱে অসমত হিন্দু-মুছলমানৰ সম্প্ৰীতি স্থাপনৰ ক্ষেত্ৰত আন্তৰিক প্ৰচেষ্টা হাতত লৈছিল। সামূহিকভাৱে ধৰ্মচৰ্চা কৰাৰ ক্ষেত্ৰত তাৰাই বিশেষ গুৰুত্ব প্ৰদান কৰিছিল বাবে সকলোৱে একেলগে কীৰ্ত্তন গাব পৰা পদ্ধতি শঙ্কৰদেৱে উদ্ভাৱন কৰি খোল-তাল-হাত চাপৰিৰ সমাবেশ ঘটালে। এই পদ্ধতিৰে তাৰাই সকলো শ্ৰেণীৰ লোককে আকৰ্ষিত কৰোৱালে। "জাতি-ধৰ্ম-নিৰ্বিশেষে সংহতি স্থাপন কৰাব পাৰিছিল কাৰণেই অসমলৈ ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ অহা পৰৱৰ্তীকালৰ আজান ফকীৰে কীৰ্ত্তন কৰাৰ পদ্ধতিৰে হাত-চাপৰি বজাই 'জিকিৰ' গাই আল্লাক পাব বিচাৰিলে-এই অসম ভূমিত।"[২] সংহতি আৰু সম্প্ৰীতিৰ ক্ষেত্ৰত মহাপুৰুষজনাই দেখুৱাই দিয়া বাটেৰে মুছলমান সাধক আজান ফকীৰেও বাট বুলিলে।

সৰহভাগ ধৰ্মীয় সাধকৰ দৰে আজান ফকীৰৰ জীৱন-গাঁথাও ৰহস্যৰ আৱৰ্ত্তৰে ঢাক খোৱা। এইজনা মহান সাধকৰ জীৱন-চৰ্যা অধ্যয়নৰ পৰম্পৰা আৰম্ভ হোৱা বেছি দিন হোৱা নাই। তেওঁৰ জীৱন আৰু সৃষ্টিকৰ্ম 'জিকিৰ'ৰ অধ্যয়ন তথা গৱেষণাৰ ক্ষেত্ৰত ক্ষেত্ৰধৰ বৰগোহাঁই, মহম্মদ মহিবুল্লা, ফণীন্দ্ৰনাথ বৰুৱা, চৈয়দ ইক্ৰাম হুছেইন, ডিম্বেশ্বৰ নেওগ, মুহিবুল হুছেইন, চৈয়দ আব্দুল মালিক আদি বৰেণ্য ব্যক্তিসকলে বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰি অসমীয়া জাতীয় সাহিত্য-সংস্কৃতিৰ ভঁড়াল সমৃদ্ধিশালী কৰি তুলিছে। আজান ফকীৰৰ জীৱন আৰু কৰ্ম সম্পৰ্কে ভালেমান আলোচনা হৈছে যদিও এই সাধকজনাৰ জীৱনৰ আদিছোৱাত কথা বিশেষ জনা নাযায়। চৈয়দ মুহিবুল হুছেইন, আব্দুল মালিক আদি গৱেষকসকলৰ মতে আজান ফকীৰৰ জন্ম হয় বৰ্তমান ইৰাকৰ ৰাজধানী বাগদাদ চহৰত। তেওঁ কোন চনত অসমৰ সেউজ ভূমিত পদাৰ্পণ কৰিছিলহি তাকো সঠিকভাৱে ক'বলৈ অসুবিধা। অৱশ্যে তেওঁৰ জিকিৰত থকা বিৱৰণৰ পৰা তেওঁ সেই নিৰ্দিষ্ট জিকিৰ ফাঁকি কেতিয়া ৰচনা কৰিছিল, তাৰ উমান পোৱা যায় এনেদৰে--

দহশ দুকুৰি নবীচন হিজিৰী
আকৌ পাঁচে বছৰ যায়,
ছাহ মীৰানে এই জিকিৰ কৰিলে
কোৰান কিতাপত পাই।

১০৪৫ হিজিৰীত ইংৰাজী ১৬৩৪/৩৫ চন পৰে। তেতিয়া অসমত স্বৰ্গদেৱ প্ৰতাপ সিংহৰ ৰাজত্বকাল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ১৬৩৪ চনৰ

ভালেমান বছৰ আগেয়ে সাধকজনাই অসমলৈ আহিছিল; কাৰণ অসমীয়া ভাষা ভালদৰে শিকিবলৈ বাগদাদৰ ফকীৰজনাৰ নিশ্চয় কেবাবছৰো সময়ৰ প্ৰয়োজন হৈছিল।

অসমীয়া মানুহৰ জনজীৱনত নানা কিম্বদন্তিয়ে আজান ফকীৰক জীৱন্ত কৰি ৰাখিছে। মছজিদত 'জান' দি নামাজ পঢ়িবলৈ আহ্বান কৰা বাবে অথবা অজান ঠাইৰ পৰা আহি অসমত থিতাপি লোৱা বাবে শ্বাহ মিলন নামৰ এই সাধকজনা অসমীয়া মানুহৰ মনত 'আজান ফকীৰ' ৰূপত সজীৱ হৈ থাকিল। তেওঁৰ অলৌকিক মহিমা, সহনশীলতা, দয়া, উদাৰতা, ক্ষমা আদি অনেক সৎ গুণাৱলী অসমৰ জনজীৱনত প্ৰতিষ্ঠিত।

হিন্দু-মুছলমান সকলো মানুহৰ মাজত তেওঁৰ জিকিৰ গীত সমানে জনপ্ৰিয়। তেওঁৰ জীৱনৰ অনেক কথা ইতিহাসৰ পাতত লিখিত নাথাকিলেও তেওঁৰ জিকিৰবোৰৰ মাজত প্ৰকাশিত উচ্চ আধ্যাত্মিক চিন্তাৰাজিয়ে অসমীয়া মানুহৰ মাজত আজান ফকীৰক বৰণীয় ব্যক্তিৰূপে প্ৰতিষ্ঠিত কৰিছে।

জিকিৰৰ আলোচনা প্ৰসংগত আজান ফকীৰৰ নাম আপোনা আপুনি আহি পৰে আৰু তেওঁকেই জিকিৰৰ ৰচক বুলি ধৰা হয় যদিও আজান চাহেবৰ আগতে কেবাজনো মুছলমান সাধকে জিকিৰ ৰচনা কৰিছিল বুলি জনা যায়। অৱশ্যে এই কথা আজান ফকীৰৰ জিকিৰতো উল্লেখ আছে। আজান ফকীৰ অসমলৈ অহা সময়ত অসমৰ অধিকাংশ মুছলমান নামত হে মুছলমান আছিল যদিও ইছলামী জীৱন-যাপনৰ প্ৰতি তেওঁলোকে আগ্ৰহ দেখুওৱাতকৈ থলুৱা ৰীতি-নীতি, আচাৰ-বিচাৰ, লোক-বিশ্বাস, কু-সংস্কাৰ আদিৰ প্ৰতিহে আগ্ৰহী আছিল। এইসকল সৰল আৰু অজ্ঞলোকক সজ পথলৈ ঘূৰাই আনিবলৈ আজান ফকীৰে জিকিৰ গীতৰ আশ্ৰয় লৈছিল। মূল আৰবী 'জিক্ৰ' শব্দৰ পৰা উদ্ভৱ হোৱা জিকিৰৰ অৰ্থ হ'ল ভগৱানৰ নাম পুনঃ পুনঃ স্মৰণ কৰা। অসমৰ শঙ্কৰী ধৰ্মত যাক 'নাম' বুলি কোৱা হয়, সেই নাম লোৱাৰ লগত জিকিৰৰ সাদৃশ্য পৰিলক্ষিত হয়। আধ্যাত্মিক ভাৱাপন্ন এই জিকিৰ এবিধ বিশেষ ভক্তিমূলক গীত। "বাৰকুৰি বৰগীত, তেৰকুৰি ফকৰাৰ দৰে আঠকুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ।"[৪] এই জিকিৰবোৰ নিৰ্দিষ্ট সুৰ আৰু চেৱেৰে গোৱা হয়। অসমৰ উৰ্বৰ সাংস্কৃতিক সত্তাটোৰ স্বৰূপ উপলব্ধি কৰি ফকীৰ চাহেবে এইসমূহ গীত-পদ ৰচনা কৰে। ইছলাম ধৰ্মৰ দৰে বৈষ্ণৱ ধৰ্ম একেশ্বৰবাদী আৰু বিমূৰ্ত উপাসক। দুয়ো ধৰ্ম একেশ্বৰবাদী হোৱাৰ সুবাদতেই বৈষ্ণৱ ধৰ্মানুষ্ঠানত, বিশেষকৈ সাজ-সজ্জা, বেশ-ভূষাত ইছলামীয় প্ৰভাৱ অনুমেয়। হিন্দুধৰ্মী অসমীয়া সমাজ পৰিবেষ্টিত আধ্যাত্মিক ভাৱাপন্ন অসমীয়া মুছলমান ভকতসকলেও অময়া ভকতৰ সংগ লাভ কৰিবলৈ সক্ষম হৈছিল। উভয় সম্প্ৰদায়ৰ লোককে অময়া ভকতৰ টোকাৰীত নিনাদিত দেহবিচাৰৰ গীতে আপ্লুত কৰিছিল। একেলগে একে সুৰেৰে নিষ্কাম ভকতিৰ অমিয়া ৰস পান কৰি ৰসনিষ্পত্তি ঘটাইছিল দুয়ো সম্প্ৰদায়ৰ লোকে। "ভক্ত হৃদয়ৰ ব্যাকুলতাইহে মানুহক চিৰায়ত অমৃতৰ সন্ধান দিয়ে, য'ৰ পৰা ক্ষৰিত হয় চিৰকালৰ সৌন্দৰ্যৰ সুধা"[৫] সেইবাবেই দুজনা ধৰ্মগুৰু শঙ্কৰদেৱ- আজান ফকীৰৰ গীত-পদে অসমৰ উভয় ধৰ্মৰ মানুহৰ প্ৰাণত ভক্তিৰ মূৰ্ছনা জগাই তুলিছিল। আজান ফকীৰ চাহাবে ইছলামীয় ৰীতি-নীতি, জাকাত-কলিমা-ৰোজা আদিৰ প্ৰতি মানুহৰ মন আকৰ্ষিত কৰি তুলিবলৈ দেহ-বিচাৰৰ গীতৰ দৰে জিকিৰ গীত ৰচনা কৰিলে। কোৰাণ-হাদীছৰ জটিল ধৰ্মীয় তত্ত্বকথাবোৰো ভক্তিৰ মাধুৰীৰে, সুৰৰ পাপৰিৰে সজাই সৰ্বসাধাৰণৰ বোধগম্য কৰি তুলিছে। অসমৰ সামাজিক ৰীতি-নীতিৰে সমৃদ্ধ কেঁচা-মাটিৰ গোন্ধ সম্বলিত জিকিৰবোৰ হৈ পৰিল চুফীবাদী দৰ্শনৰ প্ৰাঞ্জল প্ৰকাশ।

দৰাচলতে শঙ্কৰদেৱৰ বিশালতা আৰু ঐতিহাসিক গুৰুত্বৰ স'তে আজান ফকীৰ চাহাবৰ জীৱন আৰু কৰ্মৰ তুলনা কৰিব নোৱাৰি। কিন্তু দুয়োজনা সন্তৰে উদ্দেশ্য আৰু দৰ্শনৰ অভূতপূৰ্ব মিল থকা বাবেই মহাপুৰুষ দুজনাৰ গীত-পদৰ তুলনা কৰাৰ আমাৰ এই ধৃষ্টতা। দুই ভিন্ন ধৰ্মৰ দুয়োগৰাকী গুৰুৱে যথাৰ্থতে এখন সাংস্কৃতিকভাৱে ধৰ্মনিৰপেক্ষ সমাজ নিৰ্মাণৰ পৰিকাঠামো নিৰ্মাণ কৰাৰ পৰিকল্পনা যুগুতাই ছিল। আজান ফকীৰৰ জিকিৰ আৰু শঙ্কৰদেৱৰ বৰগীতসমূহে দেখুৱাই দিয়ে অসমত হিন্দু-মুছলমানৰ সম্প্ৰীতি কিমান নিকপকপীয়া আৰু ব্যাপক ; ঐকান্তিক ঈশ্বৰৰ অস্তিত্ব উপলব্ধিত দুয়োটা ধাৰাৰ সাহিত্যই কিদৰে মহৎ কাৰ্য সম্পাদন কৰিছে। দুয়োগৰাকী মহান সাধকৰ ভক্তিগীতসমূহৰ তুলনামূলক আলোচনাই আমাক ইতিহাসৰ কিছুমান বিশেষ তাৎপৰ্য অৱস্থাত কীৰ্তি আৰু মাহাত্ম্য প্ৰকাশ উপলব্ধিত সহায় কৰিব।

জিকিৰ ৰচনাৰ ক্ষেত্ৰত আজান ফকীৰ চাহাবে ঘাইকৈ ধৰ্মীয় গ্ৰন্থ কোৰাণ আৰু হাদীছকে সমলৰূপে লৈছিল যদিও শঙ্কৰদেৱ-মাধৱদেৱ প্ৰমুখ্যে অন্যান্য বৈষ্ণৱ কবিসকলৰ দ্বাৰাও প্ৰভাৱান্বিত হৈছিল। সৰ্বোপৰি তেওঁ অসমৰ পৰম্পৰাগত ওজাপালি, লোকগীত, দেহবিচাৰৰ গীত আদিৰ ছন্দ, সুৰ, লয়ৰ দ্বাৰাও অনুপ্ৰাণিত হৈছিল। তেওঁ মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীত, কীৰ্ত্তন-দশম আদি পুথি অধ্যয়ন কৰোতে ইয়াৰ সুললিত ধ্বনিৰ লগতে ইছলাম ধৰ্মৰ লগত মিল থকা ভালেমান কথাৰ প্ৰতি আকৰ্ষিত হৈছিল। সেয়ে আজান ফকীৰে মহাপুৰুষজনাৰ আৰ্হিতে ভালেমান গীত ৰচনা কৰে আৰু পৰৱৰ্তী কালত সেইবোৰ জিকিৰ নামেৰে পৰিচিত হ'ল। "আজান পীৰৰ স্মৃতিশক্তি আছিল প্ৰখৰ। সমস্ত কীৰ্ত্তন-ঘোষাৰ পদ আৰু কোৰাণৰ বাণীবিলাক কণ্ঠস্থ মাতিব পাৰিছিল।"[৬] তেওঁ কেৱল ধৰ্মগুৰুৱেই নাছিল, প্ৰকৃততে তেওঁ আছিল এজন মানৱ প্ৰেমিক, অতি অনুসন্ধিৎসু, হিন্দু-মুছলমানৰ সম্প্ৰীতি আৰু সমন্বয়ৰ বাটকটীয়া।

জিকিৰবোৰক বিষয়বস্তু অনুসৰি প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি, যেনে-- ধৰ্মীয় ৰীতি-নীতিৰ কথা সম্বলিত, চুফী সাধনাৰ বিষয়ে ৰচিত আৰু দেহ-বিচাৰৰ গীতৰ লেখিয়া গীতসমূহ। এই বিভাজনক শঙ্কৰদেৱৰ বৰগীতসমূহৰ লগতো ৰিজাব পাৰি। তাৰাৰ বৰগীতবোৰকো অনাখৰী লোকক বিষ্ণুত শৰণ লোৱাৰ উপদেশ, উচ্চ আধ্যাত্মিক ভাৱ-চিন্তা তথা মানৱ দেহৰ অনিত্যতা সম্পৰ্কে সোঁৱৰাই দিয়া-বিচাৰৰ গীতৰ লেখিয়া গীত-এই তিনিটা ধাৰাত ভগাব পাৰি। যিহেতু মহাপুৰুষীয়া ধৰ্ম বা নৱ-বৈষ্ণৱ ধৰ্মৰ দৰে ইছলাম ধৰ্মও একেশ্বৰবাদী, সেয়ে নিৰাকাৰ প্ৰভু বা খোদাৰ ঐশ্বৰিক শক্তি উপলব্ধি কৰি ভগৱানৰ নাম স্মৰণ কৰিবলৈ দুয়োজনা মহাপুৰুষে উপদেশ দিছে। যিহেতু মহাপুৰুষীয়া ধৰ্ম বা নৱ-বৈষ্ণৱ ধৰ্মৰ দৰে ইছলাম ধৰ্মও একেশ্বৰবাদী, সেয়ে নিৰাকাৰ প্ৰভু বা খোদাৰ ঐশ্বৰিক শক্তি উপলব্ধি কৰি ভগৱানৰ নাম স্মৰণ কৰিবলৈ দুয়োজনা মহাপুৰুষে উপদেশ দিছে। জিকিৰত পোৱা যায়--

নামক সেৱা কৰে নামেহে আল্লা
দেৱক সেৱা কৰে দেও।
ধৰম হেন বস্তু ফুৰে অনাই-বনাই
চিনোতা নহ'লে কেও।।

সংসাৰলৈ আহি জীৱই নিজৰ প্ৰথম কাম যে প্ৰভুৰ নাম স্মৰণ কৰা- সেই কথা পাহৰি যায়। সেয়ে আজান ফকীৰে সোঁৱৰাই দিছে এনেদৰে--

নামে পৰম ধন শুনা মোৰ ভাই
বিষয়তে ছয় মূল মাণিক বিকাই।

এইফাঁকি জিকিৰ শুনিলেই আমাৰ মনলৈ আহে মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীতৰ এই শাৰী দুটি—

রাম পৰম ধন চিন্তহু মন ভাই।
বিষয় কাচক মূলে মাণিক বিকাই।।

বৰগীতৰ ধ্ৰুপদী গাম্ভীৰ্য আৰু ঘনত্ব জিকিৰসমূহত অনুমেয়।

জিকিৰবোৰ আল্লাহৰ গুণানুকীৰ্ত্তন আৰু উপাসনাধৰ্মী ভক্তিগীত, এইবোৰ লৌকিক পৰম্পৰাৰ লগত সম্পৃক্ত। তথাপিও ধ্ৰুপদী গাম্ভীৰ্যৰে সিক্ত বৰগীতৰ ভাৰ আৰু প্ৰকাশ ৰীতিৰ ওচৰচপা। খোদাৰ অনুগামী মুছলমান আৰু বিষ্ণুৰ অনুগামী নৱ-বৈষ্ণৱসকল বাহ্যিক দৃষ্টিত দুটা সুকীয়া ধৰ্মীয় বৃত্তৰ আৱৰ্তত অৱস্থান কৰিলেও আধ্যাত্মিক তথা মানসিকভাৱে দুয়োটা ধৰ্মৰ অনুগামীসকল যে তেনেই নিকটৱৰ্তী, তাক বুজিব পাৰি এইবোৰ গীতৰ জৰিয়তে। শঙ্কৰদেৱে বৰগীত বা অন্যান্য ভক্তিমূলক ৰচনাত ব্যৱহাৰ কৰা নাম, দেউ, গুৰু, ব্ৰহ্মাণ্ড, ভৱনদী, মুকুতি আদিবোৰ শব্দ আজান ফকীৰেও উদাৰভাৱে জিকিৰসমূহত ব্যৱহাৰ কৰিছে। দুয়ো প্ৰকাৰৰ গীততে সংসাৰক অৰণ্যৰ লগত ৰিজনি দিয়া, ইহ সংসাৰত বজাৰ-হাট প্ৰতিষ্ঠা কৰা, ভগৱান বিমুখী লোকক যমদূতে প্ৰদান কৰা অমানুষিক অত্যাচাৰৰ কথা সুন্দৰকৈ বৰ্ণোৱা হৈছে। দুয়ো প্ৰকাৰৰ গীততে গুৰুৰ প্ৰাধান্য দেখা যায় যদিও জিকিৰবোৰত গুৰুৰ গুৰুত্ব বেছি। এই মানৱ জীৱন যে ক্ষণস্থায়ী সেই কথা বৰগীতত উল্লেখ হৈছে এনেদৰে--

অথিৰ ধন-জন জীৱন-যৌৱন
অথিৰ এহু সংসাৰ।
পুত্ৰ পৰিবাৰ সবহি অসাৰ
কৰবোঁ কাহেৰি সাৰ।।

এই কথাই প্ৰতিধ্বনিত হৈছে আজান ফকীৰৰ জিকিৰত এনে ধৰণে--

দুনীয়া এদিনৰ দুনীয়া দুদিনৰ
দুনীয়া ফুলনি বাৰী
কতক চলেবলে কৰ তই দুনীয়া
ধৰিব খেৰালি মাৰি।

যি গৰাকী ব্যক্তিয়ে অজ্ঞান এন্ধাৰ ভেদি পোহৰৰ পথ, জ্ঞানৰ পথৰ সন্ধান দিব পাৰে তেঁৱেই গুৰু। সদ্‌গুৰু মনুষ্য জীৱনৰ আধ্যাত্মিক উৎকৰ্ষ সাধনত অতীব প্ৰয়োজন। গুৰুৰ উপদেশ জ্ঞান সাৰোগত কৰি শ্ৰদ্ধা-ভক্তিৰে সদ্‌গুৰুৰ পাৱত ভজনা কৰিলে ভক্তই প্ৰকৃত পথৰ সন্ধান পাব। মহাপুৰুষ শঙ্কৰদেৱৰ একান্ত ভক্ত মাধৱদেৱৰ এষাৰি কথা এই ক্ষেত্ৰত উল্লেখযোগ্য--

বিনে গুৰু চৰণ ভকতি ৰকতি
মুকুতি কবহো নহুই।। (গুৰু ভটিমা)

সদ্‌গুৰুৰ অবিহনে যে জীৱৰ মুক্তিৰ অন্যপথ নাই, সেয়া আজান ফকীৰেও গভীৰভাৱে উপলব্ধি কৰিছিল। সেয়ে তেওঁৰ জিকিৰত পোৱা যায়--

সদ্‌গুৰুক ভেটিবা, আতমাক চিনিবা
সিজিব দিনৰে কাম।

মানৱ দেহ অনিত্য, ক্ষণভংগুৰ। জীৱই বহু সাধনাৰ বলতহে মানৱী জীৱন লাভ কৰে। সেয়ে এই ক্ষন্তেকীয়া জীৱন সাফল্যমণ্ডিত কৰিবলৈ মানুহে আমোদ-প্ৰমোদত জীৱন উটুৱাই নিদি প্ৰভুৰ সেৱাত কটাই দিব লাগে। বৰগীতত কোৱা হৈছে--

কৃষ্ণ কিংকৰ কহ ক্ষণিক দেহ ৰহ
নৰতনু পুনুহু নাপাই।
কৰম গৰব সব দূৰ কৰি হৰি
চৰণ চিন্তি চিত্ত লাই।।

একে ভাৱৰ প্ৰতিধ্বনি ঘটিছে আজান ফকীৰৰ জিকিৰতো—

এইটো জীৱনে বেহাই ল মুকুতা
আল্লাৈল নকৰ কাণ,
আৰুতো নাপাৱ মানৱী জনমে
পাবগৈ অমিয়া থান।

মানুহে ঈশ্বৰক পাব বিচাৰিলেও মায়াই

আগভেটা দি ঈশ্বৰৰ সান্নিধ্য লাভৰ পৰা দূৰত ৰাখিব বিচাৰে। মায়াই মানুহক কেতিয়াবা ভুল বাটেৰে পৰিচালিত কৰি মুক্তিৰ পথ ৰুদ্ধ কৰি দিয়ে। এই মায়াৰ কথা শঙ্কৰদেৱৰ বৰগীতত উল্লেখিত হৈছে এনেদৰে—

অথিৰ জীৱন ধন যৌৱন জায়া।
ভকতি বিৰোধী বিষয় সৱ মায়া।।

তদ্রূপ আজান ফকীৰৰ জিকিৰতো মায়াৰ স্বৰূপ বৰ্ণনা কৰা হৈছে একে ধৰণেই--

মক্কাৰ দুৱাৰত চাহেব তিৰবেণীৰ ঘাট
বেহাব নোৱাৰে তাত মায়াই ভেঁটে বাট।

আজান ফকীৰ চাহাবে যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আৰু অন্যান্য বৈষ্ণৱ কবিসকলৰ কাব্যৰ দ্বাৰা প্ৰভাৱিত হৈছিল, এই কথা তেওঁ নিজেই এটা জিকিৰত উল্লেখ কৰিছে--

শঙ্কৰদেউৰ জীয়ৰী মাধৱদেউৰ বোৱাৰী
ৰহেপুৰ নগৰত ঘৰ।
ৰহেপুৰ নগৰৰ ৰসক নমাই আনি
দিলে সকলোকে বাটি।।

এনেদৰে ভালেমান মিল দেখা গ'লেও বৰগীতবোৰৰ লগত জিকিৰৰ অনেক পাৰ্থক্যও পৰিলক্ষিত হয়। এই দিশত পোনতে উনুকিয়াব পাৰি গায়ন-শৈলীলৈ। বৰগীতবোৰ এজন গায়কে গাব পৰা গীত; আনহাতে জিকিৰবোৰ একেলগে কেবাজনেও লগলাগি পৰিবেশন কৰা গীত। এজন ওজাই জিকিৰ লগাই দিয়ে ২০/৩০ জন লোকে তেওঁৰ চৌপাশে ঘূৰি ঘূৰি নাচি নাচি আৰু হাত চাপৰি মাৰি জিকিৰ গায়। অৱশ্যে জিকিৰতো বৰগীতৰ দৰে ঘোষা আছে যদিও ৰাগ, তালৰ উল্লেখ নাই। দুয়োবিধ গীততে প্ৰকাশৰ সংযম লক্ষ্যণীয় বৈশিষ্ট্য।

বৰগীত আৰু জিকিৰৰ মাজত লক্ষ্য কৰা আন এবিধ পাৰ্থক্য হ'ল ৰহস্যবাদৰ চিত্ৰায়ণত। কেবাটাও বৰগীতত ৰহস্যবাদ ভক্তিৰ উপস্থিতি ধৰা পৰে। আনহাতে, জিকিৰৰ নেপেথ্যতো চুফীবাদী ভাৱৰ প্ৰকাশ দেখা যায়। অৱশ্যে চুফীবাদৰ দৰে মধুৰ প্ৰেমৰ জৰিয়তে পৰমেশ্বৰক বিচৰা পদ্ধতি জিকিৰত অনুপস্থিত। জিকিৰৰ সুৰত অসমৰ ওজাপালি, দেহবিচাৰৰ গীত তথা বৰগীতৰ প্ৰভাৱ অনুমেয়। অইন এটি গুৰুতৰ পাৰ্থক্য দেখা যায় ভাষাৰ ক্ষেত্ৰত। মহাপুৰুষ শঙ্কৰদেৱে বৰগীতত ব্ৰজাৱলী ভাষাৰ প্ৰয়োগ কৰিছে। কিন্তু আজান ফকীৰে এই ভাষাৰ পৰিৱৰ্তে সৰ্বসাধাৰণৰ কথিত ভাষাকেই জিকিৰত ব্যৱহাৰ কৰিছে। অৱশ্যে শব্দ চয়নৰ ক্ষেত্ৰত তেওঁ যথেষ্ট আৰবী-ফাৰ্চী শব্দৰ সমাবেশ ঘটাইছে। কিন্তু ইয়াৰ ফলত আজান চাহাবৰ জিকিৰবোৰে আপোন মাটিৰ সুৰভি হেৰুৱাই অচিনাকী হৈ পৰা নাই; বৰং অসমীয়া ভাষাৰ শব্দমালাক সমৃদ্ধহে কৰিছে।

বৰগীত আৰু জিকিৰ-দুয়োবিধ গীতেই উদ্দেশ্যধৰ্মী। বৰগীতবোৰে যেনেকৈ নৱ-বৈষ্ণৱ আদৰ্শৰ বাহক হৈ সৰ্বসাধাৰণ লোকৰ প্ৰাণ স্পৰ্শ কৰি ভগৱানৰ নিকটলৈ টানিছে, তেনেদৰে জিকিৰসমূহেও পাৰ্থিৱ মায়া-মোহৰ পৰা নিলগাই সাধাৰণ লোকক আল্লা-ৰছুলৰ কাষ চপাইছে। বৰগীতসমূহত বিভিন্ন ৰসৰ উদ্ৰেক ঘটিলেও প্ৰধানকৈ ভক্তি ৰসেই প্ৰাধান্য পোৱাৰ দৰে জিকিৰগীতসমূহতো ভক্তিৰসেই মূল ৰস হিচাপে প্ৰকাশ লাভ কৰিছে। বৰগীতসমূহৰ ছন্দসজ্জা নিকপকপীয়া; প্ৰধানকৈ পয়াৰ, ত্ৰিপদী আদি ছন্দত ৰচিত। আনহাতে জিকিৰসমূহৰ ছন্দসজ্জা ইমান দৃঢ় নহয় যদিও অধিকাংশ জিকিৰেই দুলড়ি, লেচাৰি আৰু ছবি ছন্দত গ্ৰথিত। চুফীবাদ আৰু বৈষ্ণৱবাদৰ মাজত ভালেমান মিল থকা বাবেই অসমীয়া সাহিত্যত এই দুবিধ গীতৰ মাজত অনেক মিল পৰিলক্ষিত হয়। বৰগীতবোৰ কাব্যিক সৌন্দৰ্যত অত্যন্ত চহকী। উপমা-আদি অলংকাৰৰ নিপুণ প্ৰয়োগে প্ৰতিটো গীতকেই মনোৰম কৰি তুলিছে। আনহাতে, আজান ফকীৰৰ জিকিৰবোৰো কাব্যিক সৌন্দৰ্যত চহকী যদিও শঙ্কৰদেৱৰ নিচিনা পাগত-উঠা নহয়।

বৰগীতৰ পুথিত গীতবোৰৰ কোনো তাল উল্লেখ কৰা নাথাকে। সাধাৰণতে কেৱল খোল, তাল আৰু কোনো কোনো সত্ৰত মৃদংগৰ সৈতে বৰগীত পৰিবেশন কৰে। কালি আৰু নাগাৰৰ ব্যৱহাৰো কদাচিৎ দেখা যায়। আনহাতে জিকিৰবোৰ হাত চাপৰিসহ বীণ বজাই গোৱা হয়। আজিকালি টোকাৰী বা দোতাৰাৰ ব্যৱহাৰো দেখা যায়। একতাৰা বা গোপী যন্ত্ৰও কেতিয়াবা ব্যৱহাৰ হোৱা দেখা যায়। জিকিৰৰ সুৰত অসমীয়া ওজাপালি, দেহবিচাৰৰ গীত আৰু বৰগীতৰ প্ৰভাৱ অনুমেয়। জিকিৰবোৰ বৰগীতবোৰতকৈ পিছৰ সময়ত ৰচিত বাবেই জিকিৰসমূহত বৰগীতৰ প্ৰভাৱ অনস্বীকাৰ্য। সুৰ-তাল চাপৰিৰে জিকিৰ গোৱা কাৰ্য ধৰ্মীয় আওতাৰ বাহিৰত পৰিলেও ইয়াৰ জৰিয়তেই আজান ফকীৰ চাহাবে পথভ্ৰষ্টলোকসকলক ইছলামৰ ছত্ৰছায়ালৈ টানিবলৈ সক্ষম হৈছিল। বৈষ্ণৱ ধৰ্মৰ নাম প্ৰসংগৰ শেষত মাহ-প্ৰসাদ বিলোৱাৰ দৰে আজান ফকীৰেও জিকিৰ পৰিবেশনৰ অন্তত চিন্নি বা শীৰিনী দিয়া প্ৰথাৰ প্ৰৱৰ্ত্তন কৰিছিল বুলি জনা যায়। গভীৰভাৱে অধ্যয়ন কৰিলে মহাপুৰুষ শঙ্কৰদেৱৰ বৰগীত আৰু আজান ফকীৰ চাহাবৰ জিকিৰৰ মাজত অনেক মিল- অমিল দেখা যাব। আমাৰ সীমিত অধ্যয়ন জৰিয়তে মাথোন কেইটিমান দিশহে আঙুলিয়াই দিবলৈ যত্ন কৰা হ'ল।

সামৰণিত ক'ব পাৰি, মহাপুৰুষ শঙ্কৰদেৱে সনাতন হিন্দুধৰ্মৰ বিভিন্ন পন্থাৰ মাজত একত্ব সাধন কৰাৰ্থে যি নৱ-বৈষ্ণৱ ধৰ্মৰ সূঁতিটোলৈ বৰগীতৰ সহায়ত জনসাধাৰণক অকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল; তেনেদৰে সুদূৰ বাগদাদৰ পৰা অহা অসমৰ আজান ফকীৰেও অসমীয়া ঐতিহ্যৰে সম্পৃক্ত জিকিৰবোৰৰ সহায়ত অসমীয়া সমাজখনত সাম্প্ৰদায়িক একতা আৰু সংহতিৰ সোপান ৰচিছিল। উদাৰতা আৰু ধৰ্মনিৰপেক্ষতাৰ ঘোষিত আজান ফকীৰৰ বাণী সেয়ে আমাৰ কাণত প্ৰতিধ্বনিত হয়--

হিন্দু কি মুছলমান একেই আল্লাৰ ফৰমান
মোৰ মনত একেটি ভাৱ।■■

**পাদটীকাঃ**

১) সত্যেন্দ্ৰ নাথ শৰ্মা ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, ২০০৪, পৃ. ৭৪

২) আব্দুছ ছাত্তাৰ ঃ দৃষ্টি আৰু সৃষ্টি, ১৯৮৭ পৃ. ২৫

৩) চৈয়দ আব্দুল মালিক ঃ আজান ফকীৰ আৰু সুৰীয়া জিকিৰ, পৃ. ৪

৪) মহেশ্বৰ নেওগ ঃ অসমীয়া গীতি-সাহিত্য, ১৯৮৭,পৃ.৩২

৫) ডম্বৰু কাকতি ঃ শঙ্কৰদেৱ আৰু আজান পীৰ চাহেবৰ অৱদান ঃ এটি তুলনামূলক বিচাৰ, শ'ৰাগুৰিৰ আজান, ১৯৯৮ সম্পা. চফিকুৰ ৰহমান।

৬) নীল গোহাঞি ঃ ইতিহাস আৰু কিম্বদন্তিৰ পটভূমিত আজান পীৰৰ কাহিনী, পূৰ্বোক্ত গ্ৰন্থ।

# আৰব্ধ, প্ৰাৰব্ধ আৰু অনাৰব্ধ জীৱনৰ বৈজ্ঞানিক ভিত্তি

ড° ৰাতুল চন্দ্ৰ বৰা

আৰব্ধ, প্ৰাৰব্ধ আৰু অনাৰব্ধ— এই শব্দ তিনিটাই একেলগে জীৱনৰ কৰ্মফলৰ কথা বুজায়। জীৱৰ কৰ্মফল তিনি প্ৰকাৰৰ। (ক) আৰব্ধ কৰ্ম হৈছে জন্মৰপৰা জ্ঞান লাভ হোৱালৈকে কৰা কৰ্ম অৰ্থাৎ বৰ্তমান জীৱনত বা কালত কৰা কৰ্ম, যিবোৰৰ ফল আগলৈ ভোগ কৰিব লাগিব। ইয়াক ক্ৰিয়মান কৰ্ম বুলিও কোৱা হয়। (খ) অনাৰব্ধ কৰ্ম বা সঞ্চিত কৰ্ম— জন্ম-জন্মান্তৰৰ কৃত সকলো কৰ্ম, যাৰ ফল ভোগ কৰা হোৱা নাই (গ) প্ৰাৰব্ধ কৰ্ম— যিবোৰ সঞ্চিত কৰ্মৰ ভোগ কৰিবলৈ বৰ্তমান শৰীৰ ধাৰণ কৰা হৈছে। প্ৰাৰব্ধ কৰ্ম সমুদায় সঞ্চিত কৰ্মৰ এটা অংশ যিটো সাম্প্ৰতিক জীৱনৰ বাবে নিৰ্দ্ধাৰিত হ'ল, যাক অদৃষ্ট বা বিধিৰ লিখন বুলি সৰ্বসাধাৰণে কয়। জন্ম জন্মান্তৰৰ কৰ্মৰ ফল এটা জন্মতে শেষ নহয়— ইয়াৰ বাবে বেলেগ বেলেগ শৰীৰো ধাৰণ কৰিবলগীয়া হয়। সকলো কৰ্মৰ ফল মনুষ্য দেহত বা জীৱনত নহৈ অন্য প্ৰাণীৰ দেহতো হ'ব পাৰে। বৰ্তমান জীৱনত নিৰ্দ্দিষ্ট হৈ অহা কৰ্মফলৰ বাকী থকাখিনিয়ে অনাৰব্ধ কৰ্ম যাৰ ফল আগলৈ ভোগ কৰিব লাগিব যদি জীৱৰ প্ৰকৃত জ্ঞান লাভ নহয়— অনাৰব্ধ কাৰ্য্যে এব তু ত্য অবধেঃ।'— ব্ৰহ্মসূত্ৰ ঃ ৪/১/১৫।

জ্ঞান হ'লে সকলো সঞ্চিত আৰু ক্ৰিয়মান অৰ্থাৎ সকলো আৰব্ধ আৰু অনাৰব্ধ কৰ্ম ধ্বংস হয়। কিন্তু প্ৰাৰব্ধ কৰ্মৰ ভোগ শেষ নহ'লে ধ্বংস নাই, অৰ্থাৎ সাম্প্ৰতিক জীৱনত জ্ঞান লাভ হ'লেও নিৰ্দ্দিষ্ট জীৱন অতিবাহিত কৰিবই লাগিব। তেওঁ মাত্ৰ মুক্ত আৰু শৰীৰাতীত হয়। উপৰোক্ত সূত্ৰত জ্ঞান হ'লে অনাৰব্ধ কৰ্মৰ ক্ষয়ৰ কথাহে কোৱা হৈছে।

"ভোগেনে তু ইতৰে ক্ষপয়িত্বা সম্পাদ্যতে।"

— ব্ৰহ্মসূক্ত, ৪/১/১৯

— ভোগৰ দ্বাৰা প্ৰাৰব্ধ কৰ্ম (ইতৰে) ক্ষয় কৰি জ্ঞানী ব্ৰহ্ম সম্পন্ন হয়।

সনাতন হিন্দু ধৰ্মৰ শাস্ত্ৰৰ বাহিৰেও অন্য কেইবাটিও ধৰ্মই মানুহৰ পূৰ্বজন্ম বা জন্মান্তৰ বিশ্বাস কৰে। ভাৰতীয় দৰ্শনৰ প্ৰধান গ্ৰন্থ শ্ৰীমদ্ভগৱদ্‌গীতা শাস্ত্ৰৰ মতে—

"ৱাসাংসি জীৰ্ণানি যথা বিহায়।
নৱানি গৃহাতি নৰোৎ পৰাণি।।
তথা শৰীৰাণি ৱিহায় জীৰ্ণা।
ন্য ন্যানি সংযাতি নৱানি দেহী।। ২/২২

অৰ্থাৎ— যেনেদৰে মানুহে পিন্ধি থকা কাপোৰ পুৰণি হ'লে সেই কাপোৰ এৰি নতুন কাপোৰ পৰিধান কৰে, তেনেদৰে দেহধাৰী জীৱাত্মাটোৱেও পুৰণি দেহ এৰি নতুন দেহলৈ গতি কৰে।

অন্য এটি শ্লোকত এনেদৰে কৈছে—

য়ং য়ং ৱাপি স্মৰণ ভাৰৎ ত্যজন্ত্যন্তে কলেৱৰম্।
তং তমেৱৈতি কৌন্তেয় সদা তন্‌ভাৱভৱিতঃ।।

— গীতা, ৮/৬

হে কুন্তীপুত্ৰ, মানুহৰ অন্তিম অৱস্থাত (মৃত্যুৰ সময়ত) মনত যি ভাব লৈ মানুহে দেহ ত্যাগ কৰে,

মৃত্যুৰ পিছত নিশ্চিতভাৱে সেই ভাব অনুসৰি এটা নতুন অৱস্থা (দেহ/জীৱন/মুক্তি) লাভ কৰে।

জীৱৰ সকলো কৰ্ম বাসনাৰ মূলতে মনৰ সংস্কাৰ মহাপুৰুষ শঙ্কৰদেৱে 'অনাদি পাতন'ত এই বিষয়ে বৰ্ণনা দিছে—

মনৰ কল্পনা মানে সমস্ত সংসাৰ।
জাগন সপন নিদ্ৰা তিনি বৃত্তি তাৰ।।
..........................................
মনৰ কৰ্মত যতো মোৰ বুলি মানে।
কৰ্ম পাশে বন্দী জীৱ এহিসে নিদানে।।
আত্মাৰ প্ৰসঙ্গে মন হৰে অচেতন।
মনতেসে আছে ইটো চৈধায় ভূৱন।।
.............................................
মনে ওপজয় জানা মনেসে মৰণ।
মনুষ্যৰ মনে বন্ধ মোক্ষৰ কাৰণ।।
যত দেখা দেৱ ধৰ্ম মনৰ প্ৰবন্ধ।
তাৰে বন্দী থাকে জীৱ যেবে কৰ্মবন্ধ।।

কৰ্মফলৰ বৈজ্ঞানিক ভিত্তি ঃ বিজ্ঞানীয়ে মনক ভৌতিক পদাৰ্থৰপৰা উদ্ভৱ অৰ্থাৎ মস্তিষ্কৰ এটি সত্তা বা গুণ বুলি ক'ব খোজে। কিন্তু আধ্যাত্ম বিজ্ঞানীৰ মতে মন ভৌতিক শৰীৰ বা মস্তিষ্কৰপৰা পৃথক সত্তা। তেওঁলোকে মনক আত্মাৰ লগত তুলনা কৰিব খোজে। মহাপুৰুষ মাধৱদেৱে 'নাম-ঘোষা'ত (ঘোষা নং ২০৪) কৈছে যে— মনে জড়ক ভজিলে (ইন্দ্ৰিয় বুদ্ধিৰে দেহক ভজিলে) জড় অৱস্থা আৰু চৈতন্যক (ইন্দ্ৰিয়াতীত আত্মাক) ভজিলে চৈতন্য অৱস্থাপ্ৰাপ্ত হয়। কাৰ্য আৰু কাৰণৰ সূত্ৰই (Laws of cause and effect) মানুহৰ মনৰ নৈতিকতা বা আত্মবোধৰ নিৰ্ণয় কৰে, যাক কৰ্মসূত্ৰ (Law of Karma) বুলি কোৱা হয়। পুনৰ জন্ম এই কৰ্ম সূত্ৰই নিৰ্দ্ধাৰণ কৰে।

সাংখ্যত উল্লেখ কৰা লিঙ্গৰ শৰীৰত বেদান্তই যাক শৰীৰ বুলিছে, যিয়ে কাৰণ শক্তি স্বৰূপে ক্ৰিয়া কৰে। "এই কাৰণ শক্তিত ধৰ্মাদি অষ্ট ভাব আছে— ইয়াকে সংস্কাৰ বোলে। ভাববোৰ শক্তি, এই শক্তিৰ পৰাই লিঙ্গ শৰীৰৰ উৎপত্তি হয়। শক্তিৰ ক্ৰিয়াই হৈছে ভাব। ভাব সৃষ্টি আৰু তন্মাত্ৰ সৃষ্টিৰ সহভাবী।"[১] বাহিৰৰপৰা ভাব শক্তি আহি মনত লাগে আৰু মনে চিন্তা কৰি বুদ্ধিৰ সহায়ত কৰ্মত প্ৰবৃত্ত হয়। ইয়েই সংস্কাৰ হিচাপে ক্ৰিয়া কৰে।

অধ্যাত্ম বিজ্ঞানৰ (Spiritual science) মতে মনটো প্ৰতি ব্যক্তিয়ে সংস্কাৰ হিচাপে লগত লৈ আহে আৰু বংশগতি সূত্ৰই (Laws of heredity) মাত্ৰ ভৌতিক শৰীৰটিহে নিৰ্দ্ধাৰণ কৰে। এইমতে এজন ব্যক্তিৰ অসাধাৰণ ব্যক্তিত্ব কোনো অনিৰ্দিষ্ট ক্ৰিয়াৰ ফল (Chance event) নহয় বা বংশগতিৰ ফল নহয়; বৰঞ্চ পূৰ্বজন্মত জীৱাত্মাৰ সংস্কাৰ হিচাপে বহন কৰে, যিটি ভৌতিক শৰীৰৰ পৰা পৃথক।

"The spiritual science states that every individual brings mind with itself and the laws of Heredity apply only to the bio-physical constitution of an individual ..... The spiritual science explains that the extraodinary abilities of a genious are not due to chance union of gamets and to the heredity but due to these having being acquired and cultivated in former births of the self, which is different from the body and does not die when the body dies."[২] শৰীৰৰ বিভিন্ন অঙ্গ-প্ৰতঙ্গৰ পৰা সঙ্কেত ইন্দ্ৰিয়ৰ যোগেদি মনে গ্ৰহণ কৰে। মনে চিত্ত বুদ্ধিৰ যোগেদি ইয়াক মনন কৰে আৰু জীৱাত্মাৰ নিৰ্দেশমতে কৰ্ম কৰে. এই কৰ্ম কৰোতে মন যদি ইন্দ্ৰিয়ৰ দাস হৈ কৰ্ম কৰে; তেন্তে জীৱ সংসাৰত কৰ্মবন্ধ হৈ পুনঃ পুনঃ জন্ম গ্ৰহণ কৰি সংসাৰ নিকাৰ ভোগ কৰে। কিন্তু মনে যদি চিত্ত স্থিৰ কৰি বুদ্ধিক সত্বস্থ কৰি আত্মাৰ আশ্ৰয়ত বা নিৰ্দেশত কৰ্মত লিপ্ত হয় অৰ্থাৎ নিৰাসক্ত হৈ কৰ্ম কৰে, তেন্তে জীৱ কৰ্মবদ্ধ নহৈ

কৰ্মযোগীলৈ পৰিণত হয় আৰু জ্ঞান লাভ হ'লে মুক্তি লাভৰ ফালে অগ্ৰসৰ হয়। চিত্তবৃত্তিৰ নিদের্শত কৰ্ম কৰিবলৈ হ'লে ইন্দ্ৰিয় সংযম অপৰিহাৰ্য। চিত্ত শুদ্ধিৰ বাবে মনৰ চিন্তাৰ শুদ্ধতা প্ৰথমেই লাগিব। মনৰ দ্বাৰা চিন্তা কৰা হয় আৰু ইয়াৰ দ্বাৰা কৰ্মত জড়িত হোৱা যায়। "সেয়ে প্ৰথম পৰ্যায়ত আমাৰ চিত্ত শুদ্ধ হ'ব লাগিব। চিত্ত শুদ্ধিৰ প্ৰথম লক্ষণ হৃদয়ত শান্তি, দ্বিতীয়তে মনুষ্য প্ৰীতি, তৃতীয়তে ঈশ্বৰ ভক্তি।"[৩] মন শুদ্ধ কৰিবলৈ সৎ সঙ্গত হৰিনাম শ্ৰৱণ-কীৰ্তন কৰি ভক্তি আচৰিবলৈ মহাপুৰুষীয়া ধৰ্মই মত দিছে। শ্ৰীমন্ত শঙ্কৰদেৱে লিখিছে—

"যদি বোলা লিঙ্গ দেহ ভাগিব কিমত।
তাহান উত্তৰ ৰাজা কহোঁ স্বৰূপত।।
ধনৰ চেষ্টাক যিকালত এৰে মতি।
কেশৱৰ চৰণ সেৱাত বাঢ়ে ৰতি।।
তেৱে তাৰ হোৱে আসি ভকতি প্ৰৱল।
পখালে চিত্তৰ তাৰ আছে যত মল।।"

গীতাৰ মতে স্বভাৱ মানে ঈশ্বৰৰ ইচ্ছা। সেইগুণে গীতাই কয় যে ঈশ্বৰে লিঙ্গ দেহটো আকৰ্ষণ কৰি আনে।..... জন্মান্তৰ পুৰুষৰ নহয়, লিঙ্গৰ শৰীৰহে হয়।.... লিঙ্গদেহে, নিজৰ ভাবেৰে, নিজৰ আৱশ্যক মতে, নিজৰ সূক্ষ্ম আৰু স্থুলদেহ গঢ়ি লয়।"[৪] ধৰ্ম, জ্ঞান, ঐশ্বৰ্য, বৈৰাগ্য— এই চাৰি সাত্বিক ভাব আৰু অধৰ্ম, অজ্ঞান, অনৈশ্চৰ্য, বৈৰাগ্য— এই চাৰি তামসিক ভাবৰ সংমিশ্ৰণত জগতত অসংখ্য সংস্কাৰ বা লিঙ্গদেহ হৈছে। সাংখ্য দৰ্শনে কৈছে যে দুটাজীৱৰ ঠিক একে সংস্কাৰ হ'ব নোৱাৰে। বিজ্ঞানৰ মতে প্ৰতি জীৱ শ্ৰেণীৰ (Life special) জৈৱ সূত্ৰিকা (chromosome) বেলেগ বেলেগ। আমাৰ দুজন মানুহৰ সকলো বংশগতি গুণ (Geneti traits) একে নহয়। এই বিভিন্নতাৰ বাবে নানা গুণযুক্ত জীৱৰ সৃষ্টি। জীৱৰ সংস্কাৰক বংশগতিৰ বাহক জৈৱ সূত্ৰিকাৰ লগত তুলনা কৰিব পাৰি। কিন্তু কিছুমান অভৌতিক গুণ এই জৈৱসূত্ৰিকাৰ দ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি। ইয়াৰ মূলতে সাংখ্যই যিবিলাক গুণ সংস্কাৰৰ ফলত হয় বুলিছে, আধুনিক মেণ্ডেলাৰ বংশানুগতিৰ (Mendain Heredity) ফলত হোৱা বুলি কৈছে। ইয়াত বংশানুক্ৰমিক গুণ বা Unit genetic character যিবিলাক সূক্ষ্ম শক্তি (ভাব) বুলি গণ্য কৰিলে সাংখ্যৰ সংস্কাৰৰ লগত মিলি যায়। সাংখ্যই জন্ম-জন্মান্তৰৰ ভাব শক্তি সংস্কাৰত জমা হোৱাৰ বিপৰীতে মেণ্ডেলৰ সূত্ৰ মতে জীৱৰ বংশানুক্ৰমিক গুণ পূৰ্ব নিৰ্দ্ধাৰিত। মাত্ৰ পৰিৱেশৰ প্ৰভাৱ ইয়াত পৰে বুলি কোৱা হৈছে। অৰ্থাৎ বৰ্হি প্ৰকাশত (Phenotypic expression) পৰিৱেশৰ প্ৰভাৱ পৰে। যেনে এজোপা গছৰ গুটি গজি পুলি হ'লে, ছাঁ পৰা, কম সাৰুৱা ঠাইত যেনে চেহেৰা হয়, ৰ'দঘাই, সাৰুৱা ঠাইত তাৰ চেহেৰা বেলেগ হ'ব। কিন্তু দুয়ো ঠাইতে ফল একেই লাগিব; অন্য গুটি নালাগে। কিন্তু প্ৰশ্ন হৈছে— সেই ফলৰ গুটিৰ কোষৰ জীৱত্ব (life)ৰ স্বৰূপ কি? কিহৰ বাবে জীয়া ফলৰ (ধৰা হওক তামোলৰ) গুটিৰ পৰা এটি একে (তামোলৰে) পুলি গজিল। বিজ্ঞানীয়ে বিজ্ঞানাগাৰত তামোলৰ হুটি বা নোহোৱাকৈ ৰাসায়নিক ক্ৰিয়াৰে এটি তামোল পুলি সৃষ্টি কৰিব নোৱাৰে। ইপায় উপৰি প্ৰাণীৰ গুণাগুণ বাহক ডি.এন.এ. (D.N.A.) ই মানুহৰ মৰম ভাব, শ্ৰদ্ধাৰ ভাব আদি মানৱীয় প্ৰমূল্যবিলাক সৃষ্টি কৰিব নোৱাৰে।" Can DNA strands of other genetic componets possibly induce the feeings of love and respect one person has for another ? Man and his infinite capabilities cannot be explained by mere atoms and molecules."[৫]

পূণৰ্জন্মৰ বৈজ্ঞানিক ভিত্তি ঃ জীৱই যে পুনৰ পুনৰ জন্ম গ্ৰহণ কৰে, সেই ঘটনাৰ প্ৰমাণ বৈজ্ঞানিকে বৰ্তমান দিব পাৰিছে। এই বিষয়ে পৃথিৱীৰ কেইখনমান বিশ্ববিদ্যালয়ত আৰু গৱেষণা প্ৰতিষ্ঠানত গৱেষণাও

চলি আছে। ইয়াৰ ভিতৰত আমেৰিকাৰ ভাৰ্জিনিয়া বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞানৰ অধ্যাপক ড° ই.এন. ষ্টিভেনচনে কৰা গৱেষণা উল্লেখযোগ্য। ভাৰতৰ ড° সাটৱান পাস্ৰীচাই Nationa Institute of Mental Health and Neuro Science প্ৰতিষ্ঠানত ৫০০ পূৰ্ণজন্মৰ ঘটনা অধ্যয়ন কৰি পাইছে যে এনে জমজ সন্তান পূৰ্বজন্মত হয় তেওঁলোকে ককাই ভাই নাইবা বন্ধু বা ইজনে সিজনৰ লগত আন্তৰিকতা আছিল। তেওঁ কোৱা মতে— "Rebirth is the best hypothesis as of now ro explain the case of these children who have narrated stories on their previous life. ....... studies on 42 cases of twins have revealed that most were related-either brothers of friends or there was a bond of affection. ...of the 500 rebirth casses in India. 68 per cent have been solved in the sence that after cross checking and investigations, the claims over authenticated..... a 1995 study showed that 78 percent of the re-birth cases were from South-East Asia, mostly in Burma. Of the reported sex-change cases, 76 p.c. were from male to female .... birth marks, physical and behavioural features can be related to previous life."

পূণৰ্জন্মৰ ঘটনা অধ্যয়ন তিনি প্ৰকাৰে কৰা হয়, (১) শিশু অৱস্থাত (আঢ়ৈ বছৰৰ পৰা পাঁচ বছৰ বয়সলৈ) তেওঁলোকে ব্যক্ত কৰা কিছু অস্বাভাৱিক আচৰণ আৰু কথা, (২) চিকিৎসকে মৃত্যু বুলি ঘোষণা কৰা ব্যক্তি (the clinically dead) (৩) Hepnotic Regression.[৭]

এনে ঘটনা কিছুমানৰ পৰা এই সিদ্ধান্তত উপনিত হৈছে যে শৰীৰৰ মৃত্যু হ'লেও জীৱশক্তি বা আত্মাৰ মৰণ নাই; কাৰণ ভৌতিক দেহ ধ্বংস হ'লেও যি এক অভৌতিক সত্তা থাকি যায়, সিয়েই পিছৰ জন্মত জীৱদেহত ক্ৰিয়া কৰে বা অন্য দেহত প্ৰৱেশ কৰে।

"Now these incidents of re-birth can be verified by any one. These lead anyone to believe that there is an eternal entity called soul which does not die when the body dies. This entirely is not physical or material in its nature, but is super physical, metaphysical of spiritual. We cannot understand the or of the universe and the purpose of life unless and until we understand and belive that the soul exists."[৮]

Royal Medicine Society of Edinbergh নামৰ প্ৰতিষ্ঠানত নিজ গৱেষণাৰ সাক্ষ্য দি ছাৰ Aucleland Geddes নামৰ বিজ্ঞানীজনে এনে ব্যক্তিৰ স্বীকাৰোক্তি এনেদৰে বৰ্ণনা কৰিছে— "The patient has narrated that he saw his body as distinct from himself. He also saw 'thing' at home and mile away, in scotland and in London and whenever his attention was directed. This means that consciousness is not an epiphenomenon. It is neither a bio-Chemical Product nor it is a resulf of the work of brains for the report says that the patient heard the doctor saying, "He is nearly gone." Their evidence indicates that the reticular activating system (RAC) is only an instrument for receiving the external stimuli and sending the massage to the brain in the form of coded electrical impulses but, otherwise, it is this conscious person which really take cognizance of the impulses and this person is called

soul."[14]

অন্য একজন গবেষক ড. হুইটন তাঁহার গবেষণার পরে সিদ্ধান্ত করেছেন যে— "Death was seen as transition from one state to another. Some of his sybjects even likened cleath as escape from jail."[10]

বহু গবেষক (১১, ১২, ১৩, ১৪) একমত যে আত্মা শরীর হইতে পৃথক হইয়া শরীর বা ইন্দ্রিয়ের প্রভাব ছেড়ে দিলে পরিষ্কার মনে সেই আত্মার অতীতের কথা মনে পড়ে আর এক অতি উজ্জ্বল সত্তার উদ্যান পায়—ঈশ্বরীক প্রশান্তির সাথে দেখা হয়। গবেষক দেখা যায় যে জন্ম পুনঃ পুনঃ হয়ে থাকে, আত্মাই সেই জন্ম আসল যে অবিনাশী হিসাবে থাকে যায়। পরমাত্মার সঙ্গে যোগাযোগ পদ্ধতি অভিজ্ঞতার বর্ণন দুষ্ট নহে। আত্মজ্ঞান হওয়ার অভিজ্ঞ দৃষ্টি হয়। অভি বিজ্ঞানী [illegible] মতে— "It seems to me pretty plain that there is a third thing in the universe, to wit, conciousness, which I cannot see to be matter or force or any conceivable modification of either." তাছাড়া পদার্থ বিজ্ঞানী এডিংটন বলে গেছেন— "We can admittedly find nothing in physics and chemistry that has even a remote bearing on consciousness, Yet all of us know there is such a thing as consiousness simply because we have it ourselves."[15]

অতীতে দেখা গেছে যে ভাব আসে সেখানেই আত্মার কর্ম— শরীরের কর্ম নহে, যদিও ইন্দ্রিয়কে শরীরের মাধ্যমে কাজ করিতে হয়। এই আত্মাই পূর্ব সংস্কার বা পূর্ব স্মৃতিগুলোকে সাথে আনে। ইন্দ্রিয়ই পূর্বজন্মের কর্মফলকে ধারণ করিয়া দেহকে বা মনকে করিয়া তোলে। ভীতির মতে কোনো এটা শরীরে পরিবর্তন বা পরিবেশে আত্মার প্রকাশ পূর্বের সংস্কার বা পূর্বজন্মের

বদলাতে থাকে।

আধুনিক বিজ্ঞানের মতে এই জগতের, প্রাণী জগতেই হউক বা উদ্ভিদ জগতেই হউক, প্রত্যেকের স্বভাব, গঠন, আকৃতি, প্রকৃতি আদি সকল রূপ-বিন্যাস শরীরের ভিতরের এক প্রকার জিন (Gene) নিয়ন্ত্রণ করে। এই জিনগুলিকে সাধারণত বিজ্ঞানের ভাষায় ক্রোমোজম বলে। এই জিনগুলিকে DNA (Deoxy ribo nucleic acid) র দ্বারা গঠিত। প্রকৃতপক্ষে এই ডি.এন.এ.র দেহ কুণ্ডলিত (double helical) থাকে যাহার মধ্যে বিন্যাসের সকল পরিবর্তন নিয়ন্ত্রণ করে। এখন হ'তেছে আমাদের উদ্ভব কিন্তু ঈশ্বর মনে মাধ্যমিক প্রমাণিকতার মনে— মায়া, ক্ষমা, প্রেম আদি স্বাভাবিকতার প্রকৃতপক্ষে জিন নিয়ন্ত্রণ করেন অথবা আধ্যাত্মিক শক্তির ক্রিয়া করে বা আত্মাই নিয়ন্ত্রণ করে, তাহা বিজ্ঞানীরা সঠিকভাবে ক'রে বলা নাই। কিন্তু প্রাণীর বা মানুষের দেহে থাকা "কোষগুলির মধ্যে বা কোষগুলির মৃত্যু ঘটে। আবার তাহাতে নতুন কোষের উৎপত্তি কোনো সময়েই স্থগিত থাকে না। "Your body does not contain a single one of the molecules that it contained seven years ago. 'Every seven years one's body is completely rejuvented. The self, however, our real identity, remains unchanged. Our bodies grow from infancy, to youth, to middle age, and then to old age, yet the person within the body the 'I' always remains the same."

আমার শরীরের সকল কোষগুলির উপাদান মৃত্যু ঘটে আর নতুন করে প্রতিনিয়ত সৃষ্টি হয়— পরিবর্তনশীল এই শরীর নশ্বর ঘটে। কিন্তু 'আমি' এই ভাবটা সর্বদা একই থাকে। শৈশবের পরে যুবা অবস্থাতে এই ভাবটা একই থাকে। বৃদ্ধাবস্থায়ও তাহা প্রতীয়মান হয় যে 'আমি' আর সেই শরীরটা মূলত পৃথক বস্তু। বয়সের ভারে শরীরটা বৃদ্ধ হয়ে যায়, কিন্তু

আত্মা নহয়— ই অধিক জ্ঞানী আৰু অভিজ্ঞহে হয়। বিজ্ঞানীয়ে মস্তিষ্কহীন মানুহৰ ওপৰত পৰীক্ষা কৰি ব্যক্তি জীয়াই থকা আৰু চিন্তা কৰিব পৰা কথাৰ প্ৰমাণ কৰিছে— "Two months old Andrew grabo the finger of Barbara Stanley his foster mother at her Roanike, va, U.S.A. Andrew, according to doctors, was born without brain."[১৭]

অন্য এটা উদাহৰণ— এমিবাৰ কোনো মস্তিষ্ক নাই, স্মৃতি ৰক্ষাৰ কোনো অঙ্গ নাই; তথাপি ইয়াৰ স্মৃতিশক্তি আছে, ই শিক্ষা গ্ৰহণ কৰিব পাৰে। এমিবাই কোনো এক স্পন্দনৰ (Stimulation) দ্বাৰা শিক্ষা গ্ৰহণ কৰে। ইয়াৰ পৰা বুজা যায় যে জীৱৰ চৈতন্য শক্তি বা আত্মা শক্তিৰ চিন্তা শক্তি, অনুভৱ কৰিব পাৰে আৰু স্মৰণ শক্তি আছে। এই শক্তি মগজুৰ নহয়, আত্মাৰহে। "..... thoughts and ideas or concepts and knowledge or experience and perceptions are not physical things .... thought and ideas are spaceless..... ideas and concepts may not necessarily get destroyed or amaciated by time ...... thoughts and ideas are not by products of the brain ...... the brain is a sort of prism and thoughts, idea etc. are broken white light of psychic or spiritual energy, passing through it."[১৮]

জীৱৰ জন্ম বংশগতি সূত্ৰৰ (Law of heredity) দ্বাৰা সম্পন্ন হয়। কিন্তু এটা কথা জনা নাযায় যে অসংখ্য সাম্ভাব্য মিলনৰ (মানুহৰ ক্ষেত্ৰত পুৰুষৰ শুক্ৰানু আৰু স্ত্ৰীৰ ডিম্বানুৰ মিলন) ভিতৰত নিৰ্দিষ্ট একোটি মিলনৰ ফলত জীৱৰ বা মানুহৰ শৰীৰৰ গঠন হয়। যদিও বিজ্ঞানৰ ভাষাত ই এটা সুযোগ পৰিঘটনা (chance event) আৰু প্ৰাকৃতিক বাচনি (Natural selection)ৰ দ্বাৰা সমাধা হয় বুলি কোৱা হয়, তথাপি ইয়াৰ প্ৰকৃত কাৰণ কৰ্ম সূত্ৰৰ (Law of Karma) দ্বাৰা ব্যাখ্যা কৰিব পাৰি। ৰাসায়নিক পদাৰ্থবিলাক এক নিৰ্দিষ্ট প্ৰণালীৰে লগ লাগি এক উচ্চ শৃঙ্খলাৰ (highly organized) দ্বাৰা একোবিধ বিশিষ্ট স্থুল অনু (Macro molecule)ৰ গঠন হয় আৰু জীৱ দেহত একোটি নিৰ্দিষ্ট কাৰ্য সমাধা কৰে। কিন্তু প্ৰত্যেকেই পৃথকভাৱে নিৰ্জীৱ। এই উপাদানবিলাক বা স্থুল অনুবিলাক লগলগাই বিজ্ঞানাগাৰত জীৱানুৰ বা জীৱকোষৰ সৃষ্টি কৰিব পৰা হোৱা নাই। বিজ্ঞানে এটি জীৱকোষৰ নিৰ্দিষ্ট গুণবিলাকৰ (DNAৰ দ্বাৰা গঠিত) জিনৰ দ্বাৰা বহন কৰে বুলি কৈছে। এটা বা ততোধিক অন্য জীৱকোষৰ জৈৱ সূত্ৰিকালৈ স্থানান্তৰিক কৰিব পাৰিছে। কিন্তু মানুহৰ বা জীৱৰ যিটো মনোবৈজ্ঞানিক গুণ (Psychophysical constitution) তাক এনে ধৰণৰ উপাদানৰ দ্বাৰা ব্যাখ্যা কৰিব নোৱাৰি। বিজ্ঞানীয়ে কিন্তু আত্মা বা পূৰ্বজন্মৰ সংস্কাৰৰ কথা স্বীকাৰ নকৰে। মনক কিহে নিয়ন্ত্ৰণ কৰে, তাৰ ব্যাখ্যা বিজ্ঞানীয়ে কিন্তু আত্মা বা পূৰ্বজন্মৰ সংস্কাৰৰ কথা স্বীকাৰ নকৰে। মনককিহে নিয়ন্ত্ৰণ কৰে, তাৰ ব্যাখ্যা বিজ্ঞানীয়ে দিব পৰা নাই। আমাৰ মনত ভাববিলাক কেনেকৈ উৎপন্ন হয়, তাকো বিজ্ঞানে ব্যাখ্যা কৰিব পৰা নাই।

"Had an individual been only or mainly a body then the transference of the parents' physical perrides through the reproductive cells might provide a safisfactory explanation for his origination. But undeniably, for more importance than the body is the Mind of the self of an individual...... Mind of the self is not an inherited physical property but has an existance of its own."[১৯]

এটা জীৱৰপৰা ক্ৰমোন্নতি হৈ অন্য জীৱৰ সৃষ্টি হোৱা কথাটো (Theory of Evolution) বিজ্ঞানীয়ে বিজ্ঞানাগাৰত প্ৰমাণ কৰিব পৰা নাই। গতিকে এইটো

কথা সত্য বুলি যেনেকৈ মানি ল'ব নোৱাৰি, তেনেকৈ আধ্যাত্ম বিজ্ঞানে (Spiritual science) কোৱা কথা যে আত্মাহে এটা জীৱ দেহৰপৰা অন্য এটা জীৱদেহলৈ গতি কৰে, দেহৰ সলনি নহয়— এই ধাৰণাটোও মিছা বুলি উৰাই দিব নোৱাৰি। জীৱাত্মাই কৰ্ম অনুসৰি পিছৰ জন্মত একোটি জীৱদেহ বাচি লয়— দেহবোৰ আগৰপৰাই আছেই। এই তত্ত্বৰ ওপৰত ভেটি কৰি মহাভাগৱতত কেইটামান আখ্যান পোৱা যায়।

ৰজা ভৰত পিছৰ জন্মত হৰিণ হৈ জন্ম লাভ কৰে আৰু তাৰ পাছত জড় ভৰত হৈ জন্মগ্ৰহণ কৰা আখ্যানটো এনে তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত, এইটো কৰ্মফলৰ এটি উদাহৰণ। গীতাই বা ভাগৱতে কোৱাৰ দৰে মৃত্যুৰ সময়ত যি ভাব কৰি দেহ ত্যাগ কৰা হয়, পিছৰ জনমত সেই দেহ ধাৰণ কৰে। ৰজা ভৰতে মৃত্যুৰ সময়ত হৰিণৰ চিন্তাত দেহ ত্যাগ কৰা বাবে পিছৰ জনমত হৰিণ হৈ জন্মিল। কিন্তু পূৰ্বজন্মৰ সৎকৰ্মৰ বাবে হৰিণ হৈয়ো পূৰ্বসংস্কাৰ মনত পৰিল আৰু সৎসঙ্গ লৈ পিছত উন্নত প্ৰাণী অৰ্থাৎ মানুহ হৈ (জড় ভৰত) জন্মিলে আৰু ঈশ্বৰ চিন্তা কৰি মুক্তি লাভ কৰিলে।

“প্ৰাৰব্ধৰ কৰ্ম্ম আসি নৃপতিক
মৃগ ৰূপে লাগ পাইল।
মাধৱৰ পূজা যোগ অভ্যাসন্তে
টানিয়া তাঙ্গ পেলাইল।।
দেখা নৃপবৰ পৰম আশ্চাৰ্য্য
প্ৰাৰব্ধ কৰ্ম্মৰ ফল।
নৃপতি ভৰত কৃষ্ণৰ ভকত
যোগত অতি কুশল।।
...........................
হৰিণক চিন্তি মৰিল যিহেতু
সেহি কৰ্ম্ম অনুসাৰে।
হৰিণৰ গৰ্ভে ভৈল উতপত্তি
কালঞ্জৰ গিৰিবৰে।।
কৃষ্ণৰ চৰণ সেৱাৰ বলেসে
হইলেক জাতিস্মৰ (পূৰ্বজন্ম কথা)
অসন্ত সঙ্গত ভৈল হেনমত
জানিলন্ত নৃপবৰ।।
.......................
ভৈল ভাগ্যক্ষয় জানিয়া হৃদয়ে
শৰীৰ এৰিব মনে।
গণ্ডকী জলত ভৈল কণ্ঠগত
নমিয়া কৃষ্ণৰ চৰণে।।”

— ভাগৱত, ৫ম

সেইদৰে চিত্ৰকেতু উপাখ্যান বা অজামিল উপাখ্যান এইবিলাকৰ যোগেদি জন্মান্তৰ ৰহস্যৰ কথাকে কোৱা হৈছে। প্ৰিয়ব্ৰত ৰজাই মৎস্যৰ যি অৱতাৰ দেখিছিল তাকো দেহৰ বিকাৰ আৰু আত্মাৰ বিকাৰহীন তত্ত্বকে প্ৰকাশ কৰিছে। “ইন্দ্ৰিয়ৰ বলে ৰাজা জন্মৰ বিকাৰ, আত্মাৰ বিকাৰ নাই জানিবাহা সাৰ”। (নিমি নৰসিদ্ধ সংবাদ)। এই সকলোবিলাকৰ যোগেদি আত্মাৰ অবিনাশী তত্ত্ব আৰু জীৱাত্মাৰ পুনৰ জনমৰ কথা কোৱা হৈছে।

**উপসংহাৰ ঃ** আধ্যাত্মিক তত্ত্বৰ কথা বিজ্ঞানে প্ৰমাণ কৰিব পৰা নাই। কিন্তু, প্ৰমাণ কৰিব নোৱাৰাৰ বাবে আত্মাক অস্বীকাৰ কৰাও নাযায়। যিহেতু মানুহৰ ইন্দ্ৰিয়ৰ সীমাবদ্ধতা আছে; গতিকে ভৌতিক জ্ঞানেৰে অভৌতিক জ্ঞানৰ কথা জানিব নোৱাৰি। ইয়াৰ বাবে বিশেষ সাধনাৰ প্ৰয়োজন। বিশেষ উপায়েৰেহে আত্মাক জানিব পাৰি। গতিকে আৰব্ধ, অনাৰব্ধ আৰু প্ৰাৰব্ধ কৰ্মৰ বিষয়ে বিজ্ঞানৰ দ্বাৰা সম্পূৰ্ণকৈ সত্য বুলি প্ৰমাণ কৰিব নোৱাৰি। কিন্তু পুনৰ জন্মৰ কথা বিজ্ঞানীসকলে তথ্য সহকাৰে প্ৰমাণ কৰিছে। যিহেতু শৰীৰৰ মৃত্যুৰ পাছত অন্য এজন ব্যক্তিয়ে এনে তথ্যৰ যোগান ধৰিছে, গতিকে পুনৰ জনম এটি অভৌতিক সত্তাৰ যোগেদি হয় বুলি প্ৰমাণিত হয়। মুঠ কথা, সৎ কৰ্মৰ সৎ ফল, আৰু অসৎ কৰ্মৰ অসৎ ফল। সৎ কৰ্মৰ

বাবে সৎ সঙ্গৰ প্ৰয়োজন। মহাপুৰুষে সেয়ে সৰ্বক্ষণতে সৎসঙ্গত হৰিনাম শ্ৰৱণ-কীৰ্তন কৰিবলৈ উপদেশ দিছে।

"সংসাৰত তৰিতে ইচ্ছা আছে যাৰ
কৰিয়ো হৰি কীৰ্ত্তন।
পৰম নিৰ্ম্মল গতি পাইবা সুখে
চিণ্ডিয়া কৰ্ম্ম বন্ধন।
সৱে কৰ্ম্ম বন্ধ হৈব ক্ষীণ
অন্ত কাল মোত যাইবে লীন।।"

— কীৰ্ত্তন, প্ৰহ্লাদ চৰিত।■■

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১। ৰাধানাথ ফুকন ঃ জন্মান্তৰ ৰহস্য— ৰাধাফুকন ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ১৯৮৮, পৃ. ৪৮৮
২। Throdosins Dubzhansky : The biology of Ultimate cannon.
৩। বঙ্কিম চন্দ্ৰ চেতাৰ্জী ঃ বঙ্কিম ৰচনাৱলী, সাহিত্য সংসদ কলিকতা।
৪। ৰাধানাথ ফুকন ঃ জন্মান্তৰ ৰহস্য— ৰাধানাথ ফুকন ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ১৯৮৮, পৃ. ৪৮৮
৫। A.C. Bhaktivedenta Swami Prabhupada : Coming Back, ISKCON, 1993, p.-xiv
৬। Study of twins contirms life after death. The Assam Tribune, 29th, july, 1998
৭। Hellen Wambach : Life Before Life, Bantam Book-1979
৮। B.K. Jagdish Chander : Eternal world Drama, Matter and God : Prajapita Brahma Kumaris Ishwariya Vishwavidyalaya, 1985. p-44
৯। do
১০। B.K. Jagdish Chander : Science and Spirituality Bramha Kumaris World Spiritual University-1988
১১। Arnold Toynbee and others : Life After Death
১২। Martin Ebon : The Evidence for Life After Death.
১৩। R.A. Moody : Life After Life, Bantam-1977
১৪। C.J. Ducasse : Body, Mind and Death : Cromwell Publication : 1964
১৫। A.C. Bhaktivedanta Swami Prabhupada : Coming Back, ISKCON, 1993, p-xv
১৬। do
১৭। The Jakuta Post, October-5, 1984 : (in Enternal World Drama, of Souls, Matter and God.)
১৮। P.D. Onspenskynol T. Organnum, The Third Cannon of Thought, A Key to the Enigma of the World.
১৯। B.K. Jagdish Chender : Genetic System and the re-micunation of Soul (In the Eternal World Drama of Souls, Matter and God) p-18.

# মহাপুৰুষ মাধৱদেৱৰ নাটকৰ বৈশিষ্ট্য ঃ এটি চমু আলোচনা

ড° ইন্দিৰা শইকীয়া বৰা

মহাপুৰুষ শঙ্কৰদেৱৰ একান্ত বাধ্য প্ৰিয়তম শিষ্য মাধৱদেৱো গুৰুজন সদৃশ ধৰ্মগুৰু, কবি, সঙ্গীতজ্ঞ, নাট্যকাৰ। অসমৰ সামাজিক, সাংস্কৃতিক, সাংগঠনিক চিন্তা জগতত মহাপুৰুষ মাধৱদেৱৰ এখন সুকীয়া আসন আছে। মহাপুৰুষ মাধৱদেৱৰ প্ৰভাৱশালী ব্যক্তিত্ব, সূক্ষ্মদৰ্শী মনোভাৱ আৰু সুনিপুণ বিচক্ষণতাৰ বাবেই গুৰুজনা শঙ্কৰদেৱে নেতৃত্ব দিয়া নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰি তাক প্ৰতিষ্ঠা লাভ কৰাত ভালেখিনি সহায় কৰিছিল। তেওঁ শঙ্কৰদেৱৰ সান্নিধ্য লাভ কৰি তেওঁৰ মুখ্য সহযোগী হৈ ধৰ্মচৰ্চা আৰু সাহিত্য সংস্কৃতিৰ উৎকৰ্ষ সাধনত মহাপুৰুষ গৰাকী ব্ৰতী হৈ পৰিছিল। তেওঁৰ সাহিত্য কৰ্মৰ প্ৰতিটো দিশতে গভীৰ চিন্তা আৰু অনেক তাৎপৰ্যপূৰ্ণ কথা নিহিত হৈ আছে। ধৰ্ম প্ৰচাৰকে মুখ্য উদ্দেশ্য কৰি লৈও তেওঁৰ নাটক বা ঝুমুৰাসমূহৰ মাজেৰে মাধৱদেৱে দৰ্শকৰ মন সহজে জয় কৰিব পাৰিছিল। গুৰুজনাৰ সাহিত্য কৰ্মৰ ভিত্তিতেই তেওঁৰ ঝুমুৰাসমূহো গঢ় লৈ উঠিছিল যদিও তাৰ মাজেৰে মাধৱদেৱে অসমীয়া সমাজক নতুন সোৱাদ দিব পাৰিছিল।

মহাপুৰুষ মাধৱদেৱে গুৰুক অনুসৰণ কৰি ছয়খন নাট ৰচনা কৰিছিল বুলি প্ৰবাদ প্ৰচলিত আছে। মাধৱদেৱৰ বিৰচিত নাটকবোৰক নাট, নাটক বা ঝুমুৰা বুলি জনা যায়। অৰ্জুনভঞ্জন, চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি-লেটোৱা, ভোজনবেহাৰ। এই ছয়খন নাট যে মাধৱদেৱৰ দ্বাৰা ৰচিত সেই বিষয়ে সমালোচকসকলৰ মাজত কোনো মতভেদ নাই। বাকী ষষ্ঠখন নাট এতিয়াও স্থিৰ কৰিবপৰা হোৱা নাই। চৰিতপুথি মতে মাধৱদেৱে 'ৰাম-বিজয়' আৰু 'গোৱৰ্দ্ধন যাত্ৰা' নামৰ দুখন নাট ৰচনা কৰি অভিনয় কৰিছিল। (কথা গুৰুচৰিত, পৃ.৪০৮—৪৩৩)। কালিৰাম মেধি ডাঙৰীয়াৰ 'অঙ্কাৱলী'ত মাধৱদেৱৰ ভণিতা থকা আৰু কেবাখনো সন্নিৱিষ্ট নাট হৈছে। কোটোৰা খেলা, ব্ৰহ্মমোহন, ভূষণ হৰণ, ৰাস-ঝুমুৰা— এই চাৰিখন নাট মাধৱদেৱৰ নামত আন কোনোবাই ৰচনা কৰা বুলি মেধি ডাঙৰীয়াই তেখেতৰ পাতনিত মত প্ৰকাশ কৰিছে। কাহিনী, বিষয়বস্তু, চৰিত্ৰ আৰু ৰচনাৰীতি আদিলৈ লক্ষ্য কৰি মেধি ডাঙৰীয়াই কোৱা 'ভূষণ-হৰণ'ৰ ঠাইত 'গোৱৰ্দ্ধন যাত্ৰা'খনিহে মাধৱদেৱৰ নাট। বাকী সন্দেহযুক্ত নাটকেইখনত নান্দী শ্লোক নাই, আনকি মাজত বা শেষতো কোনো শ্লোক নাই। কাৰণ সন্দেহ নথকা মাধৱদেৱৰ নাটকেইখন নান্দী শ্লোকেৰে আৰম্ভ হৈছে। ভূষণ হৰণ, ৰাস-ঝুমুৰা আৰু কোটোৰা খেলা— এই তিনিখন নাটত ৰাধাক প্ৰধান চৰিত্ৰৰূপে অঙ্কিত কৰা হৈছে। মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মত ৰাধাৰ স্থান নাই, ভূষণ-হৰণত সন্নিৱিষ্ট হোৱা পাঁচটা গীত মাধৱদেৱৰ বৰগীতৰ তালিকাত অন্তৰ্ভুক্ত হৈছে যদিও বহুতে সেই বৰগীতকেইটা থকা ৰাধা চৰিত্ৰৰ প্ৰাধান্য, পৰকীয়া প্ৰেমৰ বৰ্ণনা, নিম্নৰুচি আৰু নান্দীগীতৰ অভাৱ আদিলৈ লক্ষ্য কৰি পণ্ডিতসকলে এই কেইখন মহাপুৰুষ মাধৱদেৱৰ নাট বুলি পণ্ডিতসকলে মানি ল'ব খোজা নাই। কিন্তু কোনো কোনো পণ্ডিতে ভূষণ-হৰণ নাটখনত

[illegible]

ইয়াত দেখা নাযায়। শঙ্কৰদেৱৰ নাটৰ নায়ক সাধাৰণতে যুৱা কৃষ্ণ, কিন্তু মাধৱদেৱে সদায়েই শিশু কৃষ্ণৰ চৰিত্ৰহে তেওঁৰ ঝুমুৰাবোৰত অঙ্কন কৰে। মাধৱদেৱৰ ঝুমুৰাত শৃঙ্গাৰ আৰু বীৰৰসৰ স্থান নাই। নাৰী চৰিত্ৰ প্ৰধান। মাধৱদেৱৰ ৰচনাৰ শ্ৰেষ্ঠতম নাৰী চৰিত্ৰ হ'ল— মাতৃ যশোদা।

মাধৱদেৱৰ নাটসমূহৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিলে দেখা যায়—

মাধৱদেৱৰ 'অৰ্জুন-ভঞ্জন' তেওঁৰ প্ৰথম নাট। ইয়াৰ ৰচনাকাল ১৫৩৮ খ্ৰীষ্টাব্দ। ইয়াত মাধৱদেৱে পূৰ্ণাঙ্গ কাহিনী বৰ্ণনা কৰিছে। বাকী ঝুমুৰাসমূহত পূৰ্ণাঙ্গ কাহিনী দেখা নাযায়। জীৱনৰ অতি সূক্ষ্ম, চিনাকি আৰু ঘৰুৱা কাহিনী বা পৰিৱেশসমূহকে ঝুমুৰাসমূহৰ মাজেদি ফুটাই তুলিছে। মাধৱদেৱৰ নাটকেইখনে সংস্কৃত নাট্যবিধিৰ পঞ্চসন্ধি বা পঞ্চ অৱস্থাৰ চিত্ৰণ দেখুৱাবলৈ সম্ভৱ নহয়। চুটি কাহিনীসমূহত চৰিত্ৰই বিকাশ লাভ কৰিবলৈ অৱকাশ পোৱা নাই। কিন্তু ইয়াৰ মাজতেই মহাপুৰুষজনাই শিশু চৰিত্ৰৰ মানসিকতা সুন্দৰকৈ ফুটাই তুলিব পাৰিছে। কাহিনীসমূহ ঈশ্বৰ বিষয়ক যদিও বাস্তৱসন্মত হোৱা বাবে ই জনমানসক সহজেই আকৰ্ষণ কৰিব পাৰিছে।

মহাপুৰুষ মাধৱদেৱে শঙ্কৰদেৱৰ নাট্যৰীতি বহুতো ক্ষেত্ৰত মানি চলা নাই। তেওঁৰ কেবাখনো নাট 'ভটিমা' বৰ্জিত। শিশুকৃষ্ণৰ খেল-ধেমালি, ছল-চাতুৰী আদিয়েই তেওঁৰ নাটকবোৰৰ প্ৰধান বিষয়। কোনো কোনো আখ্যান ভাগৱতপুৰাণ আদিৰ ওপৰত প্ৰতিষ্ঠিত যদিও কোনো কোনোবোৰ মৌলিক। কৃষ্ণ-যশোদাৰ চৰিত্ৰ চিত্ৰণত মৌলিকতাৰ পৰশ সজীৱ আৰু সতেজ।

মাধৱদেৱৰ ঝুমুৰা কেইখনত পূৰ্ণ আখ্যান বা উপাখ্যান নাই। গতিকে সংঘাতৰ পৰিসৰ সীমাবদ্ধ। ল'ৰালি কালৰ কোনো একোটা মুহূৰ্তত কৃষ্ণই আচৰণ কৰা বালকসুলভ দুষ্টালি বা চাতুৰিক কেন্দ্ৰ কৰি নাটকেইখনৰ কথাবস্তু ৰচনা কৰা হৈছে। প্ৰত্যেকখন নাটতেই অঙ্কন কৰা হৈছে মুহূৰ্ত একোটাৰ ঘটনা। দীৰ্ঘ সময়ব্যাপী ঘটনা নহয়। পৰিস্থিতি বিশেষৰ মুহূৰ্তকালীন ঘটনা চিত্ৰক নাটৰ বিষয়বস্তুৰূপে গ্ৰহণ কৰা কাৰণে নাটকীয় সংঘাত অতিশয় লঘু হৈছে। ভোজন-বেহাৰ নাটত নাটকীয় বিৰোধ আৰম্ভ হ'বৰ উপক্ৰম হওতেই নাটৰ সামৰণি পৰিছে। সেই কাৰণে আধুনিক লঘু একাঙ্কিকাৰ লগত মাধৱদেৱৰ নাটসমূহ তুলনা কৰিব পাৰি।

মাধৱদেৱৰ ঝুমুৰাকেইখনৰ প্ৰধান নায়ক শিশুকৃষ্ণ আৰু আন চৰিত্ৰৰ ভিতৰত যশোদাই প্ৰধান। আন অঙ্কীয়া নাটৰ দৰে গীত আৰু সূত্ৰধাৰৰ নিৰ্দেশৰ প্ৰাধান্য থাকিলেও মাধৱদেৱৰ নাটৰ কৃষ্ণ আৰু যশোদা বেছি সজীৱ আৰু স্বকীয়তাপূৰ্ণ। বালক কৃষ্ণৰ দুমুখীয়া ব্যক্তিত্ব ঝুমুৰা কেইখনত ফুটাই তুলিবলৈ মাধৱদেৱ সমৰ্থ হৈছে। সাধাৰণ দৃষ্টিত কৃষ্ণ মানৱশিশু, কিন্তু ভক্তৰ দৃষ্টিত তেওঁ নৰৰূপী নাৰায়ণ। সাধাৰণ মানৱ শিশুৰ ব্যৱহাৰ আৰু কাৰ্যাৱলী কৃষ্ণৰ চৰিত্ৰত আৰোপ কৰিছে যদিও নাট্যকাৰে দৰ্শকক বাৰে বাৰে তেওঁৰ কপট ৰূপটোৰ বিষয়ে সোঁৱৰাই দিছে। কৃষ্ণৰ মানৱীয়দিশটোত ভেম, অভিমান, আমনি, দুষ্টালি, চাতুৰি আদি গুণ প্ৰকাশ পাইছে। আনফালে ঐশ্বৰিক দিশটোত ভগৱানৰ ঐশ্বৰ্য আৰু কৰুণা এই দুটা বিশেষত্ব সুন্দৰকৈ প্ৰকাশ পাইছে।

মাধৱদেৱৰ ঝুমুৰাসমূহত কৃষ্ণৰ জননী যশোদাই প্ৰধান ভূমিকা লৈছে। যশোদা মাতৃস্নেহৰ সাৰ্থক প্ৰতিমূৰ্তি। যশোদাৰ চৰিত্ৰত স্নেহময়ী জননীৰ ৰূপটো সুন্দৰকৈ ফুটি ওলাইছে। যশোদা কৃষ্ণ অনুৰক্তা। কৃষ্ণৰ প্ৰতি থকা আদৰ, শাসন আৰু উৎকণ্ঠাৰে তেওঁ এটি মিশ্ৰিত চৰিত্ৰ। অৰ্জুন-ভঞ্জন নাটত যশোদাই কৃষ্ণক বান্ধিবলৈ লওঁতে ৰোহিনীকে প্ৰমুখ্য কৰি গোপীবিলাকে কৃষ্ণৰ প্ৰতি দৰদ প্ৰকাশ কৰাত যশোদাৰ খঙৰ মাত্ৰা বৃদ্ধি পাইছে। পুতেকক স্নেহ কৰা

বা শাস্তি বিধান কৰা মাকৰ একচেতীয়া অধিকাৰ বুলি সকলো মাকেই ভাবে, যশোদায়ো তেনেদৰে ভাবিছে। কৃষ্ণ-যশোদাৰ সম্পৰ্কৰ মাজেৰে মাধৱদেৱে নাৰীৰ বিশ্বজনীন মাতৃৰূপটো ভাঙি ধৰিছে।

মাধৱদেৱৰ ঝুমুৰাত ৰসৰ পৰিৱৰ্তন নাই বুলিলেও হয়। ঝুমুৰাসমূহ মূল ৰস হৈছে ভক্তিৰস। ইয়াৰ লগে লগে হাস্য আৰু বাৎসল্য ৰসো দেখা যায়। অৰ্জুন-ভঞ্জন নাটত হাস্য আৰু বাৎসল্য ৰসৰ লগতে অদ্ভুত আৰু বিস্ময় ৰসৰো সংযোগ ঘটিছে। বাকীবোৰ ঝুমুৰাত ভক্তিৰস লুপ্ত হৈ হাস্য আৰু বাৎসল্যই মূলৰস হিচাপে থিয় দিছে। পিম্পৰা-গুচোৱাত সামান্য পৰিমাণে কৰুণ ৰসো দেখা যায়। কিন্তু ই অতি কম সময়ৰ কাৰণেহে। এইদৰে লোক নীতি, ধৰ্মনীতি আদিৰ মাজেৰে মহাপুৰুষজনাই ভক্তিতত্ত্ব অতি সুন্দৰ আৰু সহজকৈ প্ৰকাশ কৰিব পাৰিছে। গহীন-গম্ভীৰ পৰিৱেশৰ ঠাইত লঘু আৰু শিশু উপভোগ্য সৰল পৰিৱেশৰ উদ্ভৱ হৈছে।

শঙ্কৰদেৱৰ নাটৰ তুলনাত ঝুমুৰাবোৰৰ শ্লোকৰ সংখ্যাও কম। অৰ্জুন-ভঞ্জন নাটকখনিত মাত্ৰ পাঁচটা শ্লোকহে আছে। সেইদৰে ভোজন-বেহাৰত তিনিটা ভূমিলেটোৱা আৰু চোৰধৰাত দুটা আৰু পিম্পৰা গুচোৱাত এটামাত্ৰ শ্লোকৰ ব্যৱহাৰ কৰা হৈছে। ভূষণ হৰণ ঝুমুৰাত শ্লোকৰ ব্যৱহাৰেই নাই। তদুপৰি ঝুমুৰাসমূহত ব্যৱহৃত শ্লোকবোৰ মাধৱদেৱৰ স্বৰচিত শ্লোক নহয় বুলি পণ্ডিতসকলে অনুমান কৰে। সেই কাৰণে বিভিন্ন ঠাইত উদ্ধাৰ হোৱা ঝুমুৰাসমূহত অৱশ্যে উল্লিখিত শ্লোকৰ কম-বেছি হোৱা দেখা গৈছে।

'নান্দ্যন্তে সূত্ৰধাৰঃ' এই কথাষাৰে সংস্কৃত নাটসমূহত যিদৰে নান্দী শ্লোকৰ পাঠক সূত্ৰধাৰ হয় নে নহয় এই বিষয়টোত সন্দেহৰ সৃষ্টি কৰিছে। মাধৱদেৱৰ নাটত সেই সন্দেহ আঁতৰিছে। কিয়নো সূত্ৰধাৰৰ প্ৰৱেশ বা প্ৰস্থানসূচক কোনো ভক্তি তেওঁৰ নাট বা ঝুমুৰাসমূহত পোৱা নাযায়। অথচ সূত্ৰধাৰৰ বচন ঠায়ে ঠায়ে ব্যাপ্ত হৈ আছে। ইয়াৰ পৰা নিঃসন্দেহে ঠাৱৰ কৰিব পাৰি যে— অঙ্কীয়া নাটত সূত্ৰধাৰ আদিৰ পৰা অন্তলৈকে থাকেই এই বিষয়ে উল্লেখ কৰিলেহে— সন্দেহৰ সৃষ্টি হয়। সেই কাৰণে মাধৱদেৱে উল্লেখ কৰাটোকে বাদ দিছে।

মাধৱদেৱৰ ঝুমুৰাসমূহৰ ভাষা সৰল আৰু অলঙ্কাৰবিহীন। ঈশ্বৰবিষয়ক বিষয়বস্তুৰ গভীৰতা আৰু আত্মোপলব্ধিৰ কাৰণে সাধাৰণ মানুহে বুজিব পৰাকৈ সৰল ব্ৰজাৱলী ভাষাকেই মাধৱদেৱে ব্যৱহাৰ কৰিছিল। শঙ্কৰদেৱৰ নাটতকৈ মাধৱদেৱৰ ঝুমুৰাসমূহত যোজনা আৰু জতুঁৱা ঠাৱৰ প্ৰয়োগ বেছি। এইবোৰ গীত আৰু বচনসমূহ অসমীয়া সমাজৰ বেছিকৈ ওচৰচপা। ব্যাকৰম ৰীতিত মাধৱদেৱে গুৰু শঙ্কৰদেৱৰ ৰীতি অনুসৰণ কৰিছিল। এইৰীতি পুৰণি অসমীয়া সাহিত্যৰ ব্যাকৰণ ৰীতিতকৈ পৃথক। প্ৰাচীন অসমীয়া ভাষাত অপ্ৰচলিত দুই এটা ব্যাকৰণৰ গঢ় মাধৱদেৱৰ গীতত দেখা যায়। তেওঁৰ ঝুমুৰাৰ বচনসমূহে কামৰূপী শব্দ (লাগ, লাগল, কটি ইত্যাদি) আৰু গ্ৰাম্য কথনভঙ্গীৰ মিশ্ৰণেৰে ঘৰুৱা ৰূপ গ্ৰহণ কৰিছে। উদাহৰণ 'মাটিত থেকে চাই থৈয়া', ৰাগ চাৱল, ধুৱাইতে-ঝুৱাইতে, চাৰ পড়োক চুৰুণী ইত্যাদি। মাধৱদেৱে ভাগৱতৰ দশম আৰু হৰিবংশৰ পৰা অৰ্জুন-ভঞ্জনৰ কাহিনীভাগ গ্ৰহণ কৰিছিল। অৰ্জুন-ভঞ্জনৰ ঘটনাটো দশম স্কন্ধৰ নৱমৰ পৰা একাদশ অধ্যায়ত বৰ্ণিত হৈছে। বাকী ঝুমুৰাসমূহৰ বিষয়বস্তু বিল্বমঙ্গল বা লীলাশুকৰ কৃষ্ণ কৰ্ণামৃত গ্ৰন্থৰ শ্লোক বিশেষক উল্লেখ থকা ঘটনাক ভেটি কৰি বিষয়বস্তু ৰচনা কৰা হৈছে। কৃষ্ণকৰ্ণামৃত গ্ৰন্থত থকা বালগোপালৰ লীলাবিষয়ক সুন্দৰ, সৰল আৰু ভক্তিমূলক শ্লোকসমূহৰ দ্বাৰা মাধৱদেৱ বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। অৱশ্যে কেইখনমান নাটকত ভাগৱত আৰু হৰিবংশৰ প্ৰভাৱো মন কৰিবলগীয়া। চোৰধৰা, পিম্পৰা-গুচোৱা আৰু ভূমি-লেটোৱা ঝুমুৰাৰ কাহিনী

বিল্বমঙ্গল স্তোত্ৰৰ পোনপটীয়া নাট্যৰূপ। পিম্পৰা গুচোৱা ঝুমুৰাৰ নামটোত লোৱা হৈছে— ‘পিপিলিকাপণয়ম্’ শব্দৰ পৰা। অৰ্জুন-ভঞ্জনৰ কাহিনী ভাগত ভাগৱত, হৰিবংশ আৰু বিশ্বমঙ্গলৰ শ্লোক জড়িত আছে। একমাত্ৰ ভোজন-বেহাৰ নাটখনিহে কেৱল ভাগৱতৰ কাহিনীৰ আধাৰত ৰচিত। মাধৱদেৱৰ ৰচনাসমূহৰ ওপৰত বিখ্যাত কবি, সুৰকাৰ সুৰদাসৰ ৰচনাৰ পৰশো অনুমান হয়।

মাধৱদেৱৰ ঝুমুৰাসমূহৰ এটি মন কৰিবলগীয়া বিশেষত্ব হ'ল ইয়াৰ মাজত থকা গীত-মাত আৰু নৃত্যৰ আধিক্য। ইয়াৰ গীতবোৰ প্ৰায়েই আনুভূতিক পৰ্যায়ৰ। যশোদা, গোপিনী, ৰাধা আৰু গোপ বালকৰ সৈতে থকা কৃষ্ণৰ সম্পৰ্কৰ কথা মনোগ্ৰাহীকৈ এই গীতবোৰৰ মাজেৰে ডাঙি ধৰা হৈছে। ভূষণ-হৰণৰ গীতবোৰত ৰাধাকৃষ্ণৰ সম্পৰ্ক বৰ্ণনা আছে, কিন্তু প্ৰণয়ৰ ৰোমাঞ্চকৰ বৰ্ণনা তাত নাই। সঙ্গীত বহুল ঝুমুৰাসমূহত সুদীৰ্ঘ কাহিনীৰ পৰিৱৰ্তে চমু পৰিস্থিতিৰ ওপৰত তেওঁ নাট্যবস্তু প্ৰতিষ্ঠিত কৰিছে।

সংস্কৃত নাট্যশাস্ত্ৰৰ মতে ‘সঙ্গী’ নামেৰে এটা চৰিত্ৰৰ সৈতে সূত্ৰধাৰে নাট পৰিৱেশনৰ প্ৰাথমিক আলাপ-আলোচনা কৰে। শঙ্কৰদেৱে এই চৰিত্ৰৰ সংযোগ কৰিছে, পৰৱৰ্তী বৈষ্ণৱ নাট্যকাৰসকলেও বহু ঠাইত কৰিছে। কিন্তু মাধৱদেৱৰ ঝুমুৰাসমূহত দেখা নাযায়। পিম্পৰা গুচোৱা নাটৰ আৰম্ভণি আৰু মাজত সূত্ৰধাৰৰ কোনো উল্লেখ নাই। একেবাৰে শেষত সূত্ৰধাৰে মাত্ৰ নাটখনৰ সামৰণিহে ঘোষণা কৰিছে।

শেষত উল্লেখ কৰিব পাৰি যে মহাপুৰুষ মাধৱদেৱৰ ঝুমুৰাসমূহৰ মাজেৰে বেদান্ত দৰ্শনৰ তত্ত্বকথা প্ৰকাশ পাইছে। শিশু কৃষ্ণৰ চৰিত্ৰৰ মাজেদি মাধৱদেৱে সহজ-সৰল ভাষাৰে জনমানসত ঐশ্বৰিক ৰূপটোক প্ৰকাশিত কৰি দেখুৱাইছে। লগতে বেদান্তৰ দুৰূহ তত্ত্ব প্ৰকাশ কৰা হৈছে। শিশুকৃষ্ণৰ ঐশ্বৰিক দিশটোৰ মাজেদি অৱতাৰী ভগৱানৰ লীলা বিনোদনৰ তত্ত্ব প্ৰকাশ পাইছে। সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণৰ গৰখীয়া ৰূপৰ মাজেৰে মাধৱদেৱে বিচাৰি পাইছে ভক্তবৎসল ভগৱানৰ অপাৰ মহিমা। অন্তৰ্য্যামীৰূপে জীৱৰ নিয়ন্ত্ৰণ কৰি চিদানন্দ ব্ৰহ্মৰূপে তেওঁ সমস্ত জগততে বিয়পি আছে। তেওঁৰ মায়াই তেওঁৰেই স্বৰূপ ঢাকি ৰাখে, সেই কাৰণে সাধাৰণ জীৱবোৰে তেওঁৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰে।

ওপৰত আলোচনাসমূহৰ বৈশিষ্ট্যৰ বাবেই ঝুমুৰাসমূহৰ জনপ্ৰিয়তা অধিক। একেধাৰে গীতিকাৰ, সুৰকাৰ, সঙ্গীতজ্ঞ, নাট্যকাৰ অভিনেতা, বেদান্ততত্ত্বৰ বিদগ্ধ পণ্ডিত আৰু ধৰ্ম প্ৰচাৰক মহাপুৰুষ মাধৱদেৱৰ ঝুমুৰাসমূহ অসমীয়া বৈষ্ণৱ সাহিত্যৰ অমূল্য সম্পদ। তেওঁৰ সাহিত্যিক কৰ্মৰাজিয়ে অসমীয়া সমাজক প্ৰেৰণা যোগাই আহিছে।■■

**সহায়ক গ্ৰন্থ ঃ**

১। মাধৱদেৱ অধ্যয়ন ভূমিকা ঃ শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ
২। নাটক আৰু নাট্যকাৰ ঃ ড° পোনা মহন্ত
৩। অঙ্কমালা ঃ ড° কেশৱানন্দ দেৱগোস্বামী
৪। অসমীয়া নাট্য সাহিত্য ঃ শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা
৫। অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি ঃ ড° হৰিচন্দ্ৰ ভট্টাচাৰ্য
৬। মাধৱদেৱৰ ভক্তি সাহিত্য ঃ ড° পূৰ্ণানন্দ শইকীয়া

# কীৰ্ত্তনৰ শিশুলীলা অধ্যায়ৰ এক তাত্ত্বিক বিশ্লেষণ

**প্ৰদীপ কুমাৰ শইকীয়া**

'কীৰ্ত্তন-ঘোষা' শ্ৰীমন্ত শঙ্কৰদেৱৰ অপূৰ্ব সৃষ্টি, ভক্তৰ ভুকুতি-মুকুতিৰ বাবে তাৰাই ৰোপণ কৰা মৰ্ত্যৰ কল্পতৰু স্বৰূপ। কীৰ্ত্তন পুথি ভাগৱতৰ নৱনীত সদৃশ। ভগৱন্তৰ পতিত পাৱন আৰু ভক্তানুগ্ৰহ গুণৰাশি কীৰ্তনৰ প্ৰায়বোৰ অধ্যায়ত বিৰাজমান। বৈষ্ণৱ ভক্তিধৰ্মৰ অনুপম গ্ৰন্থখনত বৈষ্ণৱ ধৰ্মৰ সকলোবোৰ মূল তত্ত্বকে অতি আকৰ্ষণীয় ৰূপত সহজ-সৰল তথা প্ৰাঞ্জল ভাবে দাঙি ধৰিছে। ইয়াত ভকত আৰু ভক্তিৰ স্বৰূপ, ভগৱন্তৰ ৰূপ-মহিমা, বেদান্তৰ তত্ত্ব, ভক্তি সাধনৰ অমূল্য সম্পদ নাম প্ৰকাশ হোৱাৰ উপৰি সাহিত্য আৰু সঙ্গীতৰ সুধায়ো স্পষ্টৰূপত প্ৰকাশ পাইছে।

কীৰ্ত্তন-ঘোষাৰ দশম খণ্ডত এঘাৰটি কীৰ্তনত শিশুলীলা খণ্ড বৰ্ণনা কৰা হৈছে। এই অধ্যায়টি ভাগৱতৰ দশম স্কন্ধৰ ৩—১৫ অধ্যায়ৰপৰা মূল সংগ্ৰহ কৰিছে। মূলৰ ৫৩২টা শ্লোকৰপৰা গুৰুজনাই ১৬৫টি পদত মনোমোহা ৰূপত শেষ কৰিছে। হৰিবংশ, দেৱী ভাগৱত, ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ, বিষ্ণুপুৰাণ আদিতো কৃষ্ণ জন্ম, শিশুলীলাৰ বিষয় বিবৃত হৈছে। ব্ৰহ্মাণ্ড পুৰাণতো কৃষ্ণৰ জন্ম বিষয় সংক্ষেপে নথকা নহয়।

'কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ' বুলি আৰম্ভ কৰিছে। শঙ্খ, চক্ৰ, গদা, পদ্ম ধাৰণ কৰা চতুৰ্ভূজৰূপী অদ্ভুতবালক দেখি বসুদেৱ-দৈৱকীৰ স্তুতি, চতুৰ্ভূজৰূপ ভগৱন্তই পৰিহাৰ কৰি শিশুৰূপ ধাৰণ কৰাত বসুদেৱে কোলাত লৈ যাত্ৰা, ভগৱন্তৰ নিৰ্দেশত কৃষ্ণক নন্দগৃহলৈ নিয়া, ফেনেফোটোকাৰে ওফন্দি বৈ থকা যমুনা নদীয়ে বাট এৰি দিয়া, সৰ্পৰাজে বৰষুণৰপৰা ৰক্ষা কৰিবলৈ কৃষ্ণৰ ওপৰত ফণাৰে ছত্ৰ ধৰা, মোহিনীনাৰীৱেশী পুতনা বধ, শকটৰূপী অসুৰক ভৰিৰে লাথি মাৰি ওলোটাই পেলোৱা অনেক হৃদয়স্পৰ্শী কাৰ্যই প্ৰথম কীৰ্ত্তনটিত সমাৱেশ ঘটিছে। দ্বিতীয় কীৰ্ত্তনত কৃষ্ণক অপহৰণ কৰি নিয়া চক্ৰবাত অসুৰ বধ, শিশুকৃষ্ণই হামি মৰাৰ ছলেৰে মাতৃ যশোদাক মুখ গহ্বৰত সমস্ত জগত দেখুৱা, গৰ্গঋষিৰ দ্বাৰা জাতকৰ্ম, কৃষ্ণই আঠুকাঢ়ি ৰিং পাৰি ব্ৰজৰ মাজত অলপ অলপকৈ ফুৰিবলৈ আৰম্ভ কৰা, সোণৰ ঘঘৰা কৃষ্ণৰ কঁকালত বাজি উঠা, কৃষ্ণই এখোজ-দুখোজকৈ থিয়দঙ্গাদি গোৱালীৰ গৃহত অনেক অনৰ্থ কাৰ্য কৰি ফুৰা, কৃষ্ণৰ অকীৰ্তিসমূহ গোৱালীসৰে যশোদাৰ আগত বৰ্ণনা দিয়া আদি বিচিত্ৰ কাৰ্য বাৰ্তা আছে—

"কি ভৈল তোহ্মাৰ ইটো তনয় দুৰ্জ্জন।
কৃষ্ণৰ নিমিত্তে আউৰ নৰহে জীৱন।।
গাই নতু দোহন্তে দামুৰি মেলে গই।
গৃহ পশি চুৰি কৰি খান্ত দুগ্ধ দই।।"৬৫৮

তৃতীয় কীৰ্ত্তনত কৃষ্ণৰ মানৱী লীলা আৰু ঐশ্বৰিক লীলাই চূড়ান্ত ৰূপত প্ৰকাশ পাইছে। কৃষ্ণই মাটি খোৱা বুলি মাক যশোদাক গোপ শিশুসকলে জনালে। যশোদাই পুত্ৰৰ হাতত ধৰি ক'লে—

"কেনে মাটি খাইলি অৰে গোপাল।
কোবাই আজি তোৰ ফাড়িবো ছাল।।

শুনিয়া কৃষ্ণৰ হৰিল মাত।
চক্ষু টেৰ কৰি মাৰক চান্ত।।৬৬৫

কৃষ্ণৰ মহিমা অপাৰ, অসীম, ব্ৰহ্মাই চাৰিমুখে কৈ শেষ কৰিব নোৱাৰে, চাৰিবেদেও সম্পূৰ্ণ নাজানে। সেইজন ব্ৰহ্মাণ্ডৰ গৰাকী কৃষ্ণক যশোদাই পুত্ৰৰূপে লাভ কৰিছে, মাতৃৰ ৰঙা চকু দেখি চিৰন্তন শিশুই ভয় কৰাৰ দৰে ভয় কৰিছে আৰু লগতে মাকক মৃত্তিকা ভক্ষণ যে কৃষ্ণই কৰা নাই— এই কথা প্ৰমাণ কৰিবলৈ যশোদাক মুখ ব্যাদান কৰি চৰাচৰ জগতখন কৃষ্ণৰ গৰ্ভত দৰ্শন কৰাই নিজ মহিমা বিকশিত কৰিছে। মুখত চৰাচৰ জগত দৰ্শন হোৱাত যশোদাই স্বীকাৰ কৰিছে—

"নুহিকন্ত মোৰ পুত্ৰ মানুষ।
এহেন্তেসে বিষ্ণু আদি পুৰুষ।।"৬৭৪

চতুৰ্থ কীৰ্ত্তনত যশোদাই অধিক লৱণুৰ আশাত দধিমথা, তেনেতে স্তন্য পিপাসু নন্দনন্দনে "মথনিত ধৰিয়া নিষেধি। মথিবাক নেদা আউৰ দধি।।" পুত্ৰৰ উদ্দেশ্য বুজি পাই আথেবেথে কোলে লৈ "দিলা তন পুত্ৰ মুখ চায়া" পুত্ৰৰ স্তনপানৰ সময়তে দুগ্ধ উথলি পৰা দেখি কৃষ্ণক তাতে এৰি দুগ্ধ নমাবলৈ গৈলন্ত লৰড়ে। মাতৃৰ এনে কাৰ্যত পুত্ৰ ক্ৰোধান্বিত হৈ দধি ভাণ্ড ভাঙি পেলালে আৰু নৱানু লৱনু খোৱা খালে নোখোৱাবোৰ সিঁচি নাশ কৰিলে, বানৰকো খুৱালে। পুত্ৰৰ এই কৰ্মত যশোদা অসন্তুষ্ট হৈ পুত্ৰক শাস্তি দিবলৈ উদ্যত হ'ল। ছলছাট কৃষ্ণক ধৰি আনি উড়ালত বান্ধিলেহি। যশোদাই কৃষ্ণক উডুখলত বান্ধিছেহে বান্ধিছে "তথাপি আঙ্গুলা দুই নাটে"। আকৌ ন ন জৰী আনি জোৰা দিছেহি। প্ৰতি জোৰাতে দুআঙ্গুল নাটেহে নাটে এনেবোৰ হাস্যমধুৰ কথাৰে চতুৰ্থ কীৰ্তন পৰিপূৰ্ণ হৈ আছে।

যশোদা পুনৰ গৃহকৰ্মত ব্যগ্ৰ হৈ পৰিল। সেই ছেগতে কৃষ্ণই 'যমলাৰ্জুন-ভঞ্জন' কৰি শাপগ্ৰস্ত হৈ থকা কুবেৰৰ পুত্ৰদ্বয় মণিগ্ৰীৱ আৰু নলকুবেৰক মুক্তি প্ৰদান কৰা, পোহাৰীৰ পাচি সুৱৰ্ণ ৰতনেৰে উপচি পৰা, আলাসতে ঘূৰাই ঘূৰাই দানৱৰূপী অসুৰক মৰা ইত্যাদি কাহিনীৰে পঞ্চম কীৰ্ত্তন ভৰি আছে।

কৃষ্ণ বলৰামে লাহে লাহে ৰিঙ্গলীলা বাদ দি গো-বৎস চাৰণ কৰিবলৈ আৰম্ভিলে। পুতনা বধৰপৰা অৰ্জুন-ভঞ্জনলৈকে যি লীলা কৰিলে সেয়া সাধিত হ'ল গকুলত। ইয়াৰ পিছত চাৰি বছৰ বয়সত কৃষ্ণ বলৰাম বৃন্দাবনলৈ গ'ল। বৃন্দাবনতে দুয়োজনে আনন্দমনে গোচাৰণ কৰিলে। গোচাৰণ কৰোতে আকৌ নানান লীলা কৰিব লগা হ'ল। অনেক অসুৰ বধ কৰি বৃন্দাবনবাসীক ত্ৰাণৰপৰা মুক্ত কৰিলে।

বকাসুৰ বধ, ধেনুকাসুৰ বধ, ময়দানৱৰ পুত্ৰ ব্যোমাসুৰ বধ, গোবৰ্দ্ধন ধাৰণ কৰি ব্ৰজবাসীক ৰক্ষা কৰি ইন্দ্ৰৰ দৰ্পচুৰ কৰা ইত্যাদি চিত্তাকৰ্ষক কাহিনী ষষ্ঠ কীৰ্ত্তনত নিবিষ্ট কৰিছে। সপ্তম কীৰ্ত্তনত প্ৰধানকৈ তিনিটা লীলা প্ৰকাশ কৰিছে। অঘাসুৰ বধ, ভোজন বেহাৰ আৰু ব্ৰহ্মমোহন। দুষ্ট অঘাসুৰে ফন্দি কৰি প্ৰকাণ্ড সাপ এটা হৈ কৃষ্ণ আৰু গোপ শিশুসকলক বাট ভেটি ধৰিলে। সাপৰ শৰীৰটো পৰ্বত সমান।

"তল ওঁঠ মাটিত থাপিল।
উৰ্দ্ধ ওঁট মেঘত লাগিল।।
জিহ্বাখান যেন ৰাজ আলি।
বৎস লৈয়া আইলা বনমালী।।"৭২৫

গোৰক্ষ আৰু দামুৰিয়ে অসুৰৰ কথা নাজানি মুখৰ ভিতৰলৈ সোমাই গ'ল। ভক্তবৎসল কৃষ্ণও অঘৰ গৰ্ভত প্ৰৱেশ কৰিলে। কৃষ্ণই অঘৰূপী সৰ্পক নাশ কৰি গোৰক্ষ আৰু দামুৰিবোৰক জীৱন দান দিলে। অষ্টাবক্ৰ মুনিৰ অভিশাপত সৰ্পহৈ থকা অঘাসুৰ কোটি কন্দৰ্পতকৈয়ো লাৱণ্যময় কৃষ্ণৰ

স্পৰ্শ পাই মুক্ত হৈ কৃষ্ণতে বিলীন হ'ল।

অষ্টম কীৰ্তনত ভগৱন্তৰ লীলা, গুণ, যশ আদি সুমৰণ, ব্ৰজৰ প্ৰজাৰ সৌভাগ্য কথন, আনকি গকুলৰ, তৰুণ, তৃণ, গছ-লতিকা, চৰাই-চিৰিকতি আদিৰো সেই সৌভাগ্যৰ কথা প্ৰকাশ কৰিছে। গুৰুজনাৰ ভাষাত—

"কিনো পূণ্য কৈলে গোকুলৰ বৃক্ষ তৃণে।
তোহ্মাৰ চৰণ ৰেণু পাৱৈ ৰাত্ৰি দিনে।।"৭৫২

কীৰ্ত্তনৰ নৱম অধ্যায়ত কালিদমন লীলা প্ৰকাশ কৰা হৈছে। গো-বৎসসকলে ৰ'দৰ প্ৰকোপত তৃষ্ণাতুৰ হৈ যমুনা হ্ৰদৰ জলপান কৰাত কৃষ্ণৰ অদৰ্শনে 'মৰিল সৱে বৎস বৎসপাল।' কৃষ্ণই সতৃষ্ণ নয়নে চাই সকলোকে জীয়াই তুলিলে। দশম কীৰ্তনত নাগপত্নীসকলৰ আকুল কৃষ্ণস্তুতি, কালিনাগৰ দমন আৰু ৰমনক দ্বীপলৈ প্ৰেৰণ। একাদশ কীৰ্ত্তনত কৃষ্ণই বনবহ্নি পান কৰি গোপ, বালক, নন্দ-যশোদা আদি সকলোকে বনবহ্নিৰপৰা ৰক্ষা কৰি অসাধাৰণ লীলা কৰি দেখুৱাইছে। মুঠতে এঘাৰটা কীৰ্ত্তনত মহাপুৰুষজনাই কৃষ্ণৰ শিশুলীলাৰ কাহিনী মনোমোহা আৰু হৃদয়গ্ৰাহী কৰি তুলিছে।

শঙ্কৰদেৱৰ কীৰ্ত্তন গ্ৰন্থখন যদিও গেয় সাহিত্য তথাপি ই এখন ভক্তি প্ৰকাশ তত্ত্বপ্ৰধান গ্ৰন্থ। শিশুলীলা অধ্যায়টো আৰম্ভৰপৰা শেষলৈকে কৃষ্ণৰ মানৱীয় আৰু ঐশ্বৰিক লীলা কাৰ্যৰ মাজেৰে ভাৰতীয় ভক্তিবাদী ধাৰা প্ৰকট হৈ উঠিছে। প্ৰথম কীৰ্তনত কৃষ্ণ অৱতাৰ হোৱাৰ লগে লগে, "ভাগিল নিহল ভৈল মেলান কপাট" লৌহ পিঞ্জৰাৰ কপাট আপোনা-আপুনি খোলখাই যোৱাটো কৃষ্ণৰ ঐশ্বৰিক মহিমা যদিও ইয়াৰ তাত্ত্বিক দিশটো বিশেষ গুৰুত্বপূৰ্ণ। আমি সকলো জীৱই লৌহ কাৰাগাৰ সদৃশ সংসাৰ চক্ৰত আৱদ্ধ। জীৱৰ কাৰাগাৰ তৈয়াৰ হৈছে ছয়ৰিপু আৰু ছয় উৰ্মিৰ দ্বাৰা। জন্মৰ লগে লগে জীৱক মায়াই আবৃত্ত কৰে। মায়াই জীৱক বন্ধন কৰি ৰাখে তথা বন্দীশালত আৱদ্ধ কৰি অজ্ঞানতাৰে পূৰ্ণ কৰি ঈশ্বৰৰ পৰা বিমুখ কৰি ৰাখে। কৃষ্ণ যিহেতু পূৰ্ণব্ৰহ্ম, পৰম ভগৱান, তেওঁ ত্ৰিগুণাতীতত গতিকে পৰমপিতাৰ অৱতাৰত কোনো বন্ধন থাকিব নোৱাৰে। সেয়েহে আপোনা-আপুনি লৌহ কপাট মেল খাই গৈছে। যমুনাই বাট এৰি দিয়া, সৰ্পই ফণামেলি বৰষুণৰপৰা কৃষ্ণক ৰক্ষা আদি প্ৰতীকাত্মক। সৰ্বকালৰ প্ৰতীক। কৃষ্ণ স্বয়ং ভগৱান, গতিকে তেওঁ কালৰ অধীন নহয়। সেয়েহে কৃষ্ণৰ লগত কালৰ প্ৰতীক সৰ্পই ফণা মেলি যোৱাটো তাত্ত্বিকতাহে মাথোন।

কৃষ্ণ অৱতাৰৰ লগে লগে যোগমায়া ওপজাতো তাৎপৰ্যপূৰ্ণ। মায়াত মোহাচ্ছন্ন জীৱই ঈশ্বৰক চিনি নাপায়। ইয়াতো যশোদাক মায়াৰে আৱদ্ধ কৰি ৰখা বাবে পূৰ্ণ ব্ৰহ্মকৃষ্ণক জগতৰ আধাৰো বুলি ভাবিব পৰা নাই। সেয়েহে সাধাৰণ শিশু বুলি ভাবি অনেক শাস্তি প্ৰদান কৰিবলৈ ব্যৱস্থা কৰিছে। মহাপুৰুষজনাই কীৰ্ত্তন এই কথা স্পষ্ট কৰি বৰ্ণনা কৰিছে।

"কৰিলা বৈষ্ণৱী মায়া বিস্তাৰ।
গুচিল বিষ্ণুজ্ঞান যশোদাৰ।।৬৭৮
কৃষ্ণত পুত্ৰ বুদ্ধি ভৈল জাত।
ধূলা জাৰি তুলি লৈলা কোলাত।।
পাড়ন্ত চুমা মুখে স্তন দিয়া।
মোৰ আয়ু লই পুতাই জীয়া।।৬৭৯

শিশুলীলাত অৱতাৰবাদৰ তত্ত্ব কথা বিভিন্ন প্ৰকাৰে প্ৰকট কৰি দেখুৱাইছে। ভূমিভাৰ হৰণৰ নিমিত্তে, দুষ্টক দমন আৰু শান্তক পালন কৰিবৰ উদ্দেশ্যে নিৰাকাৰ পূৰ্ণব্ৰহ্মাই সময়ে সময়ে সগুণ সাকাৰ ৰূপ ধাৰণ কৰে আৰু ইয়াকে ঈশ্বৰৰ অৱতাৰ বোলা হয়। কৃষ্ণও সগুণ সাকাৰ ৰূপত পূৰ্ণব্ৰহ্মাই। কৃষ্ণ যে অৱতাৰী পুৰুষ এই কথা প্ৰকাশ কৰিবলৈ অনেক অলৌকিক কাৰ্যত জড়িত কৰাইছে। মাটি

খোৱা নাই বুলি মুখ মেলি দেখুৱাওঁতে কৃষ্ণৰ গৰ্ভত যশোদাৰ বিশ্বৰূপ দৰ্শনে কৃষ্ণৰ ঈশ্বৰত্বকে প্ৰকাশ কৰিছে। বিশ্বৰূপ দৰ্শনৰ লগে লগে যশোদাই কৃষ্ণক যে সাধাৰণ মানুহ নহয়, এওঁ স্বয়ং ভগৱান স্পষ্টকৈ বুজি পালে। মহাপুৰুষজনাই কীৰ্তনৰ শিশুলীলাৰ তৃতীয় কীৰ্ত্তনত এনেদৰে কৈছে—

নুহিকন্ত মোৰ পুত্ৰ মানুষ।
এহেন্তেসে বিষ্ণু আদি পুৰুষ।।৬৭৪
এহি বুলি চিত্ত দঢ়ায়া সতী।
কৰযোড়ে কৰৈ কৃষ্ণক স্তুতি।।
যিটো ব্ৰহ্ম নোহে তৰ্ক গোচৰ।
নপাৰে বচনে মনে ওচৰ।।৬৭৫

কৃষ্ণক উড়ুখলত বন্ধাৰ সময়ত দুআঙ্গুল ৰচিয়ে নটা কথাটো বিশেষ তাৎপৰ্যপূৰ্ণ। ভক্তৰ যেতিয়ালৈকে মই আৰু মোৰ ভাব থাকিব, তেতিয়ালৈকে ঈশ্বৰক বশ্য কৰিব নোৱাৰিব। ইয়াতো যশোদাৰ কৃষ্ণক বন্ধন কৰিবৰ বেলিকা অহংকাৰ আৰু মমকাৰ দুটি ভাবত মত্ত আছিল। যশোদাই ভাবিছিল "কৃষ্ণক মই বান্ধিমেই'। এই অহংভাব থকাত আৰু কৃষ্ণ মোৰ পুত্ৰ এনে মমকাৰ থকাত তেওঁ কৃষ্ণক বান্ধিব নোৱাৰিলে। যেতিয়া এনেভাব মনৰপৰা দূৰ হ'ল তেতিয়া কৃষ্ণই স্নেহে লৈলা আপুনি বন্ধন।"

কৃষ্ণ আমাৰ পৰম ভজনীয় দেৱতা। কৃষ্ণ একান্ত ভকতৰ ওচৰত যে বশ্য এই তত্ত্ব শিশুলীলাত উজ্বলভাৱে প্ৰকাশ কৰিছে এনেদৰে—

"শৰীৰৰ ঘৰ্ম্ম যায় বহি।
হাসিয়া থাকিলা শ্ৰমে ৰহি।।৭০১
হেন দেখি প্ৰভু নাৰায়ণ।
স্নেহে লৈলা আপুনি বন্ধন।।
জগতৰে আপুনি ঈশ্বৰ।
তুমি বশ্য ভৈলা ভকতৰ।।"৭০২

শিশুলীলাত জ্ঞানমাৰ্গতকৈ ভক্তিমাৰ্গ শ্ৰেষ্ঠ সেই কথা প্ৰকাশ কৰিছে। একান্ত ভক্তিৰ দ্বাৰাহে জীৱৰ মোক্ষপ্ৰাপ্তি সম্ভৱ তাৰ বৰ্ণনা গুৰুজনাই এনেদৰে কৰিছে—

"জ্ঞানপথ এড়ি প্ৰভু তোম্বাৰ কথাক।
কায়বাক্যমনে সেৱৈ যিটো সাধুঝাক।।
যদ্যপি অজিত তুমি তিনিও জগতে।
তথাপি তোম্বাক জিনৈ সেহিসে ভকতে।।৭৪৪
মুকুতি ৰসকো স্ৰৱৈ তোম্বাৰ ভকতি।
তাঙ্ক এড়ি জ্ঞানপথে যিটো কৰৈ ৰতি।।
ক্লেশ মাত্ৰ পাৱৈ সিটো নিষ্ফল প্ৰয়াসে।
বাহানে পতান যেন তণ্ডুলক আশে।।"৭৪৫

শিশুলীলাৰ লগতে প্ৰকাশ পোৱা কালিয়াদমন অনুখণ্ডটিতো তাত্ত্বিকতা বিৰাজমান। কালিয়দমন ৰূপাত্মক মাথোন। কালিনাগ ক্ৰুৰতা, অহংকাৰৰ প্ৰতীক। ক্ৰোধ, অহংকাৰ থাকিলে ভক্তিপথত অগ্ৰসৰ হ'ব নোৱাৰি। ইয়াতো কালিনাগৰ ক্ৰুদ্ধতা, অহংকাৰ থকাৰ বাবে কৃষ্ণক চিনিব পৰা নাছিল। যেতিয়া মোহনমৰুতি কৃষ্ণৰ শৰীৰৰ ভৰ সহ্য কৰিব নোৱাৰি মুখে হলকা হলকে ৰুধি ওলাবলৈ ধৰিলে তেতিয়া কালিনাগৰ মন শুদ্ধ হ'বলৈ ধৰিলে। নাগপত্নীসকলৰ স্তুতিত নাগকো ভকতি কৰি ৰমণক দ্বীপলৈ প্ৰেৰণ কৰিলে।

অধ্যায়টি ছন্দ, অলংকাৰেৰে পৰিবেষ্টিত কৰি মনোমোহা কৰি কোলাত গুৰুজনা সফল হৈছে। পদছন্দৰ পাঁচটি, ঝুনা ছন্দৰ চাৰিটি আৰু দশাক্ষৰী ছন্দৰ দুটি কীৰ্ত্তনে কৃষ্ণৰ অলৌকিকত্ব বিকশিত কৰাৰ উপৰি ভক্তিতত্ত্ব তথা দাৰ্শনিক তত্ত্বেৰে পৰিপূৰ্ণ হৈ গুৰুজনাৰ কাপত ৰসাল হৈ উঠিছে।■■

# বিষ্ণু, বিষ্ণু-ভকত আৰু বৈষ্ণৱ

চন্দ্ৰনাথ বৰদলৈ

বিষ্ণুৰ প্ৰসিদ্ধ ৰূপ তিনিটা। বৈকুণ্ঠ নাথ বিষ্ণু, ক্ষীৰশায়ী বিষ্ণু আৰু সৰ্বব্যাপক বিষ্ণু। সেইকাৰণে কালাতীত মহাবিষ্ণু বোলা হয়। কালাতীত মহাবিষ্ণুৱেই বলিৰ যজ্ঞত বামণ ৰূপ ধৰি বালক হৈছিল। 'দেহি ৰাজন পাদত্ৰয়ম্'। হে ৰাজা মোক তিনিপদ ভূমি দিয়া। বলিৰ হাঁহি উঠিল আৰু ক'লে- - মই সহস্ৰপদ ভূমি দিব পাৰো। দৈত্যগুৰু শুকাচাৰ্যই বামণৰূপী বিষ্ণুক তিনিপদ ভূমি দান দিবলৈ নিষেধ কৰিছিল। কিন্তু বলিয়ে বাধা নামানি তিনিপদ ভূমি দিবলৈ সংকল্প কৰিলে। বামণ ভগৱানে তৎমুহূৰ্তেই বিৰাট ৰূপ ধাৰণ কৰি এক পদেৰে সমস্ত পৃথিৱীৰে আৰু দ্বিতীয় পদেৰে ব্ৰহ্মলোক পৰ্যন্ত আৱৰি ধৰিলে। ভগৱানৰ আজ্ঞা অনুসৰি গড়ুৰ পক্ষীয়ে বৰুণ পাশেৰে বলিক বান্ধি পেলালে। বৰুণ পাশেৰে বন্ধাৰ পিছতো বলি স্থিৰ হৈ থাকিল। উল্লেখযোগ্য যে প্ৰহ্লাদকো হিৰণ্যকশিপুৰ আজ্ঞাত গুৰুপুত্ৰদ্বয়ে বৰুণ পাশেৰে বান্ধি গুৰুৰ গৃহলৈ লৈ গৈছিল। বামণ ভগৱানে দুই পদেৰে বলিৰ সমস্ত ৰাজ্য অধিকাৰ কৰি তৃতীয় পদ বলিৰ মস্তক ৰাখিলে। সত্যবাদী ধৰ্মাত্মা বলিক সূতললৈ পঠালে। আৰু স্বয়ং ভগৱন্তই বলিৰ দ্বাৰত গদাধৰি থাকিবলৈ সন্মত হ'ল। শাস্ত্ৰত উল্লেখ কৰা চৌবিশ অৱতাৰৰ আদি কাৰণ মহাবিষ্ণুৱেই। চৌবিশ অৱতাৰৰ ভিতৰত কৃষ্ণ আৰু বিষ্ণু সোমোৱা নাই। কৃষ্ণই বিষ্ণু আৰু বিষ্ণুই কৃষ্ণ বুলি শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱেই কৈছে।

হে ব্ৰহ্মা হে বিষ্ণু হে ত্ৰিপুৰাৰি
আজি ধৰি তিনিকো পাতিলো অধিকাৰী
— অনাদি পাতন

দৈৱকীৰ গৰ্ভে পাছে অৰ্পিলন্ত বসুদেৱ
লৈলা বাসা বিষ্ণু উদৰতে।

বিষ্ণু বাসা লৈলো আমি গৰ্ভতে তোমাৰ
হেন দেখি ভৈল বৰ আনন্দ আমাৰ
— শঙ্কৰদেৱ

মহাপুৰুষ মাধৱদেৱৰও নাম-ঘোষা পুথিত এনেদৰে কৈছে---

অপাৰ সংসাৰ সিন্ধু আৰ বিষ্ণুৱে পৰম পাৰ যত
পাৰ আছে তাতে পৰম পৰামাত্মাৰূপে
তেন্তে তুমি জানা ব্ৰহ্ম পাৰ পৰ পৰাভূত যত পাৰ
তাসম্বাৰ পাৰ স্বৰূপে।।

পুনৰ—

"সৃষ্টি স্থিতি অন্তকাৰীদেৱ/ তান্ত বিনে আন নাহি কেৱ/ জানিবা বিষ্ণুৱে সমস্ত জগতে সাৰ।"

সংক্ষেপতে ক'বলৈ গ'লে তত্বজ্ঞ ভক্তসকলে এই সিদ্ধান্তত উপনীত হৈছে যে বিশ্বব্ৰহ্মাণ্ডত পৰম জ্যোতিৰূপ এজন দেৱতা আছে। তেওঁকেই পৰম পুৰুষ বোলা হৈছে। তেওঁ নিজ মায়া শক্তিৰ দ্বাৰা বিভিন্ন ৰূপত প্ৰকাশ পাইছে। তেৱেঁই কালাতীত মহাবিষ্ণু বা কৃষ্ণ "তযুপাৱে কৰোহে প্ৰণাম"।

কালাতীত মহাবিষ্ণুৰ মহিমা অনন্ত। তেওঁৰ

অনন্ত লোমকুপত অনন্ত ব্ৰহ্মাণ্ডই স্থিতি লাভ কৰিছে। তেওঁ "অনোৰণীয়াণ মহতো মহীয়ান্"। তেৰেঁই চৈধ্য ব্ৰহ্মাণ্ডৰ চাৰিওদিশে অৱস্থান কৰিছে। বিষ্ণু পুৰাণত বিষ্ণু শব্দৰ উৎপত্তি সম্বন্ধে কৈছে "বিশতীতি বিষ্ণু"। বিশ্ ধাতুৰ অৰ্থ প্ৰবেশ কৰা। ইয়াৰ অৰ্থ জগতৰ সমস্ত অণু পৰমাণুৰেই বিষ্ণু। মাটি, পানী, আকাশ সৰ্বত্ৰতে প্ৰাণময় সত্বাৰ বিকাশ হৈ আছে। ইয়াক জীৱনৰ মূল উপাদান বোলা হৈছে। সকলো প্ৰাণীয়েই বিষ্ণুৰ সন্তান স্বৰূপ। এইদৰে ব্ৰহ্মাণ্ডৰ সৰ্বত্ৰতে বিষ্ণুৰ স্থিতি অনুভৱ কৰিব পৰা জ্ঞানকে বৈষ্ণৱ জ্ঞান বোলা হয়। শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্ত্তন পুথিত কৈছে---

উপজাইবে আতি বৈষ্ণৱ জ্ঞান।
মায়াকো দহিয়া কৰৈ নিৰ্মাণ।।

জয় বিজয় বৈকুণ্ঠবাসী হৈয়ো বৈষ্ণৱ জ্ঞান আহৰণ কৰিব পৰা নাছিল। চাৰিসিদ্ধই কৈছিল-- "বৈষ্ণৱ বোলা তোৰা দুয়োজনে। বৈকুণ্ঠবাসীৰ নোহে লক্ষণ"।। বৈষ্ণৱ শাস্ত্ৰত বৈষ্ণৱৰ লক্ষণ নিৰূপন কৰা আছে। "যিজনৰ হৃদয় কমলত অখণ্ড কৃষ্ণৰ মূৰ্তি বিৰাজমান তেওঁ প্ৰবল বৈৰাগ্যৰ বলত কাম, ক্ৰোধ, লোভ, মোহ, মদ, মাৎস্যয্য এই ছয় বিকাৰ ত্যাগ কৰিবলৈ সমৰ্থ হয়"। মহাপুৰুষজনাই কৈছে— "মুখে বোলা ৰাম হৃদয় ধৰা ৰূপ এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।" কাৰণ হৰিৰ গুণানু কীৰ্ত্তনৰ অভ্যাস কৰোঁতে কৰোঁতে বৈষ্ণৱে নিজৰ দেহ বা শৰীৰৰ কথা পাহৰি যায়। আনকি তেওঁ নিজৰ জাতি, বৰ্ণৰ প্ৰভেদৰ কথাও পাহৰি যায়। তেওঁৰ হৃদয় নৱনীতৰ দৰে কোমল হয়। তেওঁৰ হৃদয়ত কৃষ্ণই স্থায়ীৰূপে বাস কৰে। সেয়ে বৈষ্ণৱসকলে সাংসাৰিক দুখ অনুভৱ নকৰে। শ্ৰীমন্ত শঙ্কৰদেৱে কীৰ্তন পুথিৰ অজামিল উপাখ্যানত বাৰজন বৈষ্ণৱৰ কথা উল্লেখ কৰিছে—

"দেৱ ঋষি নৰ সিদ্ধ বিদ্যাধৰ
গন্ধৰ্ব চাৰণ গণে।
হৰিৰ নামৰ গুপ্ত মহিমাক
তেসম্বে কেহো নজানে।।
ব্ৰহ্মা মনু হৰ কপিল কুমাৰ
শুক ভীষ্ম বলিৰায়।
প্ৰহ্লাদ নাৰদ জনক আমিসি
ব্ৰাহ জন সমুদায়।।"

বৈষ্ণৱযমে নিজমুখে ব্যক্ত কৰিছে যে হৰি নামৰ গুপ্ত মহিমা দেৱতা, ঋষি, মানুহ, গন্ধৰ্ব, কিন্নৰ, বিদ্যাধৰ আদি কোনেও নাজানে। কেৱল ওপৰত উল্লেখ কৰা বাৰজন বৈষ্ণৱেহে জানে। নাম শব্দৰ অৰ্থই হ'ল যি বলপূৰ্বকভাৱে নামাশ্ৰয়ীৰ চিত্তক নামীৰ চৰণ কমলত নিমগ্ন কৰায় সেয়ে নাম। বেদৰ পৰা আৰম্ভ কৰি সকলো শাস্ত্ৰত নামৰ মহিমা বৰ্ণনা কৰা আছে। নামৰ মহিমা দেখি স্বয়ং ভগবান বিস্ময়াভূত হোৱাৰ কথাও শাস্ত্ৰত আছে। বৈষ্ণৱ শিৰোমণি প্ৰহ্লাদে ভগৱন্তৰ নাম স্মৰণ কৰাৰ লগে লগে ভগবান নৃসিংহ স্তম্ভতে আৰ্বিভাৱ হৈছিল। ভগবান বিষ্ণুৱেও বৈষ্ণৱৰ বাণীৰ সত্যতাৰ কাৰণে স্তম্ভতে বেকত হ'ল—

"সত্য কৰিবাক লাগি নিজ ভৃত্য বাণী।
স্তম্ভতে বেকত ভৈলা প্ৰভু চক্ৰপাণি।।"

ভকত আৰু বৈষ্ণৱৰ দুয়োৰে মহিমা অপাৰ। ভকত বৈষ্ণৱৰ সীমাৰেখা নাই যদিও শাস্ত্ৰমত অনুসৰি সূক্ষ্ম পাৰ্থক্য নথকা নহয়। ভগৱন্ত কৃষ্ণই কৈছে— "মই বিনে ভকতে নিচিন্তে কিছু আন "ভকতৰ কৰো মই হৃদয়ত ধ্যান"। ভকত সত্ব, ৰজ আৰু তম গুণৰ অতীত। ভকত নিৰ্গুণ। যিদৰে চন্দ্ৰ সূৰ্যৰ প্ৰভাৱত সাগৰত জোৱাৰ ভাটাৰ উৎপন্ন হয় সেইদৰে নিৰ্গুণ ভকতৰ হৃদয়ত পূৰ্ণ চন্দ্ৰৰ উদয় হয়। ভক্তিৰূপী জোৱাৰ ভকতৰ হৃদয় সাগৰত আনন্দৰ উত্তাল তৰংগৰ উদ্ভাৱন কৰে আৰু তেওঁৰ হৃদয়ে মুক্ত অৱস্থা লাভ কৰে। কামনা বাসনা আদি ভাৱ বিলাক আনন্দৰ তৰংগত নিচিহ্ন হৈ যায়। ভক্তি সূত্ৰত নাৰদে কৈছে—

"ভকতে নিজৰ সকলো আচৰণ ভগৱন্তৰ চৰণত অৰ্পণ কৰে। যদি প্ৰমাদ বশতঃ ভগৱন্ত বা ভগৱন্ত কাৰ্যৰ বিস্মৃতি ঘটে তাক স্মৰণ হোৱা মাত্ৰেই অত্যন্ত ব্যাকুল হৈ উঠে"। ইয়াৰ কাৰণ ভকতৰ কোনো পৃথক ইচ্ছা নাথাকে। ভগৱন্তৰ ইচ্ছাই তেওঁৰ ইচ্ছা। কিন্তু বৈষ্ণৱ সকল স্থানে স্থানে প্ৰতিষ্ঠাপিত হৈ কৰ্মৰত অৱস্থাত থাকে। যেনে যমলোকত যম, ব্ৰহ্মালোকত ব্ৰহ্মা, কৈলাশত শিৱ, বলিৰ লগত প্ৰহ্লাদ ইত্যাদি। মহাপুৰুষ মাধৱদেৱে নাম-ঘোষা পুথিত ব্ৰহ্মাকে ধৰি সকলো জীৱ মায়া শয্যাৰ মাজত আছে বুলি কৈছে। ব্ৰহ্মাই নিজৰ দুহিতাকে হৰণ কৰাৰ কথাও আছে। হৰমোহনতো শিৱৰ লটি-ঘটিৰ কথা উল্লেখ আছে। বৈষ্ণৱ প্ৰহ্লাদক ভগবান নৃসিংহই বৰ দিব খোজাত প্ৰহ্লাদে বৰ ল'বলৈ অমান্তি হৈছিল। তেওঁ কৈছিল—

"তোমাৰ অকাম ভৃত্য আমি।
তুমিও নিষ্কাম মোৰ স্বামী।।"

পাঁচ বছৰীয়া শিশু প্ৰহ্লাদৰ মনত পাপ ধাৰণাই নাছিল। পিতাক হিৰণ্যকশিপুৰ মৃতদেহ দেখি মুহূৰ্ততে বিচলিত হৈছিল। তেওঁ পুনৰ বৰ খুজিছিল। নৃসিংহয়ো হাঁহি মাৰি কৈছিল-

"নৃসিংহে বোলন্ত হাসি শুনিও প্ৰহ্লাদ।
দিবাক নলাগেটোক ইসব প্ৰসাদ।।
পৰম বৈষ্ণৱ তই পুত্ৰ ভৈলি যাৰ।
একৈশ পুৰুষ তাৰ কৰিলি উদ্ধাৰ।।"

এয়ে বিষ্ণু মায়াৰ প্ৰভাৱ।■■

# নামধৰ্ম আৰু সদাচাৰ

**বিশ্ব বৰুৱা**

লোক হৃদয়ৰ দ্বাৰা অনুমোদিত আচাৰ ব্যৱস্থা ধৰ্মৰ অঙ্গ। ইয়াত স্বভাৱ আৰু ৰুচিৰ প্ৰশ্ন আছে 'ৰুচীনাং বৈচিত্ৰ্যাৎ' ৰুচিৰ পৰিৱৰ্তনে ধৰ্ম ব্যৱস্থাৰো পৰিৱৰ্তন আনে। এই পৰিৱৰ্তন যুগ সাপেক্ষ হয়। সেয়ে যুগভেদে ধৰ্ম ব্যৱস্থাও সুকীয়া। সত্যত ধ্যানে, ত্ৰেতাত যজ্ঞই আৰু দ্বাপৰত পূজাই আছিল ধৰ্ম। এই ব্যৱস্থা সেই যুগত সকলোৰে মান্য আছিল। সেই সময়ত কলি কালত নাম ধৰ্মক যুগ ধৰ্ম বুলি মান্য কৰা হ'ল। যুগ-ধৰ্মত কুশল মঙ্গল পায় আৰু ইয়াক স্ব-ধৰ্ম বুলি গণ্য কৰা হয়। মাধৱদেৱে লিখিছিল "আপোন কুশল চোৱা যেৱে, তেৱে নেৰিবাহা যুগ ধৰ্ম"। নাম ধৰ্মৰ কাৰণেই কলিক ধন্য বোলা হৈছে—

"ধন্য ধন্য কলি কাল ধন্য নৰ তনু ভাল
ধন্য ধন্য ভাৰত বৰিষে।
তপ জপ যজ্ঞ তেজি তোমাৰ চৰণে ভজি
তুৱা নাম ঘোৰিও হৰিষে।।"

এই কালত তপ, জপ, যজ্ঞ কৰাটো নিষ্প্ৰয়োজন আৰু অসম্ভবো। নামতে সকলো নিহিত হ'ল।

বিষ্ণু পুৰাণৰ যষ্ঠাংশত পৰাশৰে মৈত্ৰেয়ীৰ আগত কলিৰ দোষবোৰৰ কথা কৈছে। ইমানবোৰ দোষ থকা সত্বেও ব্যাসে কলি কাল ধন্য, শূদ্ৰ ধন্য আৰু স্ত্ৰীক ধন্য বুলি ক'লে। এই কথাত মুনিসকলৰ মাজত বিবাদ আৰম্ভ হ'ল আৰু সংশয় দূৰ কৰিবৰ কাৰণে ব্যাসৰ ওচৰলৈ গ'ল। ব্যাসে বুজাই দিলে যে সত্য যুগত দহ বছৰ, ত্ৰেতাত এবছৰ আৰু দ্বাপৰত এমাহ কষ্ট কৰি যি ফল পায়, কলিত এদিন এৰাতি শুদ্ধভাৱে হৰিত শৰণ লৈ হৰিগুণ গালেই সেই ফল পায়। এই কাৰণে কলি সাধু যুগ।

দেৱগণে গুপুত কৰি ৰখাৰ কাৰণে অসমত শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্বে নাম-ধৰ্ম নাছিল। শঙ্কৰদেৱে ভাণ্ড ভাঙি ইয়াক প্ৰকাশ কৰিলে, "শ্ৰীমন্ত শঙ্কৰে প্ৰকাশিলা গোবিন্দৰ গুণ নাম যশ, জগতৰ লোকে পৰম আনন্দে গাৱে"। তেৱাৰ দিনৰ পৰাহে ঈশ্বৰ আৰাধনা কৰাৰ এক অভিনৱ ধৰ্ম হ'ল যাক ধৰ্মৰ ৰজা বুলি কোৱা হৈছে—

"পৰম নিৰ্মল ধৰ্ম হৰি নাম কীৰ্ত্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ।
এতেকেসে হৰি নাম সমস্ত ধৰ্মৰ ৰাজা
এহি সাৰ শাস্ত্ৰৰ বিচাৰ।।"

নাম-ধৰ্মৰ প্ৰৱৰ্তক শাস্ত্ৰখনি হ'ল পুৰাণ সূৰ্য মহাভাগৱত। ভাগৱতৰ পূৰ্বৰ কোনো শাস্ত্ৰত নাম-ধৰ্ম আৰু ভক্তিৰ কথা নাই। বেদততো নাম আৰু ভক্তি আনকি মূৰ্তি পূজাৰো উল্লেখ নাই।[১] সেয়ে ভাগৱত ভক্তিযুক্ত শাস্ত্ৰ আৰু ইয়াৰ পৰম পুৰুষজনো ভক্তিযুক্ত। এই শাস্ত্ৰ ভাগিয়েই ভাৰতত হিন্দু ধৰ্মৰ নামত চলা সকলো ব্যভিচাৰৰ অন্ত পেলাই ইয়াক সৰ্বজন গ্ৰাহ্য কৰিলে। ভাগৱতৰ সময়ৰ পৰাহে জাত-পাতৰ বিচাৰ, স্পৃশ্য অস্পৃশ্য জাত্যাভিমান আদি নাইকিয়া হ'ল। মধ্যযুগৰ গুৰু ৰামানন্দই এই ভাগৱতৰ আধাৰত সাধন মাৰ্গক মুক্ত কৰিলে। তেওঁৰ শিষ্যৰ ভিতৰত কবীৰ, জোলা, সেনা, নাপিত, ধন্না, জাঠ, পীপা, ৰাজপুত আদি বিভিন্ন জাতৰ লোক আছিল। ৰামানন্দ নিজে এজন ব্ৰাহ্মণ হৈয়ো

ভক্তি-ধৰ্মহে প্ৰচাৰ কৰিলে।[২]

অসমত শ্ৰীমন্ত শঙ্কৰে নাম-ধৰ্মক গণতান্ত্ৰিক মৰ্যাদা দিলে। 'নবাচে ভকতি জাতি অজাতি।' শঙ্কৰদেৱৰ মতে কৃষ্ণই ঈশ্বৰ আৰু তেৱেঁই একমাত্ৰ আৰাধ্য দেৱ। 'এক কৃষ্ণদেৱ কৰিয়োক সেৱ।' দেৱৰ উত্তম দৈৱকীনন্দনৰ পদ সেৱাই শঙ্কৰদেৱৰ একশৰণীয়া ধৰ্ম আৰু এই কৃষ্ণদেৱৰ নাম শ্ৰৱণ-কীৰ্তন কৰাই নামধৰ্ম। নাম ল'বলৈ ভকতৰ সঙ্গ লাগে। সেয়ে এই ধৰ্মত ভকতৰ সঙ্গৰ মাহাত্ম্য বেছি। ভকতৰ কামনাই হ'ল 'ভকতৰ সঙ্গ সদা নুগুচুকে মুখে তুৰা গুণ নাম'। নামত সামুহিক প্ৰেম আছে আৰু ই সংহতিৰ নিদৰ্শন। অন্য দেৱীদেৱৰ উপাসনাত ব্যক্তিগত আনন্দ আৰু মঙ্গল আছে। কিন্তু নামধৰ্মত সামূহিক প্ৰেম অনুভব হয়। সেয়ে এই ধৰ্মত সমাজ আৰু খেলৰ ব্যৱস্থা আছে, একোটা নামঘৰ আছে, যত ঈশ্বৰৰ সেৱকসকল একত্ৰিত হৈ নাম প্ৰেমত মত্ত হ'ব পাৰে। শঙ্কৰদেৱৰ নামঘৰ সদায় মুক্ত। ভকতজনৰহে ইয়াত প্ৰৱেশ আছে, অভকতৰ প্ৰৱেশত বাধা। নাম ধৰ্মত ভকতৰ জাত-বিচাৰ নাই- 'মোৰ ভকতৰ সখি নলৈবা বিচাৰ, ব্ৰাহ্মণ চণ্ডাল আদি সবে একাকাৰ।'

অন্ত্যজাতি পতিতক উদ্ধাৰ কৰিবৰ কাৰণেই শঙ্কৰদেৱৰ অৱতাৰ। 'অন্ত্যজাতি পতিতৰ তাৰণ-কাৰ হেতু ইবাৰ ধৰিলা অৱতাৰ।।' ইমানদিনে হিন্দু ধৰ্মই বাহিৰ কৰি থোৱা গাৰো, খাচী, মিৰি, যৱন, অসম, কিৰাত, কছাৰী আদি জাতিবোৰক নাম ধৰ্মই সামৰি ল'লে। এই ধৰ্মৰ এয়ে উদাৰতা। সেই যুগৰ অন্য এজন সন্ত পুৰুষ মহাত্মা কবীৰেও কৈছে 'জাত ন পুছ সাধুকী। পুছ লীজ জ্ঞান' (ভকতৰ জাতৰ বিচাৰ নল'বা, তেওঁৰ পৰা জ্ঞান লোৱা)। নামধৰ্ম চাৰি আশ্ৰমী আৰু চাৰি জাতিৰ ঠেক গণ্ডীত নাই। বৰ্ণাশ্ৰম ধৰ্মত নিজ নিজ বিধি মানিহে ধৰ্ম আচৰিব পাৰে। কিন্তু হৰি নাম কীৰ্তনত এইবোৰ বাধা নাই।

"বৰ্ণাশ্ৰম ধৰ্ম যত যাৰ যেন বিধি আছে
তাৰেসে কেৱলে অধিকাৰ।
হৰিনাম কীৰ্ত্তনৰ নাহিকে নিয়ম একো
এতেকেসে ধৰ্মমধ্যে সাৰ।।"

কলিৰ ধৰ্মৰ বিষয়ে ভক্তি ৰত্নাকৰে কৈছে— "কীৰ্তনে পৰম ধৰ্ম কলি যুগত। 'কলিকালে হৰিনাম কীৰ্ত্তনে। ভগৱন্ত গতিক পাৱয় সৰ্বজনে।' চৈতন্য মহাপ্ৰভুৱেও কীৰ্তনীয়া মতহে প্ৰৱৰ্তন কৰিছিল। কলিকালৰ লোক অল্পায়ু, অৰ্থহীন আৰু পাপমতি। 'দোষৰ সাগৰ কলি পৰম দুৰ্জন'। এই যুগত দ্ৰব্য-বস্তুৰ অভাৱ আৰু জুই চাই দাম। সত্যযুগৰ দৰে কলিৰ লোকে কিদৰে যুগ যুগ ধৰি ধ্যান কৰিব? ত্ৰেতা যুগৰ দৰে যজ্ঞ কৰিবলৈ সামৰ্থই বা ক'ত? দ্বাপৰৰ দৰে পূজা-পাতল কৰাৰো সুবিধা নাই। গতিকে হিংসা শূন্য অৰ্থ আৰু সময়ৰ অপব্যয় নোহোৱা নাম-ধৰ্মই শ্ৰেষ্ঠ। ই সকলো বাধা আৰু কঠোৰ নিয়ম সংযমৰ পৰা মুক্ত। 'হৰি নাম কীৰ্ত্তনত নাহি দেশ কাল পাত্ৰ, নিয়ম সংযম একো বিধি"।

নামত শৰণ ল'লে পাপ দূৰ হয়, পাপী উদ্ধাৰ হয় আৰু হৰিকো ই বশ কৰিব পাৰে। কীৰ্তনে কৈছে— 'নামত শৰণ লৱে বাৰেক। নামে হৰে তাৰ সবে পাতক।' যিটো নাম লয় হৰি তাৰ হয়।' নামৰ অপাৰ মহিমা। ই পাপসমূহ দহে, পুণ্য অৰ্জন কৰে, বিষয়ত বিৰকতি জন্মায়, মায়াক নিৰ্যাণ কৰি বৈষ্ণৱ জ্ঞান ওপজায় আৰু শেষত কৃষ্ণত প্ৰেম ভকতি বঢ়ায়। নাম লোৱাত কোনো প্ৰযত্ন নাই, অৰ্থ হানি নাই, অভ্যাস কৰিলেই হয়। অনিৰুদ্ধদেৱেও কৈছে— 'নাম সম বলৱন্ত ধৰ্ম নাহি আৰ। অভ্যাসতে নিস্তৰিল অসংখ্য প্ৰমাণ'। হাতেৰে কাম কৰিও মুখেৰে নাম ল'ব পাৰি। ভক্তি ৰত্নাকৰে ইয়াক মহাধৰ্ম বুলিছে—

"কলিত কেৱলে হৰি নাম মহাধৰ্ম।
এহিমানে সমস্ত শাস্ত্ৰৰ মহামৰ্ম।।"

## নাম-ধৰ্ম

নামধৰ্ম অতি বিপৰীত। নাম লোৱাজন আৰু শুনাসকল উভয়ে নিস্তাৰ হয়। 'বুলিতে এক, শুনিতে শত নিতৰে, নাম ধৰম বিপৰীত'। ই মহাপৰাক্ৰমীও। নাম সিংহৰ শৰদত পাপ ৰূপী হাতীও ভয়ত পলায় যায় 'নাম পঞ্চানন, নাদে পলাৱত, পাপ দন্তী ভয়ভীত'। ৰামানন্দৰ শিষ্য কবীৰেও কৈছে— 'সবৈ ৰসায়ণ হম কৰী। নহী নাম সম কোই। তিল এক ঘটমে সঞ্চৰৈ ৰস আস্বাদন কৰিলো, কিন্তু নামৰ সমান একো নহয়। এই নাম ৰস যদি তিলমানো শৰীৰত সঞ্চাৰ হয় তেন্তে সমস্ত শৰীৰ কাঁচৰ দৰে পৰিত্ৰ হয়'। তেখেতৰ মতে ধৰ্মৰ বাকীবোৰ পদ্ধতিত কিবা এটা নহয় এটা দোষ আছেই, কিন্তু নামত একো দোষ নাই। নাম জগতৰ সাৰ, অমৃতবাণী আৰু বিশ্বাসৰ বস্তু— "ৰাম নাম কা সংসাৰ মে সাৰ হেই। ৰাম নাম হেই অমৃত বাণী। ৰাম নাম তে কোটি পাতক তৰৈ। ৰাম নাম বিশ্বাস মানী।"

মধ্যযুগৰ আন এজন ভক্ত কবি গোস্বামী তুলসী দাসেও নামৰ মাহাত্ম্য ব্যক্ত কৰিছে। তেখেতৰ ভক্তিমূলক গ্ৰন্থ ৰামচৰিতমানস আৰু বিনয় পত্ৰিকাত নাম, বিনয় আৰু ভক্তিয়ে মুখ্য স্থান পাইছে। শঙ্কৰদেৱে লিখাৰ দৰে 'জানিবা কলিত নামেসে সাৰ'। তুলসীদাসেও লিখিছে 'কলি নাম কাম তৰু ৰাম কা'। ভক্তি ৰত্নাকৰ শাস্ত্ৰই নামেই কলিৰ পৰম ধৰ্ম বুলি দৃঢ়ভাৱে ঘোষণা কৰিছে।

"এহিমানে কলিৰ পৰম ধৰ্ম জানি।
সদায় বুলিয়ো ৰাম ৰাম বাণী।।"

নৈতিক ভাৱনাক বিকাশ কৰাই ধৰ্ম আৰু ই হিন্দু ধৰ্মৰ এক বিশেষ অঙ্গ। ধৰ্ম পালন কৰিলে সদাচাৰৰ জ্ঞান অৱশ্যে হ'ব। এই জ্ঞান বাহিৰৰ পৰা নাহে নাইবা আইন কানুনেও ইয়াক আৰোপ কৰিব নোৱাৰে। আনহাতে ধৰ্মই কাকো সদাচাৰী হ'বলৈ বাধ্য নকৰায়। ই মানুহক সদাচাৰ পালনৰ অভ্যাস কৰে। ঐহিক জীৱনৰ প্ৰত্যেক ক্ষণ মধুৰ প্ৰেম আৰু আনন্দদাতা ঈশ্বৰৰ চিন্তাত কটোৱাই নৈতিক জীৱন। এনে জীৱন সমাজত আদৰ্শ। সত্য, শুদ্ধ, প্ৰেম, অহিংসা আৰু আত্ম বিসৰ্জনৰ দৰে মহান গুণে সদাচাৰীসকলৰ জীৱনত মূৰ্ত ৰূপ ধাৰণ কৰে। নামধৰ্মীসকল ঈশ্বৰৰ সেৱক। সেৱকৰ গাত ঈশ্বৰীয় গুণ সন্নিৱিষ্ট হ'ব লাগে। উপনিষদৰ মতে শিশুৰ স্বভাৱত ঈশ্বৰৰ গুণ বিদ্যমান। ইয়াত ৰিপুৰ তাড়না নাই, বাসনাৰ উৎপীড়ন নাই। বাসনা নিৰোধ কৰিব পাৰিলেহে নৈতিক উন্নতি সম্ভৱ। সদাচাৰী পুৰুষে বৰটোপৰ ভয় পালেও সঁচা কথা কয়, মনুষ্য আৰু পশুক সন্মান কৰে, সৰ্বস্ব আনকি জীৱন দিও পৰোপকাৰ কৰে, অত্যাচাৰ অবিচলিত ভাৱে সহ্য কৰে।

আমাৰ শাস্ত্ৰ গুৰুৰ উপদেশত এইবোৰ কথাই আছে। শাস্ত্ৰ পঢ়ি লাভ নাই যদিহে তাৰ উপদেশবোৰ জীৱনত প্ৰয়োগ নকৰে। কবীৰে সঁচা কথা কৈছে 'পুথি পঢ়ি পঢ়ি জগমুৱা পণ্ডিত ভূয়ান কোই'। কামী, ক্ৰোধী, লোভী, দ্বেষী আৰু অহংকাৰীসকল কেতিয়াও সদাচাৰী হ'ব নোৱাৰে। মাধৱদেৱে ক'বৰ দৰে তেওঁলোকে 'বচনে কেৱলে মাত্ৰ হৰিত শৰণ লয়'। কাম, ক্ৰোধ, লোভ প্ৰধান শত্ৰু। নামঘোষাই তত্বপূৰ্ণ কথা কৈছে—

"যতেক অনৰ্থ আছে সংসাৰত
তাতে তিনি বিধসাৰ।
কাম ক্ৰোধ লোভ আপোন নাশন
জানি কৰা পৰিহাৰ।।"

ৰিপু দমন কৰোঁতাসকল প্ৰকৃত বৈষ্ণৱ, এই সকলহে নমস্য। নামঘোষায়ো তাকে কৈছে—

মোহ মায়া, ৰাগ মদ, মল কাম, দম্ভ দ্বেষ আদি ভাৱ।

"যি গুৰু জনত ইসৱ নাথাকে
প্ৰণামো তাহাৰ পাৱ।।"

আধ্যাত্মিক সাধনাত সিদ্ধিলাভ কৰিবলৈ

সদাচাৰৰ অতি প্ৰয়োজন। উপনিষদসমূহেও সদাচাৰৰ ওপৰত মহত্ব দিছে। ৰাধাকৃষ্ণণে তেখেতৰ 'উপনিষদৰ ভূমিকা' নামৰ গ্ৰন্থত লিখিছে- 'সদাচাৰে অহামিকা নাশ কৰি নৈতিক গুণ ৰাজি পালন কৰে। যি পৰ্যন্ত আমি অহমিকা নাশ কৰি সবল সত্যক অবলম্বন কৰিব নোৱাৰোঁ সেই পৰ্যন্ত সংসাৰ নামৰ অনন্ত ঘটনা চক্ৰৰ পৰা মুক্তি পাব নোৱাৰিম'। স্বাস্থ্য ৰক্ষাৰ নিয়ম ভঙ্গ কৰিলে যি দৰে স্বাস্থ্য হানি হয়, সেইদৰে নৈতিক নিয়মবোৰ উলংঘা কৰিলেও পৰম সত্যক লাভ কৰিবলৈ টান হয়। দুষ্কৰ্ম কৰোঁতাসকলৰ মন আৰু ইন্দ্ৰিয় স্বতন্ত্ৰ।

তপ, দম, সংযম, মৌনতা, দয়া-কৰুণা আৰু দান এই কেইটা সদাচাৰৰ উপাদান। ইন্দ্ৰিয় আৰু ৰিপুসমূহক অনুশাসনত ৰখাই তপ। ই মনৰ লেকাম। চিত্ত আৰু আত্মাৰ শান্তিৰ বাবে তপৰ প্ৰয়োজন। সদাচাৰীয়ে 'কচ্ছপে যি মতে নিজ অঙ্গক সঙ্কোচ কৰে' সেইমতে নিজ ইন্দ্ৰিয় সমূহক নিয়ন্ত্ৰণত ৰাখে।

দমৰ অৰ্থ নিগ্ৰহ। মানুহে নিজৰ আৱশ্যকতাৰ পৰিমান কমোৱাৰ অভ্যাস কৰিব লাগে। জীৱনত প্ৰয়োজনৰ সীমা নাই। অপূৰণ বাসনাই অশান্তি। বাসনা চৰিতাৰ্থ কৰিবলৈ ন্যায় অন্যায় সকলো পন্থা লয়। জীয়াই থাকিবলৈ যিখিনিৰ প্ৰয়োজন সেইখিনিৰ কাৰণেহে ভগবানক প্ৰাৰ্থনা কৰিব লাগে। কবীৰেও কৈছে— "ভগৱান মোক ইমানেই দিয়া যিখিনিৰে মই খাই জীয়াই থাকোঁ আৰু মোৰ ঘৰলৈ অহা অতিথিজনো লঘোণে নাযায়"।

সংযম মানে সকলো প্ৰকাৰৰ কামনা নষ্ট কৰা। ই মনৰ একাগ্ৰতা আনে। খোৱা-শোৱা, ফুৰা-চকা, কোৱা আনকি ঈশ্বৰৰ নাম লোৱাতো সংযমী হোৱা উচিত।

মৌনতা সাধনাৰ প্ৰবল শক্তি। ই মন আৰু চিত্তক সবল কৰি ৰাখে। মৌনতাই যি দৰে মনত শুদ্ধ বুলি জগাই তোলে সেই দৰে ই আত্মাকো ভগৱান মুখী কৰে। কৃতদুষ্কৰ্ম আৰু কু-বাক্যৰ প্ৰায়চিত্তৰ কাৰণেও মৌনতাৰ প্ৰয়োজন।

দয়া আৰু কৰুণাই সংসাৰক আপোন কৰে। ঈশ্বৰ স্বয়ং দয়াৰ সাগৰ আৰু সকলোৰে সুহৃদ 'সুহৃদং সৰ্বভূতানাং'। কৰুণাময়ৰ সেৱক হ'লে দয়াবান হ'বই লাগিব। আমি ঈশ্বৰ চিন্তা কি কাৰণে কৰো? তেওঁৰ দয়া-কৰুণা, কৃপা পাবৰ কাৰণে। ঈশ্বৰেও জগতৰ সকলো প্ৰাণীক তেওঁৰ দৰে মহান কৰিবলৈকে ইচ্ছা কৰে। কিন্তু তেওঁ ভাল পোৱা কামবোৰ নকৰিলে দয়া কৰিব বা আশ্ৰয় দিব? হিংসাই হিংসা আনে। কাকো হিংসা নকৰাই শ্ৰেষ্ঠ ধৰ্ম। যাজ্ঞৱল্কক মৈত্ৰেয়ীয়ে দয়া ধৰ্মৰ অনেক কথা কৈছে। গুৰুজনায়ো কীৰ্ত্তনত লিখিছে

"সমানত মৈত্ৰী উত্তমত সতকাৰ।
দৰিদ্ৰত দয়া কৰিবেক বাৰেবাৰ।।"

দানৰ অৰ্থ আনৰ কাৰণে ত্যাগ কৰা। আমাৰ অধিকখিনি পৰৰ কাৰণে দান দিবলৈকে ভগৱানে অধিক দিছে। ধন-সম্পতি তিনিটা পথেৰে নাশ হয়। দান, ভোগ আৰু অপহৰণ। ইয়াৰ ভিতৰত দানেই শ্ৰেষ্ঠ্য। আনৰ কাৰণে জীৱন দান দিব পৰাজনেই পৃথিৱীৰ মহৎলোক। 'আমি দান দি গৌৰৱ কৰিব নালাগে। বৰং যি দান লয় তেওঁৰ প্ৰতিহে কৃতজ্ঞ হ'ব লাগে। কাৰণ তেওঁ দুখীয়া হোৱা বাবেহে তেওঁক দান দি উপকাৰ সাধিব পাৰিলো। দান লওতাজন ধন্য নহয় দিওঁতাজনহে ধন্য'।[৩]

ইয়াৰোপৰি নিত্য কৰ্ম (শৌচম্) আচৰণ (শিষ্টাচাৰ) পঞ্চ মহাযজ্ঞ (সমাজসেৱা) সন্ধ্যা বন্দনা (উপাসনা) আত্ম-নিৰ্ভৰতা, মিতব্যয়িতা অতিথি সৎকাৰৰ দৰে সজ গুণবোৰ পালন কৰিবলৈ অভ্যাস কৰিলে মানুহ সদাচাৰৰ পথত অগ্ৰসৰ হ'ব পাৰিব। সদাচাৰ অৰ্জিত গুণ, জন্মলব্ধ নহয়। মানুহে আচৰণত নিজক ব্যক্ত কৰে। কৰ্মত বিশিষ্ট গুণ বিকশিত হয়। নাম ধৰ্মী জনে যদি চুবুৰীয়াৰ লগত কাজীয়া কৰে,

সমাজত মিলি থাকিব নোৱাৰে, চুৰ কৰে, মিছা বেশ্যাত প্ৰৱৰ্তে, দহজনে বেয়া পোৱা কাম কৰে, তেনেহ'লে তেওঁক কোনে মানিব? দাম্ভিক, ক্ৰুৰ, নিষ্ঠুৰ, অসৎ লোকৰ কথা শুনিবইবা কোনে? নাম প্ৰেমীসকলক সমাজৰ আগ শাৰীৰ লোক বুলি আটায়ে ভাৱে। তেওঁলোকেই যদি ধৰ্মৰ বিপৰীত কৰ্ম কৰে তেন্তে নামধৰ্মৰ অপমান হ'ব। 'যত জীৱ তত শিৱ' বুলি যদি জানোঁৱেই তেন্তে অসৎ আচৰণ কৰিম কাৰ লগত? হিন্দু ধৰ্মৰ আদৰ্শই হ'ল প্ৰত্যেক ব্যক্তিক ব্ৰাহ্মণ কৰা, পয়গম্বৰ কৰা। মহাপুৰুষীয়া ধৰ্মত এনে হোৱাৰ সুবিধা আছে।

সত্যৰ জ্ঞান ধাৰ্মিক বিশ্বাসৰ পৰিণামত নহয়, বৰং গভীৰ নৈতিক আচৰণ অনুভৱত হয়। এই কাৰণে হিন্দু দাৰ্শনিকে সিদ্ধান্ততকৈ আচৰণত অধিক মহত্ব দিছে। সদাচাৰে ব্যক্তি আৰু সমাজৰ কল্যাণ সাধে। নাম-ধৰ্মৰ, সদাচাৰৰ জৰিয়তে মহান হোৱাৰ এক জীৱন জোৱা পৰিকল্পনা আছে। বৌদ্ধ ধৰ্মও আচৰণৰ ভেটিত প্ৰতিষ্ঠিত। ঈশ্বৰ সম্পৰ্কে প্ৰশ্ন কৰোতে বুদ্ধই কৈছিল 'ঈশ্বৰ সম্পৰ্কে মই তোমালোকৰ ভিন্ ভিন্ মত শুনিবলৈ ইচ্ছা নকৰোঁ। আত্মা সম্পৰ্কে সূক্ষ্ম মতামত বিচৰাৰ কোনো প্ৰয়োজন নাই। সজ হোৱা, সজগুণ আহৰণ কৰা আৰু সজ কাম কৰা। তোমালোকক সত্যৰ ফালে আগুৱাই নিব'।[৪] বুদ্ধ ধৰ্মৰ শৰণত পঞ্চশীল, অষ্টশীল আৰু দশশীল আছে। শীল মানে গুণ, যিবোৰে সদাচাৰী হ'বলৈ শিকায়।

নামধৰ্মত মদ, ভাং, কানি, চুৰত, ধপাত আদি নিষিদ্ধ।[৫] কীৰ্ত্তনত গুৰু জনায়ো লিখিছে—

"কৰে সদা নাৰী সঙ্গ আৰু মদ্যপান।
ইসবৰ নাহি জানা শাস্ত্ৰৰ বিধান।।
স্ত্ৰী মদ্য, মাংস সেৱাৰ কথা।
কৈ মৰে কৰে জন্মক বৃথা।।"

ঈশ্বৰ সকলোৰে হৃদয়ত আছে, এই বিশ্বাসক কাৰ্যান্বিত কৰাটোৱেই আদৰ্শ আচৰণ। ভাল গুণবোৰ সেই সত্যৰ বিভিন্ন ৰূপ। এই কথা জনা উচিত যে নিৰ্মল চৰিত্ৰহে উচ্চতাৰ মাপ কাঠি, ঐশ্বৰ্য-বিভূতি নহয়। ফোঁট লৈ নাইবা ত্ৰিশূল ডম্বৰুধাৰী হৈ ভণ্ড জীৱন যাপন কৰিলে সমাজৰ চকুত ধৰা পৰিবই। হিংসা শূন্য হৈ সমত্ব ভাৱনাৰে ঈশ্বৰ সেৱা কৰিব পাৰিলেহে ঈশ্বৰ সেৱা সফল হয়। প্ৰেমত প্ৰেম উপজে। বাহ্য আচৰণত কি আছে? বুদ্ধৰ মৈত্ৰী ভাবনামতে মাকে যেনেকৈ এক মাত্ৰ পুতেকক প্ৰাণ দি ৰক্ষা কৰে সেইদৰে সকলো প্ৰাণীক অন্তৰেৰে ভাল পাই অভয় দান দিয়াতহে মহত্ব প্ৰকাশ পায়। খাওঁতে শোওঁতে, উঠোঁতে-বহোঁতে, সমস্ত ভাৱনা মনলৈ আনিব লাগে। শাস্ত্ৰৰ মতে এয়ে ব্ৰহ্ম বিহাৰ। ক্ৰুছ বিদ্ধ যীশুৱে কৈছিল-- 'প্ৰিয় বন্ধুসকল। আমি পৰস্পৰে প্ৰেম কৰিব লাগে। কাৰণ ই ঈশ্বৰৰ বস্তু। চুবুৰীয়াৰ প্ৰতি প্ৰেম কৰা। যি কাম কৰিলে তেওঁলোকে বেয়া পায় তেনে কাম নকৰিবা।'[৬] মানবৰ প্ৰতি যি প্ৰেম জীৱ জগতৰ প্ৰতিও সেই প্ৰেম হোৱা উচিত। খাদ্যৰ কাৰণে অথবা যাগ যজ্ঞৰ কাৰণে পশু বধ কৰাটো পাপেই নহয়, ধৰ্মবিৰোধী কৰ্মও। ভক্তি ৰত্নাকৰে কৈছে—

"প্ৰাণীত কৰয় মৈত্ৰী যত তীৰ্থ স্থান।
আনো নানা ধৰ্ম যত জপ যজ্ঞ দান।।"

নৰসিদ্ধয়ো কৈছে—

"নমাৰিবে পশু এৰিবে মাংস আশা।
দেৱকো উদ্দেশি পশু নকৰিবে হিংসা।।"

একে কথাকে ভাগৱতৰ ষষ্ঠ স্কন্ধত আছে—

"ঘৰে পোসা পশু যিটো কৰে বলিদান।
পৰম অজ্ঞানী সিটো ৰাক্ষস সমান।।"

প্ৰাণী বধ কৰাটো দূৰৰ কথা, প্ৰাণী উপকাৰৰ সমান পূণ্য কাৰ্য একোৱেই নাই বুলি হৰিচন্দ্ৰ উপাখ্যানে কৈছে---

"জগতৰ পূণ্য মানে জানানিষ্ঠ কৰি।
প্ৰাণী উপকাৰৰ অল্পকো নাহি সৰি।।"

সদাচাৰীসকলে সদায় প্ৰিয় বাক্য কোৱা উচিত। শাস্ত্ৰয়ো কৈছে---

"আছে বচনত মাত্ৰ কৃষ্ণ কথা চয়।
পৰম পবিত্ৰ বাক্য সেহিসে নিশ্চয়।।
প্ৰিয় বাক্যে পুৰুষৰ সাধে যশ কীৰ্তি।
কটু বাক্যে সাধে জানা পৰম অকীৰ্তি।।"

বিষ্ণু পুৰাণৰ তৃতীয়াংশত সদাচাৰৰ বিধি আছে। ৰজা সগৰে সদাচাৰৰ বিষয়ে জানিব বিচৰাত ঔৰ্বে ক'লে যে বুদ্ধিমান ব্যক্তিয়ে ব্ৰহ্মমুহূৰ্তত জাগি ধৰ্মৰ চিন্তা কৰিব। অৰ্থ আৰু কামৰ প্ৰতি সমদৃষ্টি ৰাখিব। ধৰ্ম বিৰোধী কাম পৰিত্যজ্য। কেতিয়াও পৰৰ দ্ৰব্য অপহৰণ নকৰিব, অপ্ৰিয় কথা ন'কব, মিথ্যা প্ৰিয় কথাও নক'ব। আনৰ দোষ নেদেখিব, পৰৰ সম্পত্তিত লোভ নকৰিব আৰু কাৰো শত্ৰুতা নকৰিব। যি সদায় গীতৰাগ আৰু সদাচাৰ পৰায়ণ, কাম-ক্ৰোধ, লোভক যি জয় কৰিছে তেওঁৰ অপৰিসীম প্ৰভাৱ। সদায় সত্য কথাই ক'ব, কিন্তু সত্য ক'লেও যদি কাৰোবাৰ অনিষ্ট হয় তেন্তে মৌন থাকিব। প্ৰিয়, হিতকৰ আৰু যুক্তিকৰ ন'হলে সত্য কথাও নক'ব।

সদাচাৰৰ বিষয়ে মহানিৰ্বাণতন্ত্ৰত অনেক ভাল কথাই আছে। এফাকিৰ উদ্ধৃতিতে বুজা যাব। 'ন-মিথ্যা ভাষণং, কুৰ্য্যাৎ ন-চ শাঠ্যং সমাচৰেৎ দেৱতাতিথি পূজাসু নিৰতো ভবেৎ।'

গৃহস্থৰ প্ৰধান কৰ্ত্তব্য জীৱিকা উপাৰ্জন। তেওঁ মনত ৰাখিব লাগিব যেন মিছা কথা কৈ বা প্ৰতাৰণাৰে নাইবা চুৰ কৰি ধন সংগ্ৰহ নকৰে আৰু মনত ৰাখিব লাগিব যে ঈশ্বৰৰ উপাসনা আৰু দৰিদ্ৰক সেৱা কৰিবলৈকে তেওঁৰ জীৱন।

মহাপুৰুষীয়া ধৰ্মৰ সকলো শাস্ত্ৰতে সদাচাৰৰ কথা কোৱা হৈছে। অন্তৰ শুদ্ধি, একাগ্ৰতা, সত্য, ক্ষমা, দয়া, সৌন্দৰ্য, আত্মত্যাগ, বিনম্ৰতা, বাৎসল্য, পৱিত্ৰতা আদি মহৎ গুণবোৰ ধাৰণ কৰোঁতাজনে শাস্ত্ৰাধ্যয়ন নকৰিলেও হয়। কাৰণ শাস্ত্ৰ তেওঁত প্ৰবিষ্ট হ'লেই। তেতিয়া তেওঁ সাধাৰণ মানুহৰ শাৰীৰ পৰা মহামানৱৰ শাৰীলৈ যায়। এই শতিকাৰ মহাত্মা গান্ধী এনে গুণৰ অধিকাৰী হ'ব পাৰিছিল বাবেই তেওঁ মহামানৱ আৰু তেওঁৰ বাণী বেদ বাণী বুলি বিশ্বাস কৰি সেই সময়ৰ চল্লিশকোটি ভাৰতীয়ই নিৰ্বিবাদে মানি চলিছিল। আমাৰ ধৰ্মাধিকাৰী, সত্ৰাধিকাৰী, ভকত-বৈষ্ণৱসকলো সদাচাৰী হ'লেহে সৰ্বসাধাৰণে শ্ৰদ্ধা কৰিব আৰু অনুসৰণ কৰিব। সদাচাৰী পুৰুষ সকলো ধৰ্মত, সকলো সমাজত চিৰদিনেই আদৰ্শবান হৈ থাকে।■■

**পাদটীকা ঃ**

১। ৰাধাকৃষ্ণণ ঃ ভাৰত কী অন্তৰাত্মা

২। ক্ষিতিমোহন সেন ঃ ভাৰতেৰ সংস্কৃতি

৩। বিবেকানন্দ ঃ কৰ্মযোগ

৪। বিবেকানন্দ ঃ কৰ্মযোগ

৫। চলাজনা গড়মূৰীয়া সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীয়ে শাস্ত্ৰ চৰ্চাৰ সময়ত তামোল, চুৰত, চাহ আদি খাবলৈ নিদিছিল।

৬। ৰাধাকৃষ্ণণ ঃ ভাৰত কী অন্তৰাত্মা

## জাতীয় সংহতিৰ পটভূমিত

# শ্ৰীমন্ত শঙ্কৰদেৱৰ সংস্কৃতি-ভাৱনা

**নমিতা শইকীয়া**

<u>প্ৰস্তাৱনাঃ</u> অষ্টম শতিকাৰ পৰা ত্ৰয়োদশ শতিকাৰ ভিতৰত ভাৰতবৰ্ষৰ আধ্যাত্মিক চিন্তাৰ জগতখনত এক বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা হৈছিল। অদ্বৈতবাদী শঙ্কৰাচাৰ্য, বিশিষ্টাদ্বৈতবাদী ৰামানুজ, দ্বৈতাদ্বৈতবাদী নিম্বাৰ্ক, দ্বৈতবাদী মধ্ব (আনন্দতীৰ্থ)ৰ দাৰ্শনিক দৃষ্টিভংগীৰে প্ৰভাৱিত হৈ মানুহে মায়া বুলি ভবা জগতখনক ত্ৰয়োদশ শতিকাৰ শেহৰ ফালে বাস্তৱ বুলি ভাৱিবলৈ আৰম্ভ কৰিছিল। পৰমাত্মাৰ লগতে জীৱাত্মাকো স্বকীয় তাৎপৰ্য দান কৰা হৈছিল। সাধাৰণভাৱে ক'বলৈ গ'লে খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ পৰা সপ্তদশ শতিকাৰ ভাৰতবৰ্ষৰ ধৰ্মীয় জগতখনত হোৱা পৰিৱৰ্তনসমূহক ভিত্তি কৰিয়েই ভক্তি আন্দোলনৰ সূচনা হৈছিল।১৩৯৯ খ্ৰীষ্টাব্দত ৰামানন্দৰ আবিৰ্ভাৱিত বৈষ্ণৱ ধৰ্মৰ আধাৰত ভক্তি আন্দোলনে এটা পূৰ্ণ পৰ্যায়ৰ সামাজিক বিপ্লৱৰ পৰিণতি লাভ কৰিছিল। ভক্তি আন্দোলনৰ এনে পৰিণতিক দৃঢ়, জনমূখী, প্ৰসাৰিত আৰু স্থায়ী কৰাৰ ক্ষেত্ৰত পোন্ধৰ শতিকাত উত্তৰ আৰু উত্তৰ-পূৰ ভাৰতত জন্ম লাভ কৰা চাৰিগৰাকী মহাপুৰুষৰ নাম উল্লেখযোগ্য। উত্তৰ ভাৰতৰ কবীৰ, উত্তৰ-পূৰ ভাৰত তথা সম-কামৰূপত শঙ্কৰদেৱ, পঞ্জাৱত নানক আৰু বংগদেশত চৈতন্যদেৱে এই ভক্তি আন্দোলনৰ গুৰি ধৰিছিল।

শঙ্কৰদেৱৰ ভক্তি আন্দোলনৰ ক্ষেত্ৰ আছিল বিচিত্ৰ গোষ্ঠীসমাজ। সেইবাবে তেওঁ এনে এক ধৰ্মমত উদ্ভাৱনত চিন্তা কৰিছিল যিটোৱে বিচিত্ৰ সাংস্কৃতিক আচৰণ, ভিন ভিন ধৰ্ম বিশ্বাসৰ গোষ্ঠীয় সমাজবোৰক আকৰ্ষণ কৰিব পাৰে। আনহাতে তাকে কৰিবলৈ যাওঁতে ভাৰতীয় সনাতন পৰম্পৰাৰ পৰা গোষ্ঠী সমাজবোৰৰ আধ্যাত্মিক ধাৰাণাও যাতে বিচ্ছিন্ন হৈ নাযায় তাৰ প্ৰতিও শঙ্কৰদেৱ সজাগ আছিল।

ভক্তি আন্দোলনৰ উপাস্য দেৱতা ভাগৱত পুৰাণৰ কৃষ্ণ উপনিষদৰ নিৰ্গুণ আৰু নিৰাকাৰ ব্ৰহ্মৰ সগুণ আৰু সাকাৰ প্ৰতিভূ। শঙ্কৰদেৱৰ সমগ্ৰ চিন্তাশৈলী বা সংস্কৃতি-ভাৱনাৰ ঘাই উৎস আৰু আধাৰ হ'ল বেদান্তৰ এইব্ৰহ্মতত্ত্ব, যি ভাগৱতত কৃষ্ণৰ মাজেদি ৰসলৈ ৰূপান্তৰিত হৈছে।

এইখিনিতে উল্লেখযোগ্য যে, শঙ্কৰদেৱে ভাগৱতৰ আদৰ্শক তেওঁৰ ভক্তিধৰ্ম প্ৰচাৰৰ মূল আধাৰ কৰি লোৱাৰ মূলতে হ'ল সেই সময়ৰ চাৰিওপিনৰ সমাজখনৰ পৰিস্থিতি। গতিকে এনে এক ছিন্ন-ভিন্ন পৰিৱেশত এনে এক ধৰ্মমতৰহে প্ৰয়োজন য'ত মানুহে সামাজিক, সাংস্কৃতিক, বৃত্তিগত আদি বন্ধনৰ মাজতো শান্তিময়ভাৱে জীৱন-যাপন কৰিব পাৰে। শঙ্কৰদেৱৰ বৈশিষ্ট্য বা মাহাত্ম্য এইখিনিতে যে, মানুহৰ মনত এক অলীক শান্তিৰ পৰিৱেশ সৃষ্টি কৰিয়েই তেওঁ কৰ্তব্যৰ ওৰ পেলোৱা নাছিল। বৰঞ্চ বাস্তৱ শান্তিৰ বাবে বাস্তৱ পৰিৱেশ ৰচনাৰ বাবেও যত্ন কৰিছিল।

**বিষয়বস্তু আলোচনাৰ প্ৰয়োজনীয়তা ঃ** মানৱতাৰ বধ্যভূমিস্বৰূপ প্ৰাচীন ভাৰতীয় ধৰ্মীয় ব্যৱস্থাৰ তুলনাত মধ্যযুগৰ ভক্তি আন্দোলনে এক নতুন দিগন্তৰ দুৱাৰ মুকলি কৰিছিল। একশৰণৰ লগতে আন্তৰিক ভক্তিৰ ওপৰত গুৰুত্ব, আচাৰ বিধিৰ সৰলতা, মানৱীয় প্ৰমূল্যৰ ওপৰত গুৰুত্ব তথা জাতিপ্ৰথাৰ প্ৰতি উদাসীনতা আদি বৈশিষ্ট্যসমূহে ভাৰতীয় সমাজ জীৱনত আলোড়নৰ সৃষ্টি কৰিছিল। এনে বৈশিষ্ট্যসমূহ সামৰিয়েই শ্ৰীমন্ত শঙ্কৰদেৱৰ নেতৃত্বত উত্তৰ-পূৰ ভাৰতত ভক্তি আন্দোলনে এক নতুন মাত্ৰা লাভ কৰি উদ্ভাসিত হৈ উঠিছিল। কিন্তু বহু সময়ত দেখা যায় ভক্তি আন্দোলনৰ নেতাসকলে পুৰাতন

ভাৰতীয় জাতি-বৰ্ণ ব্যৱস্থা সম্পূৰ্ণৰূপে উচ্ছেদ কৰি এক নতুন সমাজ ব্যৱস্থাৰ পোষকতা কৰা নাছিল। সামাজিক আৰু ধৰ্মীয় এই দুই পৃথক ক্ষেত্ৰত পৃথক মনোভাৱহে পোষণ কৰিছিল। ৰামানুজে নিজে জাতিভেদ প্ৰথা কঠোৰ ভাৱে মানি চলিলেও অন্ত্য জাতিৰ মানুহকো বিষ্ণু ভক্তিৰ সুৰভি বিলোৱাত উৎসাহী আছিল। 'ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল' বুলি পদ ৰচনা কৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা অনুমোদিত দশম স্কন্ধ ভাগৱতৰ অনন্ত কন্দলিয়ে কৰা অনুবাদত ব্ৰাহ্মণ প্ৰশস্তি মন কৰিবলগীয়া। তথাপি ক'বই লাগিব জাতি প্ৰথাৰ প্ৰতি তেওঁলোকে ধৰ্মীয় ক্ষেত্ৰত সীমাৰেখাৰ ভিতৰত উদাসীন মনোভাৱ প্ৰদৰ্শন কৰিছিল।

অসমৰ জাতীয় জীৱন, সাংস্কৃতিক ইতিহাস, মানৱতাবাদী দৃষ্টিভংগী প্ৰভৃতি শ্ৰীমন্ত শঙ্কৰদেৱৰ বহুধাবিস্তৃত অৱদান স্মৰণযোগ্য। প্ৰিয় শিষ্য মাধৱদেৱৰ 'যাকেৰি নাহিকে উপাম' আৰু 'গীত কবিত্ব গুণ শঙ্কৰদেৱৰ কীৰিতি গয়ো বহু দূৰ বুলি' কৰা গুৰুত্বপূৰ্ণ মন্তব্যকে ধৰি বেজবৰুৱাৰ 'জগতগুৰু, জ্যোতিপ্ৰসাদৰ 'সংস্কৃতিৰ গুৰু' বুলি কোৱাৰ পৰা আৰম্ভ কৰি বৰ্তমান পৰ্যন্ত নানাজন গুণী-জ্ঞানী ব্যক্তি, গৱেষক আলোচকে শঙ্কৰদেৱৰ বিষয়ে নিজা নিজা মত প্ৰকাশ কৰিছে। সেয়েহে ক'ব পাৰি অসমৰ জাতীয় চেতনা আৰু অনুভূতিৰ জগতত শ্ৰীমন্ত শঙ্কৰদেৱে এক বিশাল ক্ষেত্ৰ আৱৰি আছে। ধৰ্ম, সাহিত্য, সংস্কৃতি, মানৱীয় দৃষ্টিভংগী সকলো দিশৰ পৰা শ্ৰীমন্ত শঙ্কৰৰ প্ৰতিভাই বৰ্তমানৰ জাতীয় চেতনাক কেনেদৰে প্ৰভাৱিত কৰিছে তাৰ অধ্যয়নে আমাক অনাগত দিনৰ বাবেও পথ নিৰ্দেশনা দান কৰিব পাৰে।

**অসমৰ ভক্তি আন্দোলনত সংস্কৃতি ভাৱনাৰ তাৎপৰ্যঃ**

খ্ৰীষ্টীয় চতুৰ্দশ সপ্তদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষত যি বিশাল ভক্তি আন্দোলনৰ সূচনা হৈছিল অসমৰ বৈষ্ণৱ আন্দোলন সেই জাগৰণৰেই অধিক পল্লৱিত আৰু প্ৰসাৰিত আঞ্চলিক ৰূপ। বেজবৰুৱাই ক'বৰ দৰে 'অসমীয়াক ধৰ্ম, ভাষা, সাহিত্য, সমাজ, নীতি, সদাচাৰ, মনুষ্যত্ব, সত্যনিষ্ঠা আদিৰ পৰা সংগীত বিদ্যা, চিত্ৰকলাৰ আমোদ আনন্দলৈকে সকলোবোৰ, মুঠতে জাতীয়তা গঠন কৰিবৰ নিমিত্তে যি যি আৱশ্যক সকলো শঙ্কৰদেৱে দান কৰি গৈছে।'[১] সু-নিৰ্দ্দিষ্ট প্ৰণালী আৰু সাংগঠনিক প্ৰচেষ্টাৰ মাজেদি সংস্কৃতিৰ উপাদাসমূহ সাহিত্য, গীত, নৃত্য, বাদ্য, চাৰুকলা আদিক কিদৰে ভাৱাদৰ্শ বিস্তাৰৰ কামত ব্যৱহাৰ কৰিব পাৰি, ভাৰতীয় সংস্কৃতিৰ সমন্বয়ত কিদৰে গণ সংস্কৃতিলৈ ৰূপান্তৰিত কৰিব পাৰি তাৰ সাৰ্থক দৃষ্টান্ত ভাৰতৰ ভক্তি আন্দোলন তথা অসম-কামৰূপৰ ভক্তি আন্দোলনৰ মাজত দেখা যায়।

মহাপুৰুষ শঙ্কৰদেৱ-মাধৱদেৱে পঞ্চদশ ষোড়শ শতিকাত প্ৰৱৰ্তন কৰা নৱবৈষ্ণৱ আন্দোলনে সমগ্ৰ অসমত নৱ জাগৰণৰ সূচনা কৰি থৈ গ'ল। আজি পাঁচোটাকৈ শতাব্দীৰ পাছতো শঙ্কৰদেৱৰ প্ৰতিভা আৰু প্ৰভাৱেই অসমীয়া জাতি, জীৱন আৰু সংস্কৃতিৰ চৌপাশ আৱৰি আছে। অসমীয়া জাতীয় জীৱন, সামাজিক সাংস্কৃতিক জীৱনলৈ মহাজাগৰণৰ সোঁত বোৱাই অনা শঙ্কৰদেৱ প্ৰৱৰ্ত্তিত নৱবৈষ্ণৱ জাগৰণে অসমীয়া জাতীয় সত্তাৰ ক্ৰমবিকাশতো প্ৰভাৱ বিস্তাৰ কৰিছে।

জ্যোতিপ্ৰসাদে উল্লেখ কৰি গৈছে যে, অৱক্ষীয়মান আৰু স্ববিৰোধী ব্ৰাহ্মণ্য সমাজখনৰ সংস্কাৰ বিচাৰিয়েই শঙ্কৰদেৱে তেওঁৰ ভক্তি আন্দোলনৰ প্ৰৱৰ্তন কৰিছিল। সেই আন্দোলন আছিল জনতাৰ অংশগ্ৰহণেৰে উজ্জীৱিত। জ্যোতিপ্ৰসাদৰ চিন্তা চেতনাত পোহৰত শঙ্কৰদেৱে বৈপ্লৱিক দৃষ্টিৰ সংস্কৃতি-স্ৰষ্টা ৰূপে ধৰা দিলে। শঙ্কৰদেৱক মানুহৰ পূৰ্ণ সংস্কৃতিৰ প্ৰতীক হিচাপে প্ৰতিষ্ঠা কৰিব খোজা জ্যোতিপ্ৰাসাদে কৈ গৈছে-'শ্ৰীমন্ত শঙ্কৰে দিয়া সংস্কৃতিৰ নাম হৈছে কৃষ্ণ। কৃষ্ণ শব্দৰ বৈয়াকৰণিক অৰ্থ হৈছে সংস্কৃতি। ভাৰতীয় মহান ঐতিহ্যকেই, সেই ঐতিহ্যৰ কৃষ্ণৰূপী সংস্কৃতিকেই শ্ৰীমন্ত শঙ্কৰে উপনিষদ ভাগৱতৰ পৰা উলিয়াই আনি অৰ্থাৎ ব্ৰাহ্মণ্য সংস্কৃতিকেই সেই যুগৰ উপযোগী ৰূপত আমাক দি থৈ গ'ল। আৰু তেওঁ নিজে নিজৰ জীৱনত সেই কৃষ্ণ আদৰ্শকে তেওঁৰ জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰকাশ কৰি দি গ'ল।[২] এই 'কৃষ্ণ' সংস্কৃতিৰেই শঙ্কৰদেৱে সমকালীন সমাজখনক নতুন আৰু সংস্কৃত জীৱনৰ পথ দেখুৱাইছিল।

'ব্ৰাহ্মণৰ চণ্ডালৰ নিবিচাৰি কুল' বুলি পদ ৰচনা কৰা শঙ্কৰদেৱে আজিৰ পাঁচশ বছৰৰ আগতেই অস্পৃশ্যতাৰ বিৰুদ্ধে বৈপ্লৱিক প্ৰচাৰ আৰম্ভ কৰে আৰু দুৰ্ভোগৰো সন্মুখীন হ'ব লগা হয়। সমসাময়িক ৰাজনৈতিক সংঘাতপূৰ্ণ অৱস্থা, সামাজিক আৰু ধৰ্মীয় জীৱনত প্ৰচলিত আচাৰ নীতিৰ বিসংগতি, কু-সংস্কাৰ, বৰ্ণাশ্ৰম সংস্কাৰৰ পৰা সৃষ্টি হোৱা বিভেদ-নীতি আৰু ব্যভিচাৰৰ প্ৰতিকূল হেঁচাৰ পৰা সাধাৰণ মানুহক উলিয়াই আনি সমতা আৰু মৰ্যাদাপূৰ্ণ জীৱন দান কৰিব খুজিছিল শঙ্কৰদেৱে। এইখিনিতে ড° হীৰেন গোঁহাইৰ এষাৰ কথা প্ৰণিধানযোগ্য-হিন্দু সামন্তবাদৰ প্ৰধান প্ৰকাশ জাতিভেদ ভক্তিবাদে একাষৰীয়া কৰি থৈছিল। দুঃস্থ, নিপীড়িত , অৱমমিত মানুহৰ বাবেও আচল সমাজত নহ'লেও ভক্তৰ সমাজত এখন আসন পাৰি থৈছিল। শঙ্কৰদেৱে ব্ৰাহ্মণ, শূদ্ৰ, জাতি-জনজাতি, স্পৃশ্য-অস্পৃশ্য সকলোকে একেলগ কৰি পৰম্পৰক আধ্যাত্মিক সাধনাত সহচৰ, সমদৰ্শীৰূপত নামঘৰত বহুৱাই 'ঈশস্বৰূপ হৰি সব ঘটে বৈঠহ'ৰ দৰে আদৰ্শৰ বাস্তৱ প্ৰয়োগেৰে এক নতুন মানৱীয় সংস্কৃতিৰ সোপোন ৰচনা কৰিছিল।

সমাজৰ অন্ত্য জাতিসমূহে যুগ যুগ ধৰি অবৰ্ণনীয় দুখ ভোগ কৰিবলগা হোৱা জাতি প্ৰথাৰ প্ৰতি কেৱল উদাসীনতা প্ৰকাশ আৰু 'অৰ্ধ আকাশ' স্বৰূপ নাৰীসকলক যথাযথ গুৰুত্ব সহকাৰে নোলোৱাকৈয়ে অন্ততঃ ধৰ্মীয় ক্ষেত্ৰখনৰ সীমাৰেখাৰ ভিতৰত শঙ্কৰদেৱে মানৱতাবাদৰ পোষণ কৰিছিল। শঙ্কৰদেৱৰ দৃষ্টিত হয়তো অহৰহ উদ্ভাসিত হৈ আছিল তেওঁৰ চাৰিওফালৰ সমাজ, সেই সমাজৰ ভিন্নগোষ্ঠীয় মানুহৰ জীৱন, সংস্কাৰ, বৰ্ণাশ্ৰম ব্যৱস্থাত অৱহেলিত মানুহৰ জীৱনত এক নতুন অৰ্থ আৰু মৰ্যাদা দান কৰাৰ বাসনা। সমসাময়িক সমাজখনক সামগ্ৰিক ৰূপত কলা সংস্কৃতিৰ মাজেদি দৈনিন্দক জীৱনৰ লগতে আধ্যাত্মিক সাধনাৰ সৈতে সম্পৃক্ত কৰিবলৈ শঙ্কৰদেৱে ভক্তিৰ কেন্দ্ৰ হিচাপে 'নামঘৰ'ৰ উদ্ভাৱন কৰিছিল। যাৰ স্থাপত্যৰ সৰলতাত মুগ্ধ হৈ জ্যোতিপ্ৰসাদে লেখিছিল-'শ্ৰী শঙ্কৰদেৱৰ এই নামঘৰৰ সহজ-সৰলতাই আজি বিশ্ব স্থাপত্যৰ আধুনিক আৰু ভাৱিষ্যিতিক ৰূপৰো আদৰ্শ।'[৩] শঙ্কৰদেৱে নামঘৰক কেৱল ধৰ্মপীঠেই কৰি নাৰাখিলে, সকলো স্তৰৰ জনসাধাৰণে ভাগ ল'ব পৰাকৈ ভাৰতীয় নাট্য পৰম্পৰাৰ ভেটিত অংকীয়া নাট বা ভাওনাৰ নৱ আদৰ্শও ৰোপণ কৰিলে। শঙ্কৰদেৱৰ অনুপম সৃষ্টি ভাওনাই নামঘৰৰ যোগেদি অসমীয়া সমাজত নাট ৰচনাৰ পৰা অভিনয়, সংগীত, নৃত্যৰ পৰা বাদ্য-যন্ত্ৰ নিমাৰ্ণলৈকে, মনোৰঞ্জনৰ পৰা ভক্তি সঞ্চাৰী স্বৰ্গীয় আনন্দ সৃষ্টিলৈকে এক নতুন সাংস্কৃতিক কৰ্মযজ্ঞৰ গুৰি ধৰিলে। খোল-তাল, বাঁহ-বেত, হেঙুল-হাইতালৰ কৰ্মখচিত মুখা, ছোঁ বৈষ্ণৱ সমাজৰ ভগৱৎ সাধনাৰ মাধ্যম, তেনেকৈ ই অসমৰ উচ্চাংগ সংগীতৰো পৰম্পৰা। নামঘৰৰ সিংহাসন প্ৰমুখ্যে বিভিন্ন হস্তনিৰ্মিত সামগ্ৰীসমূহে ভক্তিৰ অনুসংগ সংগীতৰো পৰম্পৰা। নামঘৰৰ সিংহাসন প্ৰমুখ্যে বিভিন্ন হস্তনিৰ্মিত সামগ্ৰীসমূহে ভক্তিৰ অনুসংগ হৈও অসমৰ লোককলাৰ মনোময় পৰম্পৰাৰ প্ৰতীক।

গীত, নাট, ভাওনা আদি সুকুমাৰ কলাৰ উপৰি সমাজ সংগঠন আৰু সমাজ সংস্কাৰৰ প্ৰতি শঙ্কৰদেৱৰ যি সাংস্কৃতিক দৃষ্টিভংগী সি মন কৰিবলগীয়া। সেই সময়তে বহুধা বিভক্ত হৈ থকা ভিন ভিন জনসমষ্টিৰ সমন্বয়ত এক জাতিসত্তাৰ ভিত্তি তৈয়াৰ হোৱাটো লক্ষণীয়। কাৰণ অৰ্থনৈতিক আৰু সামাজিকভাৱে পিষ্ট ক্লিষ্ট জনসাধাৰণে হৰিনাম কীৰ্ত্তনৰ যোগেদিয়েই এক কাল্পনিক সাম্যবাদী সমাজৰ সন্ধান লাভ কৰিছিল। অৱশ্যে জনসাধাৰণে হৰিনাম কীৰ্ত্তনৰ যোগেদিয়েই এক কাল্পনিক সাম্যবাদী সমাজৰ সন্ধান লাভ কৰিছিল। অৱশ্যে ইয়াৰ সমান্তৰালভাৱে আহোম ৰাজতন্ত্ৰইও ৰাজকীয় প্ৰয়োজনতে অঞ্চলটোৰ জনগাঁথনিত এক নতুন বিন্যাস আৰম্ভ কৰিছিল। বিশেষকৈ মোমাই তামুলী বৰবৰুৱাৰ গাঁও সংগঠনৰ কথা উল্লেখযোগ্য। তথাপি শ্ৰীমন্ত শঙ্কৰদেৱে 'কিৰাত কছাৰী/খাচী গাৰো মিৰি' (মিচিং) আদিকো আনসকল বৈষ্ণৱৰ সৈতে একেলগে হৰিনাম শ্ৰৱণ কীৰ্ত্তনৰ ব্যৱস্থা কৰি নগাৰ নৰোত্তম, গাৰোৰ গোবিন্দ, মুছলমানৰ চান্দসাই আদিক শৰণ-ভজন দি মানসিক

ঐক্যৰ ডোলেৰে নবন্ধা হ'লে এক অসমীয়া জাতিৰ ভিত্তিমূল তৈয়াৰ হ'লহেঁতেন বুলি ভাৰিবলৈ টান। এখন সু-সংস্কাৰ সমাজৰ সকলো বীজ মহাপুৰুষ ভক্তি আন্দোলনৰ মূল আদৰ্শৰ মাজত নিহিত হৈ আছে।

**সামৰণিঃ** শ্ৰীমন্ত শঙ্কৰদেৱে যুগৰ উপযোগীকৈ ধৰ্ম, কলা, সমাজ গঢ়াৰ দায়িত্বৰ উপৰি ত্যাগৰ মনোভাৱেৰে গাৰ্হস্থ্য ধৰ্ম পালনৰো পথ দেখুৱাইছিল। তথাপি নানানটা কাৰণত অসমৰ ভক্তি আন্দোলনৰ মাজত থকা মানৱতাবাদী আৰু গণতান্ত্ৰিক ভাৱধাৰা পাছলৈ সক্ৰিয় হৈ নাথাকিল। মহাপুৰুষজনাৰ তিৰোভাৱৰ পাছতে সংহতি বিভাজনৰ নামত এই আন্দোলন চতুৰ্ধা বিভক্ত হৈ পৰিল। কৃত্ৰিম আৰু ভেদভাৱৰ পৰা উপজা এই সংঘাতৰ উপৰি ৰজাঘৰীয়া সা-সুবিধা পোৱা-নোপোৱা, বামুণীয়া-শুদিৰীয়া আদিক লৈও সত্ৰসমূহৰ মাজত অনৈক্যৰ সৃষ্টি হ'ল। কেৱল কাল সংহতিৰ সত্ৰসমূহে সমাজে হেয় জ্ঞান কৰা লোকসকলক শ্ৰীমন্ত শঙ্কৰদেৱৰ সাম্যভাৱৰ দৃষ্টিৰে আদৰি লৈ পৰ্বত ভৈয়াম সকলোতে এই ধৰ্মৰ উদাৰ বাণী প্ৰচাৰ কৰাত মনোনিৱেশ কৰিছিল।

মানৱ মঙ্গল ভাৱনাত উদ্বুদ্ধ হৈ এটা উৎসৰ্গিত জীৱন যাপন কৰিছিল বাবেই শ্ৰীমন্ত শঙ্কৰদেৱ এক বিৰাট কৰ্মযজ্ঞৰ হোতা হ'ব পাৰিছিল। শঙ্কৰদেৱৰ নেতৃত্ব আৰু দিগদৰ্শন নোহোৱা হ'লে অসমৰ ভক্তি আন্দোলনে এটা সামাজিক ব্যাপ্তি লাভ নকৰিলেহেঁতেন। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰতিষ্ঠা কৰি থৈ যোৱা কল্যাণময় পৰিকল্পনা আজিৰখন অসমৰ জাতীয় সংহতিত কেনেদৰে তিষ্ঠি থাকিব এনেবোৰ বাস্তৱ উদাহৰণেই প্ৰমাণ কৰে।

মানৱিকতাদী দৃষ্টিভঙ্গী আৰু সাংস্কৃতিক প্ৰজ্ঞা সঞ্চাৰিত কৰি এক বৃহত্তৰ আৰু মহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অতুলনীয় অৱদান আগবঢ়াওঁতা শ্ৰীমন্ত শঙ্কৰৰ চিন্তা আৰু কৰ্মই এই সকলোবোৰ সমস্যাৰ সমাধান ঘটোৱাত অৰিহণা আগবঢ়াব পাৰে। শঙ্কৰদেৱৰ সংস্কৃতি-বীক্ষা আৰু সংস্কৃতি-ভাৱনাৰ স্বৰ্ণময় ৰূপে এক সংহতিপূৰ্ণ অসমীয়া জাতিৰ বুনিয়াদ পুনৰ প্ৰতিষ্ঠাত নিশ্চয়কৈ অনুপ্ৰাণিত কৰিব পাৰে।■■

**প্ৰসঙ্গ টোকাঃ**

১। বেজবৰুৱাৰ গ্ৰন্থাৱলী ঃ গুৱাহাটী ১৯৬৯, পৃঃ ৪১৫

২। জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ দ্বিতীয় সংস্কৰণ,১৯৮৬ পৃঃ ৪২৩

৩। জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ দ্বিতীয় সংস্কৰণ,১৯৮৬ পৃঃ৪৮৫

**গ্ৰন্থপঞ্জী ঃ**


১) অতুল চন্দ্ৰ হাজৰিকা (সম্পাঃ) ঃ বেজবৰুৱা গ্ৰন্থাৱলী, দ্বিতীয় খণ্ড সাহিত্য প্ৰকাশ, গুৱাহাটী

২) প্ৰদীপ জ্যোতি মহন্ত ঃ শঙ্কৰদেৱৰ শিল্পলোক পূৰ্বাঞ্চল প্ৰকাশ, গুৱাহাটী২০০৭

৩) বসন্ত কুমাৰ গোস্বামী (সম্পা.) ঃ শঙ্কৰদেৱ সন্দৰ্শন অসম সাহিত্য সভা যোৰহাট,১৯৯৮

৪) মহেশ্বৰ নেওগ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ বাণী মন্দিৰ, গুৱাহাটী, ১৯৮৬

৫) মেদিনী চৌধুৰী ঃ সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শঙ্কৰদেৱৰ মূল্যায়ন ঃ সুভদ্ৰা প্ৰকাশন, গুৱাহাটী ২০০৬

৬) যতীন্দ্ৰনাথ গোস্বামী (সম্পা.) ঃ বেজবৰুৱা গ্ৰন্থাৱলী, তৃতীয় খণ্ড সাহিত্য প্ৰকাশ, গুৱাহাটী, ২০০৫

৭) ৰঞ্জিত কুমাৰ দেৱগোস্বামী (সম্পা) ঃ শঙ্কৰদেৱ চৰ্চা১ কথা গুৱাহাটী, গুৱাহাটী, চেপ্তেম্বৰ, ২০০৫ শঙ্কৰদেৱ চৰ্চা ২, কথা গুৱাহাটী, গুৱাহাটী, অক্টোবৰ, ২০০৫

৮) শিৱনাথ বৰ্মন ঃ শ্ৰীমন্ত শঙ্কৰদেৱ কৃতি আৰু কৃতিত্ব ঃ ত্ৰিমূৰ্তি প্ৰকাশ, গুৱাহাটী, ১৯৮৬।

৯) শিৱনাথ বৰ্মন (সম্পা). ঃ প্ৰসংগ শঙ্কৰদেৱ ঃ ষ্টুডেণ্টচ ষ্ট'ৰ্চ ঃ গুৱাহাটী ১৯৯৭।

১০) সত্যেন্দ্ৰনাথ শৰ্মা (সম্পা)ঃ জ্যোতিপ্ৰসাদ ৰচনাৱলী ঃ অসম প্ৰকাশন পৰিষদ, গুৱাহাটী ১৯৮১।

# লৈয়োক একমাত্ৰ সাধু সঙ্গতি

**ধীৰেণ চন্দ্ৰ বৰুৱা**

মহাপুৰুষীয়া শাস্ত্ৰৰাজিত সঘনাই উল্লিখিত উপদেশ বাণী হ'ল শিৰোনামত উল্লেখ কৰা ধৰণৰ। অৰ্থাৎ ভগৱন্তৰ ভক্তি কৰিব বিচৰাসকলে সাধু, ভকত, সন্ত, মহন্ত, বৈষ্ণৱ, সজ্জন আদিৰ সঙ্গ গ্ৰহণ কৰিব লাগে। সাধু-সন্ত, মহন্ত, ভকত, সজ্জন, ভাগৱত, সৎ-সঙ্গ, বৈষ্ণৱ, মহাজন, ব্ৰহ্মাণ, সেৱক, ভৃত্য আদি মহান শব্দৰাজি বৈষ্ণৱ সাহিত্যত ভকতীয়া ধাৰণাৰে সমাৰ্থকৰূপেই শাস্ত্ৰৰাজিত প্ৰয়োগ হৈ আহিছে আৰু ব্যৱহাৰিক দিশতো তাৰ ব্যতিক্ৰম নাই বুলিব পাৰি। ঈশ্বৰ কৃষ্ণৰ গুণানুকীৰ্তন কৰাসকলৰ ক্ষেত্ৰতেই সাধাৰণতে এই শব্দবোৰ প্ৰয়োগ কৰা হয় যদিও দুই এটি এনে শব্দ অন্যাৰ্থতো ব্যৱহাৰ কৰা দেখা-শুনা যায়। তাৰ ভিতৰত 'ভকত' বা ভক্ত' শব্দটো অন্যতম।

বহল অৰ্থত 'হিন্দুধৰ্ম' বুলি খ্যাত ভাৰতীয় ধৰ্ম পৰম্পৰাত শাক্ত, শৈব, বৈষ্ণৱ, গাণপত্য আদি ঠালবোৰত ভিন ভিন দেৱতাৰ পূজা-উপাসনা কৰা সেৱক আছে। তেনে উপাসকসকলো সেই পৰম্পৰাৰ সমৰ্থক বা সেৱক ভকত আখ্যা দিয়া পোৱা যায়। যেনে— শিৱৰ উপাসক শৈব্যসকলক শিৱভক্ত, দেৱী উপাসকক দেৱীভক্ত আদি আদি। অৱশ্যে মহাপুৰুষ কৃষ্ণ সেৱকসকলে ভকত শব্দটো উল্লিখিতসকলৰ ক্ষেত্ৰত প্ৰয়োগ বা স্বীকাৰ নকৰে। তাৰাসকলে শাস্ত্ৰসন্মতে ভগৱানৰ সেৱা-পূজা কৰাসকলকহে ভকত আখ্যা দিয়ে। সূক্ষ্মভাৱে বিচাৰ কৰি চালে অপদেৱতাত ঈশ্বৰত্ব আৰোপ কৰি ভৱসমুদ্ৰ পাৰ হ'ব বিচৰাটো আৰু অনুগামীসকলক 'ভকত' আখ্যা দিয়াটো মূঢ়তাই নহয় অপৰাধৰো বিষয়। কৃষ্ণ ভিন্ন আন দেৱতাসকলক অপদেৱতা বোলা হয়। সেইবোৰৰ নিজৰে স্থিতি নাই। মায়াৰ অধীন। মৃত্যু ভয়ত থৰথৰ কম্পমান।

"হৰি বিনে আছন্ন যতেক আন দেৱ।  
আপোনাক ৰাখিবেক নপাৰন্ত কেৱ।।  
নাহি আপোনাৰ পুৰী কালৰ ভয়তে।  
তাৰসৰে আনক ৰাখিবে কেনমতে।।"

— ৰত্নাৱলী

আকৌ বৃত্ৰাসুৰৰ যুদ্ধত পৰাজয় বৰণ কৰি দেৱতাই ভগৱন্ত কৃষ্ণৰ চৰণত শৰণ লৈ স্তুতি কৰিছে এইদৰে—

ৰাগ আদি শূন্য তুমি পৰম নিৰ্ম্মল।  
নাহি অহংকাৰ বিষয়ৰ কৌতুহল।।  
নিজানন্দ লাভে পৰিপূৰ্ণ আতিশয়।  
গুণৰ উপাধি পৰিচ্ছেদ নকৰয়।।  
হেনয় নিৰ্গুণ তুমি পৰম ঈশ্বৰ।  
মায়াৰ অধীন আমি দেৱতা অপৰ।।  
তোমাক এৰিয়া লয় আমাত শৰণ।  
তাতপৰে নাহিকে পৰম অজ্ঞজন।।  
যেন কোনোজনে কুকুৰৰ লাঞ্জে ধৰি।  
যাইবাক ইচ্ছয় ঘেৰি সমুদ্ৰক তৰি।।  
কদাচিতো নোহে তাৰ সমুদ্ৰ তৰণ।  
এহিমতে লৈয়া অনীশ্বৰত শৰণ।।  
নপাৰে তৰিব দুখাৰ্ণৱ সংসাৰক।।"

— ভক্তি-ৰত্নাৱলী

যি কি নহওক, এতিয়া মূল বিষয়লৈ আগবঢ়া হওক। আগতে উল্লেখ কৰা হৈছে যে মহাপুৰুষ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱকে মুখ্য কৰি শাস্ত্ৰকাৰসকলে তাৰাসৰৰ লিখনিৰাজিৰ পাতে পাতে সাধু, ভকত, মহন্তৰ সঙ্গ, যত্ন কৰি গ্ৰহণ পূৰ্বক ভগৱন্তৰ গুণ-গান কৰিবলৈ দঢ়াই কৈছে। আনকি ভগৱান কৃষ্ণয়ো ভকত-বৈষ্ণৱৰ সঙ্গ বা সৎসঙ্গত গুৰুত্ব দি গৈছে। শাস্ত্ৰত পোৱা যায়—

"মহন্তৰ মুখে কথা শুনা প্ৰথমত।"
"তেৱেঁসে পুৰুষে পাই ভকতিৰ তত্ত্ব।।"
"সাধু সঙ্গ অনুসৰা শ্ৰৱণ কীৰ্ত্তন কৰা।"
"সন্ত উপদেশ হৰি চৰণে ভজিয়া।।"
"যদি ভয় ভয় ভঙ্গ মনে ইচ্ছা কৰা ভাই
সাধু সঙ্গ সদা কৰা সাৰ।"

"সাধু সঙ্গ লৈয়া তোমাক নভজি ভৈলো কিনো অধোগামী এ......।"

"মাগোহো সাধু সঙ্গতি"— আদি আদি।

কথা হ'ল এই যে সাধু, সন্ত, মহন্ত, ভকত— এই সকলৰ সঙ্গপ্ৰাপ্তি হ'বলৈ তাৰাসৰকতো চিনি পাব লাগিব? সমস্যা এইখিনিতে। নাম, পাঠ-প্ৰসঙ্গ, ধৰ্মীয় সভা-সমিতি, সত্ৰ, নামঘৰ, সঙ্ঘ আদি অনুষ্ঠানলৈ ধুতি-পাঞ্জাৱী, চেলেং-গামোচা, চাদৰ-ৰিহা-মেখেলা পৰিধান কৰি যোৱা সকলেই ভকত, সাধু আদি নেকি বাৰু? বহুতে ক'ব হয়তো হয়। বহুতে না-ও কৰিব। মনৰ ভাবনাৰ ওপৰত ই নিৰ্ভৰশীল। কৌৰৱৰ ৰাজসভাত পাণ্ডৱৰ হৈ ৰাজ্য ভিক্ষা কৰিবলৈ যাওঁতে ভিন্নজনে ভিন্ ভিন্ প্ৰকাৰে কৃষ্ণক দেখিলে। কংসৰ সভাতো দহ প্ৰকাৰে দেখা বুলি পোৱা যায়। কিন্তু কৃষ্ণ কৃষ্ণই আছিল। এইবোৰৰ পৰা আমি শিক্ষা ল'ব পাৰোহঁক। দুৰ্যোধনে ভাল মানুহ নোপোৱা, যুধিষ্ঠিৰে বেয়া মানুহ বিচাৰি নোপোৱা উদাহৰণৰ পৰা শিক্ষা ল'ব পাৰিলেই 'ভকত'ক দেখা যাব বুলি বিশ্বাস। আগত উল্লেখ কৰা হয়, নহয়বোৰ অতি খন্তেকীয়া। এই পৃথিৱীৰ মানুহৰ চৰিত্ৰ স্বভাৱ বিচিত্ৰ। আজি যাক ভাল পাই, কাইলৈ হয়তো সি শত্ৰু হয়। কালিৰ শত্ৰু আজিৰ মিত্ৰ হ'ব পাৰে। একেলগে বহি বাপ-বান্ধৱ বুলি লগা-লগি কৰি, সেৱা কৰি চুঁচৰি, ফুৰি নাম-গুণ গাই ভক্তিত গদ্‌গদ হৈ, অলপ আঁতৰি গৈয়ো ইজনে সিজনৰ কুৎসা ৰটিলে সকলো ভ্ৰষ্ট নহয়নে? ভাওজোৰা যেন নালাগেনে? এই ক্ষেত্ৰত যদি আমি সজাগ আৰু আত্মবিশ্লেষণ কৰি কিছু সংস্কাৰ হ'ব পাৰো তেন্তে সমস্যাৰ সমাধানৰ পথ প্ৰশস্ত হ'ব। তাৰ কাৰণে সাধু সন্তৰ কিছু গুণ আয়ত্ব কৰা নিতান্ত দৰকাৰ। তেতিয়াই সাধু বা সৎসঙ্গ গ্ৰহণ সহজ হৈ পৰিব। এই লেখত আমি থাওকতে পোৱা কেইখনমান পুথিৰ আলমত সন্ত-মহন্ত, সাধু-ভকতৰ কিছু লক্ষণ সম্পৰ্কে আলচ কৰাৰ যত্ন কৰিছোঁহঁক।

ৰামচৰণ ঠাকুৰদেৱে গুৰুচৰিত পুথিত সৎসঙ্গ বা ভকত তিনি প্ৰকাৰ বুলিছে— (ক) সাধন সৎসঙ্গ (খ) ফল সৎসঙ্গ, (গ) সাধৰ্মী সৎসঙ্গ।

প্ৰথমে গুৰুক যিবাজনে চিনাৱয়।
সাধন সৎসঙ্গ গুৰু তাহাক কহয়।।
ফল সৎসঙ্গৰ আদি জানিবা শঙ্কৰ।
গুৰু ৰূপ ধৰি আইলা প্ৰভু গদাধৰ।।১৮
একান্ত ভকত সৱ সাধৰ্মী সৎসঙ্গ।
কৰি সেৱা তাসম্বাৰ মাগো আমি সঙ্গ।।

মহাপুৰুষ মাধৱদেৱে ঘোষা কৰিলে—

একান্ত ভকত যাৰা হয় কিছু অৰ্থ তাৰ নবাঞ্ছয়
মহা অদ্‌ভূত হৰি গুণ নাম ময়।
পৰম মঙ্গল কৃষ্ণ যশ যাত পৰ আন নাহি ৰস
পৰম আনন্দ সমুদ্ৰে মজি ৰহয়।।
— নাম-ঘোষা, ৬৮৩

একান্ত ভকতৰ এয়া স্বৰূপ। এনে ভকতে সাংসাৰিক কামনা-বাসনা, ভোগ-ঐশ্বৰ্য, সম্পদৰ প্ৰতি আসক্তিহীন হৈ কেৱল মহামহিমাযুক্ত, পৰম মঙ্গলময় কৃষ্ণৰ যশ-গুণ-নামৰূপ আনন্দ সাগৰত স্নান-পান-

আচমন, অৱগাহন কৰি থাকিয়ে আন সংসাৰী লোকে প্ৰাপ্ত হোৱা সুখ শান্তিতকৈ অধিক সুখ লাভ কৰে। শাস্ত্ৰই তাকে আত্যন্তিক সুখ বুলিছে। এনে ভকতৰ কাৰণে ভগৱন্তৰ গুণ-নামেই মহাধন-বিত্ত-হীৰা। তুৱা গুণ নাম ভকতৰ মহাধন, (নাম-ঘোষা, ৭৯৩) হৰিৰ নামেই কৰ্ণৰ ভূষণ, কৃষ্ণই পিতা-মাতা, গতি-মতি, বন্ধু-বান্ধৱ, আত্মা। সেইজন ভকতেহে কৃষ্ণৰ মহিমা জানে। এয়া কৃষ্ণৰ নিজ মুখ পদ্মনিঃসৃত অমোঘ বাণী—

ভক্ত্যা মামভিজানাতি য়াৱান্যশ্চাস্মি তত্ত্বতঃ।

— গীতা, ১৮/৫৫

ভকতেসে মোৰ মহিমা জানে নিঃশেষ।।

—নাম-ঘোষা, ৬১৮

ভকত শব্দটোৰ ব্যাখ্যা বহুলোকে এইদৰেও কৰা শুনা যায়— ভ ঃ ভক্তি, ক ঃ কথা, ত ঃ তত্ত্ব। অৰ্থাৎ ভক্তিৰ তত্ত্ব কথা বা ভক্তি তত্ত্ব কথা জনা জনেই ভকত। নাৰদ পঞ্চৰাত্ৰতন্ত্ৰ মতে তলৰ ধৰণে জনা যায়—

ভ - পদে ভকত ভয় বিমোচন।
ভজন ভক্তিতে তুষ্ট হোৱন্ত সিজন।।
ক - পদে কৃষ্ণ ভজি পৱিত্ৰ পৰম।
আত্মাকো মানন্ত কৃষ্ণ সমস্ততে সম।।
ত- পদে তৰণৰ উপায় শৰণ।
হৃদয় পদ্মত ধৰে কৃষ্ণৰ চৰণ।।
সিজন ভকত বুলি জানিবা নিশ্চয়।
নিজে তৰি আন পুৰুষকো নিস্তাৰয়।।

পদ্মপুৰাণ স্বৰ্গখণ্ড (সাৰ্বভৌম ভট্টাচাৰ্য্যদেৱ অনুদিত)ত ভগৱন্ত কৃষ্ণই ব্ৰহ্মাদেৱক কৈছে—

“শুনিয়োক ব্ৰহ্মা মোৰ ভকতৰ নয়।
বৰ্ণৰ বাহিৰ বিধি কিঙ্কৰ নোহয়।।
মোতে বেদান্ততো সৰি সিটো শ্ৰেষ্ঠতৰ।
মোৰ গুৰু সেহিজন শুনা সৃষ্টিকৰ।।৫০

উক্ত পুথিৰ ৪৭ সংখ্যক পংক্তিৰপৰা ৪৯ সংখ্যক পংক্তিলৈ বৈষ্ণৱৰ লক্ষণ ব্যক্তিত হৈছে। পৰদাৰাক মাতৃজ্ঞান কৰা, পৰদ্ৰব্যক বিষ্ঠা বুলি পৰিত্যাগ কৰা, সকলো জীৱত পৰমাত্মা দৰ্শন বা নিজৰ দৰে ভবা, সদাচৰণ, বেদবিদ বা জ্ঞানীৰ দৰে কৰ্ম আচৰণ, আন দেৱতাক নিন্দা আৰু বন্দনা নকৰা, শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা কৃষ্ণৰ চৰণ বন্দনা কৰা আদি সমূহ বৈষ্ণৱৰ লক্ষণ। এনে বৈষ্ণৱে ভগৱানৰ গুণানুকীৰ্তন কৰি নিৰ্গুণত্ব লাভ কৰে— “নিৰ্গুণ হোৱয় জীৱ সোহি গুণ গায়।” (বৰগীত) আৰু মোক্ষপ্ৰাপ্তি হয়। এই খিনি লক্ষণ বৈষ্ণৱজনৰ থকাটো নিতান্তই আৱশ্যক। নতুবা শাস্ত্ৰসম্মতে ‘বিৰাল তপস্বী’ বা বেশধাৰী বুলি পৰিগণিত হ’ব।

তৃতীয় স্কন্ধ ভাগৱতৰ ২৫শ অধ্যায়ৰ ২১ৰ পৰা ২৪ সংখ্যক শ্লোকত ভগৱান কপিলদেৱে মাতা দেৱহুতিৰ আগত ভগৱানক একান্ত চিত্তে ভজা ভকতৰ লক্ষণ বৰ্ণনা কৰিছে। মহাপুৰুষ মাধৱদেৱে ভক্তি-ৰত্নাৱলীত পদ্যানিবাদ কৰিছে। অসমীয়া ভাগৱততো উল্লেখ আছে, লক্ষণবোৰ এনে— ভক্তজন সহিষ্ণু, কৰুণাচিত্ত, সকলোৰে সুহৃদ, অজাতশত্ৰু, শান্তগুণসম্পন্ন, মধুভাষী, অনন্য আৰু দৃঢ়ভাৱে কৃষ্ণৰ নিষ্কামে সেৱা কৰা, প্ৰাণান্তেও আনক নভজা, প্ৰভুৰ প্ৰীতিৰ অৰ্থে ধন-জন, বন্ধু-বান্ধৱ সকলোৰে প্ৰতি আসক্তি ত্যাগ কৰি, সমস্ত বিষয় পৰা মন-চিত আঁতৰাই আনি কেৱল ভগৱন্তৰ সুনিৰ্মল গুণ নামতে প্ৰাণ সঁপি আনন্দ পোৱাজনক সাধু বোলে। তেনে জনক তিনি তাপে স্পৰ্শ কৰিব নোৱাৰে। সেই কাৰণে কপিল ঈশ্বৰে মাতৃক কৈছে—

“দেও উপদেশ মই তাক শুনিয়োক।
কৰিয়া যতন সাধু সঙ্গক লৈয়োক।।
তোমাৰ দুঃসঙ্গ দোষ সবে হৰিবন্ত।
স্বভাৱে তোমাক মহাকৃপা কৰিবন্ত।।
পৰম কৰুণাশীল ভকত সকল।
আশ্ৰয় মাত্ৰকে দূৰ কৰে কৰ্ম্মফল।।”

— ৰত্নাৱলী, ৩২৬-৩৭

ভাগৱত গ্ৰন্থত স্থানান্তে পোৱা যায়— যি কৃপালু, অকৃতাদ্ৰোহ, ক্ষমাৱন্ত, সত্যবাদী, অপৰাধহীন, অপ্ৰমত্ত, ধৈৰ্যশীল, সুখ-দুখত সমবুদ্ধি, গম্ভীৰ, ক্ষুধা, তৃষ্ণা, শোক, মোহ, জড়া-মৃত্যু নিজৰ আয়ত্বাধীন, তৃণতকৈও সুনীচ, বৃক্ষতকৈও সহিষ্ণু, দয়ালু, জ্ঞানবান, কৰুণা হৃদয়, নিজে অমানী হৈও আনক মান কৰে, ঈশ্বৰৰ গুণ-কীৰ্তন কৰে, তেৱেঁই যথাৰ্থ সাধু বা ভক্ত। চৈতন্য চৰিতামৃততো একেই লক্ষণ বৰ্ণিত হৈছে। শ্ৰীমদ্ভগৱত গীতাৰ নৱম অধ্যায়ৰ ৩৩ সংখ্যক শ্লোকত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—

"অপিচৎ সু দুৰাচাৰো ভজতে মাৎ অনন্যভাক।
সাধুৰেৰ স মন্তব্যঃ সম্যগ ব্যৱসিতোহি সঃ।।"

নাম-ঘোষাত ইয়াৰ অনুবাদ এনে ধৰণৰ—

"মাধৱে বোলন্ত ধনঞ্জয় মহা দুৰাচাৰো আতিশয়
আন দেৱ ত্যজি মোকসে মাত্ৰ ভজয়।
তাকেসে পৰম সাধু বুলি মানিবা মনত সৰ্বক্ষণে
যিহেতু সম্যকে কৰিলে মোক নিশ্চয়।।"

— নাম-ঘোষা, ৬০৭

সাধুক প্ৰশংসা কৰি এজোকা ঘোষা কৰিলে এনেদৰে—

"বেদৰ বিহিত যত আছে ধৰ্ম্ম সংসাৰত
সবে হৰি নামৰ কিঙ্কৰ।
হেন জানি যিটো নৰে নামৰ কীৰ্ত্তন কৰে
সোহিসে পৰম সাধু নৰ।।"

— নাম-ঘোষা, ১০৩

সন্ত সম্পৰ্কে মাধৱদেৱৰ মত হ'ল— সন্তৰ কৃপাত সুবাসনা; সন্তৰ কোপত দুৰ্বাসনাই পায়। ফলত কৃষ্ণক ভজিব নোৱাৰে। লগতে মহন্তৰ বাক্য মানি ল'লে সুবাসনা উদয়, মহন্তক নিন্দিলে অশুভ বাসনাৰ উদয়। তেন্তে মহন্ত কাক বোলে? তাৰো উত্তৰ দিছে—

"কৃষ্ণ পদ মাত্ৰ সেৱা কৰে সমস্তে কামনা পৰিহাৰে
বেদ ব্যৱহাৰ কদাচিতো নলঙ্ঘয়।
কৃষ্ণ পদ সেৱা সুখ মনে কৰে অনুভৱ সৰ্বক্ষণে
ইহাক মহন্ত বুলিয়া জানা নিশ্চয়।।"

— নাম-ঘোষা, ৫৯৫

মহাজন?

"অহং সৰ্বস্য প্ৰভৱো মত্তঃ সৰ্ব্বং প্ৰৱৰ্ত্ততে।
ইতি মত্বা ভজন্তে মাংবুধা ভাৱসমন্বিতাঃ।।"

—গীতা, ১০/৮

"মোত হন্তে হোৱে চৰাচৰ/ মোতেসে প্ৰৱৰ্ত্তে নিৰন্তৰ/ ইহাক অৰ্জ্জুন জানে যিটো মহাজন।" সিমানেই নহয়— "পৰম বিবেক সিটোজন/ মোৰ ভাৱযুক্ত হুয়া মন/ মোক মাত্ৰ ভজে শ্ৰৱণ কৰি কীৰ্ত্তন।।" —নাম-ঘোষা, ৬১৫

আকৌ—

"হৰি গুণ ভকতৰ কৰ্ণৰ ভূষণ।
যিটো সদা বোলে ৰাম সি সি মহাজন।।

—নাম-ঘোষা, ৫৫০

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ৰচিত একমাত্ৰ সংস্কৃত ভাষাৰ পুথিৰ (ৰামচৰণ ঠাকুৰদেৱ অনুবাদকৃত) সন্ত ভক্তৰ লক্ষণ অধ্যায়ত ভক্তৰ আঠাইশটা লক্ষণ উল্লেখ কৰিছে। লক্ষণসমূহ এনে—

১। প্ৰাণী সকলৰ/ দুখ সহিবাক/ নপাৰয় সাধুজন।। ২। শক্তি অনুৰূপে সকলোকে উপকাৰ কৰে, ৩। অত্যন্ত ক্ষমাশীল, ৪। অন্তৰেন্দ্ৰিয় সংযম কৰি ৰাখে, ৫। কাকো অসূয়া নকৰে, ৬। প্ৰাণীৰ দ্ৰোহাচৰণ নকৰে, ৭। পৰম কোমল চিত্ত, ৮। নিৰ্বিকাৰ, ৯। সদাচাৰ, ১০। স্বধৰ্ম পালনত ৰত, ১১। ইন্দ্ৰিয় (জ্ঞানেন্দ্ৰিয় কৰ্মেন্দ্ৰিয়), ১২। সুখে-দুখে সমভাৱাপন্ন, ১৩। কামনাৰ দাস নহয়, ১৪। সত্যব্ৰতী, ১৫। লোক চেষ্টা বৰ্জ্জিত, ১৬। অল্পহাৰী, ১৭। প্ৰয়োজনাধিক দ্ৰব্য সংগ্ৰহ নকৰা, ১৮। সকলোতে সতৰ্ক, ১৯। একমাত্ৰ ঈশ্বৰ শৰণীয়া, ২০। নিজে মান-সন্মান নিবিচাৰে, ২১। আনক মান কৰে, ২২। আপদ কালত অকৃপণ, ২৩। ছয় উৰ্মি জিনিব পৰা, ২৪। সহনশীল,

২৫। মহা কাৰুণিক চিত্ত, ২৬। জ্ঞানবাদ, ২৭। ঠগ-প্ৰৱঞ্চনা নকৰে, ২৮। আনক জ্ঞান-উপদেশ দি সংশয় ছেদ কৰিব পাৰে।

"ভকতিত সবে ধৰ্ম্ম সিদ্ধ হৈব
কৰিয়া দৃঢ় নিশ্চয়।
তেজি ধৰ্ম্ম সিটো মোক ভজে যিটো
সেহি সাধু মহাশয়।।"

উদ্ধৱক পুনৰ ভগৱন্তই উত্তম ভকতৰ লক্ষণ কৈছে। অৰ্জুনকো ক'লে—

"মোৰ কৃষ্ণ নাম পৰম মঙ্গল
গাৱে সদা সাধুজন।।"

এই পুথিত গুৰুজনে প্ৰকৃত, মধ্যম আৰু উত্তম ভক্তৰ লক্ষণো বৰ্ণনা কৰিছে। প্ৰবন্ধৰ কলেৱৰ প্ৰতি লক্ষ্য ৰাখি উল্লেখৰ পৰা বিৰত থাকিলো। শাস্ত্ৰমতে বিচাৰ কৰিলে প্ৰয়াসীসকলে আৰু অনেক লক্ষণ পাব। এয়া মাত্ৰ এক আভাসহে। ক'ব পাৰি এই ধৰণৰ লক্ষণৰ বৈপৰীত্যই অভক্ত, অসাধু অসন্ত আদি। গোস্বামী তুলসী দাসে ৰামচৰিত মানসত কৈছে যে— এক পানীতে জন্ম হোৱা জোক আৰু পদুমৰ দৰে এই পৃথিৱীতে সাধু-অসাধুৰো জন্ম। গুণ পৃথক। পদুমৰ পৰশ মাত্ৰে সুবাস, সুখ আনন্দ ঢালে; জোকে ৰক্ত শোষণ কৰি দুখ দিয়ে। সাধু অসাধুও একেই। সাধুৰ সংসৰ্গই সংসাৰৰ পৰা উদ্ধাৰৰ পথ দৰ্শন কৰাই আনন্দ দিয়ে, অসাধুৱে মোহ, প্ৰমাদ, জড়তাৰ পথত আৰোহণ কৰাই ধ্বংসমুখী কৰে। সাধু সুধা, মৃত। অসাধু সুৰা, গৰল। অমৃতৰ মহত্ব অমৰত্ব দান, গৰলৰ মহত্ব মৃত্যু দান। সাধুৰ সঙ্গত দুষ্টলোক শিষ্ট-শান্ত হয়, যিদৰে পৰশমণিৰ স্পৰ্শত লো সোণলৈ ৰূপান্তৰিত হয়। সাধুৱে মনৰ অজ্ঞান অন্ধকাৰ নাশ কৰি এক অলৌকিক জ্ঞানৰ জ্যোতি প্ৰদান কৰে। তেওঁৰ মতে—

"বিনু সত-সঙ্গ বিবেক ন হোঈ।
ৰাম কৃপা বিনু সুলভন সোঈ।।
সত সঙ্গত মুদ মঙ্গল মুলা।
সোঈ ফল সিদ্ধি সব সাধন ফুলা।।"

অৰ্থাৎ সৎসঙ্গ বা সাধু সঙ্গতি লাভ কৰাটো 'ফল' বাকী সাধনাবোৰ 'ফুল'। সাধু সঙ্গ লাভত সকলো প্ৰকাৰ আনন্দ আৰু মঙ্গলপ্ৰাপ্ত কৰিব পাৰি। সাধু, ভকতেহে বিবেক জাগ্ৰত কৰি মস্তকৰ ভক্তিকোষ উজ্জিৱীত কৰি ভক্তিৰে হৃদয় সিক্ত কৰাব পাৰে। পিছে, এনে সাধু-সন্ত-মহন্ত-ভকতৰ সঙ্গ প্ৰাপ্তিৰ কাৰণে ৰামৰ, কৃষ্ণৰ কৃপা লাগিব।

তেন্তে আমাৰ প্ৰতি প্ৰভুৰ কৃপা আছেনে নাই? নিশ্চয় আছে। চৌৰাশী লক্ষ যোনি ভ্ৰমণৰ অন্তত অৰ্থাৎ চৌৰাশী লাখ একত প্ৰভুৰ অহেতুক কৃপাৰ ফলত, ব্ৰহ্মাৰো প্ৰাৰ্থনী অনুপম নৰদেহা জীৱই লাভ কৰে। এয়া শাস্ত্ৰৰ মত। এই জন্মত সৎকৰ্ম, ঈশ্বৰ ভক্তি কৰিলে জীৱই গতি পাব নতুবা অধুগামী হ'ব। কৃষ্ণৰ চৰণত একান্ত শৰণ গ্ৰহণ কৰি সাধু সন্তৰ সঙ্গত বহি গুণ নাম শ্ৰৱণ-কীৰ্তন কৰিবলৈ সেয়েহে শাস্ত্ৰই ৰিঙিয়াই থাকে। সন্ত-মহন্তৰ সঙ্গ ল'বলৈ কোৱা একমাত্ৰ কাৰণ হ'ল— গ্ৰাম্য কথা বিনাশন/ উত্তম শ্লোকৰ গুণ। প্ৰসৰয় সাধুৰ সঙ্গত। সন্তৰ সমাগমত কৃষ্ণ কথামৃত নদী বা কীৰ্তি নদীৰ সৃষ্টি হয়।

ভগৱন্তই কৈছে যে তেওঁৰ গুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰা ঠাইখন নিৰ্গুণস্থান, বৈকুণ্ঠ, শ্ৰৱণ-কীৰ্তন কৰা সকলেই ভকত, সাধু, সন্ত, মহন্ত। গতিকে তেনে 'কৃষ্ণৰ স্থানক/ যত্নে চলিয়োক' এয়া গুৰুবাণী। এই সাধু সঙ্গ লাভ কৰিবলৈ হ'লে আমাৰ মনৰ দুৱাৰ-খিৰিকিবোৰ খুলি ৰখাৰ দৰকাৰ। তেতিয়াই সাধুসঙ্গ লব্ধমান হ'ব আৰু ঈশ্বৰৰ গুণ নাম শ্ৰৱণ-কীৰ্তন কৰি সংসাৰ বন্ধন ছিন্ন কৰি হৰিময় হ'ব পৰা যাব বুলি শাস্ত্ৰৰ দৃঢ়মত— "বন্ধ ছিণ্ডি হোৱে আপুনি হৰি।" কীৰ্ত্তনত হৈছে—

"কলিত কীৰ্ত্তনে হোৱে ভকত।
আতপৰে লাভ নাহি লোকত।।

ভকত সৎসঙ্গক সদায় পোৱাৰ উপায় কি? আমি যদি গৃহৱৰ্তী সকলো লোক কৃষ্ণশৰণীয়া হৈ পৰস্পৰে পৰস্পৰৰ সাধুসঙ্গ হিচাপে ঈশ্বৰৰ গুণনাম শ্ৰৱণ-কীৰ্তনৰ ব্যৱস্থা কৰিব পাৰোহঁক কিমান যে ভাগ্যবান হ'লো হয়। এই যত্ন সকলোৱে কৰিব পাৰিলে এখন সংস্কাৰী সমাজৰ আশা কৰিব পাৰি। তেতিয়া সকলোতে সাধুসঙ্গই পোৱা যাব বুলি আশা কৰিব পাৰি।

এইখিনিতে এটা কথা উল্লেখ কৰা উচিত বুলি বিবেচনা কৰা হ'ল— মহাপুৰুষ মাধৱদেৱে ভক্তি ৰত্নাৱলী গ্ৰন্থৰ মুঠ তেৰটা বিৰচনৰ ভিতৰত সৎসঙ্গ সম্পৰ্কে ৰচনা কৰা বিশেষ বিৰচনটোত আদিৰ পৰা অন্তলৈ ভকতৰ মহত্ব, সঙ্গতি লাভৰ লাভালাভ, ফল, কোনে কিদৰে ভকতৰ সঙ্গলভি গতি পালে, ভকত সেৱাৰ ফল আদিৰ বৰ্ণনা কৰিছে। সন্ত, মহন্ত, সাধুৰ লক্ষণো বৰ্ণনা কৰিছে। সঙ্গ লাভ বাদেই ভকতৰ পদৰেণুৰ মহত্ত্বও পৃথুৰ উদাহৰণেৰে ব্যক্ত কৰিছে। সাধুসঙ্গ প্ৰাপ্ত নোহোৱাৰ কাৰণো ব্যক্ত কৰিছে এইদৰে—

"বহুবিধ কৰ্মতে আকুল মন যাৰ।
সদায়ে সাধুৰ সঙ্গ হৈবে কেনে তাৰ।।"৩৬৯

ইও চিন্তনীয়! সমুদায় বিৰচনৰ মূল বিষয় হ'ল—

যদি ভৱ ভয় ভঙ্গ　　মনে ইচ্ছা কৰা ভাই
সাধুসঙ্গ সদা কৰা সাৰ।
একক্ষণ নামে মাত্ৰ　　কেৱল সাধুৰ সঙ্গ
হোৱে নাও ভৱ তৰিবাৰ।।"

— নাম-ঘোষা, ৭৬

আৰু—

"গঙ্গা আদি কৰি যত তীৰ্থ নিৰন্তৰ।
হৰন্ত কেৱল পাপ মাত্ৰ শৰীৰৰ।।
সন্ত সঙ্গে বাহিৰে ভিতৰে শুদ্ধি কৰে।
হেন সাধু সেৱা নকৰিবে কোন নৰে।।"

— ৰত্নাৱলী, ৩৮৭

হৰিভক্তিৰ কাৰণে সাধু সঙ্গ অপৰিহাৰ্য। উল্লিখিত সাধুৰ লক্ষণবোৰ কম-বেছি পৰিমাণে সকলোৰে বিদ্যমান। সেয়েহে বিনা দ্বিধাই দৃঢ় ভাবনাৰে প্ৰত্যেকেই প্ৰত্যেকক (কীৰ্ত্তনীয়াসকলক) সাধু সঙ্গ বুলি গ্ৰহণ কৰিলেই প্ৰভুৰ কৃপা হ'ব। সকলো সময়তে কৃষ্ণ ভাবনাৰে হৃদয়পূৰ্ণ কৰি ৰাখিব পাৰিলে নিজেও নিজৰ সৎসঙ্গ হ'ব পাৰি। তেনে ভকতৰ কাৰণে কৃষ্ণই প্ৰতিজ্ঞা কৰিছে এনেদৰে—

"ক্ষণিতেকো নাহি ৰয় কৃষ্ণ এৰি ভিন্ন।
জানিবাহা মুনি এহি ভকতৰ চিন।।
সত্যে সত্যে সত্যে সত্যে কৰো অঙ্গীকাৰ।
কলিত ভকতে হৈব হৰি অৱতাৰ।।"

অধিক কি? ভগৱন্তই তেনে ভকতৰ পিছ নেৰে, ভকত ভগৱন্তৰ অভিন্ন হৃদয় হয়। তেন্তে আমি ঈশ্বৰৰ সেৱক সকলোকে সাধু বুলি তাৰাসবৰ সঙ্গত বহি হৰি কীৰ্তন কৰাই শ্ৰেয় পথ। মাধৱদেৱৰ ভাষাত—

"পৰম শ্ৰেয়স হৰি ভকতি।
জানি হৰি পাৱে কৰিয়ো ৰতি।।
হৰি গুণ নাম কৰিয়ো সাৰ।
নিজ যশ প্ৰিয় জগ আধাৰ।।
বিধিৰ কিঙ্কৰ তেজি ভকতি।
গায়ো হৰি যশ নিৰ্ম্মল মতি।।
লৈয়ো একমাত্ৰ সাধু সঙ্গতি।
তেৱেসে নিৰ্ম্মল হৈব ভকতি।।

— নাম-ঘোষা, ৭৩০-৩৩ ■■

# পদ্মপুৰাণত জীৱমুক্তিৰ কাহিনী

**ভূপেন শইকীয়া**

ভাৰত পুৰাণ আদি যত প্ৰকাশ কৰয় নানা মত
যত মহাজনসৱৰ সভা মধ্যত।
পৰম আনন্দ ৰসময় কোটি সূৰ্য সম প্ৰকাশয়
মহাভাগৱত নোহন্ত যেবে বেকত।।
— নাম-ঘোষা-৬৮১

ভাৰতবৰ্ষত ৰামায়ণ, মহাভাৰত, পুৰাণ, উপনিষদ আদি অনেক শাস্ত্ৰ আছে। সন্ত-মহন্তসকলে এই পুৰাণ আদি শাস্ত্ৰসমূহকে শ্ৰৱণ-কীৰ্তন কৰি আনন্দ লাভ কৰে। কিন্তু সমস্ত পুৰাণৰ সূৰ্য শ্ৰীমদ্ভাগৱত মহাগ্ৰন্থ শ্ৰৱণ-কীৰ্তনৰ পাছত তেওঁ সন্ত-মহন্তসকলৰ পুৰাণাদি শাস্ত্ৰসমূহৰ প্ৰতি স্পৃহা নাইকিয়া হয়। মহামুনি ব্যাসে চাৰিখন বেদকে আদি কৰি পুৰাণ শাস্ত্ৰসমূহ ৰচনা কৰি এইবিলাক জীৱজগতৰ কল্যাণকামী নোহোৱাত শান্তি নাপালে। তেওঁ চিত্ত অস্তিৰ হ'ল। নাৰদমুনিৰ নিৰ্দেশক্ৰমে ব্যাসে সেয়েহে শ্ৰীমদ্ভাগৱত শাস্ত্ৰ ৰচনা কৰি তৃপ্তি লভিলে।

"মোৰে উপদেশে কৰা ভাগৱত শাস্ত্ৰ।
প্ৰচাৰোক গোৱিন্দৰ গুণ যশ মাত্ৰ।।"

পূৰ্ণকৃষ্ণ ভগৱন্তৰ দিব্য জন্ম কৰ্মৰ গুণ-নাম, লীলাসমূহেই মহাভাগৱত শাস্ত্ৰৰ বিষয়বস্তু। এতেকে যেতিয়াই মহাজনসকলে মহাভাগৱত শাস্ত্ৰ পাঠ কৰে, পৰমপুৰুষ ভগৱন্ত কৃষ্ণৰ গুণ-নাম, লীলাই তেওঁলোকক মুগ্ধ কৰে আৰু তেওঁলোক মহাজ্ঞানৰ অধিকাৰী হয়। সূৰ্যৰ পোহৰত যেনেকৈ চাকি-বন্তিৰ অৰ্থহীন ঠিক তেনেকৈ মহাভাগৱত শাস্ত্ৰ যি স্থানত ব্যক্ত হয় সেই স্থানত পুৰাণাদি শাস্ত্ৰসমূহ মূল্যহীন হৈ পৰে। এই মহাভাগৱত শাস্ত্ৰ শ্ৰৱণ কৰিলে জীৱই মুক্তি লাভ কৰিব পাৰে। সাতদিন-সাতৰাতি মহাভাগৱত শ্ৰৱণ কৰি এক প্ৰেতাত্মাই মুক্তি লাভ কৰিলে তাৰ এটি কাহিনী পুৰাণত পোৱা যায়।

এদিন নাৰদমুনিয়ে কলিযুগৰ পাপমতি নৰসমাজৰ মুক্তিৰ উপায় বিচাৰি চাৰিসিদ্ধ সনক, সনাতন, সুনন্দ আৰু সনৎকুমাৰক সোধাত মুনিসকলে কৈছে— "কলিযুগৰ পাপী, দুৰাচাৰ, বিপথগামী, লোভ, মোহ, কাম, ক্ৰোধত দগ্ধ লোকসকলে একেৰাহে সাতদিন শ্ৰীমদ্ভাগৱত শ্ৰৱণ-কীৰ্তন কৰি পৱিত্ৰ হ'ব পাৰে।" এই বিষয়ে মুনিসকলে অতীতকালৰ এটা কাহিনী ক'লে। কাহিনীটো এনেধৰণৰ—

অতি পুৰণি কালত তুঙ্গভদ্ৰা নদীৰ পাৰত এখন আছিল গাঁওখনৰ মানুহবিলাক আছিল সত্যবাদী, ধৰ্মপৰায়ণ, অমায়িক আৰু অতিথিপৰায়ণ। সেই গাঁৱতে আত্মদেৱ নামৰ এজন ব্ৰাহ্মণ আছিল। তেওঁ চতুৰ্বেদ বিশাৰদ আছিল। তেওঁৰ পাণ্ডিত্য চাৰিওফালে বিয়পি পৰিছিল। তেওঁ ধনৱান লোক আছিল যদিও সৰ্বহীনভাৱে ভিক্ষুৰ দৰে বাস কৰিছিল। তেওঁৰ এগৰাকী সজ বংশজাত সুন্দৰী পত্নী আছিল। তেওঁৰ নাম ধুন্ধুবী। তেওঁ ঘৰুৱা কাম-কাজত বৰ পাকৈত আছিল যদিও সদায় পৰচৰ্চাত ব্যস্ত থকাৰ উপৰি ক্ৰুৰ স্বভাৱৰ কলহপ্ৰিয়, কৃপণ আৰু অত্যন্ত কথকী আছিল। তথাপি আত্মদেৱ আৰু ধুন্ধুৰীয়ে মিলাপ্ৰীতিৰে সংসাৰ কৰি আছিল। তেওঁলোকৰ

ঐশ্বৰ্য-বিভূতিৰে ঘৰ পৰিপূৰ্ণ আছিল যদিও সতি-সন্তান নথকাৰ বাবে তেওঁলোকৰ সংসাৰখন সুখৰ নাছিল। সতি-সন্তানৰ আশাত তেওঁলোকে দুখীয়াক গো-দান, ভূমি দান, সোণ দান, বস্ত্ৰ দান আদি অনেক ধৰ্মমূলক কাম কৰিলে যদিও একো কাম নহ'ল। সেয়েহে এদিন আত্মদেৱ ঘৰৰপৰা ওলাই গ'ল। বহুদূৰ বাট অতিক্ৰম কৰি ভাগৰত কাতৰ হৈ বিলৰ পানী খাই পিয়াহ দূৰ হোৱাত টোপনি আহিল। বিলৰ পাৰতেই তেওঁ শুই দিলে। টোপনিত এজন সন্ন্যাসীয়ে দেখা দিলে আৰু আত্মদেৱৰ দুখৰ কাৰণ সুধিলে। তেতিয়া আত্মদেৱে ক'লে— "মই সন্তানহীন লোক হোৱাৰ বাবে মই দিয়া দ্ৰব্য পিতৃ-পিতামহ, দ্বিজ কোনেও গ্ৰহণ নকৰে। সেয়েহে মনৰ দুখত মৃত্যু কামনা কৰি এই বনলৈ আহিছোঁ।" তেতিয়া সন্ন্যাসীয়ে বৈৰাগ্য বিষয়ক নানান জ্ঞান দিয়াৰ লগতে কৈছে— "কপালত যি নাই তাক পাবৰ বাবে ব্যাকুল হৈ লাভ নাই। তোমাৰ পুত্ৰমুখ কপালতেই নাই। তেনে নথকা বস্তুৰ প্ৰতি আশা কৰা বৃথা চেষ্টা মাথোন। তথাপি তোমাক মই এটা ফল দিছো। এই ফলটো তোমাৰ পত্নীক দিলে এটি মনোমত পুত্ৰ লাভ হ'ব। এই ফলটি খোৱাৰ পিছত তোমাৰ পত্নীৰ সত্য, শৌচ, ক্ষমা, দয়া, দান আদি কৰি প্ৰতিদিনে এসাজকৈ অন্ন ভোজন কৰিবলৈ ক'বা। তেতিয়া তোমাৰ এটি সজপুত্ৰ জন্ম হ'ব।" এই কথা কৈ সন্ন্যাসী অন্তৰ্ধান হ'ল। আত্মদেৱে টোপনিৰপৰা সাৰ পাই কাষতে এটি পকা ফল পাই পত্নীক ফলটিৰ সম্পূৰ্ণ বিৱৰণ দি তেওঁক খাবলৈ আদেশ দিলে।

স্বামীৰপৰা ফলটো পোৱাৰ পিছত ধুন্ধুবীৰ মনত শান্তি নোহোৱা হ'ল। তেওঁ সখীয়েকক ক'লে— "এই ফলটো খোৱাৰ মোৰ ইচ্ছা নাই। ফলটো খালেই মোৰ গৰ্ভ হ'ব। পেটটো বাঢ়ি যাব। তেতিয়া মোৰ খোৱা কমি যাব। মই দুৰ্বল হৈ পৰিম। দুৰ্বল হ'লে ঘৰুৱা কাম-বন কৰাত বৰ অসুবিধা হ'ব। ঘৰত ডকাইত সোমালেও পলাব নোৱাৰিম আৰু যদি গৰ্ভটো ওলাব নোখোজে তেতিয়াচোন মোৰ মৃত্যুৱেই হ'ব। প্ৰসৱ যন্ত্ৰণা বৰ কষ্টকৰ, তেনে যন্ত্ৰণা মোৰ নিচিনা এগৰাকী সুকোমলী নাৰীয়ে কেনেকৈ সহ্য কৰিম। কেনেবাকৈ যদি মই মৰি যাওঁ তেন্তে ননদে আহি মোৰ সৰ্বস্ব সম্পত্তি হৰণ কৰিব। সেয়েহে বন্ধ্যা হৈ থকাই ভাল।" সেই বাবে তেওঁ ফলটো নাখাই থৈ দিলে। আত্মদেৱে ফলটো খালেনে বুলি সোধাত ধুন্ধুবীয়ে খালো বুলি কৈ থ'লে।

কেইদিনমানৰ পাছত এদিন ধুন্ধুবীৰ ভনীয়েক অহাত তেওঁক ফলটোৰ বিষয়ে বিৰৰি ক'লে। লগতে তেওঁ প্ৰসৱ যন্ত্ৰণাৰ বাবে যে ফলটো খোৱা নাই সেই কথাটোও ভনীয়েকক অৱগত কৰিলে। তেতিয়া ভনীয়েকে ক'লে— "এতিয়া মোৰ গৰ্ভ হৈছে যেন-জন্ম হ'লে সন্তানটি তোমাক দিম। তুমি মোৰ এই সন্তান প্ৰসৱ হোৱাৰ সময়লৈকে তোমাৰ গৰ্ভ হৈছে দেখুৱাই ঘৰৰ ভিতৰতে থাকিবা। তুমি মোৰ স্বামীক কিছু ধন-বিত দিবা, তেওঁ তোমাক সন্তানটি দিব। মই মোৰ ল'ৰাটো জন্ম হৈ মৰিল বুলি ক'ম আৰু তোমাৰ ওচৰলৈ আহি শিশুটিক লালন-পালন কৰিম। গতিকে তুমি ফলটো গাই এজনীক খোৱাই দিয়া।" ভনীয়েকৰ কথামতে ধুন্ধুবীয়ে ফলটো গাই এজনীক খুৱাই দিলে। যথাসময়ত ভনীয়েকৰ এটি পুত্ৰ সন্তান জন্ম হোৱাত পূৰ্ব চুক্তিমতে ভনী-জোঁৱায়েকে অতি গোপনে সন্তানটি ধুন্ধুবীৰ হাতত তুলি দিলেহি। লগে লগে ধুন্ধুবীৰ এটি পুত্ৰ সন্তান জন্ম হ'ল বুলি প্ৰচাৰ হ'ল। আত্মদেৱেও পুত্ৰ সন্তান লাভ কৰি সন্তানৰ জাত কৰ্ম কৰাই অনেক দান-দক্ষিণা কৰিলে। ধুন্ধুবীৰ নিজৰ সন্তান নোহোৱাৰ বাবে সন্তানক গাখীৰ খুৱাবলৈ অসুবিধা হোৱাত স্বামী আত্মদেৱক বুজাই-বঢ়াই প্ৰকৃত মাতৃ তথা নিজৰ ভনীয়েকক কিছুদিনৰ বাবে মাতি আনিলে। ভনীয়েকে স্তন দান দি সন্তানটি তুলি-তালি ডাঙৰ-দীঘল কৰিলে। ধুন্ধুবীয়ে ল'ৰাটিৰ নাম ৰাখিলে

ধুন্ধুকাৰী। ইয়াৰ তিনিমাহৰ পাছতে ফল খোৱা গাইজনীয়েও এটি পুত্ৰ সন্তান জন্ম দিলে। ল'ৰাটিৰ কাণ দুখন গৰুৰ কাণৰ দৰে হোৱাৰ বাবে নাম ৰাখিলে গোকৰ্ণ। আত্মদেৱৰ ভাগ্য উদয় হ'ল বুলি সৰ্বসাধাৰণে ভাবিলে যদিও প্ৰকৃত ৰহস্য কোনেও নাজানিলে। এদিন দুদিনকৈ ধুন্ধুকাৰী আৰু গোকৰ্ণ ডাঙৰ হ'ল। ডেকা ধুন্ধুকাৰী চৰিত্ৰহীন, চোৰ, হিংসুক হ'ল। পিতৃ-মাতৃৰ ওপৰত অত্যাচাৰ কৰিবলৈ ধৰিলে। অন্যহাতে গোকৰ্ণ মহাপণ্ডিত হ'ল। গোকৰ্ণৰ আচৰণে আত্মদেৱক সন্তুষ্টি দিলেও ধুন্ধুকাৰীৰ আচাৰ-ব্যৱহাৰে অন্তৰত দুখ পাই কান্দি কান্দি প্ৰাণ ত্যাগ কৰাই শ্ৰেয় বুলি ভাবি থাকোতেই গোকৰ্ণ আহি পিতাকক উপদেশ দিলেহি— "হে পিতা! এই সংসাৰখন নিতান্তই অসাৰ। ই সদায় দুখ স্বৰূপ মোহকাৰী। পুত্ৰ কাৰ, ধন কাৰ ভাবিছে, পুত্ৰ-পৰিবাৰ, ধন-ঐশ্বৰ্য-বিভূতিবোৰ মূল্যহীন বুলি ভাবিছে, যিসকলে যি পাইছে তাতেই সন্তুষ্ট আছে। সেইসকলৰ বাদে কোনো সুখী হ'ব নোৱাৰে। গতিকে পিতা অজ্ঞানতা দূৰ কৰক। আপুনি একান্তভাৱে পৰম পিতা পৰমেশ্বৰক চিন্তা কৰিবৰ বাবে বনলৈ যাওক।" পুতেকৰ কথাত আত্মদেৱে বনলৈ যোৱাটোকে সিদ্ধান্ত কৰি পুনৰ পুত্ৰ গোকৰ্ণক সুধিলে— "হে দয়াৰ সাগৰ পৰমপিতা পৰমেশ্বৰক পাবৰ বাবে বনত মোৰ কি কাম বহলাই কোৱাচোন।" তেতিয়া গোকৰ্ণই পিতাকক বুজাই কৈছে— "হে পিতা! আপুনি তেজ-মঙহৰ এই দেহাটো লৈ 'মই' ভাৱ ত্যাগ কৰক। পত্নী-পুত্ৰ আদিৰ মমতা ত্যাগ কৰক। সকলো সময়তে এই জগতখন ক্ষণভঙ্গুৰ বুলি ভাবক, ভক্তিনিষ্ঠ হৈ বৈৰাগ্যৰসিক হওক, সদায় ধৰ্মপৰায়াণ হওক। লোভ, মোহ, কাম, ক্ৰোধ সমূলি পৰিত্যাগ কৰক। সাধু-সন্তৰ সঙ্গ লৈ তেওঁলোকৰ সেৱা কৰক।" এইদৰে পুত্ৰৰ কথামতে আত্মদেৱে ষাঠি বছৰ বয়সত বনলৈ গমন কৰি নিয়মিতভাৱে দশম স্কন্ধ ভাগৱত পাঠ কৰাৰ ফলত পৰমপুৰুষ কৃষ্ণক লাভ কৰিলে।

পিতাক আত্মদেৱ বনলৈ যোৱাৰ পাছত ধুন্ধুকাৰীয়ে মাকক মাৰ-পিট কৰি ধন-সম্পত্তি নাশ কৰিবলৈ ধৰাত মাকে পুতেকৰ অত্যাচাৰত থাকিব নোৱাৰি কুঁৱাত জাপ দি আত্মহত্যা কৰিলে। গোকৰ্ণই তীৰ্থযাত্ৰা কৰাত ধুন্ধুকাৰীয়ে পাঁচজনী বেশ্যা চপাই সংসাৰ পাতি থাকিল। বেশ্যাকেইজনীক পোহপাল দিওঁতে মানুহটো দিনক দিনে খঙাল হৈ পৰিল। এদিন বেশ্যাকেইজনীয়ে ধুন্ধুকাৰীক সোণৰ অলঙ্কাৰ বিচৰাত চুৰ কৰি আনি পিন্ধালেহি। বেশ্যাকেইজনীয়ে আলোচনা কৰিলে ধুন্ধুকাৰী চোৰ, ডকাইত। ইয়াক এদিন ৰজাই ধৰি নি শূলত দিব। গতিকে ৰজাই নিয়াৰ আগতে আমিয়েই ইয়াক মাৰি পেলাওঁহঁক। ইয়াকে ভাবি আটাইকেইজনী লগলাগি শুই থকা অৱস্থাতেই ফাঁচ লগাই গাতত পুতি থ'লে। তাৰ পাছত ধন-সোণ আৰু আ-অলঙ্কাৰ লৈ বেশ্যাকেইজনীয়ে ধুন্ধুকাৰীৰ ঘৰত ত্যাগ কৰি গুচি গ'ল। ধুন্ধুকাৰী মহাপ্ৰেত হৈ থাকিল। সি বায়ুৰূপ ধৰি চাৰিওফালে ঘূৰি ফুৰে। ভোক-পিয়াহ, জাৰ-গৰমত নানা কষ্ট খাই দুখত দিন নিয়াবলৈ ধৰিলে। ইফালে তীৰ্থভ্ৰমণ কৰিবলৈ যোৱা গোকৰ্ণই ধুন্ধুকাৰীৰ মৃত্যুৰ খবৰ পাই গয়াত শ্ৰাদ্ধ কৰিলে আৰু যিবিলাক তীৰ্থ তেওঁ ভ্ৰমণ কৰিলে সেই সকলো তীৰ্থতে শ্ৰাদ্ধ তৰ্পণ কৰি ঘৰলৈ ঘূৰি আহিল। ঘৰ পাওঁতে ৰাতি হ'ল। ৰাতি ঘৰৰ মানুহক আমনি দিবলৈ মন নকৰি বহিৰতে শুই থাকিল।

প্ৰেত হৈ থকা ধুন্ধুকাৰীয়ে ভায়েক গোকৰ্ণ অহা দেখি গভীৰ ৰাতি মহাভয়ংকৰ ৰূপ ধৰি গোকৰ্ণৰ সন্মুখত দেখা দিয়াত গোকৰ্ণই অতি ধৈৰ্যৰে লক্ষ্য কৰি বুজিলে এইটো কোনোবা দুৰ্গতি ভোগ কৰা জীৱ হ'ব লাগিব। সেয়েহে সুধিলে— "এই মহানিশা উগ্ৰমূৰ্তি ধাৰণ কৰা তুমি কোন। ভূতনে পিশাচ?" তেতিয়া ধুন্ধুকাৰী প্ৰেতে উচ্চস্বৰে কান্দি কান্দি ক'ব নোৱাৰি আকাৰে-ইঙ্গিতে বুজালে। তেতিয়া গোকৰ্ণই পানী

এচলু মন্ত্ৰপুত কৰি তাৰ গাত ছাটি মাৰি দিয়াত তাৰ পাপ কিছু লাঘৱ হৈ শান্ত হৈ পৰিল আৰু ক'বলৈ ধৰিলে— "মই ধুন্ধুকাৰী, তোমাৰ ককায়েৰ, নিজৰ দোষতে মোৰ ব্ৰাহ্মণত্ব নাশ হ'ল। মই মহা অজ্ঞানী। অজ্ঞানতাৰ বাবে বহুত দুষ্কৰ্ম কৰিলোঁ। মই মহা হিংস্ৰুক। মোক বেশ্যাস্ত্ৰীবিলাকে বৰ কষ্ট দি মাৰিলে। তাৰ পাছত মই প্ৰেত হৈ বৰ দুৰ্দশা ভোগ কৰিছোঁ। মোৰ দৈব্যৰ লিখন ভোগ কৰিছোঁ। তুমি মোৰ মৰমৰ ভাই কৃপাসিন্ধু। তুমি মোক উদ্ধাৰ কৰা।" তেতিয়া গোকৰ্ণ আচৰিত হ'ল আৰু ক'লে— "তীৰ্থ ভ্ৰমণত থাকোতেই তোমাৰ মৃত্যুৰ খবৰ পাই উদ্ধাৰৰ বাবে মই বিধিমতে গয়াত শ্ৰাদ্ধ কৰাৰ উপৰি সকলো তীৰ্থস্থানতে তোমাৰ শ্ৰাদ্ধ তৰ্পণ কৰিছিলো। তথাপি তোমাৰ মুক্তি নহ'ল। আচৰিত! গয়াত শ্ৰাদ্ধ দিলেও যদি মুক্তি নাপায়, তেন্তে উপায় নাই। তুমি এতিয়া নিজ স্থানলৈ গমন কৰা। মই তোমাৰ মুক্তিৰ বাবে আন কিবা উপায় আছে নেকি বিচাৰ কৰি চাওঁ।" ভায়েকৰ নিৰ্দেশমতে ধুন্ধুকাৰী প্ৰেত আনফালে গুচি গ'ল। গোকৰ্ণই গোটেই ৰাতি ভাবি-চিন্তি মুক্তিৰ উপায় উলিয়াব নোৱাৰিলে।

পিছদিনা পুৱাৰপৰাই গোকৰ্ণৰ আগমনৰ বাতৰি পাই গাঁৱৰ মানুহৰ সোঁত ব'বলৈ ধৰিলে। গঞাৰাইজে আগত গোকৰ্ণই যোৱা ৰাতি ধুন্ধুকাৰী প্ৰেতৰ লগত হোৱা কথা-বতৰাবোৰ কৈ মুক্তিৰ উপায় বিচৰাত সেই সময়ত উপস্থিত থকা বিদ্বান, জ্ঞানী, ব্ৰহ্মবাদী যোগীসকলে সূৰ্যক আৰাধনা কৰিবলৈ পৰামৰ্শ দিলে। তেতিয়া গোকৰ্ণই সূৰ্যক সন্তুষ্ট কৰাত সূৰ্যই এসপ্তাহ ভাগৱত পাঠ কৰিলে ধুন্ধুকাৰীয়ে মুক্তি লাভ কৰিব বুলি ক'লে। সূৰ্যৰ পৰামৰ্শ মতে গোকৰ্ণই পাঠৰ ব্যৱস্থা কৰিলে। ভাগৱত শ্ৰৱণ কৰিলেই যদি জীৱই মুক্তি পাব পাৰে তেন্তে সেই মুক্তি লাভৰ আশাত পঙ্গু, অন্ধ, বৃদ্ধ আদি অনেকলোকৰ সমাগম হ'ল আৰু গোকৰ্ণৰ ঘৰ ভৰি পৰিলহি। গোকৰ্ণই ভাগৱত পাঠ কৰিবলৈ আসনত বহাৰ লগে লগে সকলো অতিথিয়ে নিজ নিজ আসন গ্ৰহণ কৰিলে। ধুন্ধুকাৰী প্ৰেতটোৱেও ভাগৱত শ্ৰৱণৰ বাবে আহি ক'তো থাকিবলৈ ঠাই নাপাই সাতোটা পাব থকা এডাল বাঁহ দেখা পাই তাৰেই গুৰি পাবটোত সোমাই ভাগৱত শুনিবলৈ ধৰিলে। এজন বৈষ্ণৱ ব্ৰাহ্মণক প্ৰধান শ্ৰোতা হিচাপে বহুৱাই লৈ গোকৰ্ণই ভাগৱতত প্ৰথম স্কন্ধৰপৰাই পাঠ আৰম্ভ কৰিলে। গধূলি পাঠ সামৰাৰ লগে লগেই এটা বিচিত্ৰ ঘটনা ঘটিল। সেই সাত পাব থকা বাঁহডালৰ গুৰি পাবটো ভীষণ শব্দ কৰি ফাটি গ'ল। শ্ৰোতাসকল হতভম্ব হৈ পৰিল। প্ৰথম দিনাৰ দৰে দ্বিতীয় দিনা দ্বিতীয় পাব, তৃতীয় দিনা তৃতীয় পাব, চতুৰ্থ দিনা চতুৰ্থ পাব, পঞ্চম দিনা পঞ্চম পাব, ষষ্ঠ দিনা ষষ্ঠ পাব আৰু সপ্তম দিনা সপ্তম পাব বাঁহ ফাটি গ'ল। লগে লগে ধুন্ধুকাৰী প্ৰেতটোৱে মুক্তি পালে। প্ৰেতটোৰপৰা মুক্তি পাই ধুন্ধুকাৰীয়ে দিব্যৰূপ ধাৰণ কৰিলে। তুলসীপাতৰ মালা পিন্ধি, জাত বসনধাৰী ঘনশ্যাম মুকুটধাৰী হৈ ভায়েক গোকৰ্ণক সেৱা কৰি ক'লে— "হে বন্ধু, কৃপা কৰি তুমি মোক প্ৰেত যোনিৰপৰা মুক্তি দিলা। তোমাক কৃতজ্ঞতা জনাইছোঁ। ভাগৱত শ্ৰৱণেই মোক মুক্তি দিলে। ভাগৱত শ্ৰৱণে মোক কৃষ্ণলোকপ্ৰাপ্তি কৰালে। তোমাক শত-সহস্ৰবাৰ প্ৰণাম জনাইছোঁ। ইয়াকে কৈ ধুন্ধুকাৰী অন্তৰ্ধান হ'ল। এইদৰে সপ্তাহ দিন ভাগৱত শ্ৰৱণাদিৰ ফলত অগতিয়ে গতি পাব পাৰে। জীৱই মুক্তি পাব পাৰে।

গতিকে কলিকালত ভাগৱত শ্ৰৱণ কৰিলেই ভগৱানক লাভ কৰিব পাৰি। এয়াই হ'ল পদ্মপুৰাণৰ ভাগৱতৰ মহাত্ম্যৰ কাহিনী।■■

# ৰাসলীলাৰ তাত্ত্বিক বিশ্লেষণ

**খগেশ্বৰ বৰা**

প্ৰাচীন ধৰ্ম গ্ৰন্থ হৰিবংশ, বিষ্ণুপুৰাণ আৰু শ্ৰীমদ্ভাগৱত পুৰাণত ৰাসক্ৰীড়া বা ৰাসলীলাৰ বৰ্ণনা পোৱা যায়। ইয়াৰে বিস্তৃতভাৱে শ্ৰীকৃষ্ণৰ ৰাসক্ৰীড়া বা ৰাসলীলাৰ বৰ্ণনা কৰা হৈছে। ভাগৱত পুৰাণৰ দশম স্কন্ধৰ উনত্ৰিশ অধ্যায়ৰপৰা তেত্ৰিশ অধ্যায়লৈকে মুঠ পাঁচোটা অধ্যায়ত হৰিবংশত বিষ্ণু পৰ্বৰ বিশ অধ্যায় আৰু বিষ্ণু পুৰাণৰ পঞ্চমাংশৰ ত্ৰয়োদশ অধ্যায়ত এই ৰাসলীলাৰ বিষয়বস্তু বৰ্ণিত হৈছে। ভাগৱত পুৰাণত বৰ্ণিত ৰাসলীলাৰ পাঁচোটা অধ্যায়ক ৰাস পঞ্চাধ্যায়ো বোলা হয়। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে ভাগৱত বৰ্ণিত ৰাসলীলাৰ আধাৰতে 'কীৰ্ত্তন-ঘোষা'ৰ ৰাসক্ৰীড়া খণ্ড আৰু দশমত ৰাসলীলাৰ বিস্তৃত বৰ্ণনা দিছে। তদুপৰি মহাপুৰুষজনাই একে বিষয়বস্তুৰ আধাৰতে কেলিগোপাল নাটখনো ৰচনা কৰিছে।

শ্ৰীমদ্ভাগৱত মহাগ্ৰন্থত শ্ৰীকৃষ্ণৰ অভিব্যক্তি ত্ৰিধাৰা বিশিষ্ট চক্ৰধৰ শ্ৰীকৃষ্ণ, মুৰুলীধৰ শ্ৰীকৃষ্ণ আৰু ধৰ্মোপদেশক শ্ৰীকৃষ্ণ। চক্ৰধৰ শ্ৰীকৃষ্ণ ৰূপত বিভিন্ন দৈত্য, দানৱ, অসুৰ সংহাৰ, মুৰুলীধৰ ৰূপত প্ৰেমময়, ৰসময়ী লীলাৰ প্ৰকাশ আৰু ধৰ্মোপদেশক শ্ৰীকৃষ্ণ ৰূপত ৰহস্যময় ভক্তিধৰ্মৰ প্ৰকাশ আৰু প্ৰচাৰ কৰিছে। সেইদৰে ভাগৱত গ্ৰন্থত কৃষ্ণৰ লীলাও তিনিটা ধাৰাত বিভক্ত— ব্ৰজলীলা, মথুৰালীলা আৰু দ্বাৰকালীলা। ব্ৰজলীলাত মাধুৰ্যৰ প্ৰকাশ, মথুৰা আৰু দ্বাৰকালীলাত ঐশ্বৰ্যৰ অনাবিল প্ৰকাশ ঘটিছে। এই তিনি অভিব্যক্তি আৰু তিনি লীলাৰ ভিতৰত মুৰুলীধাৰী শ্ৰীকৃষ্ণৰ প্ৰেমময়, ৰসময় ব্ৰজধামৰ লীলাই চিৰ আনন্দময় আৰু সৰ্বশ্ৰেষ্ঠ। সৰ্বভাৰতীয় বৈষ্ণৱ আন্দোলনৰ পটভূমিত শ্ৰীকৃষ্ণৰ এই ব্ৰজধামৰ লীলাক কেন্দ্ৰ কৰি প্ৰায়বিলাক দেশৰ বৈষ্ণৱ সাহিত্যতে শ্ৰেষ্ঠ সাহিত্য সম্পদৰ সৃষ্টি হৈছিল। সকলো বৈষ্ণৱ কবিৰ সৃষ্টিতে শ্ৰীকৃষ্ণৰ এই ব্ৰজধামৰ লীলা তিনিটা ৰূপত প্ৰকাশ ঘটিছে। নন্দ, যশোদা ৰোহিণী আৰু এই বয়সৰ সকলৰ ওচৰত পুত্ৰ ৰূপত, গোপ বালকসকলৰ ওচৰত প্ৰাণসখা ৰূপত আৰু গোপীসকলৰ ওচৰত প্ৰাণবল্লভ ৰূপত। গোপীসকলৰ লগত শ্ৰীকৃষ্ণৰ প্ৰাণবল্লভ অৰ্থাৎ প্ৰাণপ্ৰিয় ৰূপৰ প্ৰকাশেই ৰাসক্ৰীড়া বা ৰাসলীলা।

'ৰস' শব্দৰপৰাই 'ৰাস' শব্দৰ সৃষ্টি হৈছে। ৰস্ আস্বাদনৰ বাবে যি ক্ৰীড়া বা লীলা সিয়েই ৰাস ক্ৰীড়া। এই ৰসবোধ এক বিমল আনন্দময় অৱস্থা। 'ৰসো বৈ সঃ। ৰসং হ্যেবায়ং লব্ধানন্দী ভবতি।' (তৈত্তিৰীয় উপনিষদ) পৰমাত্মা কৃষ্ণ ৰস স্বৰূপ। জীৱ সেই ৰস পান কৰিয়েই আনন্দিত হয়। 'আনন্দো ব্ৰহ্মেতি ব্যজানাৎ। আনন্দাদ্ধ্যেব খল্বিমানি ভূতানি জায়ন্তে। আনন্দেন জাতানি জীৱন্তি। আনন্দং প্ৰত্যয়ন্ত্যভিসংবিশন্তীতি।' (তৈত্তিৰীয় উপনিষদ) ব্ৰহ্ম আনন্দ স্বৰূপ। এই ব্ৰহ্মানন্দৰপৰাই জীৱসমূহৰ জন্ম, এই আনন্দতেই জীৱ জীয়াই থাকে, এই আনন্দ অভিমুখেই গমন কৰে আৰু এই আনন্দতেই বিলীন হয়। গতিকে দেখা গ'ল পৰম ব্ৰহ্ম স্বৰূপ ভগৱান কৃষ্ণ চিৰ ৰসময়, চিৰ আনন্দময়, প্ৰেমময়। সেয়ে ভগৱান কৃষ্ণৰ এই স্বৰূপ উপলব্ধি কৰা ৰসবোধৰ লগত কামনা-বাসনা বা ইন্দ্ৰিয় সুখযুক্ত নহয়, ই ৰসময়ী

ভক্তিৰ ৰসাস্বাদন মাথোন। গতিকেই আমি ক'ব পাৰোঁ ভগৱান কৃষ্ণই ভক্তিযুক্ত প্ৰেম ৰস আস্বাদনৰ কাৰণে গোপীসকলৰ লগত যি ক্ৰীড়া বা লীলা কৰিছিল সিয়েই ৰাসক্ৰীড়া বা ৰাসলীলা। ৰাসলীলাৰ এই পৰম তাত্ত্বিক দিশ অনুধাৱন কৰিব নোৱাৰা কাৰণেই ৰাজা ৰূপমোহিত ৰায়ৰ দৰে মনীষীয়েও চালে গোটেই ৰাসক্ৰীড়া বা ৰাসলীলাই অশ্লীল বৰ্ণনাৰে ভৰপূৰ আৰু চূড়ান্ত নীতি বিগৰ্হিত যেন লাগে। গোপীসকলে নিজ পতি ত্যাগ কৰি কৃষ্ণৰ লগত কাম-কেলিত লিপ্ত হোৱা কাৰ্য জানো সামাজিক ৰুচিসন্মত হ'ব পাৰে? যদি নহয় তেন্তে সৰ্বভাৰতীয় বৈষ্ণৱ কবিসকলৰ লগতে অসমত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰে সমাজ সংস্কাৰক, ধৰ্ম প্ৰৱৰ্তক, পৰম ভক্ত মহাপুৰুষজনাই এনে সমাজ, ক্ষতিকৰ, নীতি বিগৰ্হিত বৰ্ণনা তেখেতৰ অমূল্য গ্ৰন্থ 'কীৰ্ত্তন-ঘোষা' আৰু 'দশম'ত স্থান দিলে কিয়? একে বিষয়বস্তুকে লৈ কিয় গুৰুজনাই কেলিগোপাল নাটখন ৰচনা কৰিলে? এই প্ৰশ্নৰ উত্তৰ বিচাৰিলেই পোৱা যায় যে ৰাসক্ৰীড়াবা ৰাসলীলাৰ তাত্ত্বিক সৌন্দৰ্য বেলেগ। বেজবৰুৱাই 'তত্ত্বকথা'ত ক'বৰ দৰে— 'ধানৰ বাকলিৰ ভিতৰতহে চাউল আৰু সিহে আচল বস্তু। শৃঙ্গাৰ কথা পৰম তত্ত্ব ৰামলীলাৰ ওপৰৰ বাকলিহে।' তত্ত্বানুসন্ধানৰ দৃষ্টিৰে এই বাকলি গুচাই পৰম গুহ্য তত্ত্ব উপলব্ধি কৰিব পৰাতেই ৰাসলীলা অধ্যয়নৰ সাৰ্থকতা নিৰ্ভৰশীল।

স্বৰূপাৰ্থত ৰাসলীলা ৰূপক মাত্ৰ। মানৱীয় প্ৰেমৰ আদৰ্শেৰে জীৱাত্মা পৰমাত্মাৰ মধুৰ মিলনৰ অৰ্থাৎ মুক্তিৰ ৰূপক। "মাং সৰ্বভূতানাং বিদ্ধি মাৰ্থ পাৰ্থসনাতম" বুলি অৰ্জুনৰ আগত ব্যক্ত কৰিছে। লগতে এই কথাও কৈছে, 'মত্তঃ পৰতৰং নান্যৎ কিঞ্চিদপি ধনঞ্জয়। ময়ি সৰ্বমিদং প্ৰোতং সূত্ৰে মণিগনা ঊব।' অৰ্থাৎ মোৰ বাহিৰে একো নাই, সূতাত মণিবোৰ যেনেকৈ গথা, সেইদৰে ময়ো সমস্ততে একাত্ম হৈ আছোঁ। শ্ৰীমদ্ভাগৱততো একে কথাকেই কোৱা হৈছে— 'কৃষ্ণমেনমৱেহি ত্বমাত্মানমখিলাত্মনাম।' ইয়াৰ অৰ্থ হ'ল— কৃষ্ণই সমস্ত জীৱৰ আত্মা। অগ্নিস্ফুলিংগৰ সম্পৰ্ক। অগ্নিয়েই অগ্নিস্ফুলিংগৰ উৎস হোৱাৰ দৰে জীৱাত্মাৰো উৎস হ'ল পৰমাত্মা স্বৰূপ কৃষ্ণ। সেয়ে জীৱাত্মাৰূপী গোপী আৰু পৰমাত্মা স্বৰূপ কৃষ্ণৰ এই ৰমন দৰাচলতে আত্মা পৰমাত্মাৰ ৰমন। মহাপুৰুষ শঙ্কৰদেৱে ৰাসক্ৰীড়া মাজেৰে আত্মা পৰমাত্মাৰ— এই মিলনকে দেহৰ প্ৰতীকৰ সহায়ত দেহোতীৰ্ণ মিলনৰ ৰূপক হিচাপে ফুটাই তুলিছে। প্ৰকৃততে বৃন্দাবন হ'ল হৃদয় বৃন্দাবন। হৃদয় বৃন্দাবনত পৰমাত্মাৰ জ্যোতিৰ জোনাকত আত্মাৰূপী গোপীসকল আৰু পৰমাত্মাৰূপী কৃষ্ণৰ প্ৰেমলীলা বা প্ৰেমৰস স্বাদনেই ৰাসক্ৰীড়া বা ৰাসলীলা। ভাগৱতত উল্লেখ আছে যে কোনো এগৰাকী গোপীয়ে কৃষ্ণৰ বংশীধ্বনি শুনিও একান্তে গৃহকাৰ্যত লিপ্ত থাকিব লগা হোৱাত ৰাসলৈ যাব নোৱাৰিলে। গৃহতে থাকিও একান্ত চিত্তে কৃষ্ণকেই ধ্যান কৰি কটালে। বিৰহজনিত মহা দুখত হৃদয় বৃন্দাবনত প্ৰিয়জনৰ সৈতে আন্তৰিক মিলনৰ ফলশ্ৰুতিতে এই গৰাকী গোপীয়ে পৰম মোক্ষ লাভ কৰিবলৈ সক্ষম হ'ল। বিষ্ণুপুৰাতো আছে—

> "কাচিদাবসথস্যান্তঃ স্থিতা দৃষ্ট্বাবহিৰ্গুৰূন্।
> তন্ময়েন গোবিন্দং দধ্যৌ মীলিতলোচনা।।
> তচ্চিন্তা বিপুলাহ্লাদ ক্ষীণপুণ্যচয়া তথা।
> তদ প্ৰাপ্তি মহাদুঃখ-বিলীনা শেষ পাতকা।।
> চিন্তায়ন্তী জগৎসূতিং পৰব্ৰহ্মস্বৰূপিনম।
> নিৰুচ্ছাসতয়া মুক্তিং গত্যান্যা গোপকন্যাকা।।"

গতিকে ৰাসক্ৰীড়াত দৈহিক মিলনৰ কথাই নাই, আধ্যাত্মিক মিলনৰহে ই সুন্দৰ নিদৰ্শন। স্বৰূপাৰ্থত পৰমাত্মাৰ সৈতে জীৱাত্মাৰ বিয়োগ নহয়। কাৰণ পৰমাত্মা ৰাসলীলাত যিসকল গোপীয়ে কৃষ্ণৰ সৈতে মিলিত হ'ব পৰা নাই, তেওঁলোকো তন্ময় চিত্তে, ধ্যানস্থভাৱে কৃষ্ণৰ লগত মিলিত হৈ মুক্তি লাভ

কৰিছে।

ৰাসলীলাৰ দ্বিতীয় তত্ত্বপূৰ্ণ কথা হ'ল, ভগৱান শ্ৰীকৃষ্ণ অব্যয়, অপ্ৰমেয়, নিৰ্গুণ আৰু গুণৰ নিয়ন্তা। মানৱৰ কল্যাণাৰ্থে তেওঁৰ অৱতাৰ। ভাগৱতত শুকদেৱে কৈছে—

"অনুগ্ৰহায় ভক্তানাং মানুষং দেহমাশ্ৰিতং।
ভজতে তাদৃশীঃ ক্ৰীড়া যাঃ শ্ৰুত্বা তৎপৰোভৱেৎ।।"

অৰ্থাৎ ভগৱন্তই ভক্তসকলক অনুগ্ৰহ কৰিবৰ কাৰণেই নৰদেহ ধাৰণ কৰি এই ধৰণৰ লীলাৰ আশ্ৰয় লয়, যাক শুনি মানুহ ভগৱৎমুখী হয়। এইখিনিতে আমাৰ মনত এটি প্ৰশ্ন উদয় হ'ব পাৰে। গোপীসকলে কৃষ্ণক পতি হিচাপেহে চিন্তা কৰিছিল, পৰম ব্ৰহ্ম বা পৰমেশ্বৰ হিচাপে চিন্তা কৰা নাছিল। তেনেক্ষেত্ৰত তেওঁলোকৰ মুক্তি কেনেকৈ সম্ভৱ হ'ল? ইয়াৰ উত্তৰত শুকদেৱে শিশুপালৰ কথা ব্যক্ত কৰি কৈছে যে শত্ৰুভাৱে চিন্তি শিশুপালে সিদ্ধি লাভ কৰিছিল—

"জন্মত্ৰয়ানুগুণিত বৈৰসংৰব্ধয়া ধিয়া।
ধ্যায়ংস্তন্ময়তাং যাতো ভাবোহি ভৱ কাৰণম্।।"

— ভাগৱত

তিনি জনম (হিৰণ্যকশিপু, ৰাৱণ, শিশুপাল) ধৰি বৈৰভাৱে চিন্তা কৰোঁতে কৰোঁতে শিশুপালৰ চিত্ত, ভগৱানতেই সৰ্বক্ষণতে নিবন্ধ আছিল। সেই কাৰণে শেষ মুহূৰ্তত তেওঁ ভগৱানকেই লাভ কৰিলে। কিয়নো ভাবোহি ভবকাৰণম।' এই কথাকেই নাৰদেও কৈছে— যি যেনেকৈ ভগৱানক চিন্তা কৰে, তেওঁ সেইদৰেই নিষ্পাপ হৈ ভগৱানক লাভ কৰে। গোপীসকলৰ কৃষ্ণ প্ৰাপ্তিৰ মূল কথাও এইটোৱেই। কংসৰ ক্ষেত্ৰতো একে কথাই খাটে। খাৱন-শোৱণ, উঠন-বহন সকলো সময়তে ভাবি প্ৰাণ বৈৰী কৃষ্ণক দেখোতে দেখোতেই তেওঁ কৃষ্ণ সাৰূপ্য লাভ কৰিছিল—

"গোপ্য- কামাৎ ভয়াৎ কংসো
দ্বেষাৎ চৈদ্যাদয়ো নৃপাঃ।
সম্বন্ধাদ কৃষ্ণয়ঃ স্নেহাদ্ যূয়ং
ভক্তা বয়ং বিভো।।
তস্মাৎ কেনাপ্যুপায়েন মনঃ
কৃষ্ণে নিবেশয়েৎ।।"

— ভাগৱত

কাম, ক্ৰোধ, ভয়, স্নেহ, ভক্তি বা আন যিকোনো সম্বন্ধই হওক ইয়াৰ যি কোনো এটাৰ দ্বাৰা নৰে তন্ময়তা লাভ কৰিব পাৰে। গোপীসকলৰ ক্ষেত্ৰত পৰীক্ষিতে কৰা প্ৰশ্নৰ উত্তৰত শুকে এই তত্ত্বকেই প্ৰকাশ কৰিছে—

"নৃনাং নিঃশ্ৰেয় সাৰ্থায় ব্যক্তিভগৱতো নৃপ।
অব্যয়স্যা প্ৰমেয়স্য নিৰ্গুণস্য গুণাত্মনঃ।।
কামং ক্ৰোধং ভয়ং স্নেহং ঐক্যং সৌহৃদমেব চ।
নিত্যং হৰৌ বিদধতো যান্তি তন্ময়তাং হি তে।।"

— ভাগৱত

ভগৱান ভক্তৰ বশ্য। গতিকে যি পৰমাত্মা স্বৰূপ ভগৱানক যেনেভাৱে পাবলৈ বিচাৰে তেওঁ সেইভাৱেই তেওঁক লাভ কৰি মুক্তি লাভ কৰে। গীতাত কৃষ্ণই নিজেই অৰ্জুনৰ আগত কৈছে— 'যে যথা মাং প্ৰপদ্যন্তে তাং স্তথৈৱ ভজাম্যহং।'। 'যি আমাক যেনেভাৱে জ্ঞান কৰে আমি তেওঁক সেইভাৱেই তুষ্ট কৰোঁ।' সেই অৰ্থতে কামবশতঃ গোপীসকলে, ভয়বশতঃ কংসই বৈৰীভাৱত শিশুপাল আদি নৃপতিসকলে তেওঁৰ কৰুণা লাভ কৰিছিল।

গোপীসকলে কৃষ্ণক পতিৰূপে পোৱাৰ কামনা কৰি কাত্যায়নী ব্ৰত পালন কৰিছিল। কৃষ্ণ পৰম ব্ৰহ্ম বুলি তেওঁলোকৰ জ্ঞানেই নাছিল। 'কৃষ্ণং বিদুঃ পৰং কান্তং ন তু ব্ৰহ্মতয়া মনে।'

"মহামায়া কাত্যায়নী দিয়ো এহি বৰ।
আমাৰ হোন্তোক স্বামী নন্দৰ কুমাৰ।।
এহি মন্ত্ৰ মাত্ৰ জপি পূজে প্ৰতিনিত।
কৃষ্ণসে হৈবন্ত পতি ৰাত্ৰি দিনে চিত্ত।।"

—দশম

গোপবালাৰ ব্ৰতৰ অন্তত ভগৱান কৃষ্ণই

প্ৰতিশ্ৰুতি দিলে—

"আসিবে শৰত ৰাত্ৰি বিতোপন
বিকশিত বৃন্দাবন।
মই সমন্ধিতে কৰিবাহা ক্ৰীড়া
পৰম আনন্দ মন।।"— দশম

লগতে এই কথাও ক'লে—

"মোতেসে একান্ত চিত যাৰ তাক
নকৰৈ কামে অনৰ্থ।
নিশ্চয় জানিবা যেন ভজাধান
গাজিবে নুহি সমৰ্থ।।"— দশম

গতিকে দেখা গ'ল পূৰ্ব প্ৰতিশ্ৰুতি মতেই কৃষ্ণ গোপীসকলৰ লগত ৰাসক্ৰীড়াত প্ৰবৃত্ত হৈছিল। গোপীসকলে কৃষ্ণক পতি বাঞ্ছা কৰা কাৰণেই কৃষ্ণই শৰৎ কালৰ বিতোপন ৰাতি বহুবিধ পুষ্পে বিকশিত বৃন্দাবনত গোপীসকলৰ লগত কাম-কেলিত লিপ্ত হৈ তেওঁলোকৰ চিৰকলীয়া মনোবাঞ্ছা পূৰণ কৰিছিল।

"ভকতৰ পদে আপুনি হৰি।
ক্ৰীড়িলা ৰঙ্গে নৰদেহা ধৰি।।"
— কীৰ্ত্তন

এই কাৰণেই ৰাসক্ৰীড়া বা ৰাসলীলাত আদিৰসাৰত্বক বৰ্ণনা আছে। এই ক্ষেত্ৰত পতি-পত্নীৰ মাজৰ দৈহিক সম্পৰ্কৰ কথা স্বাভাৱিকতে আহিলেও ৰাসলীলাত কিন্তু কামনা-বাসনাৰ স্থান নাই। ৰাসলীলাৰ শেষতো কোৱা হৈছে— "আত্মন্যৱৰুদ্ধ সৌৰতঃ' অৰ্থাৎ কৃষ্ণই নিজ শৰীৰতেই শুক্ৰাৱৰোদন কৰিহে গোপীসকলৰ লগত ক্ৰীড়া কৰিছিল। শ্ৰীধৰ স্বামীয়েও টীকাত 'আত্মন্যৱৰোদ্ধ সৌৰতঃ'ৰ অৰ্থ প্ৰকাশ কৰি কৈছে— 'এৱমপ্যাত্মন্যেৱ ৰৱোদ্ধঃ সৰৌতঃ চৰম ধাতু নতু স্খলিতো যস্যেতি কামজয়োক্তি।' গতিকে কৃষ্ণই গোপীসকলৰ লগত কাম কেলিৰ অভিনয়হে কৰিছিল। 'ধাতু ন তো স্খলিতো'ৰ অৰ্থই কাম জয় কেলিৰ কথাকেই ব্যক্ত কৰিছে। এইক্ষেত্ৰত আন এটা ব্যাখ্যাও দাঙি ধৰিব পাৰি। কৃষ্ণ জগতৰ পতি। 'পতি পতীনাং পৰমং পৰস্তাৎ।' 'গোপী-গোপালৰ আত্ম অন্তৰ্যামী নাৰায়ণ সৰ্বময়।' তেৱেঁই আত্মাৰাম। আত্মাত ৰামৰূপে নিত্য ৰমণৰত পৰমাত্মাই সুকীয়াকৈ ৰমন কৰাত কোনো যুক্তিয়েই নাই। তথাপিও 'প্ৰহস্য সদয়ং গোপীৰাত্মাৰামোপ্যৰীৰমৎ।' স্বয়ং আত্মাৰাম হোৱা সত্বেও যোগমায়াৰ আশ্ৰয় লৈহে 'যত গোপী তত কৃষ্ণ হুয়া কৰি ক্ৰীড়া। সমস্তে গুচাইলা গোপিকাৰ কামপীড়া।।' ভগৱান কৃষ্ণৰ এই মায়া এনে এক ঐশী মায়া যাৰ দ্বাৰা অসত্য বস্তুও সত্য বুলি প্ৰতিভাত হয়। এই মায়াৰ আৱৰণৰ মাজতে ভগৱানৰ প্ৰকৃত স্বৰূপো লুকাই থাকে। 'নাহং প্ৰকাশ সৰ্বস্য যোগমায়া সমাবৃত' (গীতা)। যোগমায়াৰে আবৃত জীৱই ভগৱানৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিব নোৱাৰে। এই যোগমায়াৰ আশ্ৰয়তে কৃষ্ণই গোপীসকলৰ লগত ৰাসক্ৰীড়াত লিপ্ত হৈ গোপীৰ মনোবাঞ্ছা পূৰণ কৰিলে।

"দেখি যোগমায়া বলে হৰিষে তহিত।
ৰাস ক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল চিত্ত।।"
— দশম

যোগমায়াৰ বলতে ব্ৰজৰ গোপসকলে নিজৰ নিজৰ পত্নীক নিজৰ কাষতে দেখা পালে।

"মোহিলা গোপক কৃষ্ণৰ মায়া।
কাষতে আছে দেখি নিজ জায়া।।
নকৰে অসূয়া কৃষ্ণক কেৱ।
জগত ঈশ হেন কৃষ্ণ দেৱ।।"
— কীৰ্ত্তন

আনহে নালাগে যশোদায়ো পুত্ৰ কৃষ্ণক শয্যাতে শুই থকাই দেখিছিল।

"যশোদায়ো তৈত পুত্ৰক দেখন্ত
শয্যাত আছয় শুতি।
আছোক মানুষ যাহাৰ মায়াত
ব্ৰহ্মায়ো ভৈলা বিশ্ৰুতি।।"
— দশম

তথাপিও কৃষ্ণই গোপীসকলক স্বধৰ্মৰ কথা সোঁৱৰাই নিদিয়াকৈ থকা নাছিল।

“উপপতি সমে ক্ৰীড়া গৰিহিত কৰ্ম।
স্বামীক শুশ্ৰূষা কুলস্ত্ৰীৰ মহাধৰ্ম।।
যদিবা আম্মাক স্নেহে আইলা গোপীগণ।
মোক আবে দেখিলা সিজিলা প্ৰয়োজন।।
বিদূৰতে থাকি কৰৈ শ্ৰৱণ কীৰ্ত্তন।
বাঢ়ে মোত ভকতি নিৰ্মল হোৱে মন।।
দেখন্তে শুনন্তে সদা হেলা হোৱে মতি।
জানিবা গৃহতে থাকি কৰিয়ো ভকতি।।”

— কীৰ্ত্তন

কিন্তু গোপীসকল পতিয়ন নগ'ল। ইয়াৰ উত্তৰত ক'লে—

“কহিলা যিটো কুলস্ত্ৰীৰ কৰ্ম।
তোম্মাতে থাকোক সিসৱ ধৰ্ম।।
জগতৰে বন্ধু আত্মা তুমি।
সমস্ত ধৰ্মৰ আপুনি ভূমি।।
তুমি আত্মা জানি সম্প্ৰতি।
তোমাতেসে কৰে ভকতে ৰতি।।
নলাগৈ পতি পুত্ৰ দুখ হেতু।
হুয়োক প্ৰসন্ন গৰুড় কেতু।।
কৰি আছো আশা যিটো চিৰকাল।
নকৰিও তাক ভঙ্গ গোপাল।।”

— কীৰ্ত্তন

গোপীসকলৰ এই চিৰকলীয়া আশাই হ'ল কৃষ্ণক পতি ৰূপত পোৱাৰ আশা। এই আশা ভঙ্গ নকৰিয়েই ভকতৰ অধীন ভগৱান শ্ৰীকৃষ্ণই—

“গোপীৰ শুনিয়া আকুল বাণী।
ভৈলন্ত সদয় শাৰঙ্গ পাণি।।
হাসিয়া বোলন্ত এৰিও তাপ।
গোপীক ক্ৰীড়িলা জগত বাপ।।”

— কীৰ্ত্তন

শ্ৰীকৃষ্ণ পৰমাত্মা, অনন্তকোটি ব্ৰহ্মাণ্ডৰ অধিকাৰী সৎচ্ছিদানন্দ পৰমব্ৰহ্মাৰ সচ্ছিদানন্দ বিগ্ৰহ মূৰ্তি। ‘ঈশ্বৰঃ পৰমঃ কৃষ্ণঃ সচ্ছিদানন্দৱিগ্ৰহঃ।’ গীতাত কৃষ্ণই নিজেই ‘সৰ্বগুহ্যতম’ তত্ত্ব প্ৰকাশ কৰিকৈছে—

“সৰ্ব ধৰ্ম্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ।।”

গতিকে সকলো পাপৰপৰা উদ্ধাৰ কৰোঁতা কৃষ্ণৰ লীলা বিচাৰৰ উৰ্দ্ধত। কিয়নো ‘ধৰ্ম ব্যতিক্ৰমে দৃষ্ট ঈশ্বৰাঞ্চ সাহসম।’ ঈশ্বৰৰ পক্ষে লৌকিক ধৰ্মৰ ব্যতিক্ৰম হ'লেও দোষ নহয়। পৰীক্ষিতে যেতিয়া বিস্ময় প্ৰকাশ কৰি শুকদেৱক সুধিছিল—

“ধৰ্মক ৰাখিবা অধৰ্ম নাশি।
ইকাৰ্য্যে ভৈলা অৱতাৰ আসি।।
ধৰ্মৰ ৰক্ষক হুয়া মুৰাৰি।
ক্ৰীড়িলা কেনে পৰ গোপ নাৰী।।
হোৱন্ত হৰি যদি পূৰ্ণকাম।
কৰিলা কেনে গৰিহিত কাম।।”

— কীৰ্ত্তন

তেতিয়া শুকদেৱে এই কথাকেই কৈছিল—

“পৰম ঈশ্বৰে কৰৈ অকৰ্ম।
তেজস্বীত কিছু নাহি অধৰ্ম।।
সৰ্ব বহ্নি সবাকো শোষে।
তথাপিতো কিছু নোছোৱৈ দোষে।
ঈশ্বৰ নুহি যিটো মূঢ়মতি।
ই কৰ্ম কৰি যাইবে অধোগতি।।
হৰক দেখি বিষ খায় আনে।
সিজন জানা মৰি যায় প্ৰাণে।।
.....................................
জগত অন্তৰ্য্যামী নাৰায়ণ।
তান কোন পৰদাৰা গমন।।”

— কীৰ্ত্তন

ৰাসলীলাৰ অন্তৰালত থকা এনে পৰম ভক্তিৰ কথা উপলব্ধি কৰিয়েই শুকদেৱে

'তস্মাদ্রাসক্রীড়াবিড়ম্বনং কামজয়াখ্যাপনায়েতি তত্ত্বম" বুলি কৈ ব্ৰজবধূসকলৰে সৈতে বিষ্ণুৱে ক্ৰীড়া কৰা এই ৰাসলীলা শ্ৰদ্ধাৰে শ্ৰৱণ অথবা বৰ্ণনা কৰিবলৈ আহ্বান জনাই কৈছে—

"বিক্রীড়িতং ব্রজৱধূভি ৰিদং চ বিষ্ণোঃ
শ্রদ্ধান্বিতোঃ হনূশৃনপয়াদথ বর্ণয়েৎ য।
ভক্তিং পৰাং ভগৱতি প্রতিলভ্য কামং
হৃদ্রোপমাশ্বপহিনোত্যচিৰেন ধীৰ।।"

— ভাগৱত

মহাপুৰুষ শঙ্কৰদেৱেও 'কীৰ্ত্তন' পুথিত কৈছে—

"ইটো ৰাসলীলা কেলি নামে কামজয়।
কৰিলা ভৃত্যৰ পদে কৃষ্ণ কৃপাময়।।
আক শুনৈ ভনৈ যিটোজনে অবিশ্ৰাম।
বাঢ়িবে ভকতি আতি জিনিবেক কাম।।"
"শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আকে শুনি হওক নিৰ্মল মতি।।"

........................................

"ইটো ৰাস ক্ৰীড়া কথা কৃষ্ণৰ।
একান্ত চিত্তে শুনে যিটো নৰ।।
কৃষ্ণত ভকতি বাঢ়িবে তাৰ।
কাম সাগৰ সুখে হৈবে পাৰ।।
ইটো কামজয় কৃষ্ণৰ কথা।
শুনা নৰদেহা নকৰা বৃথা।।"

আকৌ কেলিগোপাল নাটক কৈছে— "আহে লোকাই, পেখু পেখু অজ্ঞানী অনাচাৰী গোপীসৱ কাম ভাবে কেৱল কৃষ্ণ চৰণ চিন্তি তৎকালে পৰম গতি পাৱল। হৰি ভকতিক মহিমা কি কহব, ইহা জানি নিৰন্তৰে হৰি বোল হৰি।" নাটৰ শেষতো গুৰুজনাই ৰাসলীলাক কামজয় কেলি আখ্যা দি কৈছে— "ওহি কামজয় কেলি গোপাল নাম নাটকং সম্পূৰ্ণ ভেল।"■■

# বেদান্ত তত্ত্ব আৰু মহাপুৰুষীয়া ধৰ্ম

**বোধেশ্বৰ কাকতি**

বেদান্ত শব্দই আক্ষৰিক অৰ্থত বেদৰ শেষ পৰ্য্যায়িক অথবা বেদৰ চূড়ান্ত অধ্যায়ত সনিবিষ্ট হোৱা উপনিষক বুজায়। উপনিষদীয় দৰ্শন প্ৰধানতঃ বেদৰ চূড়ান্ত উদ্দেশ্য বা সাৰতত্বকলৈয়ে সৃষ্টি হৈছে। উপনিষদৰ তত্ত্বসমূহ জটিল আৰু কোনো কোনো ঠাইত অনিশ্চিত হোৱা হেতুকেই সি বিলাকক প্ৰণালীবদ্ধভাৱে যুগুত কৰাৰ প্ৰচেষ্টা দেখা পোৱা গৈছিল। এই প্ৰচেষ্টা শেষৰ ফালে প্ৰৱল আৰু ঐকান্তিক হৈ উঠিছিল। এই প্ৰণালীবদ্ধকৰণ কাৰ্যৰ চূড়ান্ত ৰূপেই হৈছে বেদান্ত। উপনিষদত বেদান্তক যদিও বেদৰ চূড়ান্ত অধ্যায় বুলিয়ে আখ্যা দিয়া হয়, প্ৰকৃতাৰ্থত বেদান্তই সামূহিকভাৱে বেদৰ সকলো স্থিৰ সিদ্ধান্তকে বুজোৱা হয়। সেয়েহে বেদান্তই ইয়াৰ পৰৱৰ্ত্তী অৱস্থাত উপনিষদ আৰু বেদৰ প্ৰথমভাগৰ ধৰ্মোপদেশতে আৱদ্ধ নাথকি উপনিষদীয় দৰ্শনক বিস্তৃত ৰূপ দিয়া গীতা ভাগৱত বা বিষ্ণু পুৰাণ আদি ধৰ্মীয় গ্ৰন্থৰ উপদেশৰ ওপৰতো সমানে গুৰুত্ব দিছিল।

ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণৰ মতে বেদান্ত তত্ত্ব অকল দাৰ্শনিক মূল্যৰ বাবেই নহয়, ভাৰতীয় দৰ্শনৰ লগত ইয়াৰ এৰাব নোৱাৰা সমন্ধ পৰিলক্ষিত হয়। সাম্প্ৰতিক কালত দাৰ্শনিক চিন্তাবিদ সকলৰ যিকোনো আলোচনাত বেদান্ত দৰ্শনে সিদ্ধান্ত দি আহিছে।

এই মতবাদে পূৰ্বৰ গোড়া চিন্তাবিদসকলৰ সিদ্ধান্তৰ মাজত সমন্বয় ঘটাবলৈ সামৰ্থ হৈছিল আৰু সেই কাৰণেই ইয়াক ভাৰতীয় চিন্তাধাৰাৰ প্ৰকৃত মূল্যায়ণ বুলি অভিহিত কৰা হয়।

বেদৰ ওপৰত বাদৰায়নৰ সমীক্ষাই হৈছে সবাতোকৈ উল্লেখযোগ্য সিদ্ধান্ত। যুগে যুগে এই সমীক্ষাই অথবা তেখেতৰ দ্বাৰা প্ৰণীত ব্ৰহ্মসূত্ৰই প্ৰচলিত ধৰ্ম তথা ভাৰতীয় দৰ্শনৰ ওপৰত মচিব নোৱাৰা সাঁচ বহুৱাই গৈছে। বৰ্ত্তমানৰ দষ্টিত উপনিষদ, ভগৱদগীতা আৰু ব্ৰহ্মসূত্ৰই বেদান্ত দৰ্শনৰ তিনিটা খুটা স্বৰূপ। এই তিনি দৰ্শনৰ ভিতৰত বাদৰায়নৰ ব্ৰহ্ম সূত্ৰই হৈছে আটাইতকৈ জটিল আৰু দুৰ্বোধ্য। সেই কাৰণেই ইয়াৰ সূত্ৰ সমূহত বিভিন্ন সময়ৰ ভাষ্যকাৰ সকলে বেলেগ বেলেগ অৰ্থ কৰিবলৈ প্ৰয়াস কৰিছিল আৰু তাৰ ফলস্বৰূপেই ব্ৰহ্মসূত্ৰ সংকলন হোৱাৰ পিছতো পূৰ্বৰ কিছুমান দ্ব্যৰ্থ ব্যঞ্জক অথবা অনিশ্চিত মন্ত্ৰ থাকি যোৱাৰ সম্ভৱনা নোহোৱা নহয়। কিন্তু তাৰ দ্বাৰা এইটো সিদ্ধান্তলৈ আহিব নোৱাৰি যে বেদান্ত দৰ্শনৰ ভাবধাৰাত ইয়াৰ প্ৰভাৱ পৰি মূল ব্ৰহ্মসূত্ৰৰ ব্যাখ্যাত ব্যাঘাট জন্মাইছিল।

বেদান্ত সূত্ৰই হৈছে ব্ৰহ্মসূত্ৰ কাৰণ এই সূত্ৰই ব্ৰহ্ম সম্পৰ্কীয় গভীৰ তত্ত্ব সমূহক পোহৰলৈ আনি সন্দেহাতীতভাৱে প্ৰতিষ্ঠা কৰিছে। এই সূত্ৰ অন্য হাতেদি আত্ম জিজ্ঞাসাৰ পথ প্ৰদৰ্শক আছিল। সেই কাৰণে ইয়াক 'শাৰিৰীক সূত্ৰ' বুলিও আখ্যা দিয়া হয়। জৈমীনীৰ পূৰ্ব মিমাংসাই বেদৰ বিহিত কৰ্ম সমূহৰ ওপৰত অনুসন্ধান কৰাৰ লগতে, সিবিলাকৰ কৰ্মফলৰ ওপৰতো আলোকপাত কৰিছিল। কিন্তু বাদৰায়নৰ উত্তৰ-মিমাংসাই উপনিষদৰ গভীৰ তত্ত্ব সমূহৰ ওপৰত দৃষ্টি ৰাখি ব্ৰহ্মতত্ত্ব বিশ্লেষণ কৰিছিল। এই দুয়োটা দৰ্শনে সামূহিকভাৱে বেদৰ সকলো মন্ত্ৰৰ ওপৰত প্ৰণালীবদ্ধভাৱে অনুসন্ধান

কৰিছিল।

বেদান্ত তত্ত্বই প্ৰধানতঃ তিনিটা ভাবধাৰাত শিক্ষা আগবঢ়াইছিল --- অদ্বৈতবাদ, বিশিষ্টাদ্বৈতবাদ আৰু দ্বৈতবাদ। এই তিনিটা মতবাদ যথাক্ৰমে শঙ্কৰাচাৰ্য, ৰামানুজাচাৰ্য আৰু মাধৱাচাৰ্যৰ নামৰ লগত প্ৰধানকৈ জড়িত। এই তিনিগৰাকী মনীষীৰ বাহিৰেও বল্লভাচাৰ্য, ভাস্কৰ, নীলকণ্ঠ, বলদেৱ আদি ভাষ্যকাৰসকলৰ নাম এই বিষয়ত উল্লেখযোগ্য। ইমানখিনি ভাষ্যকাৰৰ ব্যাখ্যাৰ পৰা বেদান্তসূত্ৰৰ বিষয়ে খাতাং কৰি সিদ্ধান্ত পোৱাটো অতি সহজ নাছিল। তথাপি এই ভাষ্যসমূহত ধৰ্ম বিশ্বাস সম্পৰ্কীয় বিষয়টো সম্পূৰ্ণৰূপে সন্দেহ মুক্ত হ'ব পৰা নাছিল। তাতোকৈও ডাঙৰ কথা হ'ল যে এই তত্ত্বসমূহৰ ওপৰত অতি গভীৰ আলোচনা হৈছিল, এনে অৱস্থাত প্ৰকৃত মূল্যায়ণৰ বাবে, বেদান্ত দৰ্শনৰ বিভিন্ন ভাৱধাৰাৰ কোনটো গ্ৰহণ কৰা উচিত হ'ব, সেইটো চিন্তাৰ বিষয় আছিল। সেই কাৰণে তেওঁলোকে নিজা দৃষ্টি ভঙ্গীত সূত্ৰবোৰৰ ব্যাখ্যা আগবঢ়াইছিল। এই ক্ষেত্ৰত তেওঁলোকে আক্ষৰিক অৰ্থক বিসৰ্জন দিবলৈও কুণ্ঠাবোধ নকৰিছিল। সেয়েহে বাদৰায়ণৰ সূত্ৰত বিভিন্ন ভাষ্যকাৰে উপনিষদৰ ওপৰত দিয়া ভিন্ন ব্যাখ্যাৰ প্ৰয়স উল্লেখ কৰা হৈছে। আনকি বাদৰায়নৰ সূত্ৰ গঠন হোৱাৰ পিছতো ব্ৰহ্মৰ লগত জীৱাত্মাৰ সম্বন্ধ সম্পৰ্কীয় বিষয়ত ভাষ্যকাৰসকলৰ এক মতত উপনীত হ'ব পৰা নাই। কোনো কোনোৰ মতে জীৱৰ পৰা আত্মা ওলাই নোযোৱা পৰ্য্যন্ত ই ব্ৰহ্মৰ পৰা সম্পূৰ্ণৰূপে পৃথক। কিন্তু কোনোৰ মতে জীৱাত্মা আৰু ব্ৰহ্ম একেই, মাত্ৰ প্ৰতি জীৱতে ব্ৰহ্মই জীৱাত্মাৰূপে প্ৰকাশ পাইছে। পৰৱৰ্ত্তী ভাষ্যকাৰসকলে অৱশ্যে এই মতামতকে মোটামোটীভাৱে গ্ৰহণ কৰি ব্ৰহ্মতত্ত্বৰ ওপৰত ব্যাখ্যা আগবঢ়াইছে। তাৰ ফলস্বৰূপে উপনিষদৰ সূত্ৰসমূহ বহল আলোচনা আৰু বিস্তৃত ব্যাখ্যাৰ বিষয় হৈ পৰিছিল। বাদৰায়নৰ সূত্ৰ এনেদৰে ব্যাখ্যা কৰা হৈছিল। বাদৰায়ণৰ সূত্ৰ এনেদৰে ব্যাখ্যা কৰা পৰৱৰ্ত্তীকালৰ প্ৰসিদ্ধ চিন্তানায়কৰ ভাবধাৰাৰ পৰিপক্ক ফল বুলিয়েই ক'ব পাৰি।

শঙ্কৰাচাৰ্য দক্ষিণ ভাৰতৰ ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰি ডেকা বয়সতে বেদ শাস্ত্ৰ অধ্যয়ন কৰি 'বিবেক চূড়ামনি' আৰু 'শাৰীৰিক ভাষ্য' গ্ৰন্থ ৰচনা কৰিছিল। তেওঁৰ জন্মৰ সময়ত অশোকৰ ৰাজ আমোলত বৌদ্ধ ধৰ্মই বিশেষ ভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল আৰু ৰাজদৰবাৰৰ পৃষ্ঠপোষকতা লাভ কৰি বৌদ্ধ ধৰ্মই ভাৰতৰ সীমা পাৰ হৈ বিশ্বদৰবাৰত প্ৰবেশ কৰিছিলগৈ। বৌদ্ধধৰ্মীয় মতবাদে সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰা বৈদিক ধৰ্মৰ গুৰুত্ব আৰু অধিকাৰক যুক্তিসহকাৰে পুনৰ প্ৰতিষ্ঠা কৰাটোৱেই আছিল শঙ্কৰাচাৰ্যৰ প্ৰধান কাম। তেওঁ আগবঢ়োৱা বৈদিক মতবাদ আছিল অদ্বৈত বেদান্ত। তেওঁৰ মতে জীৱাত্মা আৰু ব্ৰহ্ম একেই।। জীৱাত্মা হৈছে পৰম ব্ৰহ্মৰেই প্ৰকাশ মাথোন, যদিও কোনো কোনো মতবাদে জীৱাত্মাক ব্ৰহ্মৰ অধীন বা তলতীয়া বুলি মত প্ৰকাশ কৰিছিল। তেওঁ ব্ৰহ্মৰ ওপৰত দুটা দৃষ্টিভঙ্গী লোৱা দেখা যায়--- প্ৰথমটোৰ মতে ব্ৰহ্ম হৈছে ব্যক্তিৰহিত, অনন্ত, নিৰাকাৰ আৰু দ্বিতীয়টোৰ মতে ব্ৰহ্মাণ্ডত প্ৰকাশ পোৱা সকলোৱেই ব্ৰহ্মৰে প্ৰকাশ মাথোন। "ব্ৰহ্ম সত্য জগত মিথ্যা...।" এই সিদ্ধান্তলৈ আহিবৰ বাবে শঙ্কৰাচাৰ্যই বেদ-স্মৃতিৰ সূত্ৰৰ নতুন ব্যাখ্যা আগবঢ়াইছে। কোনো কোনো ঠাইত কিছুমান কথা একেবাৰেই অগ্ৰাহ্য কৰিছে। বৈদিক যুগৰ গোড়া মতবাদে আগবঢ়োৱা জীৱ জগতৰ বহু তত্ত্বক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰি শঙ্কৰাচাৰ্যই বিশ্ব ব্ৰহ্মাণ্ড আৰু মায়াৰ সৃষ্টি দুবোধ্য বুলি ব্যাখ্যা কৰে আৰু এই সকলোবোৰ ঈশ্বৰৰে সৃষ্টি বুলি যুক্তি আগবঢ়াই। এই সম্পৰ্কত তেওঁৰ ব্যাখ্যাৰ মূল ভেটি আছিল বৈদিক সাহিত্য।

বৈষ্ণৱ পণ্ডিত ৰামানুজাচাৰ্য ত্ৰিচিন্নপল্লীৰ ওচৰৰ বৈষ্ণৱ মন্দিৰৰ মুখ্য পুৰোহিত আছিল। বৈষ্ণৱ পণ্ডিত ৰামানুজ শঙ্কৰাচাৰ্যৰ ব্যক্তিৰহিত ব্ৰহ্মমতবাদৰ ঘোৰ পৰিপন্থি আছিল। তেওঁ সীমিত অদ্বৈতবাদৰ বা বিশিষ্টাদ্বৈতবাদ ব্যাখ্যা কৰি ব্ৰহ্ম আৰু জীৱাত্মাৰ মাজত

পাৰ্থক্য প্ৰতিফলিত কৰি দেখুৱায়। তেওঁৰ মতে ব্ৰহ্মাও সত্য আৰু জীৱও সত্য। এই ক্ষেত্ৰত তেওঁ শঙ্কৰাচাৰ্যৰ লগত একমত হ'ব পৰা নাই। ৰামানুজে শৰীৰ আৰু আত্মাৰ সম্বন্ধ সম্পৰ্কে আলোচনা আগবঢ়াই কৈছে যে জীৱই যেনেকৈ শৰীৰক নিয়ন্ত্ৰণ কৰে, তেনেকৈ ভগৱন্তই জগত আৰু জীৱ সমস্তক নিয়ন্ত্ৰণ কৰে। শৰীৰটো জীৱৰ কাৰণে যেনেকৈ এটা যন্ত্ৰ, সেইদৰে বিশ্বব্ৰহ্মাণ্ডখন ভগৱন্তৰ বাবে তদ্ৰূপ যন্ত্ৰ মাথোন। ৰামানুজৰ মতে বিশ্বব্ৰহ্মাণ্ডখন এক পৰম ব্ৰহ্মতে বিৰাজমান।

ৰামানুজৰ দৰেই মাধৱাচাৰ্যয়ো দক্ষিণ ভাৰতৰ বৈষ্ণৱ ধৰ্মৰ পৰম্পৰাত ডাঙৰী-দীঘল হৈ শঙ্কৰচাৰ্যৰ অদ্বৈতবাদৰ বিপক্ষে মত প্ৰকাশ কৰিছে। তেওঁ শুদ্ধদ্বৈতবাদৰ এগৰাকী প্ৰসিদ্ধ প্ৰবক্তা আছিল। মাধবাচাৰ্যই ভগৱন্ত, জীৱ আৰু ব্ৰহ্মাণ্ডৰ তিনিটা পৃথক অস্তিত্ব দেখুৱাব বিচাৰে। তেওঁৰ মতে ঈশ্বৰ আৰু জীৱ সম্পূৰ্ণ পৃথক আৰু জীৱ যদিও পদাৰ্থতকৈ উচ্চখাপৰ তথাপি এইবোৰ সকলো ভগৱন্তৰ অধীন। তেওঁৰ মতে ভগৱন্তই চৰাচৰ জগতৰ সৃজন, পালন আৰু সংহাৰণ কৰি থাকে।

বাদৰায়ণৰ মতে বেদ হৈছে শাশ্বত আৰু জ্ঞানময়। তেওঁৰ মতে জ্ঞানৰ প্ৰধান উৎস হৈছে শ্ৰুতি আৰু স্মৃতি, যাক যথাক্ৰমে 'প্ৰত্যক্ষ' আৰু 'অনুমান' বুলি কোৱা হৈছে। স্মৃতি শাস্ত্ৰক 'অনুমান' বুলি কোৱা হৈছে, এই কাৰণেই যে ইয়াৰ নিৰূপনৰ বাবে জ্ঞানৰ মূল বা প্ৰমাণৰ আৱশ্যক, যিটো শ্ৰুতিৰ বাবে প্ৰয়োজন নহয়। শ্ৰুতি শাস্ত্ৰ স্বয়ং-স্পষ্ট হোৱাৰ বাবে ইয়াক প্ৰত্যক্ষ বোলা হৈছে। বাদৰায়ণে শ্ৰুতিৰ দ্বাৰা উপনিষদক আৰু স্মৃতিৰ দ্বাৰা ভগৱদগীতা আৰু মহাভাগতক বুজাইছে। বেদান্ত দৰ্শনৰ ব্যাখ্যাত বাদৰায়নৰ বেদান্ত সূত্ৰৰ ভূমিকা সকলোৰে ভিতৰত প্ৰধান। বেদান্ত সূত্ৰৰ চাৰিটা অধ্যায়ৰ ভিতৰত প্ৰথম অধ্যায়ত পৰমব্ৰহ্মৰ বিষয়ে আলোচনা হৈছে। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল ব্ৰহ্ম সম্পৰ্কত প্ৰকাশ পোৱা বিভিন্ন উক্তি বা ব্যাখ্যাৰ সমন্বয় ঘটোৱা। ধৰ্মৰ প্ৰকৃত সংজ্ঞা, ঈশ্বৰ, ব্ৰহ্মাণ্ড, আত্মা আদিৰ ওপৰত বিস্তৃত ব্যাখ্যাই এই অধ্যায়ত ঠাই পাইছে। দ্বিতীয় অধ্যায়ৰ প্ৰথম অধ্যায়ত ঠাই পোৱা ব্যাখ্যাৰ বিৰুদ্ধে উঠা আপত্তিজনক উক্তিক খণ্ডন কৰা আৰু প্ৰতিপক্ষৰ সূত্ৰবোৰৰ ওপৰত কৰা সমালোচনাই ঠাই পাইছে। বিশ্বব্ৰহ্মাণ্ডই সৃষ্টিকৰ্তাৰ ওপৰত নিৰ্ভৰ কৰি চলা তাৎপৰ্যৰ বিৱৰণো ইয়াত দিয়া হৈছে। তৃতীয় অধ্যায়ত ব্ৰহ্মবিদ্যা সাধন সম্পৰ্কে আলোচনা কৰা হৈছে। লগতে ইয়াত জীৱৰ পুনৰ জন্ম, মনস্তত্ত্ব, ঈশ্বৰতত্ত্ব আদি বিষয়সমূহৰ ওপৰত আলোকপাত কৰা হৈছে। চতুৰ্থ অধ্যায়ত ব্ৰহ্মবিদ্যাৰ ফল সম্পৰ্কীয় আলোচনাই ঠাই পাইছে। এই অধ্যায়তে জীৱৰ মৃত্যুৰ পিছত আত্মাৰ গতি সম্পৰ্কে বিশদ ব্যাখ্যা দিয়া হৈছে।

বেদান্ত দৰ্শনক অন্য নামেৰে আধ্যাত্ম বিদ্যা বুলি জনা হয়। আধ্যাত্মবিদ্যাই আত্মাসম্বন্ধীয় অধ্যয়নকে বুজায়। আত্মাই যিহেতু একমাত্ৰ সৎ, এতেকে একমাত্ৰ ইয়াক জানিলেই অন্য সকলো অধ্যয়ন কৰা বা জনা হয়। এই আত্মাৰ লগত জড়িত থকা জগত, কৰ্ম, জন্মান্তৰ, দুখ, মোক্ষ, মোক্ষৰ উপায় আদি কথাবোৰৰ আলোচনাত বেদান্ত দৰ্শনে বিশেষকৈ মনোনিৱেশ কৰিছে। এইবোৰৰ সম্যক জ্ঞানৰ বাবে জ্ঞান-বিজ্ঞানৰ অধ্যয়নতো ইয়াত গুৰুত্ব দিয়া হৈছে।

গীতাত অদ্বৈত বেদান্তৰ বহুতখিনি উপাদান আছে যদিও ইয়াৰ সকলো কথা অদ্বৈত বেদান্তৰ লগত মিল নাই। অদ্বৈত বেদান্তই ঈশ্বৰ মায়াৰ দ্বাৰা সৃষ্টি বুলি কৈছে। জগতৰ আদি মূল নিৰ্গুণ ব্ৰহ্মহে, ঈশ্বৰ নহয়। ঈশ্বৰ-মায়া-জগতৰ মাত্ৰ উপাদান কাৰণহে (Material Cause), প্ৰাথমিক কাৰণ (Primary Cause) নহয়। অদ্বৈত বেদান্তত ঈশ্বৰ, প্ৰকৃতি আৰু মায়াৰ স্থান একেই। কিন্তু গীতাত ঈশ্বৰক পৰমেশ্বৰ, পুৰুষোত্তম, পৰমাত্মা আদিৰ অৰ্থত লোৱা হৈছে। এই ঈশ্বৰ নিৰ্গুন আৰু সগুণ এই দুই ব্ৰহ্মৰ

অতীত। সেইবাবে গীতাৰ দৰ্শনক ব্ৰহ্মবাদী (Absolutism) আখ্যা দিব নোৱাৰি; ঈশ্বৰবাদী (Theism) আখ্যাহে দিব পাৰি।

উপনিষদৰ পাৰমাৰ্থিক ভাৱবাদ গীতাত ঈশ্বৰবাদী ধৰ্মলৈ ৰূপান্তৰিত হৈছে বুলি ড° ৰাধাকৃষ্ণনে মত পোষণ কৰিছে। সেইবাবে ইয়াত ঈশ্বৰক ব্ৰহ্মতকৈও ডাঙৰ দেখুৱা হৈছে। অৱশ্যে বহুতে অক্ষৰ পুৰুষক সাংখ্যদৰ্শনৰ পুৰুষৰ লগত তুলনা কৰিব খোজে। অক্ষৰ পুৰুষক নিৰ্গুণ বুলি কোৱা হয়। প্ৰকৃতিযুক্ত জীৱত সত্ত্ব, ৰজ, তম এই তিনিটা গুণ থকা বাবে ই গুণী। এই ব্যাখ্যা মানি ল'লে গীতাৰ পুৰুষোত্তমক অদ্বৈতৰ নিৰ্গুন ব্ৰহ্মৰ শাৰীত থ'ব পাৰি।

গীতাত জীৱাত্মাক ভগৱানৰ অংশ বুলি কোৱা হৈছে। ই ঈশ্বৰৰ এক সীমিত প্ৰকাশ। ইয়াক কোনোপধ্যে অসৎ বুলি ক'ব নোৱাৰি। গীতাই বহুত ঠাইত জীৱাত্মাক ব্ৰহ্মৰ সৈতে একে বুলিয়েই কৈছে। জীৱাত্মাক যিহেতু অবিকাৰী, সৰ্বব্যাপী, বিনাশহীন এতেকে ই ব্ৰহ্ম হ'বই; কাৰণ ব্ৰহ্মৰহে এইবোৰ গুণ আছে। এতেকে জীৱাত্মা হ'ল দেহত অৱস্থিত ভগৱানৰ এক ৰূপ। এতেকে গীতাৰ সৃষ্টিৰ ফালৰ পৰা জীৱক ব্ৰহ্ম বুলি কোৱাত কোনো বাধা থাকিব নোৱাৰে। আত্মা অকৰ্ত্তা, উদাসীন আৰু নিত্যমুক্ত যদিও প্ৰকৃতি বা দেহবন্ধনবশতঃ ই বদ্ধ হয়। মৃত্যুত এই দেহ বন্ধনৰ লোপ নহয়। মৃত্যুত স্থূল শৰীৰৰহে বিলোপ সাধন হয়, সূক্ষ্ম শৰীৰৰ নহয়। এই সূক্ষ্ম শৰীৰক লিঙ্গ শৰীৰ নামেৰেও জনা যায়। আমি সাধাৰণতে যি দেহ দেখো সি স্থূল শৰীৰহে। সূক্ষ্ম শৰীৰ চৰ্মচক্ষুৰদ্বাৰা দেখা পোৱা নাযায়। জ্ঞান চক্ষুৰ দ্বাৰাহে ইয়াৰ দৰ্শন হয়।

বেদান্ত সূত্ৰৰ মতে পুৰুষ আৰু প্ৰকৃতি দুটা পৃথক সত্ত্বা; ই প্ৰকৃততে পৰম ব্ৰহ্মৰে ভিন্ন ৰূপ মাথোন। উপনিষদে আগবঢ়োৱা ব্যাখ্যাৰ লগত একমত হৈ ব্ৰহ্মসূত্ৰই পৰম ব্ৰহ্মৰ অতি বাস্তৱ সত্যৰ লগত চিনাক্তকৰণ কৰিছে। ইয়াৰ প্ৰথম অধ্যায়ত ব্ৰহ্মৰ বিষয়ে বিশদ বিৱৰণ আৰু ব্যাখ্যা আগবঢ়াইছে। ব্ৰহ্মই হৈছে আদি, অন্ত আৰু ৰক্ষক। ব্ৰহ্মই সকলোৰে সৃষ্টিকাৰক হিচাপে সকলো ৰূপতে নিজকে মিলাই দিয়ে। ব্ৰহ্মসূত্ৰত কৰ্মৰ কাৰণ আৰু ফলৰ সম্বন্ধ সম্পৰ্কে বিশদ ব্যাখ্যা দিয়া হৈছে। কাৰণ আৰু ফল দুয়োটা মূলতে একে যদিও দুয়োটাই পৃথকভাৱে কাম কৰে, যেনেকৈ উশাহ বন্ধ কৰি ৰাখিলে ব্যক্তিয়ে কোনো কাম কৰিবলৈ সক্ষম নহয়, কিন্তু তেওঁ জীয়াই থাকে আৰু উশাহ যেতিয়া এৰি দিয়া হয়, শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গ তেতিয়া লৰচৰ কৰিব পাৰে, তেতিয়া কৰ্মও কৰিব পাৰে। ভাষ্যকাৰসকলে কাৰণ আৰু ফল এই দুয়োটাকে পৃথক বুলি নাভাবিলেও, ব্ৰহ্মৰ স্বৰূপ আৰু ব্ৰহ্মাণ্ডক পৃথক পৃথককৈ ব্যাখ্যা কৰিছে। পৰিবৰ্তনৰ ব্যাখ্যা আগবঢ়াই শঙ্কৰাচাৰ্যই 'অবিদ্যাৰ' কথা মানি লৈছে। শঙ্কৰৰ মতে অবিদ্যাৰ দোষতেই প্ৰকৃত বস্তুৰ সঠিকৰূপ দেখা পোৱা নাযায়, যেনেকৈ ভালকৈ নেদেখাৰ ফলতেই ৰচীডালকে সাপ বুলি ভবা হয়। বাদৰায়নৰ মতে সৃষ্টি কাৰ্যৰ ক্ষমতা একমাত্ৰ শুদ্ধ ব্ৰহ্মৰ হাততহে। চিন্তা কৰিব নোৱাৰা জীৱও যে ব্ৰহ্মই সৃষ্টি কৰিব পাৰে আৰু তেওঁ যে অদ্ভুত শক্তি সম্পন্ন, সেই বিষয়ত বাদৰায়নে বিশদ ব্যাখ্যা আগবঢ়োৱা নাই। ভগৱন্তৰ সংকল্প মতেই ব্ৰহ্মাণ্ডৰ সৃষ্টি। সেয়া হৈছে তেওঁৰ লীলা।

শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰৱৰ্তিত মহাপুৰুষীয়া ধৰ্মৰ আধাৰ গ্ৰন্থ হ'ল— গীতা আৰু ভাগৱত শাস্ত্ৰ। মহাপুৰুষ শঙ্কৰদেৱে উপনিষদৰ সাৰ ভাগৱত পুৰাণক 'সৰ্বশ্ৰুতি শিৰোৰত্ন' বুলি আখ্যা দিছে আৰু ভাগৱত শাস্ত্ৰৰ প্ৰতিপাদ্য 'একশৰণ হৰিনাম ধৰ্ম'ৰ বিষয়বস্তু লৈ কৃষ্ণ-মাহাত্ম্যসূচক ভাগৱত ধৰ্ম প্ৰৱৰ্তন কৰিছিল। মহাপুৰুষীয়া ভক্তি ধৰ্মৰ দাৰ্শনিক দিশৰ ভিত্তি হৈছে— গীতা আৰু ভাগৱত পুৰাণৰ পুৰুষোত্তম তত্ত্ব। ভক্তিমাৰ্গৰ উপাসনাৰ সগুণ ব্ৰহ্মই শ্ৰীকৃষ্ণ আৰু তেওঁৰ নিৰ্গুন ভাৱেই পৰমব্ৰহ্ম। জ্ঞানবাদী, মায়াবাদীসকলৰ অদ্বৈতবাদ, ভক্তিবাদীসৰৰ বিশিষ্টাদ্বৈতবাদ আদি 'দাৰ্শনিক বাদসমূহ'

শাস্ত্ৰৰ উত্তম গীতা-ভাগৱতৰ পুৰুষোত্তম তত্বতে নিঃশেষ হৈ গৈছে।

কিছু পণ্ডিতৰ মতে বৈষ্ণৱগুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ মতবাদ ৰামানুজৰ মতবাদৰ সৈতে একে। আমি ক'ব খোজো যে দুয়োগৰাকী বৈষ্ণৱ হোৱাৰ বাবে কিছু কিছু মতাদৰ্শৰ মিল নথকা নহয়। সেই বুলি দাৰ্শনিক মতবাদৰ মিল থকা বুলি ক'ব খোজা সিদ্ধান্তটো গ্ৰহণযোগ্য নহয়। কেতিয়াবা মহাপুৰুষ শঙ্কৰদেৱে ৰামানুজৰ দৰে জীৱজগতক ঈশ্বৰৰ অংশ বা শৰীৰৰ অঙ্গ বুলি কৈছে— "তোমৰেসে অংশ আমি যত জীৱজাক।" (বেদস্তুতি) আকৌ কৈছে—

"যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জগ তেৰি কায়া।।—বৰগীত

মহাপুৰুষ শঙ্কৰদেৱে কেতিয়াও জগত প্ৰপঞ্চক সত্য বুলি কোৱা নাই।

"অসন্ত জগতখান তোমাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশে সদায়।"
— কীৰ্ত্তন-বেদস্তুতি।

পুনৰ কৈছে—

"যত দেখা যত শুনা যতেক মনত গুনা
সৱে মায়াময় স্বপ্নসম।
সমস্তে জগতে হৰি জানিবা নিশ্চয় কৰি
গুচায়ো বুদ্ধিৰে ইটো শ্ৰম।।"
— কীৰ্ত্তন, বৈকুণ্ঠ প্ৰয়াণ

ভাগৱত পুৰাণৰ দ্বাদশ স্কন্ধত কৈছে—

"ব্ৰহ্ম ব্যতিৰেকে মিছা যত দেখা আন।
জৰীত উপজি যেন আছে সৰ্প জ্ঞান।।
জাগন সপোন বুদ্ধিৰেসে বৃত্তিচয়।
নানাবিধ দেখা সিটো থাকে মায়াময়।।"১৭১

শঙ্কৰাচাৰ্যৰ অদ্বৈত বেদান্তৰ দৰে মহাপুৰুষ শঙ্কৰদেৱে জীৱ আৰু ব্ৰহ্মৰ মাজত কোনো প্ৰকাৰৰ ভেদ স্বীকাৰ নকৰে। ভাগৱত পুৰাণত কৈছে—

"এক ব্ৰহ্ম আছে সৰ্ব দেহত প্ৰকটে।
যেন এক আকাশ প্ৰত্যেক ঘটে ঘটে।।
জলত সূৰ্য যেন দেখি ভিন ভিন।"১২/১৭৪

ব্যৱহাৰিক দৃষ্টিত যি ভেদভাৱৰ সৃষ্টি হয়, পাৰমাৰ্থি বিচাৰত প্ৰকৃততে ভেদহীন। কীৰ্ত্তনপুথিত সেই ভেদহীন ভাৱ প্ৰকাশ কৰিছে—

"মুকুট কুণ্ডল যেন সুৱৰ্ণৰে ভিন্ন নুহি
মিছামাত্ৰ নাম ৰূপ যত।
অহংকাৰ পঞ্চভূত তোম্হাৰ পৃথক নুহি
প্ৰভু পৰমাৰ্থ বিচাৰত।।" —বেদস্তুতি

আচলতে ব্ৰহ্ম নিৰ্গুন অৰ্থাৎ ব্যাখ্যাতীত, অবৰ্ণনীয় অচিন্ত্য। তেওঁক কোনেও নাজানে।

"ব্ৰহ্মায়ে নপান্ত অন্ত তোম্হাত নাজানে বেদে
আপুনিও নজানা সমূলি।
এতেকে কেৱল আমি তোম্হাৰ চৰণে স্বামী
ভজিলোহো জয় জয় বুলি।।"
— বেদস্তুতি

নিৰ্গুনভগৱান বা ব্ৰহ্মৰ গুণ-কীৰ্ত্তন কৰাটোৱেই হ'ল একান্ত ভকতৰ কাম। তাৰ বাহিৰে কৰিব লগা বা কি আছে? সেয়ে ভগৱানৰ স্তুতি এইদৰে কৰিছে—

"তোম্হাৰ অদ্বৈতৰূপ পৰম আনন্দ পদ
তাতে মোৰ মগ্নহৌক চিত্ত।"
—বেদস্তুতি

পৰমাত্মা আৰু জীৱাত্মাৰ ভিতৰত কোনো ভেদ নাই। মায়াজনিত যি ভেদ-ভাৱৰ সৃষ্টি হয় সিয়ো ক্ষন্তেকীয়া। প্ৰকৃত তত্ব উপলব্ধি কৰিলে বা ভগৱান দৰ্শন কৰিব পৰিলে মোক্ষ পদ পায়। এনে ভক্তই মৃত্যুৰ পাছত ব্ৰহ্মতে (ভগৱানতে) লীন যায়। জীৱাত্মাই পৰমাত্মা। কিন্তু অবিদ্যা বা মায়াৰ বাবে আমি তাক উপলব্ধি কৰিব নোৱাৰো। 'নামঘোষা'ত মহাপুৰুষ মাধৱদেৱে কৈছে—

"আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সততে পায়
নাপায় জানা তাঙ্ক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন

কণ্ঠলগ্ন বস্তুক সাক্ষ্যাত।।"৪১

ইয়াত যি অৰ্থত কৃষ্ণৰ কথা উল্লেখ ৰা হৈছে তেওঁ মথুৰা-বৃন্দাবনৰ কৃষ্ণ নহয়। এই কৃষ্ণ অনন্ত নাগৰ ওপৰত শুই থকা লক্ষ্মীপতিও নহয়। ইয়াত নিৰ্গুন ব্ৰহ্মই কৃষ্ণ। গীতাৰ পুৰুষোত্তম কৃষ্ণ।

"নমো নমো নিত্য নিৰঞ্জন নাৰায়ন শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুন গুণ নিয়ন্তা।
পৰম পুৰুষ ভগৱন্ত নাহি পূৰ্বাপৰ আদি অন্ত
তুমিসে চৈতন্য সমস্ত ভৱ তাৰন্তা।।"

—নামঘোষা, ৫৮৭

মহাপুৰুষীয়া ধৰ্মত মায়া তৰণৰ উপায় হ'ল ভক্তি সাধন আৰু ভক্তিসাধনৰ অৱলম্বন হ'ল সাধুসঙ্গত হৰি গুণ-নাম শ্ৰৱণ-কীৰ্ত্তন। এতেকে মায়াৰ পৰা হাত সাৰিবৰ উপায় নৱিধ ভক্তিৰ শ্ৰৱণ-কীৰ্ত্তন নামধৰ্ম। মহাপুৰুষীয়া ধৰ্মৰ পালনকাৰী ভক্তসকল সদায় ভকতি আনন্দ ৰসৰ সৰোৱৰত ৰাজহংসৰ দৰেই মুক্ত বিচৰণকাৰী। তেওঁলোকক সংসাৰৰ কোনো দুখ-যন্ত্ৰণাই পৰশিব নোৱাৰে, টলাব নোৱাৰে। সংসাৰত থাকিলেও তেওঁলোক বোকাত থকা পদুমৰ দৰে। এয়াই জীৱমুক্ত অৱস্থা। মানৱ জীৱনত ইয়াতোকৈ আৰু শ্ৰেষ্ঠ সম্পদ একো নাই। এয়াই পৰমানন্দ লাভ আৰু সচ্ছিদানন্দ পৰম পুৰুষৰ লগত মহামিলন।

মহাপুৰুষীয়া ধৰ্ম আৰু বেদান্ত দৰ্শনৰ মাজত সামঞ্জস্য ৰক্ষা কৰি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে— সগুণ ব্ৰহ্ম কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰিছে কীৰ্ত্তন-দশম আদি শাস্ত্ৰত। ভাগৱত আৰু গীতাৰ কৃষ্ণ বা বিষ্ণু পূৰ্ণব্ৰহ্ম বা পৰমাত্মা। এই সগুণ ব্ৰহ্ম জগতৰ আনন্দ স্বৰূপ কৃষ্ণদেৱতহে ভক্তি সম্ভৱ; কাৰণ ভক্তি মানেই হ'ল সচ্ছিদানন্দ পৰমানন্দ পৰমেশ্বৰৰ পৰম আসক্তি বা প্ৰেম। আনন্দময় পৰমেশ্বৰৰ স্থিতি অবিহনে ৰসময় ভক্তিত নিমগ্ন হোৱাটো কল্পনাৰো অতীত। কৃষ্ণ বা বিষ্ণুৱেই পূৰ্ণব্ৰহ্মৰ মূৰ্ত্তিমান আনন্দময় কলাযুক্তৰূপ। তেওঁ কাল আৰু মায়াৰো গৰাকী। এইয়া মাধৱপুৰুষৰ নামঘোষাত বৰ্ণিত সগুণ কৃষ্ণ। গুৰুজনাই কলিকালৰ মনুষ্যৰ কাৰণে বৈকুণ্ঠৰ পৰা বোৱাই অনা প্ৰেম-অমৃতৰ নদীৰ হৰিনাম মূলাধাৰৰ সুশীতল জলত স্নানৰ দ্বাৰা ধৰ্ম, অৰ্থ, কাম, মোক্ষ এই চতুবৰ্গ সাধন কৰি, মায়াৰ সংসাৰ বন্ধন চিঙি পৰমপুৰুষ ভগৱন্তক লাভ কৰাৰ সহজ উপায় অকৃপণভাৱে দানকৰি থৈ গৈছে।■■

**সহায়কগ্ৰন্থ**

১। নামঘোষা ঃ শ্ৰীশ্ৰীমাধৱদেৱ
২। কীৰ্ত্তনঘোষা ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ
৩। শ্ৰীমদ্ভগৱদ্গীতা ঃ শ্ৰীশ্ৰীমাধৱদেৱ
৪। Indian Philosophy-Vol-II ঃ সৰ্বপল্লী ৰাধাকৃষ্ণণ
৫। Essentials of Indian Philosophy-Vol-II ঃ এম. হিৰিয়ন
৬। ভাৰতীয় দৰ্শনৰ আভাস ঃ ড০ গিৰীশ বৰুৱা
৭। The Philosophy of Sankardeva : Ed. by Jiba Kanta Nath
৮। মাধৱদেৱ আৰু সংস্কৃতি ঃ (সম্পাদিত) ভৱপ্ৰসাদ চলিহা

# উপনিষদ কথা

ভবেন দুৱৰী

একো দেৱঃ সৰ্বভূতেষু গূঢ়ঃ সৰ্ব্বভূতান্তৰাত্মা
কৰ্মাধ্যক্ষঃ সৰ্বভূতাধিৱাস,
সাক্ষী চেতা কেৱল নিৰ্গুণশ্চ
— শ্বেতাশ্বত, ৬/১১স

ভাৱাৰ্থঃ একমাত্ৰ পৰমাত্মাই সমস্ত প্ৰাণীৰ হৃদয়ত গূঢ়ভাৱে থাকে। তেওঁ সৰ্বব্যাপ্ত, তেৱেঁই প্ৰাণীসমূহৰ কৰ্মৰ নিয়ামক, তেওঁৰ প্ৰেৰণাতে জীৱই কৰ্ম কৰে আৰু সেই কৰ্মৰ ফলদাতাও তেৱেঁই। তেৱেঁই সমস্ত প্ৰাণীৰ আধাৰ আৰু কৰ্মৰ সাক্ষী। সকলো গুণৰ অধিকাৰী হৈও তেওঁ গুণাতীত।

উপনিষদসমূহ বেদৰ ৰহস্য বা সাৰ স্বৰূপ। উপনিষদসমূহৰ পৰা ভগৱন্ত পুৰুষৰ বিষয়ে স্বৰূপজ্ঞান লাভ কৰিব পাৰি। বেদ ভগৱন্ত পুৰুষৰপৰাই উদ্ভাৱিত। বেদত ৰহস্যাবৃতভাৱে থকা পৰমব্ৰহ্মক আদিকবি ব্ৰহ্মাই জানিব পাৰিছিল। তাৰ পাছত অন্য যিসকল দেৱতা আৰু ঋষিয়ে সাধনাৰ দ্বাৰা জানিব পাৰিলে সেই সকলে অমৃতময় নিত্যানন্দ স্বৰূপ লাভ কৰিলে। সেই গতিকে পৰমাত্মা পুৰুষক জানিবলৈ বেদৰ সাৰ উপনিষদৰ জ্ঞান অতি আৱশ্যক।

ব্ৰহ্ম বিষয়ক জিজ্ঞাসু ঋষিসকলে একেলগ হৈ আলোচনাত মিলিত হৈ বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰিলে যে বেদৰ মৰ্মবাণী হ'ল সমস্ত জগতৰ ব্ৰহ্মই কাৰণ। সেই ব্ৰহ্ম কোন আৰু তেওঁৰ স্বৰূপ কি? প্ৰাণীবোৰ কাৰপৰা জন্ম পায় আৰু তাৰ মূল কাৰণ কি? কাৰ প্ৰভাৱৰ দ্বাৰা আমি জীয়াই থাকো? আমাৰ জীৱনৰ আধাৰ কি আৰু আমাৰ অন্তনো ক'ত? জন্মৰ পূৰ্বতে আৰু মৃত্যুৰ পাছত আমাৰ স্থিতি কি? আমাৰ পৰম আশ্ৰয় কোন? কাৰ নিয়মাধীন হৈ জীৱই সুখ-দুখ ভোগ কৰে? কোনে এই বিশ্বজগত নিয়মিতভাৱে পৰিচালনা কৰি আছে? এই প্ৰশ্নবোৰৰ সমিধান কি তাক ভাবিবলৈ ধৰিলে।

ঋষিসকলে আলোচনা প্ৰসঙ্গত নানাজনে নানা ধৰণে তথ্য আৱিষ্কাৰ কৰিলে। কোনোৱে কালক কাৰণ বুলি বুজাব ধৰিলে, কাৰণ যিকোনো পদাৰ্থ নিৰ্দিষ্ট সময়ত জন্মে আৰু নিৰ্দিষ্ট সময়ত নাশ হয়। কোনোৱে স্বভাৱক কাৰণ হিচাপে জনাব বিচাৰিলে, কাৰণ যি স্বভাৱ তাৰ পৰাহে তদনুৰূপ কাৰ্য উৎপন্ন হয়। যেনে— গুটি অনুৰূপে গছ গজে। কেতিয়াবা কৰ্মফলকো কাৰণ যেন অনুভৱ হয়। কাৰণ কৰ্মফল অনুযায়ী জীৱই বিভিন্ন যোনিত জন্ম লাভ কৰে। কেতিয়াবা পঞ্চমহাভূতত, আকৌ কেতিয়াবা জীৱাত্মাক কাৰণ স্বৰূপে বৰ্ণনা দিয়া দেখা যায়। ভিন্ন ভাব হোৱা হেতু তেওঁলোকে পুনৰ বিচাৰ কৰি চালে যে এইসকল বাস্তৱিক জগতৰ কাৰণ হয়নে নহয়। পুনৰ বিচাৰ কৰি বুজিব পাৰিলে যে কালকে আদি কৰি পাঁচ মহাভূত পৰ্যন্ত কাৰণ বুলি কৰা পূৰ্ব অনুমান জগতৰ কাৰণ হ'ব নোৱাৰে। সেইবোৰ অকলেতো নহয়েই, সকলোবোৰ মিলিয়ো জগতৰ কাৰণ হ'ব নোৱাৰে। কাৰণ সেই সমস্তই জড় হোৱা হেতুকে কোনোবা চেতনৰ অধীন। সেইবোৰৰ নিজা কোনো শক্তি নাই। চেতন আত্মাৰ সঞ্চালনাৰ অধীন হৈ জড় পদাৰ্থৰ সন্মিলন ঘটাই কোনো নতুন বস্তুৰ সৃষ্টি কৰা দেখা যায়। জীৱাত্মাও জগতৰ কাৰণ হ'ব নোৱাৰে, কাৰণ সিও সুখ-দুখৰ অধীন হয়। গতিকে ইয়াৰ বাহিৰেও কোনোবা অতিৰিক্ত নিশ্চয় কোনোবা আছে।

পূৰ্ব প্ৰকাৰে বিচাৰ-বিবেচনা কৰি যেতিয়া একো নিৰ্ণয় কৰিব নোৱাৰিলে তেতিয়া তেওঁলোকে ধ্যানযোগৰ আশ্ৰয় ল'লে। মন আৰু ইন্দ্ৰিয়বোৰ অন্তঃমুখী কৰি জগত কাৰণক জনাৰ বাবে ঐকান্তিকভাৱে তন্ময় হ'ল। এনে ঐকান্তিক তন্ময়তাৰ ফলত তেওঁলোকে পৰমপুৰুষৰ আলৌকিক শক্তিৰ সন্ধান পালে। যি নিজৰ সত্ব, ৰজ

আৰু তম গুণৰ দ্বাৰা আবৃত্ত হৈ থাকে। এই অলৌকিক শক্তিৰ পৰিণামেই জগতৰ কাৰণ বুলি তেওঁলোকে বুজিব পাৰিলে। পূৰ্বে কৰা অনুমানসমূহো এই মহাশক্তিৰে অধীন, যাৰ সামান্য প্ৰভাৱ পাই সেই সমস্তই নিজ কাৰ্য নিয়মমতে চলাই যায়। সেই পুৰুষোত্তম পৰমাত্মাই অদ্বিতীয় শক্তিত, তেওঁত বাদে আন কোনো নাই, এই তত্ত্ব ঋষিসকলৰ অনুভূত হ'ল।

সেই ব্ৰহ্মদৃষ্ট ঋষিসকলে যি দেখা পালে তাক এনেদৰে বৰ্ণনা দিছে— আমি এক নদী দেখিলো যাৰ পাঁচ জ্ঞানেন্দ্ৰিয়ই পাঁচ ধাৰা সোঁত। পাঁচ জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰাই আমাৰ সংসাৰৰ জ্ঞান হয়, সিহঁতৰ পৰা হোৱা জ্ঞানৰ পৰাই সংসাৰ প্ৰৱাহ বৈ থাকে, সেই ইন্দ্ৰিয়সমূহক সোঁত বুলি কোৱা হ'ল। এই ইন্দ্ৰিয়বোৰ পাঁচ সূক্ষ্মভূতৰ (পঞ্চ তন্মাত্ৰ) পৰা উৎপন্ন হয়, এই কাৰণে এই নদীৰ পাঁচ উদগমন স্থান বুলি কোৱা হ'ল। এই নদীৰ সোঁত বৰ খৰ, অতি ভয়ঙ্কৰ, একাবেঁকা, চল-কপট, কামনা-বাসনা আদিৰে ভৰপূৰ। ইয়াত ঠিকমতে চলিব নোৱাৰিলে পাৰ পোৱা জন্ম-মৃত্যু কষ্টৰপৰা হাত সৰা টান। জীৱৰ কৰ্মচেষ্টা পঞ্চপ্ৰাণৰ দ্বাৰা হয়। ইয়াৰ প্ৰেৰণা পাই পাঁচ কৰ্মেন্দ্ৰিয় চালিত হয়। এই কাৰণে পঞ্চপ্ৰাণক সংসাৰৰ ঢৌ বুলি কোৱা হয়। পাঁচ জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰা হোৱা পাঁচ প্ৰকাৰ জ্ঞানৰ কাৰণ মন। জ্ঞান মনৰ বৃত্তি। ইন্দ্ৰিয়বোৰ সন্তুষ্ট হ'লেও মনৰ অবিহনে একো জ্ঞান নহয়। এই মনেই সংসাৰ নদীৰ মূল সোঁত। জগত মনৰে কল্পনা। মন নাশ হ'লে জগতৰ অস্তিত্বই নাথাকে। যেতিয়ালৈকে মন আছে, সেই পৰ্যন্ত এই সংসাৰ। পাঞ্চেন্দ্ৰিয়ৰ শব্দ, স্পৰ্শ আদি পাঁচ বিষয় এই ভৱনদীৰ পাঁচ চাকনৈয়া। ইয়াত সোমাই পৰিলে বিষয় বিলাসত মজি জন্ম-মৃত্যুৰ পকনীয়াৰপৰা সহজে হাত সৰা টান। গৰ্ভবাস, জন্ম, ব্যাধি, বাৰ্ধক্য আৰু মৃত্যু— এই পাঁচ প্ৰকাৰ দুখ সংসাৰ নদীৰসোঁতৰ বেগ। এই দুখবোৰৰ আঘাত পাই জীৱই হাঁহাকাৰ কৰে। এক যোনিৰপৰা আন যোনিলৈ ঘূৰি-পকি থাকে। অজ্ঞান, অহংকাৰ, ভালপোৱা, বেয়াপোৱা আৰু মৰণলৈ ভয়— এই পাঁচ বিধ ক্লেশ সংসাৰ নদীৰ পাঁচটা খলপা; ইয়াতেই জগত বৰ্তি থাকে। এই পাঁচৰ সমষ্টিয়েই সংসাৰৰ স্বৰূপ।

এয়ে সংসাৰ চক্ৰ বা ব্ৰহ্মচক্ৰ। এই ব্ৰহ্মাচক্ৰ অতি বৃহৎ। ইয়ে সমস্ত চৰাচৰ প্ৰাণীৰ আধাৰ, এনে এই জগত স্বৰূপ ব্ৰহ্মচক্ৰত জীৱাত্মাই নিজ নিজ কৰ্মফল অনুসাৰে পৰমাত্মাৰ প্ৰেৰণাৰ দ্বাৰা দেহৰপৰা দেহান্তৰলৈ ভ্ৰমিব লগা হয়। যেতিয়া তেওঁ নিজ স্বৰূপৰ আৰু সমস্তৰে প্ৰেৰয়িতা পৰমাত্মাৰ স্বৰূপৰ ভিন্নতা ভালকৈ বুজিব যে, তেওঁহে মোক সংসাৰ-চকৰিত ঘূৰাই আছে আৰু মই তেওঁৰ কৃপা পালেই ইয়াৰ পৰা মুক্ত হ'ম, তেতিয়া তেওঁ পৰমাত্মাৰ কৃপা ভিক্ষাৰী হৈ তেওঁ সেৱাত নিযুক্ত কৰে, নিজৰ সৰ্বকৰ্ম তেওঁতে সমৰ্পণ কৰে। তাৰ ফলত সেই জীৱই পৰম কাৰুণিক পৰমাত্মাৰ কৃপাৰ পাত্ৰ হৈ পৰম অমৃত স্বৰূপ হয় আৰু চিৰকাললৈ জন্ম-মৃত্যুৰূপ সংসাৰ-চকৰিৰপৰা মুক্তি হৈ যায়। নিত্যধামপ্ৰাপ্ত হৈ পৰম শান্তি লাভ কৰে।

পূৰ্ব কথনৰপৰা বুজা গ'ল যে সংসাৰৰপৰা মুক্তি আৰু সংসাৰত স্থিতি এই উভয়ৰে পৰমেশ্বৰেই কাৰণ। সেই কাৰণে সংসাৰ মুক্তিৰ নিমিত্তে সৰ্বতোপ্ৰকাৰে তেওঁৰ ওপৰতে ভৰসা কৰি তেওঁতে শৰণাপন্ন হোৱা আৱশ্যক। গতিকে সংসাৰীলোকে সৰ্বান্তঃকৰণে চিন্তা কৰিব লাগে— যি পৰমেশ্বৰে সৰ্বপ্ৰথমেই নিজ নাভি কমলৰপৰাই ব্ৰহ্মাক সৃষ্টি কৰিলে, সৃষ্টি কৰি সেই পদ্মযোনিক যি সমস্ত বেদৰ জ্ঞান দিলে আৰু নিজৰ স্বৰূপৰপৰা জ্ঞান দিবলৈ যি শৰণাগত হৃদয়ত অনুৰূপ শুদ্ধ বুদ্ধি দিয়ে, সেই উপনিষদ বৰ্ণিত সৰ্বশক্তিমন্ত সৰ্ববৰেণ্য জ্যোতিৰ্ময় ভগৱন্ত পুৰুষোত্তমদেৱৰ শৰণ ল'লো, মই মুক্তি অভিলাষী, তেওঁত বাজে এই ভৱভয়হাৰী মুক্তিদাতা মোৰ আৰু আন কোনো নাই। যথা—

"য়ো ব্ৰহ্মাণং ৱিদধাতি পূৰ্ব্বং য়ো বৈ বেদাংশ্চ প্ৰহিনোতি তস্মৈ।
তংহদেৱাত্মবুদ্ধি প্ৰকাশং মুমুৰ্ক্ষুৰ্বৈ শৰণমহং প্ৰপদ্যে।"

— শ্বেতাশ্বত উপনিষদ, ৬/১৮■■

*(শ্বেতাশ্বত উপনিষদৰ আধাৰত)*

# ৮০ সংখ্যক বকলিয়াঘাট অধিৱেশনত নতুনকৈ গঠন হোৱা
# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ
# মূল কাৰ্যনিৰ্বাহক সমিতিৰ সদস্য-সদস্যাৰ নাম-ঠিকনা
# (২০১১-২০১২) (৮১-৮২) তম বৰ্ষ

■ ৰজনীকান্ত দত্ত
গাঁও- নিতাইপুখুৰী
ডাক- নিতাইপুখুৰী
পিন-৭৮৫৬৭১
জিলা- শিৱসাগৰ
ফোন-৯৮৫৪৪-৮৪৭৩৬

■ ভবেন্দ্ৰ নাথ ডেকা
গাঁও- মুৰাৰা,
ডাক- ৰঙিয়া
পিন-৭৮১৩৫৪
জিলা- কামৰূপ (ৰঙিয়া)
ফোন-৯৮৫৪৯-৬৫৬৪৮

■ হৰিপ্ৰসাদ হাজৰিকা
গাঁও- তেলিয়াগাঁও,
ডাক- পূৰথৰীয়া
জিলা- নগাঁও (কলিয়াবৰ)
পিন-৭৮২১৩৭
ফোন- ৯৪৩৫১-০৭৯৫১

■ ৰুক্মকান্ত কোচ
গাঁও- জাগল (কেদান বজাৰ)
ডাক- অমৰপুৰ, শদিয়া
জিলা- তিনিচুকীয়া (অসম)
ফোন- ৯৮৫৯৬-৩৬৪২১

■ লোকনাথ বৰুৱা
গাঁও- হাটখোলা, চাবুৱা
ডাক- চাবুৱা, জিলা- তিনিচুকীয়া
ফোন- ৯৯৫৪৮-৯৩০৭৯

■ কমলাকান্ত গগৈ
গাঁও- জ্যোতিনগৰ, নামৰূপ
ডাক- পৰ্ব্বতপুৰ, নামৰূপ
জিলা- ডিব্ৰুগড়,
ফোন- ৯৪৩৫২-৮২০৮৭

■ বীৰেন নিৰ্ম্মলীয়া
গাঁও- চেঙেলীজান,
ডাক- কলিয়াপানী
জিলা- ডিব্ৰুগড়,
ফোন- ৯৯৫৭০-৬৮৩৯৭

■ প্ৰফুল্ল গগৈ
গাঁও- বৰহগাঁও,
ডাক- ধুনীয়াপথাৰ
জিলা- শিৱসাগৰ (চৰাইদেউ)
পিন-৭৮৫৬৯২
ফোন-৯৪৩৫৩-৫৮১৯৩

■ কমলাকান্ত বৰা
গাঁও- হাঁহচৰা, শুকতিআলি
ডাক- নগাগাঁও,
জিলা- শিৱসাগৰ
ফোন-৯৪৩৫০-১৩৪৯৭

■ আনন্দ কুমাৰ বৰা
গাঁও- শিৱসিংহ নগৰ
(ৰংঘৰৰ কাষত)
ডাক- জয়ানগৰ,
জিলা- শিৱসাগৰ
ফোন- ৯৪৩৫২-০৪৬৭৮

■ ফুল সাধনিদাৰ (মনোনীত)
গাঁও- ভৰলুৱা,
ডাক- ভৰলুৱা তিনিআলি
জিলা- শিৱসাগৰ
ফোন-৯৪৩৫৫-১৬৭১০

■ খগেন্দ্ৰ নাথ বৰা
গাঁও- পাৰিজাত নগৰ,
ডাক- যোৰহাট, পিন-৭৮৫০০১
ফোন-৯৪৩৫৭-১৮৮৭১

■ ৰূপেশ্বৰ নেওগ
গাঁও- খঙীয়া গাঁও,
ডাক- দহোটীয়া, জিলা- যোৰহাট,
ফোন-৯৮৫৪১-৯১৫৬৩

■ বীণা শইকীয়া
গাঁও- পূব বঙাল পুখুৰী,
ডাক- যোৰহাট
জিলা - যোৰহাট পিন-৭৮৫০০১
ফোন-৯৬৭৮০-০৫৮৪০

■ ঘনকান্ত বৰুৱা
গাঁও- উজনী মাজকুৰিগাঁও
ডাক- মাজকুৰি, জিলা- যোৰহাট
ফোন- ৯৬১৩১-৭৪৪১১

■ ৰুদ্ৰকান্ত বড়া
গাঁও- অম্বিকাগিৰি নগৰ,
জেইল ৰোড, ডাক- যোৰহাট
জিলা - যোৰহাট, পিন-৭৮৫০০১
ফোন-৯৪৩৫৫-৯৫৫৭০

**নাম-ধৰ্ম**

- তুলসী বৰা
  গাঁও- শ্ৰীমন্ত কাঠনিআটী
  ডাক- ৰঙাচাহী,
  জিলা- যোৰহাট (মাজুলী)
  ফোন- ৯৪৩৫৬-৪৭০৮৮
- বিজু হাজৰিকা
  গাঁও- তিতাবৰ মাজগাঁও
  ডাক- তিতাবৰ,
  জিলা- যোৰহাট, পিন-৭৮৫৬৩০
  ফোন-৯৮৫৯৩-১১৩৬৭
- লোকেশ্বৰ হাজৰিকা
  গাঁও- ফালেঙিচুক,
  ডাক- দিহিঙীয়া
  পিন-৭৮৫৬৩০
  জিলা- যোৰহাট (তিতাবৰ)
  ফোন-৯৪৩৫৬-৪১২৯৮
- সুশীল গগৈ
  গাঁও- অন্নপূৰ্ণা
  ডাক- মুক্তিনগৰ (নগাবাট)
  জিলা- যোৰহাট,
  ফোন-৯৯৫৭২-৭০৬৪৩
- পবিত্ৰপ্ৰাণ বৰা
  গাঁও- কানুগাঁও, ডাক- বকলাই,
  জিলা- গোলাঘাট (অসম)
  ফোন-৯৯৫৪৭-৩০৪৪১
- চন্দ্ৰ হাজৰিকা
  গাঁও- কমাৰগাঁও চাৰিআলি
  ডাক- ডেৰগাঁও (কে.চি. আলি)
  জিলা- গোলাঘাট, পিন-৭৮৫৬১৪
  ফোন-৯৪৩৫৭-১৮৩৮৬
- থানেশ্বৰ হাজৰিকা
  গাঁও- ডেৰগাঁও নগৰ, ৱাৰ্ড নং-৮
  ডাক- ডেৰগাঁও,
  জিলা- গোলাঘাট,
  পিন-৭৮৫৬১৪,
  ফোন-৯৪৩৫৪-৩৬২৩৯
- ৰবীন্দ্ৰ নাথ কলিতা
  গাঁও- শিঙৰাজান,
  ডাক- বৰুৱাবামুণগাঁও
  জিলা-গোলাঘাট,
  ফোন-৯৫৭৭৯-৮২৩৭৭
- যোগেশ লয়িং
  গাঁও- নামটেমেৰা গাঁও,
  ডাক- মহুৰামুখ
  জিলা- গোলাঘাট (বোকাখাত)
  পিন-৭৮৫৬১৯
  ফোন- ৯৬৭৮৭-২৩৫৬৫
- ফণী হাজৰিকা (মনোনীত)
  গাঁও- তেলিয়াগাঁও,
  ডাক- পূৱথৰীয়া
  জিলা- নগাঁও (কলিয়াবৰ)
  পিন-৭৮২০০৭
  ফোন- ৯৯৫৭৪-২১৫৭৭
- ত্ৰৈলোক্য বৰা
  গাঁও- হাতীগড়,
  ডাক- বালিগাঁও
  জিলা- নগাঁও,
  ফোন- ৯৪৩৫৩-৬৭৩৩০
- তুলসী শইকীয়া
  গাঁও- ৰত্নপুৰ,
  ডাক- নগাঁও,
  জিলা- নগাঁও
  ফোন- ২৩২৬৫৪
- হৰেন্দ্ৰ নাথ বৰা
  গাঁও- ৰজাগাঁও, ডাক- ৰহা,
  জিলা- নগাঁও,
  ফোন- ৯৬১৩৫-০৪১৩৪
- ৰুদ্ৰ শইকীয়া
  গাঁও- ৰাইদঙীয়া,
  ডাক- আইভেটী
  জিলা- নগাঁও,
  ফোন- ৯৪৩৫৫-৯৭৫২৩
- ভোলানাথ শইকীয়া
  গাঁও- পলাশনী,
  ডাক- পলাশনী
  জিলা- নগাঁও, পিন- ৭৮২০০১
  ফোন-৯৪৩৫৩-৯৫১৪৬
- খগেন্দ্ৰ মহেলা (মনোনীত)
  গাঁও- খুটিকটীয়া,
  ডাক- হয়বৰগাঁও
  জিলা- নগাঁও, পিন-৭৮২০০২
  ফোন- ৯৪৩৫০-৬৩২৫০
- দেহীৰাম গগৈ
  গাঁও- দেউৰীগাঁও,
  ডাক- পটিয়াপাম
  জিলা- নগাঁও (কামপুৰ)
  ফোন-৯৯৫৭৭-৯১৯৬৮
- কলিৰাম বৰা
  গাঁও- তেতেলীসৰা,
  ডাক- তেতেলীসৰা
  জিলা- নগাঁও (কামপুৰ)
  ফোন-৯৪৩৫৬-৬১৪৫৩
- গোলোক চন্দ্ৰ বৰা
  গাঁও- ১নং কাকী, ১নং গাঁও
  ডাক- কাকী,
  জিলা- নগাঁও (হোজাই)
  ফোন-০৩৬৭৪-২৮৩৪১১
- শুভৰাম বৰা
  গাঁও- ১নং উদালী,
  ডাক- বকলীয়াঘাট,
  পিন-৭৮২৪৮২
  জিলা- কাৰ্বি আংলং
  ফোন- ৯৫৭৭৬-৬৮৯৭৪
- পদ্মকান্ত বৰা
  গাঁও- তৰাডুবি,
  ডাক- তৰাডুবি, পিন-৭৮২৪৮৫
  জিলা- কাৰ্বি আংলং (হামৰেণ)
  ফোন- ৯৪৩৫৭-৬২৬০৯

## নাম-ধৰ্ম

- সমীৰ মেধি
  নৰসিং উচ্চতৰ মাধ্যমিক বিদ্যালয়
  ডাক- শিলচৰ, জিলা- কাছাৰ
  পিন-৭৮৮০০১,
  ফোন-৯৪৩৫৯-১১৮৫৭
- বাবুল বৰা
  গাঁও + ডাক- গেৰুৱাআটি
  জিলা- মৰিগাঁও, পিন-৭৮২১২১
  ফোন- ৯৪৩৫৩-৬৫৬৮৭
- প্ৰদীপ কুমাৰ শইকীয়া
  গাঁও- জ্যোতিনগৰ (গছবাৰী)
  ডাক + জিলা- মৰিগাঁও
  পিন-৭৮২১০৫
  ফোন-৯৪৩৫৩-৬৪৪৫৪
- জীৱকান্ত নাথ (মনোনীত)
  গাঁও- নভেটি,
  ডাক- মৰিগাঁও, ৱাৰ্ড নং ৫
  জিলা- মৰিগাঁও,
  ফোন- ৯৪৩৫৯-৪৩৪৫০
- ভৈৰৱ চন্দ্ৰ বৰুৱা
  গাঁও-ৰজাগাঁও,
  ৱাৰ্ড নং-৫, মৰিগাঁও নগৰ,
  ডাক + জিলা- মৰিগাঁও
  ফোন - ৯৪০১১-৭৯৫৬৭
- ফণী মালাকাৰ
  গাঁও- পূৰজ্যোতি নগৰ (ইন্দ্ৰপুৰ)
  ডাক- বামুণীমৈদাম
  জিলা- কামৰূপ (মহানগৰ)
  পিন-৭৮১০২১
  ফোন- ৯৫৭৭৬-২৫৬২৪
- কুশল ঠাকুৰীয়া
  গাঁও- খাৰঘূলি, গুৱাহাটী
  নামনি লুইতপুৰ
  ডাক- খাৰঘুলি, পিন-৭৮১০০৪
  জিলা- কামৰূপ মহানগৰ
  ফোন-৯৮৬৪০-৬৭৩৭৩
- নিৰ্মলা দাস (মনোনীত)
  গাঁও- ৰুক্মিণী নগৰ,
  ডাক- অসম সচিবালয়
  জিলা- কামৰূপ মহানগৰ
  (দিচপুৰ), পিন-৭৮১০০৬
  ফোন-৯৪৩৫০-৪৬১৭২
- জ্যোতিৰ্ময় তামুলী
  গাঁও- খলিহা, ডাক- খলিহা
  জিলা- কামৰূপ (দঃপঃ কামৰূপ)
  পিন-৭৮১১৩৫
  ফোন-৯৪৩৫১-৯১৭৯৮
- শ্যামন্ত দাস
  গাঁও- শুৱালকুছি (ফুলবাৰী)
  ডাক- শুৱালকুছি,
  জিলা- কামৰূপ (হাজো)
  ফোন-৯৯৫৪০-৩৬৯০৮
- জয়ৰাম ডেকা
  গাঁও- বাইহাটা,
  ডাক- বাইহাটা
  পিন-৭৮১৩৩৫
  জিলা- কামৰূপ (ৰঙিয়া)
  ফোন- ৯৭০৬৪-৪৪৩৮৬
- অম্বৰীশ কুমাৰ বৈশ্য
  গাঁও- বকুৰাজাৰী,
  ডাক- বকুৰাজাৰী
  জিলা- নলবাৰী, পিন-৭৮১৩৪০
  ফোন- ৯৮৫৪৪-৫৩৮১৫
- কেশৱ মোহন কলিতা
  গাঁও- চন্দ্ৰপুৰ, মালিকুছি,
  ডাক- নলবাৰী, পিন-৭৮১৩৩৫
  ফোন-৯৮৫৯৬-১৮১২২
- বিজয় চৰণ কলিতা
  গাঁও- জাপাৰকুছি,
  ডাক- চকবজাৰ, নলবাৰী,
  জিলা- নলবাৰী
  ফোন- ৯৮৬৪৩-৩৪৭৯৭
- মুনীন্দ্ৰ কুমাৰ দাস
  গাঁও- অকয়া,
  ডাক- অকয়া
  জিলা- বৰপেটা (বজালি)
  পিন-৭৮১৩২৯
  ফোন- ৯৮৫৯৪-৭৫০৪২
- ড° জগত চন্দ্ৰ কলিতা
  অভয়াপুৰী মহাবিদ্যালয়
  ডাক- অভয়াপুৰী,
  পিন- ৭৮৩৩৮৪
  জিলা- বঙাইগাঁও
  ফোন- ৯৪৩৫৮-৩০০৯৫
- নীৰেন চন্দ্ৰ ৰায়
  গাঁও- নাচনকুটি নং ১
  ডাক- বিলাসপুৰ (ভায়া) বাসুগাঁও
  জিলা- বঙাইগাঁও (কোকৰাঝাৰ)
  পিন-৭৮৩৩৭২,
  ফোন-৯৮৬৪৬-৩৭২১০
- নিখিল চন্দ্ৰ দাস
  গাঁও- বিজনী টাউন, ৱাৰ্ড নং ৩
  ডাক- বিজনী,
  জিলা- চিৰাং
  পিন- ৭৮৩৩৯০
  ফোন- ৯৬৭৮৫-৩১৮২৪
- যতীন সাউদ
  গাঁও- শান্তিপুৰ,
  ডাক- নিজ শান্তিপুৰ
  পিন-৭৮১৩৪৯,
  জিলা- বাক্‌সা
  ফোন- ৯৯৫৭৬-৯৩২৪৫
- বসুন্ধৰ ডেকা
  গাঁও- কমাৰগাঁও, খটৰাসত্ৰ
  ডাক- দিপীলা,
  জিলা- দৰং
  পিন-৭৮৪১৪৪,
  ফোন-৯৮৫৯১-৩৪৫৪৪

**নাম-ধৰ্ম**

- মহেন্দ্ৰ নাথ বৈশ্য
  গাঁও- মঙ্গলদৈ টাউন
  ৫ নং ৱাৰ্ড
  ডাক- মঙ্গলদৈ,
  জিলা- দৰং
  পিন- ৭৮৪১২১৫
  ফোন- ৯৮৫৪৩-৩৪৩৮১
- বিৰিঞ্চি কুমাৰ বৰা
  গাঁও- ভেলাপাৰা,
  ডাক- ৰৌতা চাৰিআলি,
  পিন- ৭৮৪৫০৮
  জিলা- ওদালগুৰি
  ফোন- ৯৪৩৫১-৮৪২৭০
- পুনাৰাম গোহাঞি
  গাঁও- ইটাখোলা,
  ডাক- ইটাখোলা
  জিলা- শোণিতপুৰ (তেজপুৰ)
  পিন-৭৮৪১৮২
  ফোন- ৯৪৩৫৯-১৯৬৬৯
- প্ৰভাকৰ বৰ্মন
  গাঁও- ঢেকিয়াজুলি, ৱাৰ্ড নং- ১০
  ডাক- ঢেকিয়াজুলী
  জিলা- শোণিতপুৰ (তেজপুৰ)
  পিন- ৭৮৪১১০
  ফোন- ৯৪৩৫৫-০৭৬৬০
- উপেন চন্দ্ৰ নাথ (মনোনীত)
  গাঁও- নৰপুৰ, মাজগাঁও
  ডাক- নিকামূল
  জিলা- শোণিতপুৰ (তেজপুৰ)
  পিন- ৭৮৪১৫৪
  ফোন- ৯৪৩৫৭-৩৭৭২৮
- নগেন বৰুৱা
  গাঁও- বামগাঁও
  ডাক- বিশ্বনাথ চাৰিআলি
  জিলা- শোণিতপুৰ (বিশ্বনাথ)
  ফোন- ৯৪৩৫১-৮৩৫০৫
- থানেশ্বৰ লাহন
  গাঁও- বলমগুৰি
  ডাক- হেলেমগুৰি,
  পিন-৭৮৪১৭২
  জিলা- শোণিতপুৰ (গহপুৰ)
  ফোন-৯৮৫৪৯-৭৯২৫২
- মহেন্দ্ৰ দুৱৰা
  গাঁও- পূৰ্ব্বজ্যোতি নিগম
  ডাক- পুনিচোমনি
  জিলা- শোণিতপুৰ (গহপুৰ)
  পিন-৭৮৪১৭৮,
  ফোন-৯৬১৩৩৩০৬২৯
- প্ৰমোদ শইকীয়া
  গাঁও- বিষ্ণুপুৰ,
  ডাক- জৰিগুৰি
  জিলা- লখিমপুৰ
  ফোন- ৯৬৭৮৬-২৫০৩৯
- গোলাপ বৰা
  গাঁও- ৰঙতি,
  ডাক- পথালিপাহাৰ
  জিলা- লখিমপুৰ,
  পিন-৭৮৪১৬৩
  ফোন- ৯৪৩৫০-৮৬৮৬৮
- চক্ৰধৰ সোণোৱাল
  গাঁও- কদম কছাৰী,
  ডাক- ছুৱাইমৰীয়া
  জিলা- লখিমপুৰ
  ফোন- ৯৮৬৪৭-৪৬৫২২
- গোলাপ বৰুৱা
  গাঁও- ফান্দিবাৰী,
  ডাক- দুলীয়া পথাৰ
  জিলা- লক্ষীমপুৰ,
  পিন-৭৮৪১৬৪
  ফোন- ৯৬১৩৯-৫৫৭১৬
- দেৱকুমাৰ গগৈ
  গাঁও- দীঘলাচাপৰি
  ডাক- ঢকুৱাখনা,
  পিন- ৭৮৭০৫৫
  জিলা- লক্ষীমপুৰ (ঢকুৱাখনা)
  ফোন- ৯৯৫৭৬-২২৪৮৯
- মীন বৰুৱা
  গাঁও- গোৱালগাঁও,
  ডাক- গোবিন্দপুৰ
  জিলা- লক্ষীমপুৰ (ঢকুৱাখনা)
  ফোন- ৯৮৫৯৪-৭৪৯৫৪
- হেমকান্ত শইকীয়া
  গাঁও- দ'লগুৰি,
  ডাক- মাছখোৱা
  জিলা- ধেমাজী,
  পিন-৭৮৭০৫৮
  ফোন- ৯৪৩৫৫-৭১৪০৯
- পদ্ম গগৈ
  গাঁও- পূৱ বালিগাঁও,
  ডাক- গোগামুখ
  জিলা- ধেমাজি,
  পিন- ৭৮৭০৩৪
  ফোন- ৯৬১৩৫-৪১৩৮০
- মহেন্দ্ৰ বৰুৱা
  গাঁও- ১নং বৰুৱাগাঁও,
  ডাক- পেৰাভাৰী
  জিলা- ধেমাজী (জোনাই)
  পিন-৭৮৭০৫৭,
  ফোন-৯৯৫৭৫১০৫৬২
- ৰত্নেশ্বৰ বৰ্মন
  গাঁও- নাহৰলগন,
  ডাক- নাগৰলগন
  জিলা- পাপুমপাৰে (অৰুণাচল)
  ফোন- ৯৬১৫৯-৭৯৯৯২

## নাম-ধৰ্ম

- ৰুণুমী দত্ত ডেকা (মনোনীত)
  গাঁও- ৰঙিয়া,
  ডাক- ৰঙিয়া
  জিলা- কামৰূপ
  ফোন- ৯৮৬৪১-৪৫৯৪০
- গুণীৰাম বড়ো
  গাঁও- ১নং লক্ষীমপুৰ
  ডাক- উৰিয়ামঘাট,
  পিন-৭৮৫৬০১
  জিলা- গোলাঘাট (ধনশিৰি)
  ফোন- ৯৪০১২-০৩২৭১
- দীনেশ চন্দ্ৰ পাটগিৰি
  গাঁও- ভাৰেগাঁও,
  ডাক- সৰুপেটা
  জিলা- বৰপেটা, পিন-৭৮১৩১৮
  ফোন-৯৪০১৪-৫৪৫৭৯
- জয়ন্তী দাস (মনোনীত)
  গাঁও- পুৰণিভিটা,
  ডাক- আমজোঙ্গা
  জিলা- গোৱালপাৰা,
  পিন-৭৪৩১২৮
  ফোন-৯৪৩৫১-২৮৪৪১
- কৈলাস দাস (মনোনীত)
  গাঁও- নগৰ পানীগাঁও,
  ডাক- ইটাচালি
  জিলা- নগাঁও, পিন-৭৮২০০৩
  ফোন-৯৪৩৫০-৬০৫৪২
- ৰবীন্দ্ৰ নাৰায়ণ চৌধুৰী
  মাৰফৎ শঙ্কৰী সংস্কৃতি কেন্দ্ৰ
  ৰূপনগৰ, গুৱাহাটী
  ফোন-৯৪০১৩-৯৭৭৭৮
- গীতা পাঠক (মনোনীত)
  গাঁও- সত্ৰ-বাৰাদি, ডাক- বাৰাদি
  জিলা- বৰপেটা, পিন-৭৮১০৩১
  ফোন-৯৪৩৫৯-১৪০৬৫
- দেবেন্দ্ৰ নাথ দাস (মনোনীত)
  গাঁও- জাপৰিগোগ, ডাক- গুৱাহাটী
  জিলা- কামৰূপ, পিন-৭৮১০২১
  ফোন-৯৪৩৫০-১৩৬৬৯
- ড° ৰাতুল চন্দ্ৰ বৰা (মনোনীত)
  গাঁও- নন্দনপুৰ ১নং পথ
  ডাক- কটকীপুখুৰী,
  জিলা- যোৰহাট, পিন-৭৮৫০০৬
  ফোন-৯৪৩৫০-৫২৬৪৮
- বুবুল দাস (মনোনীত)
  গাঁও- খৰাআটি (দক্ষিণ),
  ডাক- তেজপুৰ, পিন-৭৮৪০০১
  জিলা- শোণিতপুৰ,
  ফোন-৯৪৩৫১-৮০২৬৩
- ডাঃ পুণিৰাম পাতৰ (মনোনীত)
  গাঁও- মৰিগাঁও নগৰ, ন-ভেটি
  ডাক + জিলা- মৰিগাঁও
  পিন-৭৮২১০৫,
  ফোন-৯৪৩৫৩৬৪৭৬৯
- চন্দ্ৰকিশোৰ ভকত
  গাঁও- সোনাখুলি,
  ডাক- সোনাখুলি
  জিলা- ধুবুৰী
  ফোন-৯৪৩৫৮-০০১১০
- পুষ্পনাৰায়ণ ভকত
  গাঁও- শালবাৰী
  ডাক- শালবাৰী,
  জিলা- কোচবিহাৰ
  ফোন- ৯৯৩২৬-৫৮৬০২
- অতুল ৰাজা
  গাঁও- নঙাগাঁও,
  ডাক- মৰঙা, নংপো
  মেঘালয়, ৰিভয় জিলা
- ভাবুৰাম কেওট
  জিলা- কামেং
  ফোন- ৮০১১৬-০২০২৯
- ভূবন চন্দ্ৰ গগৈ
  বোকাজান, হাতীগড়,
  ডাক- বোকাজান
  জিলা- কাৰ্বি আংলং (নাগালেণ্ড)
  ফোন- ৯৪৩৫২-৪২৩৮৭
- তোযেশ্বৰ খনিকৰ
  নাজিৰা নগৰ, ডাক- নাজিৰা
  জিলা- শিৱসাগৰ (অসম)
  ফোন- ৯৬৭৮৬-৩০০৪১

✯❁❁✧

# ৮০ সংখ্যক বকলিয়াঘাট অধিৰেশনত নতুনকৈ গঠন হোৱা
# শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ
# শৰণ সদস্যৰ নাম-ঠিকনা
## (২০১১-২০১২) (৮১-৮২) তম বৰ্ষ

- পুষ্পকান্ত ভূঞা
  গাঁও+ ডাক- পূৰথৰীয়া
  জিলা- নগাঁও,
  ফোন- ৯৮৫৯৩-৪৯০২২
- টঙ্কেশ্বৰ ডেকা
  গাঁও- মাজগাঁও,
  ডাক- পিঙ্গলেশ্বৰ
  জিলা- কামৰূপ,
  ফোন- ৯৪৩৫২-০৯৫৮৬
- সুৰেন্দ্ৰ নাথ কোঁৱৰ
  গাঁও- ঘগুৱা, ডাক- ঘগুৱা
  জিলা- মৰিগাঁও, পিন-৭৮২১০৫
  ফোন- ৯৮৫৯১-৯৭০২৪
- গুণীন্দ্ৰ কুলি
  গাঁও- কমনচেলেক গাঁও
  ডাক- তেলেম,
  জিলা- ধেমাজি
- পলিৰাম পেগু
  গাঁও- বুটুকা, ডাক- ৰতনপুৰ
  জিলা- তিনিচুকীয়া (শদিয়া)
  ফোন- ৯৬১৩২-১৪৩৮০
- ভূমিধৰ পাঠক
  গাঁও- মুৰকুছিয়াপাৰা
  ডাক- নিজ বাঙ্গালীপাৰা,
  জিলা- বাক্‌ছা
  পিন-৭৮১৩৩৩,
  ফোন-৯৯৫৭৩-২৫৮০৬
- দুৰ্গেশ্বৰ দত্ত
  গাঁও- লক্ষীপথাৰ কেন্দুগুৰি গাঁও
  ডাক- লক্ষীপথাৰ, ডিগবৈ
  জিলা- তিনিচুকীয়া,
  পিন- ৭৮৬১৭১
  ফোন-৯৮৫৪১-৯৯৫৭৯, ২২৪৬১
- গোলেশ্বৰ দত্ত
  গাঁও- ২নং লক্ষিমীখাট গাঁও
  ডাক- দিচৈ নগৰ,
  জিলা- যোৰহাট
  ফোন- ৯৬১৩৫-৬২৮৫৪
- মহেন্দ্ৰ নাথ শইকীয়া
  গাঁও- চকিয়াল, ডাক- চকিয়াল
  জিলা- যোৰহাট (তিতাবৰ)
  পিন-৭৮৫৬৩২,
  ফোন-৯৮৫৯১-২১৬৩৫
- তুলসীনাথ বড়া
  গাঁও- সুৱাগপুৰ,
  ডাক- যোৰহাট
  জিলা- যোৰহাট,
  ফোন- ৯৮৫৪৩-০২৮৩৫
- খগেন মেচ
  গাঁও- ওপৰ লাংঠা,
  ডাক- ওপৰ লাংঠা
  জিলা- ধনশিৰি (গোলাঘাট)
  পিন- ৭৮৫৬০২
- তুলসীৰাম নাথ
  গাঁও- বেটকাটি, ডাক- ধিং
  জিলা- নগাঁও,
  ফোন- ৯০৮৫৭-৯২৬৪০
- তাৰিণীকান্ত শইকীয়া
  গাঁও- ১নং গেদাৰবৰী,
  ডাক- চকলাঘাট
  জিলা- নগাঁও, পিন- ৭৮২১৪২
  ফোন- ৯৪০১৫-১১০৮৭
- নৰাম বৰা
  গাঁও- কামপুৰ পাৰলি গুৰি
  ডাক- কামপুৰ, জিলা- নগাঁও
  ফোন- ৭৮৯৬৪-৬২৮২৯
- খগেন নেওগ
  ডাক- শিমলুগুৰি,
  ডাক- শিমলুগুৰি
  জিলা- শোণিতপুৰ (গহপুৰ)
  ফোন- ৯৮৫৯৩-৫৯০৬৬
- গণেশ সন্দিকৈ
  গাঁও- গৰুধোৱাডুবি,
  ডাক- ব্ৰহ্মাজান
  জিলা- শোণিতপুৰ (গহপুৰ)
  ফোন- ৯৮৫৪৫-২১৬৬২
- মহেশ মহন্ত
  গাঁও- ৰামপুৰ, ডাক- ৰামপুৰ
  জিলা-কামৰূপ,
  ফোন-৯৭০৭০-৫২৮৫২

**নাম-ধৰ্ম**

- বৈকুণ্ঠ প্ৰসাদ দুৱৰা
  গাঁও- বেলতলা, ভগদত্তপুৰ
  ডাক- বেলতলা, গুৱাহাটী
  জিলা- কামৰূপ মহানগৰ,
  পিন-৭৮১০২৮
  ফোন- ৯৪৩৫৩-০২৭০০
- অৰবিন্দ ৰাভা
  গাঁও- আমজোঙ্গা পাহাৰতলী
  ডাক- আমজোঙ্গা,
  জিলা- গোৱালপাৰা
  ফোন- ৯৮৫৯৮-০৩৪৫৩
- কুলধৰ চুতীয়া
  গাঁও- ওপৰ হেঙ্গেৰাবাৰী
  ডাক- গুৱাহাটী-৩৬
  জিলা- কামৰূপ মহানগৰ
  ফোন- ৯৪৩৫৬-২৪০৯৮
- নবীন চেতিয়া
  গাঁও- নিজকদমনী
  ডাক- বৈৰাগীমঠ, ডিব্ৰুগড়
  জিলা- ডিব্ৰুগড়,
  ফোন-৯৮৫৪১-৬০৮৭৬
- নৰশীত ভকত
  গাঁও- জিনকাটা,
  ডাক- মহামায়াহাট
  জিলা- ধুবুৰী, পিন- ৭৮৩৩৩৫
  ফোন- ৯৬৭৮২-৮৭৫১২
- প্ৰমোদ বৰ্মন
  গাঁও- উজান উলুৱা,
  ডাক- নিত্যানন্দ
  জিলা- বৰপেটা,
  ফোন-৯৫৪৭-৬৯৯১২
- প্ৰেমেশ্বৰ লস্কৰ
  গাঁও- ডবকা নগৰ, ৯নং ৱাৰ্ড
  ডাক- ডবকা,
  জিলা- নগাঁও
  ফোন- ৯৪০১০-১০৩৩৯
- জয়কান্ত কোঁচ
  গাঁও- গোৱালদৈ,
  ডাক- মাছখোৱা
  জিলা- ধেমাজী, পিন- ৭৮৭০৫৮
  ফোন- ৯৪০১১-৭১৮৯০
- মুখ্যেশ্বৰ দিহিঙীয়া
  গাঁও- আমগুৰি আহোমগাঁও
  ডাক- বটুৰামুখ,
  জিলা- ধেমাজি
  ফোন- ৯৬১৩৬-৭৬৯১২
- লেখোৰাম বৰুৱা
  গাঁও- পানীকৰা,
  ডাক- মৰঙি চাৰিআলি
  জিলা- গোলাঘাট,
  পিন- ৭৮৫৬২১
  ফোন- ৭৮৯৬৫-৩২০৫৩
- নবীন বৰা
  গাঁও- হাবিয়াল,
  ডাক- গনক পুখুৰী
  জিলা- গোলাঘাট,
  পিন- ৭৮৫৬২১
  ফোন- ৯৬১৩০-১৯৪৭৬
- প্ৰিয়নাথ ৰায়
  গাঁও- গেৰুকাবাৰী,
  ডাক- গেৰুকাবাৰী
  জিলা- বঙাইগাঁও,
  পিন- ৭৮৩৩৯০
  ফোন- ৯৪৩৫৪-৮৪৯৩২
- পূৰণ চন্দ্ৰ ডেকা
  গাঁও- নিজমিকিৰ গাঁও
  ডাক- বাৰপূজীয়া,
  জিলা- মৰিগাঁও
  পিন-৭৮২১০৭,
  ফোন-৯৮৫৪৭-০৯৬৭২
- ভুবনেশ্বৰ ঠাকুৰীয়া
  গাঁও- হালধিআটী,
  ডাক- বকলিয়াঘাট
  জিলা- কাৰ্বি আংলং,
  পিন-৭৮২৪৮২
  ফোন- ৮০১১৪-৪০৩৪৪
- হৰিচৰণ কলিতা
  গাঁও- সন্ধা, ডাক- সন্ধা
  পিন- ৭৮১৩৩৫,
  জিলা- নলবাৰী
  ফোন- ৯৮৫৪৩-০৪৮৭৩
- মুহিধৰ ভৰালী
  গাঁও-কমলাবাৰী,
  ডাক-কমলাবাৰী মাজুলী
  জিলা- যোৰহাট,
  ফোন-৯৪৩৫৬-৪১৬৩৬
- মুনীন্দ্ৰ গগৈ
  গাঁও- ২নং বহুপথাৰ,
  ডাক- দুলীয়া পথাৰ
  জিলা- লক্ষীমপুৰ,
  পিন- ৭৮৪১৬৪
  ফোন- ৯৮৫৪৪-৪৪৩৯৭
- অক্ষয় উজিৰ
  গাঁও- দতৰা, ডাক- চুলিয়াকাটা
  জিলা- বৰপেটা
  ফোন- ৯৯৫৪৪-৫৯০১৪
- নগেন্দ্ৰ নাথ বৰুৱা
  গাঁও- বৰদিহিঙিয়া,
  ডাক- কমাৰগাঁও
  জিলা- গোলাঘাট
  ফোন- ৯৮৫৯৭-১৭৩২০
- কমলাকান্ত গগৈ
  গাঁও- জ্যোতিনগৰ, নামৰূপ
  ডাক- পৰ্বতপুৰ, নামৰূপ
  জিলা- ডিব্ৰুগড়
  ফোন- ৯৪৩৫২-৮২০৮৭

## নাম-ধৰ্ম

- ৰন্তিৰাম বৰুৱা
  গাঁও- কটৰা,
  ডাক- শান্তিপুখুৰী
  জিলা- দৰং,
  ফোন- ৯৮৫৯০-৮৬২১৭
- ৰবিৰাম নাথ
  গাঁও- ধমধমা,
  ডাক- নিজ ধমধমা
  জিলা- নলবাৰী,
  পিন- ৭৮১৩৪৯
  ফোন- ৯৪৩৫৩-১১১৬১
- ৰমা সাধনিদাৰ
  গাঁও- গোৱালগাঁও,
  ডাক- দিখৌমুখ
  জিলা- শিৱসাগৰ
  ফোন- ৯৯৫৭৬-৬৮৯৩৫
- কৃষ্ণ বৰুৱা
  গাঁও- ন-পাম চকলীয়া
  ডাক- বৰহাট,
  জিলা- শিৱসাগৰ
  পিন- ৭৮৫৬৯৩
  ফোন- ৯৯৫৪৭-৪৩৩৭২
- নন্দ কোঁৱৰ
  গাঁও- কোঁৱৰগাঁও, ডাক- ঢকুৱাখনা
  জিলা- লক্ষীমপুৰ
- নীলকান্ত বৰা
  গাঁও- বৰঙাবাৰী,
  ডাক- চমুৱাপাৰা
  জিলা- দৰং
- পূৰ্ণচন্দ্ৰ ৰায়
  গাঁও- অভয়াপুৰি
  ৩নং ৱাৰ্ড, অনন্ত দত্ত পথ
  ডাক- অভয়াপুৰি,
  জিলা- বঙ্গাইগাঁও
  ফোন- ৯৯৫৭৫-৮৩৮৩৬
- বীৰেণ দাস
  গাঁও- কচুবাৰীগাঁও,
  ডাক- কচুবাৰী
  জিলা- বাক্চা,
  ফোন-৯৬১৩৩-২১১৬৭
- মহেন্দ্ৰ দেউৰী
  গাঁও- ওপৰ তৰাডুবিগাঁও,
  ডাক- তৰাডুবি,
  জিলা- কাৰ্বি আংলং (হামৰেণ)
- হেমন্ত কুমাৰ ভকত
  গাঁও- কুৰ্শাকিটি,
  ডাক- মোলানডুবি
  পিন-৭৮৩৩৩৪,
  জিলা- ধুবুৰী
  ফোন-৯৯৫৪২-০৮৮৮৫
- ৰমাকান্ত টাইড
  গাঁও- ঘুণাসূঁতি বাঘমৰা
  ডাক- ঘুণাসূঁতি,
  পিন- ৭৮৭০০১
  ফোন- ৯৮৫৯০-৯০২৫২
- তিলেশ্বৰ দাস
  গাঁও- শেনচোৱা,
  ডাক- গমিৰিপাল
  জিলা- শোণিতপুৰ
  ফোন-৯৮৫৪৮-৬৪১২০
- নকুল দাস
  গাঁও- মাজৰকুৰি
  ডাক- মাজৰকুৰি (নামপাৰা চুক)
  পিন-৭৮১১০২,
  জিলা- হাজো
  ফোন-৯৬১৩১-৩৮১২৯